UG AS S4-02
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

চতুর্থ ষাণ্মাসিক

পালি-প্রাকৃত-অপভ্রংশ ব্যাকৰণ আৰু পাঠ

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° অনুৰাধা শর্মা, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	পালি ভাষাৰ স্ৱৰবর্ণ আৰু ব্যঞ্জনবর্ণ	ড° কনেশ্বৰ বৰুৱা, সহকাৰী অধ্যাপক, গোসাইগাঁও মহাবিদ্যালয়
২	পালি ভাষাৰ ব্যাকৰণৰ কেইটামান দিশ	ড° কনেশ্বৰ বৰুৱা
৩	প্রাকৃত ভাষাৰ স্ৱৰবর্ণ আৰু ব্যঞ্জনবর্ণ	ড° কনেশ্বৰ বৰুৱা
৪	প্রাকৃত ভাষাৰ ব্যাকৰণৰ সাধাৰণ পৰিচয়	ড° কনেশ্বৰ বৰুৱা
	জাতীয়-জনগোষ্ঠীয় উপাদান আৰু অৱদান	ড° কনেশ্বৰ বৰুৱা
৫	পালি সাহিত্যৰ পৰিচয়	ড° কনেশ্বৰ বৰুৱা আৰু ড° মৃণাল জ্যোতি গোস্বামী
৬	প্রাকৃত সাহিত্যৰ পৰিচয়	ড° কনেশ্বৰ বৰুৱা আৰু ড° মৃণাল জ্যোতি গোস্বামী
৭	*ধম্মপদ* সাধাৰণ পৰিচয়	ড° কনেশ্বৰ বৰুৱা
৮	*ধম্মপদ* — অপ্পমাদ আৰু পুপ্ফ বগ্গ	ড° কনেশ্বৰ বৰুৱা
৯	*কর্পূৰমঞ্জৰী* — ১	ড° কনেশ্বৰ বৰুৱা
১০	*কর্পূৰমঞ্জৰী* — ২	ড° কনেশ্বৰ বৰুৱা
১১	কালিদাসৰ জীৱন আৰু কৃতি	ড° থানেশ্বৰ শর্মা, সহযোগী অধ্যাপক, ... ড° মৃণাল জ্যোতি গোস্বামী
১২	কালিদাস — *অভিজ্ঞানশকুন্তলম্* (ষষ্ঠ অংকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথন)	ড° মৃণাল জ্যোতি গোস্বামী
১৩	*সন্দেশ ৰাসক* — ১	ড° কনেশ্বৰ বৰুৱা আৰু ড° মৃণাল জ্যোতি গোস্বামী
১৪	*সন্দেশ ৰাসক* — ২	ড° কনেশ্বৰ বৰুৱা

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° স্মৃতি ৰেখা ভূঞা, সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

এপ্রিল, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.ac.in

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**পালি ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ** পালিৰ স্ৱৰ বৰ্ণসমূহৰ পৰিচয় ঃ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য; পালিৰ ব্যঞ্জনবৰ্ণসমূহৰ পৰিচয় ঃ ব্যঞ্জনৱৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য, সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তনৰ ধাৰা	৭-১৮
অধ্যায় ২ ঃ	**পালি ভাষাৰ ব্যাকৰণৰ কেইটামান দিশ** সন্ধি; লিঙ্গ; শব্দৰূপ ঃ পালিৰ বিভক্তিৰ তালিকা; ধাতুৰূপ; সাধিত ধাতুৰূপ; অসমাপিকা ধাতুৰূপ	১৯-৩২
অধ্যায় ৩ ঃ	**প্ৰাকৃত ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ** প্ৰাকৃত ভাষা; প্ৰাকৃত স্ৱৰবৰ্ণসমূহৰ পৰিচয় ঃ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য; প্ৰাকৃত ব্যঞ্জনবৰ্ণসমূহৰ পৰিচয় ঃ ব্যঞ্জনবৰ্ণসমূহৰ পৰিৱৰ্তনৰ ধাৰা	৩৩-৪৩
অধ্যায় ৪ ঃ	**প্ৰাকৃত ভাষাৰ ব্যাকৰণৰ সাধাৰণ পৰিচয়** সন্ধি; লিঙ্গ; শব্দৰূপ; ধাতুৰূপ; সাধিত ধাতুৰূপ; অসমাপিকা ৰূপ	৪৪-৫৪
অধ্যায় ৫ ঃ	**পালি সাহিত্যৰ পৰিচয়** পালি সাহিত্য; পালি সাহিত্যৰ শ্ৰেণীবিভাগ ঃ *ত্ৰিপিটক* আৰু *ত্ৰিপিটকৰ* অন্তৰ্গত সাহিত্যৰ পৰিচয়, *ত্ৰিপিটক* বহির্ভূত সাহিত্যৰ পৰিচয়	৫৫-৬৯
অধ্যায় ৬ ঃ	**প্ৰাকৃত সাহিত্যৰ পৰিচয়** প্ৰাকৃত সাহিত্য; প্ৰাকৃত সাহিত্যৰ শ্ৰেণী বিভাগ ঃ জৈন ধৰ্মৰ অন্তৰ্ভুক্ত সাহিত্য, ধৰ্ম নিৰপেক্ষ সাহিত্য	৭০-৮০
অধ্যায় ৭ ঃ	***ধম্মপদ* সাধাৰণ পৰিচয়** *ধম্মপদৰ* ৰচনা কাল আৰু ৰচয়িতা; *ধম্মপদ* শব্দৰ অৰ্থ; *ধম্মপদৰ* বিষয়বস্তু	৮১-৮৯
অধ্যায় ৮ ঃ	***ধম্মপদ* — অপ্‌পমাদ আৰু পুপ্‌ফ বগ্‌গ** অপ্‌পমাদ বগ্‌গৰ মূল পাঠ আৰু অসমীয়া অনুবাদ ঃ কঠিন শব্দৰ ভাষিক অনুশীলন; অপ্‌পমাদ বগ্‌গৰ মূল কথা; অপ্‌পমাদ বগ্‌গৰ নামকৰণৰ তাৎপর্য; পুপ্‌ফ বগ্‌গৰ মূল পাঠ আৰু অসমীয়া অনুবাদ ঃ কঠিন শব্দৰ ভাষিক অনুশীলন; পুপ্‌ফ বগ্‌গৰ মূল কথা; পুপ্‌ফ বগ্‌গৰ নামকৰণৰ তাৎপর্য	৯০-১০৫
অধ্যায় ৯ ঃ	***কর্পূৰমঞ্জৰী* — ১** প্ৰথম প্ৰাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰী;* ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ কাল আৰু ৰচনাৱলী; *কর্পূৰমঞ্জৰীত* ব্যৱহৃত প্ৰাকৃত আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য; 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী*	১০৬-১১৭
অধ্যায় ১০ ঃ	***কর্পূৰমঞ্জৰী* — ২** *কর্পূৰমঞ্জৰীৰ* কাহিনী আৰু কাহিনীৰ উৎস; চৰিত্ৰ-চিত্ৰণ; *কর্পূৰমঞ্জৰীৰ* মূল পাঠ আৰু অসমীয়া অনুবাদ	১১৮-১৩২

অধ্যায় ১১ ঃ **কালিদাসৰ জীৱন আৰু কৃতি** **১৩৩-১৪৫**

মহাকবি কালিদাসৰ জীৱনবৃত্ত; কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস; কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্য; কালিদাসৰ লেখনিৰ বৈশিষ্ট্য

অধ্যায় ১২ ঃ **কালিদাস — *অভিজ্ঞানশকুন্তলম্* (ষষ্ঠ অংকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথন)** **১৪৬-১৬৩**

*অভিজ্ঞানশকুন্তলম্*ৰ কাহিনীভাগ; মূলপাঠ — পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা; ভাষাশৈলীৰ সাধাৰণ আলোচনা, কাব্যিক সৌন্দর্য

অধ্যায় ১৩ ঃ ***সন্দেশ ৰাসক* — ১** **১৬৪-১৭৩**

*সন্দেশ ৰাসক*ৰ ৰচয়িতা আব্দুল ৰহমানৰ পৰিচয় আৰু ৰচনাকাল; ৰাসক কি; দূত কাব্য হিচাপে *সন্দেশ ৰাসক*

অধ্যায় ১৪ ঃ ***সন্দেশ ৰাসক* — ২** **১৭৪-১৮৪**

*সন্দেশ ৰাসক*ৰ মূল পাঠ আৰু অসমীয়া অনুবাদ; কঠিন শব্দৰ ভাষিক টোকা আৰু শব্দাৰ্থ; *সন্দেশ ৰাসক*ৰ ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্য; *সন্দেশ ৰাসক*ৰ কাহিনীভাগ; *সন্দেশ ৰাসক*ৰ কাব্যিক সৌন্দর্য

প্ৰসংগপুথি **১৮৫-১৮৬**

পাঠ্যবিষয়ৰ পৰিচয় ঃ পালি-প্ৰাকৃত-অপভ্ৰংশ ব্যাকৰণ আৰু পাঠ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বৰ্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগ বঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্ৰমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্ৰদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। এইখন পাঠ্যবিষয়ৰ নাম "পালি-প্ৰাকৃত-অপভ্ৰংশ ব্যাকৰণ আৰু পাঠ"। এইখন বুনিয়াদী পাঠ্যবিষয় আৰু চতুৰ্থ ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়। এইখন পাঠ্যবিষয়টিত মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত পালি-প্ৰাকৃত-অপভ্ৰংশ-অৱহট্‌ঠ ভাষাত ৰচিত হোৱা কেইটিমান উল্লেখযোগ্য সাহিত্য-কৃতিৰ বিষয়ে আলোচনা কৰা লগতে ব্যাকৰণৰো সাধাৰণ আভাস দাঙি ধৰা হৈছে। পাঠ্যবিষয়টি অধ্যয়ন কৰি আপুনি পালি-প্ৰাকৃত-অপভ্ৰংশ-অৱহট্‌ঠ ভাষাৰ সাহিত্য তথা ভাষাতাত্ত্বিক দিশ সম্পৰ্কে গভীৰ ধাৰণা লাভ কৰিব।

বিভিন্ন সময়ত হোৱা ৰূপগত, ধ্বনিগত আৰু বাক্যগত পৰিৱৰ্তনৰ ভিত্তিত ভাৰতীয় আৰ্য ভাষাক তিনিটা প্ৰধান স্তৰত ভাগ কৰা হয়, যথা — (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা, (খ) মধ্য ভাৰতীয় আৰ্যভাষা আৰু (গ) নব্য ভাৰতীয় আৰ্যভাষা। দৰাচলতে, প্ৰাচীন ভাৰতীয় আৰ্যৰ পৰা মধ্য ভাৰতীয় আৰ্য আৰু তাৰে পৰা নব্য ভাৰতীয় আৰ্যভাষাবোৰ ওলাইছে। মধ্য ভাৰতীয় আৰ্য ভাষাক পুনৰ তিনিটা প্ৰধান স্তৰত বিভাজন কৰি আলোচনা কৰা হয়, যথা — পালি স্তৰ, প্ৰাকৃত স্তৰ আৰু অপভ্ৰংশ স্তৰ। এই কথা আপুনি ইতিমধ্যে তৃতীয় ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে। মন কৰিব যে মধ্য ভাৰতীয় প্ৰাকৃতৰ প্ৰথম স্তৰ দুটাক সামগ্ৰিকভাৱে প্ৰাকৃত স্তৰ বুলিও অভিহিত কৰে। এই তিনিওটা স্তৰতে বিবিধ সাহিত্যৰ সৃষ্টি হৈছিল। পালি-প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ সাহিত্যৰ সম্যক পৰিচয় দাঙি ধৰিবলৈকে প্ৰত্যেকটো স্তৰৰকে প্ৰতিনিধিত্ব কৰিব পৰাকৈ কেইটিমান পাঠাংশ নিৰ্বাচন কৰি এই পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰা হৈছে। সেই পাঠাংশসমূহৰ আলোচনাৰ প্ৰসংগত পাঠসমূহ ৰচনা কৰা লেখকজনৰ জীৱন আৰু কৃতিৰ লগতে সম্পূৰ্ণ গ্ৰন্থ বা ৰচনাখনৰো সম্যক পৰিচয় দাঙি ধৰা হৈছে। সামগ্ৰিকভাৱে ক'ব পাৰি পাঠ্যবিষয়টিত পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষাৰ ব্যাকৰণগত কিছু দিশৰ লগতে সাহিত্য সম্পৰ্কেও আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

প্ৰথম অধ্যায়টোৰ শিৰোনাম 'পালি ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জন বৰ্ণ'। ইয়াত পালিৰ স্ৱৰ বৰ্ণসমূহ আৰু ব্যঞ্জন বৰ্ণসমূহৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায় 'পালি ভাষাৰ ব্যাকৰণৰ কেইটামান দিশ'ত পালিৰ সন্ধি, লিঙ্গ, শব্দৰূপ, ধাতুৰূপ আদিৰ বিষয়ে আলোচনা কৰা হৈছে। ঠিক সেইদৰে তৃতীয় আৰু চতুৰ্থ অধ্যায়ত ক্ৰমে প্ৰাকৃতৰ স্ৱৰ আৰু ব্যঞ্জন বৰ্ণসমূহ তথা সন্ধি, লিঙ্গ, শব্দৰূপ আৰু ধাতুৰূপৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। এই অধ্যায় চাৰিটাৰ অধ্যয়নে আপোনাক পালি আৰু প্ৰাকৃত ভাষাৰ ভাষাতাত্ত্বিক দিশসমূহৰ লগত পৰিচিত কৰাই দিব।

সংস্কৃতৰ দৰে পালি আৰু প্ৰাকৃত ভাষাতো বিবিধ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। পালি ভাষাত মূলতঃ বৌদ্ধ ধৰ্মীয় মূল গ্ৰন্থ *ত্ৰিপিটক* আৰু *ত্ৰিপিটকৰ* অন্তৰ্গত বিবিধ সাহিত্যৰ সৃষ্টি হৈছিল। অৱশ্যে, *ত্ৰিপিটক* বহিৰ্ভূত সাহিত্যও যে ৰচনা হোৱা নাছিল তেনে নহয়। এই বিষয়ে পঞ্চম অধ্যায়ত বহলাই আলোচনা কৰা গৈছে। পালিৰ দৰে প্ৰাকৃততো দুই ধাৰাৰ সাহিত্য ৰচিত হৈছিল — জৈন ধৰ্মৰ অন্তৰ্ভুক্ত সাহিত্য আৰু ধৰ্ম নিৰপেক্ষ সাহিত্য। এই বিষয়ে ষষ্ঠ অধ্যায়ত বহলাই আলোচনা কৰা হৈছে।

বৌদ্ধসকলৰ মূল ধৰ্মশাস্ত্ৰ *ত্ৰিপিটকৰ* অন্যতম 'সুত্ত পিটক'ৰ অন্তৰ্গত খুদ্দক নিকায়ৰ দ্বিতীয় গ্ৰন্থ *ধম্মপদৰ* গুৰুত্ব বৌদ্ধ সাহিত্যত অপৰিসীম। সম্ৰাট অশোকৰ ৰাজত্ব কালত পাটলিপুত্ৰত অনুষ্ঠিত তৃতীয় বৌদ্ধ 'মহাসংগীতি'ত বৌদ্ধ ধৰ্মৰ তিনি পিটকৰ সম্পাদনা আৰু ভাষ্যাদিয়ে বহুখিনি পূৰ্ণতা লাভ কৰে আৰু *ধম্মপদ* সেই আলোচনা, বিতৰ্ক, বাখ্যা আদিৰে উল্লেখযোগ্য সফল পৰিণতি বুলি বিবেচনা কৰা হয়। এই গ্ৰন্থখনৰ দুটা বগ্‌গ (বৰ্গ) আমাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়ে সপ্তম অধ্যায়ত *ধম্মপদৰ* ৰচনা কাল আৰু ৰচয়িতা, *ধম্মপদ* শব্দৰ অৰ্থ, *ধম্মপদৰ* বিষয়বস্তু সম্পৰ্কে আলোচনা কৰি অষ্টম অধ্যায়ত পাঠবিষয়ৰ বাবে নিৰ্বাচিত অপ্‌পমাদ বগ্‌গ আৰু পুপ্‌ফ বগ্‌গৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত মূল পাঠখিনি উল্লেখ কৰি তাৰ অসমীয়া অনুবাদ অন্তৰ্ভুক্ত কৰাৰ লগতে বগ্‌গদুটাৰ মূল কথা আৰু নামকৰণৰ তাৎপৰ্য বিচাৰ কৰা গৈছে।

কবিৰাজ ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* ভাৰতীয় নাট্য সাহিত্যৰ ইতিহাসত এক ব্যতিক্ৰমী সংযোজন; কাৰণ, ৰাজশেখৰেই পূৰ্ণাঙ্গভাৱে পোন প্ৰথমবাৰৰ বাবে প্ৰাকৃত ভাষাৰ মাধ্যমত নাটক ৰচনা কৰাৰ পৰম্পৰা সূচনা কৰাৰ লগতে 'সট্টক' নামৰ এক নব্য নাট্য শ্ৰেণীৰো আ�ৰম্ভ কৰে। পাঠ্যবিষয়টিৰ নৱম আৰু দশম অধ্যায়ত আমি এই নাটকখনৰ বিষয়ে আলোচনা আগ বঢ়াইছোঁ। নৱম অধ্যায়ত প্ৰথম প্ৰাকৃত নাটক হিচাপে *কৰ্পূৰমঞ্জৰী*, ইয়াত ব্যৱহৃত প্ৰাকৃত আৰু তাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য, 'সট্টক' হিচাপে *কৰ্পূৰমঞ্জৰীৰ*

বিষয়ে আলোচনা কৰাৰ লগতে ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ কাল আৰু ৰচনাৱলী সম্পৰ্কেও কিছু কথা আলোচনা কৰা হৈছে। দশম অধ্যায়ত *কৰ্পূৰমঞ্জৰী*ৰ কাহিনী আৰু কাহিনীৰ উৎস, চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে চমুকৈ আলোচনা কৰি পাঠ্যবিষয়ত অন্তৰ্ভুক্ত *কৰ্পূৰমঞ্জৰী*ৰ মূল পাঠখিনি উল্লেখ কৰি তাৰ অসমীয়া অনুবাদ সন্নিৱিষ্ট কৰা হৈছে।

বিশ্ববিখ্যাত মহাকবি কালিদাসৰ সাহিত্যকৃতিৰ বিষয়ে কৈ বা লিখি ওৰ পোৱা নাযায়। কালিদাসেও তেওঁৰ নাটকত প্ৰাকৃত ভাষাৰ প্ৰয়োগ কৰিছিল। নাটকত প্ৰয়োগ কৰা প্ৰাকৃত ভাষাৰ বিষয়ে সম্যক পৰিচয় দাঙি ধৰিবলৈকে মহাকবি কালিদাস প্ৰণিত *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ ষষ্ঠ অংকৰ প্ৰৱেশক অংশ (ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথন) আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়ে একাদশ অধ্যায়ত কলিদাসৰ জীৱন আৰু কৃতি সম্পৰ্কে বহলাই আলোচনা কৰি দ্বাদশ অধ্যায়ত *অভিজ্ঞানশকুন্তলম্*ৰ কাহিনীভাগ উল্লেখ কৰি আপুনি পঢ়িবলগীয়া পাঠাংশৰ মূলপাঠ অসমীয়া ভাঙনিৰ সৈতে সন্নিৱিষ্ট কৰা গৈছে। কঠিন শব্দৰ শব্দগত টোকা দিয়াৰ লগতে অধ্যায়টোত প্ৰাকৃতাংশৰ ভাষাশৈলী আৰু কাব্যিক সৌন্দৰ্য বিচাৰ কৰা গৈছে।

মুছলমান কবি আব্দুল ৰহমানৰ দ্বাৰা ৰচিত *সন্দেশ ৰাসক* (*সংনেহ ৰাসউ*) শৌৰসেনী প্ৰাকৃতৰ অৰ্বাচীন ৰূপ অৰ্থাৎ পশ্চিমা অৱহট্‌ঠত ৰচিত এখন অমূল্য গ্ৰন্থ। ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ নিদৰ্শন *সন্দেশ ৰাসক* মূলতঃ এখন 'ৰাসক' শ্ৰেণীৰ গীতি কাব্য; য'ত এগৰাকী নাৰীৰ প্ৰেমপূৰ্ণ হৃদয়ৰ বিৰহ যন্ত্ৰণা বৰ মৰ্মস্পৰ্শী ৰূপত বৰ্ণনা কৰা হৈছে। এই কাব্যখনৰ প্ৰথম জৱনিকাৰ কিছু নিৰ্বাচিত অংশ আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কৰি আপোনাক অবহট্‌ঠ সাহিত্যৰো পৰিচয় দিব বিচৰা হৈছে। সেয়ে চতুৰ্দশ তথা পাঠ্যবিষয়খনৰ অন্তিমটো অধ্যায়ত *সন্দেশ ৰাসক*ৰ নিৰ্বাচিত অংশৰ মূল পাঠ আৰু অসমীয়া অনুবাদ উল্লেখ কৰি ইয়াৰ ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্য, সম্পূৰ্ণ কাহিনীভাগ আৰু কাব্যিক সৌন্দৰ্য বিচাৰ কৰা হৈছে। আগৰ অধ্যায়বোৰৰ দৰে ত্ৰয়োদশ অধ্যায়ত *সন্দেশ ৰাসক*ৰ ৰচয়িতা আব্দুল ৰহমানৰ পৰিচয় আৰু ৰচনাকাল, ৰাসক কি আৰু দূত কাব্য হিচাপে *সন্দেশ ৰাসক*ক বিচাৰ কৰা গৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ঃ পালি ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ পালিৰ স্ৱৰবৰ্ণসমূহৰ পৰিচয়

১.৩.১ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য

১.৪ পালিৰ ব্যঞ্জনবৰ্ণসমূহৰ পৰিচয়

১.৪.১ ব্যঞ্জনবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য

১.৪.২ সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তনৰ ধাৰা

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পালি ভাষাৰ স্ৱৰ আৰু ব্যঞ্জনধ্ৱনিসমূহৰ সবিশেষ পৰিচয় লাভ কৰিব পাৰিব
- পালি ভাষা যে সংস্কৃতৰে পৰিৱৰ্তিত ৰূপ তাক জনাৰ লগতে পালিৰ ধ্ৱনিসমূহো (স্ৱৰ আৰু ব্যঞ্জন) সংস্কৃতৰ পৰাই যে বিকাশ হোৱা সেই বিষয়েও অৱগত হ'ব
- উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী পালি ভাষাৰ ধ্ৱনিসমূহক তালিকাভুক্ত কৰিব পাৰিব
- স্ৱৰ আৰু ব্যঞ্জনধ্ৱনিসমূহে কেনেদৰে বিভিন্ন পৰিৱৰ্তনৰ মাজেৰে পালিৰ ৰূপ পাইছে সেই বিষয়ে জানিবলৈ সক্ষম হ'ব
- পালিৰ সংযুক্ত ব্যঞ্জনধ্ৱনিৰ বিভিন্ন ধাৰা সম্পৰ্কে অৱগত হ'ব

১.২ পৰিচয়

এইটো পালি-প্রাকৃত অধ্যয়ন শীৰ্ষক পাঠ্যবিষয়টিৰ প্রথম অধ্যায়। ইতিমধ্যে আপুনি ভাৰতীয় আৰ্যভাষা সম্পৰ্কে পূৱৰ্তী যাণ্মাসিকতে কিছু কথা অধ্যয়ন কৰি আহিছে। আপুনি জ্ঞাত যে, ভাৰতীয় আৰ্যভাষাৰ তিনিটা স্তৰৰ তিনিটা প্রতিনিধিত্বমূলক ভাষা হ'ল— সংস্কৃত, পালি-প্রাকৃত আৰু অসমীয়া। সংস্কৃত ভাষাই প্রাচীন ভাৰতীয় আৰ্যভাষাক প্রতিনিধিত্ব কৰাৰ বিপৰীতে পালি-প্রাকৃতে মধ্য ভাৰতীয় আৰ্যভাষাক আৰু অসমীয়া ভাষাই প্রতিনিধিত্ব কৰিছে

নব্য ভাৰতীয় আৰ্যভাষা স্তৰটোক। ভাষিক আৰু সাহিত্যিক দিশৰ পৰা তিনিওটা স্তৰৰে মূল্য অপৰিসীম। সেইফালৰ পৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ অৰ্থাৎ পালি-প্ৰাকৃতৰ স্তৰটোৰ গুৰুত্বও যথেষ্ট পৰিমাণে লক্ষ্য কৰা যায়। মধ্য ভাৰতীয় আৰ্যভাষাৰ দুটা বহল উপবিভাগ— পালি আৰু প্ৰাকৃত। পালি হৈছে প্ৰাকৃত স্তৰৰ প্ৰথম শিষ্ট বা সাহিত্যিক ৰূপ। এই প্ৰাকৃত ভাষা আকৌ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কথ্য ৰূপৰ পৰা উদ্ভৱ হৈছে। অৰ্থাৎ বৈদিক ভাষাই স্বাভাৱিক গতিৰে পৰিৱৰ্তন লাভ কৰি হোৱা ৰূপটোক সামগ্ৰিকভাৱে প্ৰাকৃত বুলি ক'লে, পালি তাৰেই আদি স্তৰৰ সাহিত্যিক নিদৰ্শন বুলিব পাৰি। সেয়েহে পালি ভাষাৰ আন্তঃগাঁথনি আৰু বহিঃগাঁথনি উভয়তে বৈদিক সংস্কৃতৰ প্ৰভাৱ স্পষ্ট। এই অধ্যায়টোত আমি পালি ভাষাৰ বৰ্ণমালা, স্বৰ আৰু ব্যঞ্জনবৰ্ণসমূহৰ বিৱৰণ, সেইবোৰৰ পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়া, সংযুক্ত ব্যঞ্জন সৰলীকৰণৰ বিভিন্ন ধাৰাকে আদি কৰি ব্যাকৰণৰ আন আন উপাদানসমূহৰ বিষয়েও বিশদভাৱে আলোচনা কৰিম। ইয়াৰ পৰৱৰ্তী অধ্যায়ত পালি ভাষাৰ আন কেইটামান ব্যাকৰণগত দিশ আৰু তাৰ পৰৱৰ্তী অধ্যায়ত প্ৰাকৃত ভাষাৰ ব্যাকৰণৰ কিছু কথা অধ্যয়ন কৰিম।

১.৩ পালিৰ স্বৰবৰ্ণসমূহৰ পৰিচয়

পালি ব্যাকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হ'ল মধ্য ভাৰতীয় আৰ্যভাষাৰ সামগ্ৰিক ব্যাকৰণৰ ক্ষেত্ৰত যিবোৰ সাধাৰণ বৈশিষ্ট্য দেখা যায়, তাৰে প্ৰায়বোৰেই পালি ব্যাকৰণৰো বৈশিষ্ট্য। ইয়াৰ মূল কাৰণ হ'ল পালিৰ মূল ভিত্তি হৈছে প্ৰাকৃতৰ পশ্চিমা উপভাষা আৰু ইয়াৰ পৰাই বিকশিত হৈ সৃষ্টি হোৱা মহাৰাষ্ট্ৰীয়েই আছিল সাহিত্যিক প্ৰাকৃত বা প্ৰাকৃতৰ মান-নিৰূপক ভাষা। কিন্তু পালি যিহেতু প্ৰাকৃতৰ আদি স্তৰটোৰ প্ৰথম সাহিত্যিক নিদৰ্শন বা ৰূপ, সেয়েহে পৰৱৰ্তী সাহিত্যিক প্ৰাকৃতৰ তুলনাত ইয়াত প্ৰাচীনতম লক্ষণ বহু পৰিমাণে বিৰাজমান। তদুপৰি ইয়াৰ সাহিত্যিক ৰূপৰ ব্যাকৰণগত আদৰ্শ সাহিত্যিক বৈদিকৰ আদৰ্শত পাণিনিয়ে সৃষ্টি কৰা সংস্কৃতহে। সেয়েহে পালি ব্যাকৰণত বৈদিক-সংস্কৃতৰ বৈশিষ্ট্য বহু পৰিমাণে লক্ষ্য কৰা যায়।

পালিৰ স্বৰধ্বনিৰ মূল হৈছে সংস্কৃত স্বৰধ্বনি। অৱশ্যে সংস্কৃতৰ আটাইবোৰ স্বৰধ্বনি পালিত ৰক্ষিত হোৱা নাই। সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা আছিল ১৪ টা। সেইবোৰ এনেধৰণৰ — অ, আ, ই, ঈ, উ, ঊ, ঋ, ৠ, ঌ, ৡ, এ, ঐ, ও আৰু ঔ। এই ১৪ টা স্বৰধ্বনিৰ বাহিৰেও সংস্কৃতত আৰু দুটা দ্ব্যক্ষৰীয় স্বৰধ্বনিৰ অস্তিত্ব দেখা যায়। সেই দুটা হ'ল 'অয়' আৰু 'অৱ'। সংস্কৃতৰ উল্লিখিত চৈধ্যটা স্বৰধ্বনিৰ আঠটা স্বৰধ্বনিহে পালিত ৰক্ষিত হোৱা দেখা যায়। পালিত ৰক্ষিত স্বৰধ্বনিকেইটা হ'ল — অ, আ, ই, ঈ, উ, ঊ, এ, ও। মাত্ৰা বা দৈঘ্যৰ ফালৰ পৰা ইহঁতৰ অ, ই আৰু উ — এই তিনিটা হ্ৰস্বস্বৰ আৰু আ, ঈ আৰু ঊ —এই তিনিটা দীৰ্ঘস্বৰ। এ আৰু ও এই দুটা যুগ্ম স্বৰ হিচাপে ধৰা হৈছে। পালিত সংস্কৃতৰ ঋ আৰু ৠ ধ্বনি একেবাৰে নাইকিয়া হৈ পৰিল আৰু ঋ, ৯, ঐ আৰু ঔ এইকেইটাও অন্য স্বৰলৈ পৰিৱৰ্তন হৈহে উচ্চাৰণ হ'ল। জিভাৰ অংশ আৰু অৱস্থান আৰু ওঁঠৰ আকৃতি অনুযায়ী পালি ভাষাৰ স্বৰধ্বনিৰ তালিকাখন তলত দিয়া হ'ল

তালিকা ১.১ ঃ পালি ভাষাৰ স্ৱৰধ্বনি

জিভাৰ অংশ →	*সমুখ*		*পশ্চ*	
জিভাৰ অৱস্থান ↓	হ্ৰস্ব	দীৰ্ঘ	হ্ৰস্ব	দীৰ্ঘ
উচ্চ/সংবৃত	ই	ঈ	উ	ঊ
উচ্চ মধ্য/অৰ্ধসংবৃত	এ		ও	
নিম্ন/বিবৃত			অ	আ

এইদৰে পালি ভাষাৰ স্ৱৰধ্বনিৰ তালিকাখন সজাব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পালিত দ্ব্যক্ষৰীয় স্ৱৰধ্বনি আছে। কথাষাৰ সচাঁ নে মিছা ?

.....

১.৩.১ স্ৱৰধ্বনিসমূহৰ বৈশিষ্ট্য

স্ৱৰধ্বনিৰ পৰিৱৰ্তনৰ মূল কাৰণটোৱেই হ'ল সৰলীকৰণ প্ৰৱণতা। পালি ভাষাৰ স্ৱৰধ্বনিসমূহৰ পৰিৱৰ্তনলৈ লক্ষ্য কৰিলে দুটা পদ্ধতি আমাৰ চকুত পৰে। সেই দুটা ক্ৰমে —

- নিয়মিত পৰিৱৰ্তন
- অনিয়মিত পৰিৱৰ্তন

পালিত সংস্কৃতৰ স্ৱৰধ্বনিসমূহ কেনেদৰে বিভিন্ন পৰিৱৰ্তনৰ মাজেৰে পালিলৈ আহিছে উপযুক্ত উদাহৰণসহ তলত দেখুওৱা হ'ল—

- *নিয়মিত পৰিৱৰ্তন ঃ* সংস্কৃতৰ যিকেইটা স্ৱৰধ্বনি সম্পূৰ্ণৰূপে আৰু নিৰ্দ্দিষ্টভাৱে অন্য ধ্বনিলৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হৈছে সেই ধ্বনি কেইটাৰ পৰিৱৰ্তনক নিয়মিত পৰিৱৰ্তন বুলি ধৰা হৈছে। নিয়মিত পৰিৱৰ্তনৰ ভিতৰত —
  - সংস্কৃতৰ ঋ ধ্বনি অ, ই, উ, এ, ৰ, ৰি, ৰু ধ্বনিলৈ পৰিৱৰ্তন হৈ ব্যৱহাৰ হ'ল। যেনে—

    ঋ > অ ; মৃত > মত ঋ > ৰ ; বৃহৎ > ব্ৰহা

    ঋ > ই ; তৃণ > তিণ ঋ > ৰি ; ঋষি > ৰিসি

    ঋ > উ ; ঋতু > উতু ঋ > ৰু ; বৃক্ষ > ৰুক্খ ইত্যাদি

    ঋ > এ ; গৃহ > গেহ
  - সংস্কৃতৰ '৯'- কাৰ 'উ' কাৰলৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হ'ল। অৱশ্যে পালিত ইয়াৰ ব্যৱহাৰ খুব কম। যেনে—



সমুখ আৰু পশ্চ ঃ জিভাৰ সমুখ ভাগেৰে উচ্চাৰিত ধ্বনিয়েই সমুখ, আনহাতে জিভাৰ পাছভাগৰ দ্বাৰা উচ্চাৰিত ধ্বনিয়েই পশ্চ।

উচ্চ, উচ্চ-মধ্য, নিম্ন ঃ জিভাৰ উচ্চতা বা জিভাখন কিমান দাং খাইছে তাৰ ওপৰত ভিত্তি কৰি উচ্চ, উচ্চ-মধ্য আৰু নিম্নত ভাগ কৰা হৈছে। সেই অনুসৰি অধিক ওপৰলৈ দাং খালে উচ্চ, মাজত থাকিলে মধ্য বা উচ্চ-মধ্য আৰু তললৈ নামি উচ্চাৰণ হ'লে নিম্ন বোলে।

সংবৃত আৰু বিবৃত ঃ ধ্বনি উচ্চাৰণত ওঁঠৰ আকৃতি বহল হ'লে বিবৃত আৰু ঠেক হ'লে সংবৃত বোলে।

কৃপ্তি > কুত্তি

- সংস্কৃত দ্বিস্বৰ ধ্বনি ঐ পালিত এ-লৈ পৰিৱৰ্তন হ'ল। অৱশ্যে কেতিয়াবা ই, ঈ ধ্বনিলৈয়ো পৰিৱৰ্তন ঘটিল। যেনে—

  ঐ > এ ; শৈল > সেল

  ঐ > ই, ঈ ; সৈন্ধৱ > সিন্ধৱ, ধৈর্য > ধীৰ।

- ঐ-ৰ দৰে ঔ ধ্বনিও পালিত বেছিভাগ ক্ষেত্রতে ও-ত পৰিণত হোৱাৰ উপৰি কেতিয়াবা অ, আ আৰু উ-লৈয়ো পৰিৱৰ্তন হ'ল। যেনে—

  ঔ > ও ; যৌবন > যোব্বন

  ঔ > অ ; সৌম্য > সম্ম

  ঔ > আ ; গৌৰৱম্ > গাৰৱম্

  ঔ > উ ; মৌক্তিক > মুত্তিক

- 'অয়' আৰু 'অৱ' সংস্কৃতৰ এই দুই দ্ব্যক্ষৰ ধ্বনি পালিত যথাক্রমে 'এ' আৰু 'ও' লৈ পৰিৱৰ্তন ঘটিল। অৱশ্যে কেতিয়াবা ৰক্ষিত হোৱাও দেখা যায়। যেনে—

  জয়তি > জয়তি, জেতি

  ভৱতি > ভৱতি, ভোতি

➢ *অনিয়মিত পৰিৱৰ্তন ঃ* সংস্কৃতৰ যি আঠটা স্বৰধ্বনি পালিত ৰক্ষিত হৈছে, সেইকেইটাৰো অনেক সময়ত অনেক পৰিৱৰ্তন ঘটিছে, এনে পৰিৱৰ্তনকে অনিয়মিত পৰিৱৰ্তন বুলি কোৱা হৈছে। অনিয়মিত বোলাৰ মূল কাৰণটো হ'ল এই ধ্বনিবোৰৰ পৰিৱৰ্তন কোনো নিয়মৰ মাজত আৱদ্ধ নহয়। কেতিয়াবা কোনো এটা স্বৰধ্বনি একেটা পৰিৱেশতে কোনো শব্দত পৰিৱৰ্তন হৈছে, আকৌ কেতিয়াবা অপৰিৱৰ্তিত হৈ আছে। পালিত প্রচলিত স্বৰধ্বনি সমূহৰ অনিয়মিত পৰিৱৰ্তনৰ কেতবোৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল —

অ > আ ; অলিন্দ > আলিন্দ

ই ; কস্য > কিস্স

এ ; অত্র > এত্থ

ও ; অন্তৰ > ওন্তো

আ > অ ; মাংস > মংস

এ ; মাতৃকা > মেত্তিকা

ই, ঈ > অ ; কৌশীদ্য > কোসজ্জ

উ ; শিশুকঃ > সুসুকো

এ ; ভীষ্ম > ভেস্স

উ, ঊ > অ ; গুৰু > গৰু

ই ; পুৰুষঃ > পৰিসো

ও ; পুৰাণ > পোৰাণ

এ > আ ; কেয়ুৰ > কায়ুৰ

ই ; প্ৰৱেশক > পসিব্বক

ও ; দ্বেষ > দোস

ও > উ ; জোৎস্না > জুন্হা

এই পৰিৱৰ্তনবোৰ কোনো নিয়মৰ মাজত আৱদ্ধ নহ'লেও শ্বাসাঘাত, স্ৱৰভক্তি, বৰ্ণ-বিপৰ্যয়, সমীভৱন, অপিনিহিতি, স্ৱৰ-সংযোজন, স্ৱৰ-সংকোচন আদিৰ বাবেই এনেবোৰ পৰিৱৰ্তন হৈছে বুলি ক'ব পাৰি। উল্লেখযোগ্য কথাটো হ'ল এটা গুণ বিশিষ্ট স্ৱৰধ্বনিৰ ঠাইত আন এটা গুণ বিশিষ্ট স্ৱৰধ্বনিৰ ব্যৱহাৰ পালিৰ ধ্বনিতত্ত্বৰ এটা বিশেষ বৈশিষ্ট্য।

ওপৰত উল্লেখ কৰা দুই শ্ৰেণীৰ পৰিৱৰ্তনৰ উপৰি স্ৱৰৰ হ্ৰস্বতা আৰু দীৰ্ঘতাৰ বাবেও কেতিয়াবা কোনো ধ্বনি পৰিৱৰ্তন হোৱা দেখা যায়। যেনে — নাসিক্য ব্যঞ্জনৰ পূৰ্বৰ দীৰ্ঘস্ৱৰ হ্ৰস্ব হয়। যেনে — দান্ত > দন্ত । সেইদৰে অনুস্বাৰৰ পূৰ্বৱৰ্তী দীৰ্ঘস্ৱৰ হ্ৰস্ব হয়। যেনে — মাংস > মংস। আনহাতে যুগ্ম ব্যঞ্জনৰ এটা ব্যঞ্জন লোপ হ'লে পূৰ্বৱৰ্তী হ্ৰস্বস্ৱৰ দীৰ্ঘ হয়। যেনে — স্পর্শ > ফাস ইত্যাদি।



চিন্তা-চৰ্চা কৰক — ১.১

পালিত স্ৱৰধ্বনিৰ পৰিৱৰ্তনৰ ধাৰাক কেইটা ভাগত ভাগ কৰিব পাৰি কৰি দেখুৱাওক। লগতে উপযুক্ত উদাহৰণ দিবলৈ যত্ন কৰক। সহায়ক গ্ৰন্থ হিচাপে *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য* আৰু *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ* গ্ৰন্থ দুখন চাব পাৰে।

১.৪ পালি ব্যঞ্জনবৰ্ণসমূহৰ পৰিচয়

স্ৱৰধ্বনিৰ দৰে পালিৰ ব্যঞ্জনধ্বনিও সংস্কৃতৰ পৰা বহুক্ষেত্ৰতে পৰিৱৰ্তন হোৱা দেখা গ'লেও পালিৰ ব্যঞ্জনধ্বনি মূলতঃ সংস্কৃতৰে অনুৰূপ। কেৱল পালিৰ নিজস্ব বৈশিষ্ট্য কেতবোৰৰ বাবে সংস্কৃতৰ কেইটামান ধ্বনিৰ ব্যৱহাৰ হোৱা নাছিল। তাৰে ভিতৰত সংস্কৃতৰ তিনিটা উষ্ম ধ্বনি — শ, ষ আৰু স-ৰ ভিতৰত পালিত কেৱল 'স'-ৰহে উচ্চাৰণ দেখা যায়। সেইফালৰ পৰা সংস্কৃতৰ তুলনাত পালিত ব্যঞ্জনধ্বনিৰ সংখ্যা কিছু কম হোৱাটো স্বাভাৱিক। বিচাৰ কৰি চালে পালিত ব্যঞ্জনৰ সংখ্যা ৩১ টা পোৱা যায়। তলত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী পালিৰ ব্যঞ্জনধ্বনিৰ তালিকাখন দিয়া হ'ল —

তালিকা ১.২ঃ পালি ভাষাৰ ব্যঞ্জনধ্বনি

উচ্চাৰণৰ স্থান		ওষ্ঠ্য		দন্ত্য		মূৰ্দ্ধন্য		তালব্য		পশ্চতালব্য		কণ্ঠনালীয়	
উচ্চাৰণ ধৰণ		অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
স্পর্শ	অল্পপ্রাণ	প	ব	ত	দ	ট	ড	চ	জ	ক	গ		
ধ্বনি	মহাপ্রাণ	ফ	ভ	থ	ধ	ঠ	ঢ	ছ	ঝ	খ	ঘ		
নাসিক্য			ম		ন		ণ		ঞ		ঙ		
উষ্ম					স								হ
পার্শ্বিক					ল								
কম্পিত							ৰ						
অর্ধব্যঞ্জন			ৱ						য়				

তালিকাভুক্ত এই ৩১ টা ব্যঞ্জনধ্বনিৰ 'ঙ' পালিত শব্দৰ আদ্য অৱস্থানত ব্যৱহাৰ নহয়। শব্দৰ মাজত অথবা শেষত 'ঙ' ধ্বনি অনুস্বাৰ (ং) হিচাপে উচ্চাৰিত হোৱা দেখা যায়।

১.৪.১ ব্যঞ্জনবর্ণসমূহৰ পৰিৱর্তনৰ বৈশিষ্ট্য

স্ৱৰধ্বনিৰ দৰে পালিত ব্যঞ্জনধ্বনিৰো বিভিন্ন পৰিৱর্তন দেখা যায়। সেইবোৰ মূলত—

- সংস্কৃতৰ বিভিন্ন ব্যঞ্জনধ্বনি পালিত বিভিন্ন ধৰণে পৰিৱর্তন হৈছে। মূলতঃ বিভিন্ন ধ্বনিগত কাৰণত, যেনে — ঘোষীভৱন, অঘোষীভৱন, মহাপ্রাণতা, মূর্ধন্যীভৱন, তালব্যীভৱন ইত্যাদি প্রক্রিয়াৰ কাৰণে বিভিন্ন ধৰণৰ পৰিৱর্তন ঘটা দেখা যায়। শব্দৰ আদি আৰু মধ্যস্থিত একক ব্যঞ্জনৰ ক্ষেত্রত এনে পৰিৱর্তনবোৰ ঘটিছে। যেনে —

  বিবেক > বিবেগ — (ঘোষীভৱন)
  অলাবু > অলাপু — (অঘোষীভৱন)
  পনস > ফণস — (মহাপ্রাণতা)
  কৃত > কট — (মূর্ধন্যীভৱন)
  মৃত্যু > মচ্চু — (তালব্যীভৱন)

  কেতিয়াবা আকৌ কোনো ব্যঞ্জনৰ ঠাইত কোনো শ্রুতি ধ্বনিৰ আগমনৰ জৰিয়তেও পৰিৱর্তন হোৱা দেখা যায়। যেনে — নিজ > নিয়, দাৱ > দায় ইত্যাদি।
- সংস্কৃতৰ তিনিটা উষ্ম ধ্বনি — শ, ষ, স-ৰ ভিতৰত পালিত কেৱল 'স' হে ৰক্ষিত হ'ল। যেনে — শব্দ > সদ্দ ; বর্ষ > বস্‌স।
- পদৰ অর্থাৎ শব্দৰ শেষত থকা 'ম' অনুস্বাৰ (ং) হয়। যেনে — গৃহম্ > গেহং।
- দন্ত্য 'ন' কেতিয়াবা মূর্ধন্য 'ণ' লৈ পৰিৱর্তন হয়। যেনে — নৱ > ণৱ।

- অনুস্বাৰৰ বাহিৰে বাকী সকলো পদান্ত ব্যঞ্জন লুপ্ত হ'ল। যেনে — সম্যক > সম্মা, বিদ্যুৎ > বিজ্জু।
- পালিত বিসর্গ (ঃ)-ৰ প্রয়োগ সমুলি নাইকীয়া হ'ল। অ-যুক্ত বিসর্গ (ঃ) 'ও' লৈ আৰু অন্যযুক্ত বিসর্গ লোপ পালে। যেনে — নৰঃ > নৰো, ধর্ম্মঃ > ধম্মো; কিন্তু ভিক্ষুঃ > ভিক্খু।
- পালিত ৰেফ (র্)-ৰ প্রয়োগ নাইকীয়া হ'ল। ৰেফযুক্ত ব্যঞ্জন পালিত দ্বিত হ'ল। যেনে— সর্ব > সব্ব; কার্য > কয্য।



জানি থোৱা ভাল

ওচৰা-উচৰিকৈ থকা দুটা ধ্বনি উচ্চাৰণ কৰি এটাৰ পৰা আনটো ধ্বনিলৈ যাওঁতে মাজত এটা হঠাতে নতুন ধ্বনিৰ সৃষ্টি হয়। এয়ে শ্রুতি ধ্বনি। যেনে — ই-ৰ পৰা অ-লৈ যাওঁতে আপোনা-আপুনি 'য়' ধ্বনি সৃষ্টি হয়। গতিকে 'য়' শ্রুতি ধ্বনি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পালিৰ ব্যঞ্জনধ্বনিৰ সংখ্যা কেইটা?

.....

প্রশ্ন নং ৩ ঃ পালিত বিসর্গৰ (ঃ) প্রয়োগ আছেনে?

.....

১.৪.২ সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তনৰ ধাৰা

দুটা বা ততোধিক ব্যঞ্জনেৰে গঠিত ব্যঞ্জনকে সংযুক্ত ব্যঞ্জন বোলে। পালিত দুটাতকৈ অধিক ব্যঞ্জনেৰে গঠিত সংযুক্ত ব্যঞ্জনৰ প্রয়োগ পোৱা নাযায়। কিন্তু সংস্কৃতত প্রায় তিনিকুৰিৰো অধিক সংযুক্ত ব্যঞ্জনৰ প্রয়োগ শব্দৰ বিভিন্ন অৱস্থানত পোৱা যায়। পালিত সংস্কৃতৰ এই সংযুক্ত ব্যঞ্জনবোৰ বিভিন্ন ধ্বনিগত পৰিৱর্তন প্রক্রিয়াৰ দ্বাৰা পৰিৱর্তন হৈ সৰলীকৰণ হৈছে। এই ক্ষেত্রত সমীভৱন প্রক্রিয়াৰ ভূমিকা সর্বাধিক। ইয়াৰ বাহিৰেও লোপ, ***বর্ণ বিপর্যয়,*** অপিনিহিতি, স্বৰাগম, স্বৰভক্তি, সম্প্রসাৰণ, বিষমীভৱন আদিৰ দ্বাৰাও সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন হোৱা দেখা যায়। অৱশ্যে কিছুমান সংযুক্ত ব্যঞ্জন,যেনে — স-যুক্ত, ৰ-যুক্ত আৰু য, ৱ - যুক্ত ব্যঞ্জন পালিত কোনো কোনো ক্ষেত্রত অপৰিৱর্তিত ৰূপত থকা দেখা যায়। সি যি কি নহওক পালিত সংযুক্ত ব্যঞ্জনৰ যি পৰিৱর্তন তাক অৱস্থান অনুযায়ী বিচাৰ কৰিলে তিনিটা ধাৰা আমাৰ চকুত পৰে। সেইকেইটা ক্রমে—

- আদি অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন



বর্ণ-বিপর্যয় ঃ পদৰ মাজত থকা ধ্বনিৰ পাৰস্পৰিক স্থান পৰিৱর্তনকে বর্ণ-বিপর্যয় বোলে।

- মধ্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন
- অন্ত্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন

উদাহৰণসহ এই ধাৰাসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- *আদি অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন ঃ*
  - আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ যে শব্দৰ আদিস্থিত স-যুক্ত, ৰ-যুক্ত, য় বা ৱ-যুক্ত ব্যঞ্জন ৰক্ষিত হয় বা একে ৰূপত থাকে। যেনে— স্বাগত > স্বাগত; ব্রাহ্মণ > ব্রাহ্মন; ব্যাকৰণম্ > ব্যাকৰণং; ব্যাপৃত > ব্যাৱট ইত্যাদি। অৱশ্যে কোনো কোনো শব্দৰ ক্ষেত্রত ***সমীভৱন*** প্রক্রিয়াৰে উচ্চাৰণ হোৱাও দেখা যায়। যেনে — প্রিয় > পিয়, প্রতি > পতি, স্বামী > সামী, ত্বয়া > তয়া ইত্যাদি।
  - আদিস্থিত সংযুক্ত ব্যঞ্জনৰ যি কোনো এটা ব্যঞ্জনৰ লোপৰ জৰিয়তে সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হোৱা দেখা যায়। যেনে —

    ক্ষ > খ ; ক্ষেমঃ > খেমো

    জ্ঞ > ঞ ; জ্ঞাতি > ঞাতি

    জ্য > জ ; জ্যোৎস্না > জোন্হা

    স্থ > থ ; স্থূল > থূল

    শ্ম > ম ; শ্মশান > মসান

    স্ত > থ ; স্তুপ > থূপ, ইত্যাদি।
  - লোপৰ উপৰি কেতিয়াবা আগমমূলক পৰিৱৰ্তনৰ জৰিয়তেও পালিত আদিস্থিত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন হোৱা দেখা যায়। এনে আগমমূলক পৰিৱৰ্তনৰ ভিতৰত স্বৰভক্তি আৰু স্বৰাগমেই প্রধান। উচ্চাৰণৰ সুবিধাৰ বাবে সংযুক্ত ব্যঞ্জনক এটা স্বৰৰ আগমনৰদ্বাৰা সৰল কৰা ৰীতিকে স্বৰভক্তি বোলে। এই স্বৰভক্তিৰ ৰীতিৰ জৰিয়তেও পালিত আদিস্থিত কোনো সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হয়। যেনে — ম্লান > মিলান ; ক্লেশ > কিলেস। একেদৰে উচ্চাৰণৰ সুবিধাৰ বাবেই কেতিয়াবা স্বৰৰ আগমন ঘটোৱা হয়। ইয়াক স্বৰাগম বোলে। এনে প্রক্রিয়াৰ জৰিয়তেও পালিত আদি অৱস্থানত থকা কোনো সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হয়। যেনে — স্ত্রী > ইত্থী।
  - উল্লিখিত নিয়মসমূহৰ বাহিৰেও আদিত থকা— ত্য > চ ; ধ্য > ঝ ; দ্য > জ লৈ পৰিৱৰ্তন হয়। যেনে — ত্যাগঃ > চাগো, ধ্যানং > ঝানং, দ্যুতি > জুতি ইত্যাদি।
- *মধ্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন ঃ*
  - মূলতঃ সংস্কৃত শব্দৰ মধ্য অৱস্থানত থকা সংযুক্ত ব্যঞ্জনবোৰ অধিকাংশ ক্ষেত্রতে পালিলৈ আহোঁতে সমীভৱনৰ জৰিয়তে সৰলীকৰণ হোৱা দেখা

সমীভৱন ঃ ওচৰা-ওচৰিকৈ থকা দুই ভিন্ন স্বৰ বা ব্যঞ্জনে উচ্চাৰণজনিত কাৰণত এটাই আনটোৰ ওপৰত প্রভাৱ বিস্তাৰ কৰাকে বা এটাই আনটোৰ সৈতে সমতা স্থাপন কৰাকে সমীভৱন বোলে। ব্যঞ্জন ধ্বনিয়ে ব্যঞ্জনৰ সমতা আনিলে ব্যঞ্জন সমীভৱন আৰু স্বৰ ধ্বনিয়ে স্বৰৰ সমতা আনিলে তাক স্বৰ সমীভৱন বোলে।

যায়। অৱশ্যে আদিৰ দৰে মধ্য স্থানৰ ক্ষেত্রতো স-যুক্ত, ৰ-যুক্ত আৰু য় অথবা ৱ-যুক্ত ব্যঞ্জনৰ সমীভৱনৰ লগতে অপৰিৱর্তিত ৰূপতো দেখা যায়। যেনে— অস্মি > অস্মি, অম্হি ; ভদ্র > ভদ্র, ভদ্দ ; আর্য্য > অয্য, অৰিয় ইত্যাদি।

- সমীভৱন প্রক্রিয়াৰ জৰিয়তে সৰল হোৱা কেতবোৰ শব্দৰ উদাহৰণ তলত দিয়া হ'ল —

  ক্ষ > ক্ খ - লক্ষণ > লক্খন

  ক্ম > প্ প - ৰুক্মিণী > ৰুপ্পিণী

  গ্ন > গ্ গ - অগ্নি > অগ্গি

  র্গ > গ্ গ - দুর্গত > দুগ্গঅ

  শ্চ > চ্চ - দুশ্চৰিত > দুচ্চৰিত

  স্প > প্ ফ - পুষ্প > পুপ্ফ

  দ্য > জ্জ - অদ্য > অজ্জ ইত্যাদি।

- সমীভৱনৰ বাহিৰেও সীমিত শব্দৰ ক্ষেত্রত হ'লেও বর্ণ-বিপর্যৰ মাজেৰেও মধ্যস্থিত শব্দৰ সৰলীকৰণ হোৱা দেখা যায়। যেনে —

  শ্ম > মহ্ - কাশ্মীৰ > কম্হীৰ

  স্ম > মহ্ - অস্মি > অম্হি

  শ্ন > ন্হ - প্রশ্ন > পণ্হ ইত্যাদি।

পালিত মধ্যস্থিত সংযুক্ত ব্যঞ্জনৰ ক্ষেত্রত আন দুটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল—

- সংস্কৃত সংযুক্ত ব্যঞ্জনৰ পূর্বৱর্তী দীর্ঘস্বৰ পালিত হ্রস্ব হয়। যেনে — কার্য > কজ্জ।
- সেইদৰে পদৰ মাজৰ এটা ব্যঞ্জন লোপ হ'লে কোনো কোনো শব্দৰ পূর্বৱর্তী হ্রস্ব স্বৰ দীর্ঘ হয়। যেনে — সর্ষপ > সাসপ।

জানি থোৱা ভাল



পদৰ স্থান বুলিলে সাধাৰণতে আদি, মধ্য আৰু অন্ত্য এই তিনিটা বুলি জনা যায়। পালিত যিহেতু অনুস্বাৰৰ বাহিৰে সকলো পদেই স্বৰান্ত, গতিকে পালিত আদি আৰু মধ্য — এই দুটা স্থানতহে সংযুক্ত ব্যঞ্জনৰ উপস্থিতি লক্ষ্য কৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ স্বৰভক্তি আৰু স্বৰাগম দুয়োটা একে বস্তু হয়নে?

.....



চিন্তা-চর্চা কৰক — ১.২

পালি ভাষাত সংযুক্ত ব্যঞ্জনৰ ধাৰা দুটিত দেখিবলৈ পোৱা কেইটামান প্রক্রিয়া উদাহৰণসহ উল্লেখ কৰিবলৈ যত্ন কৰক।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আপুনি প্রথমেই জানিবলৈ সক্ষম হ'ল পালি ভাষা যে বৈদিক-সংস্কৃতৰ পৰিৱর্তিত প্রাকৃতৰ আদিতম সাহিত্যিক নিদর্শন। কেৱল সেয়ে নহয় বৈদিক-সংস্কৃতৰ পৰিৱর্তিত ৰূপ হ'লেও পালি যে সংস্কৃতৰ পৰা সকলো দিশতে সৰলীকৰণ ৰূপ লাভ কৰিছে সেই বিষয়েও জানিব পাৰিলে।
- সংস্কৃতৰ ১৪ টা স্বৰধ্বনিয়ে কেনেদৰে পৰিৱর্তন লাভ কৰি পালিত কেৱল ৮ টা স্বৰ ৰক্ষিত হ'ল আৰু ৰক্ষিত ৮ টা স্বৰে বহুক্ষেত্রত আন ধ্বনিলৈ কেনেদৰে পৰিৱর্তন লাভ কৰিলে সেই বিষয়ে জানিবলৈ সক্ষম হ'ল।
- উচ্চাৰণ স্থান আৰু ধৰণ অনুযায়ী পালি ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ তালিকাদুখন জানিলে।
- পালিৰ সংযুক্তব্যঞ্জনৰ ধাৰা সম্পর্কে জানিব পাৰিলে।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.

১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ।

২ নং প্রশ্নৰ উত্তৰ ঃ ৩১ টা।

৩ নং প্রশ্নৰ উত্তৰ ঃ নাই।

৪ নং প্রশ্নৰ উত্তৰ ঃ নহয়।

১.৮ আহিঁ প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) পালি ভাষাৰ স্বৰধ্বনিসমূহৰ পৰিৱর্তনলৈ লক্ষ্য কৰিলে কেইটা আৰু কি কি পদ্ধতি ব্যৱহাৰ কৰা চকুত পৰে।

খ) পালি ভাষাৰ স্বৰধ্বনিৰ সংখ্যা কেইটা আৰু কি কি?

গ) পালি ভাষাত দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ আছেনে?

প্ৰশ্ন ২ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) পালি ভাষাত নাসিক্য ব্যঞ্জনৰ পূৰ্বৰ দীৰ্ঘস্বৰ হ্ৰস্ব হয়।

খ) পালিত ৰেফ (ৰ্)-ৰ প্ৰয়োগ নাইকিয়া হ'ল।

গ) পালিত বৰ্ণ-বিপৰ্যয়ৰ প্ৰয়োগ দেখা নাযায়।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সংস্কৃত 'ঋ' ধ্বনিটোৱে পালিলৈ আহোতে কেনে পৰিৱৰ্তন ৰূপ লাভ কৰিছে লিখক।

প্ৰশ্ন ২ঃ পালি ভাষাৰ স্ৱৰধ্বনিসমূহৰ পৰিৱৰ্তন কেনেদৰে হৈছে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ চমুটোকা লিখক—

ক) পালিৰ আদি অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন

খ) পালিৰ মধ্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পালিৰ ব্যঞ্জনধ্বনিসমূহ উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ পালিৰ ব্যঞ্জনধ্বনিসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ৩ ঃ পালিৰ সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তনৰ ধাৰা কেইটা আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পালি ভাষাত স্ৱৰধ্বনি কেইটা আৰু কি কি? তালিকা এখন কৰি ধ্বনিকেইটা তালিকাভুক্ত কৰক।

*** ***** ***

অধ্যায় ২ ঃ পালি ভাষাৰ ব্যাকৰণৰ কেইটামান দিশ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সন্ধি

২.৪ লিঙ্গ

২.৫ শব্দৰূপ

২.৫.১ পালিৰ বিভক্তিৰ তালিকা

২.৬ ধাতুৰূপ

২.৭ সাধিত ধাতুৰূপ

২.৮ অসমাপিকা ধাতুৰূপ

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্রগতিৰ খতিয়ান

২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পালি ভাষাৰ সন্ধি আৰু লিঙ্গ বিভাজন সম্পর্কে অৱগত হ'ব
- পালি ভাষাৰ শব্দৰূপ সম্পর্কে জ্ঞান লাভ কৰি পালি ভাষাৰ বিভক্তিৰ বিষয়ে জানিব
- পালি ভাষাৰ ধাতুৰূপ সম্পর্কে অৱগত হৈ সাধিত ধাতুৰূপৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- পালিৰ অসমাপিকা ধাতুৰূপ প্রক্রিয়াৰ বিষয়েও জানিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি পালি ভাষাৰ স্বৰ ধ্বনি আৰু ব্যঞ্জন ধ্বনি সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোতে এটা কথা অৱগত হ'ল যে পালি ব্যাকৰণত বৈদিক-সংস্কৃতৰ বৈশিষ্ট্য বহু পৰিমাণে লক্ষ্য কৰা যায় যদিও বেছি ভাগেই সৰলীকৰণ হৈ আহিছে। এইটো অধ্যায়ত আপুনি পালি ভাষাৰ আন কেইটামান ব্যাকৰণগত দিশৰ লগত পৰিচিত হ'ব।

পালি ভাষাৰ ব্যাকৰণৰ আন আন উপাদান, যেনে— সন্ধি, লিঙ্গ, শব্দৰূপ, ধাতুৰূপ

আদিতো বৈদিক-সংস্কৃতৰ বৈশিষ্ট্য সম্প্রসাৰিত হৈ আছে। অৱশ্যে সেয়ে হ'লেও পালি ভাষাৰ মূল লক্ষ্য যিহেতু সৰলীকৰণ, সেয়েহে সংস্কৃত ভাষাৰ ব্যাকৰণগত জটিলতা পালিত দেখা নাযায়। এই অধ্যায়টোত আমি পালি ভাষাৰ সন্ধি, লিঙ্গ, শব্দৰূপ, ধাতুৰূপ আদিৰ বিষয়ে বহলাই আলোচনা কৰিম।

২.৩ সন্ধি

সন্ধি মানে যোৰা লগা। দুটা ভিন্ন অর্থযুক্ত শব্দ লগ লাগি এটা নতুন শব্দ সৃষ্টি হোৱা প্রক্রিয়াটোকে সন্ধি বোলে। পালিতো সন্ধি-প্রকৰণ ব্যৱস্থা আছে। পালিৰ সন্ধি-প্রকৰণ ব্যৱস্থাক বহলভাৱে 'শব্দ সন্ধি' আৰু 'অক্ষৰ সন্ধি' — এই দুটা ভাগত ভাগ কৰা হৈছে। প্রথম শব্দৰ শেষ বর্ণ আৰু দ্বিতীয় শব্দৰ প্রথম বর্ণৰ মিলনত যি সন্ধিৰ সৃষ্টি হয় সিয়েই শব্দ সন্ধি। তাৰ বিপৰীতে শব্দ বা পদৰ ভিতৰ ভাগত ধ্বনিগত পৰিৱর্তন ঘটি বর্ণৰ লোপ, আগম আদিৰ ফলত সৃষ্টি হোৱা সন্ধিয়েই অক্ষৰ-সন্ধি।

- **শব্দ সন্ধি ঃ** পালিত সংস্কৃত সন্ধিৰ যি জটিলতা সি বহুখিনি লোপ পালে। সংস্কৃততে স্বৰ, ব্যঞ্জন আৰু বিসর্গ এই তিনিটা সন্ধিৰ ব্যৱস্থা আছিল। পালিত এই তিনি সন্ধিৰ মাত্র স্বৰ সন্ধিহে থাকিল। ব্যঞ্জন সন্ধি পালিত নাই। ইয়াৰ মূল কাৰণ হ'ল পালিত যিহেতু অনুস্বাৰৰ বাহিৰে ব্যঞ্জনান্ত শব্দ নাই। তদুপৰি শব্দৰ আদিতো সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ খুবেই কম। বিসর্গ সন্ধিও পালিত নাই। পালিত উপলব্ধ হোৱা শব্দ সন্ধিক প্রধানতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি—
  - স্বৰসন্ধি বা সৰসন্ধি
  - বিমিশ্র সন্ধি বা বমিস্সক সন্ধি, আৰু
  - অনুস্বাৰ সন্ধি বা নিগ্গহীত সন্ধি
  - *স্বৰসন্ধি বা সৰসন্ধি ঃ* প্রথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰৰ সৈতে মিলন হৈ যি সন্ধিৰ সৃষ্টি হয় সিয়ে স্বৰসন্ধি। যেনে —

    পুৰিস + উত্তমং = পুৰিসুত্তমং
    অৱলা + অস্সং = অৱলস্সং
    যথা + উদকে = যথোদকে ইত্যাদি।

    পালিৰ স্বৰ সন্ধিৰ ক্ষেত্রত দেখা প্রধান বিশেষত্ব কেইটামান হ'ল—
    - স্বৰৰ লগত স্বৰৰ সন্ধি হ'লে কেতিয়াবা পূর্বৰ স্বৰ লোপ হয়। যেনে— দেৱ + ইন্দ্র = দেৱেন্দ্র।
    - কেতিয়াবা পৰস্পৰ লোপ পায়। যেনে — তে + অহং = তেহং।
    - পূর্বস্বৰ লোপ হ'লে কেতিয়াবা পৰৱর্তী স্বৰ দীর্ঘ হয়। যেনে— দেৱ + ইতি = দেৱাতি অথবা সু + ইধ = সূধ।

- *বিমিশ্র বা বমিস্সক সন্ধি ঃ* বিমিশ্র বা বমিস্সক সন্ধিত প্রথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি ব্যঞ্জনৰ লগত মিলন হয়। এই সন্ধিৰ ক্ষেত্রতো কেইটামান বিশেষত্ব মন কৰিবলগীয়া —
  - এই মিলনত কেতিয়াবা পূর্ব হ্রস্বস্বৰ দীর্ঘ হয় আৰু কেতিয়াবা দীর্ঘস্বৰ হ্রস্ব হয়। যেনে— মুনি + চৰে = মুনীচৰে, দু + ৰক্খং = দূৰক্খং, যথা + ভারি = যথভারি।
  - স্বৰৰ পাছত ব্যঞ্জনবর্ণ থাকিলে কেতিয়াবা কেতিয়াবা পূর্বৰ স্বৰ লোপ পায় আৰু তাৰ ঠাইত 'অ' আগম হয়। যেনে — এসো + ধম্ম = এসধম্ম।
  - এনে সন্ধিত কেতিয়াবা আকৌ পৰৱর্তী ব্যঞ্জনৰ দ্বিত হয়। যেনে — নি + বান = নিব্বান।
- অনুস্বাৰ সন্ধি বা নিগ্গহীত সন্ধি ঃ অনুস্বাৰ সন্ধিত প্রথম শব্দৰ শেষ অনুস্বাৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰ অথবা ব্যঞ্জনৰ মাজত মিলন হয়। এই সন্ধিৰ বিশেষত্ব হ'ল —
  - এনে সন্ধিত অনুস্বাৰ লুপ্ত হয় আৰু তাৰ ঠাইত যি বর্গৰ ব্যঞ্জন থাকে সেই বর্গৰ পঞ্চমবর্ণ থাকে। যেনে — থলং + চ = থলঞ্চ।
  - অনুস্বাৰৰ পাছত যদি 'এ' বা 'হ' থাকে তেতিয়া অনুস্বাৰৰ ঠাইত 'ঞ' বা 'ঞঞ' হয়। যেনে — তং + এৱ = তঞ্ঞেৱ, তং + হি = তঞ্ঞহি।
  - অনুস্বাৰৰ পাছত স্বৰ থাকিলে অনুস্বাৰৰ ঠাইত কেতিয়াবা 'ম' হয়। যেনে— তং+এত্থং=তমত্থং।
  - 'ম'-ৰ পাছত স্বৰ থাকিলে 'ম' কেতিয়াবা অনুস্বাৰ হয়, আৰু কেতিয়াবা স্বৰ 'ম'-ৰ লগত মিলি যায়। যেনে — এবম + এতম = এবংএতং, ওকম + ওকত = ওকমোকত।

- **অক্ষৰ সন্ধি ঃ** আমি ইতিমধ্যে ওপৰত কৈ আহিছোঁ যে অক্ষৰ সন্ধি হৈছে পদৰ অভ্যন্তৰৰ পৰিৱর্তন। দৰাচলতে ক'বলৈ গ'লে শব্দ সন্ধিয়ে পালিৰ বর্হিসন্ধিৰ আভাস দিয়ে আৰু তাৰ বিপৰীতে অক্ষৰ সন্ধিয়ে আভাস দিয়ে অন্তঃসন্ধিৰ। পালিত অন্তঃসন্ধি অর্থাৎ অক্ষৰ সন্ধিৰ পৰিমাণেই বেছি। উল্লেখযোগ্য যে, পালিত সমীভৱন, বর্ণ-বিপর্যয়, বর্ণলোপ, স্বৰভক্তি আদিৰ কাৰণে শব্দৰ আভ্যন্তৰত ধ্বনিৰ পৰিৱর্তন ঘটে। পালিৰ অক্ষৰ সন্ধিৰ কেইটামান উদাহৰণ তলত দিয়া হ'ল—

  অগ্নি > অগ্গি (সমীভৱন)
  উদক > ওক (লোপ)
  জিহবা > জিব্হা (বর্ণ-বিপর্যয়)
  ক্লেশ > কিলেস (স্বৰভক্তি) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পালি সন্ধিক বহলকৈ কেইটা ভাগত ভাগ কৰিব পাৰি?

.....

প্রশ্ন নং ২ ঃ শব্দ সন্ধিক বর্হিসন্ধি বুলিলে অক্ষৰ সন্ধিক কি বুলি কোৱা হয়?

.....

২.৪ লিঙ্গ

যাৰ জৰিয়তে পুৰুষ আৰু স্ত্রী অথবা মতা বা মাইকীৰ ধাৰণা কৰিব পাৰি তাকে লিঙ্গ বোলে। সেই হিচাপে বিচাৰ কৰিলে পুৰুষ বা মতাক বুজালে পুংলিঙ্গ আৰু স্ত্রী বা মাইকীক বুজালে স্ত্রীলিঙ্গ বোলে। অৱশ্যে অচেতন বস্তু বুজাবলৈ সংস্কৃতৰ দৰে পালিতো ক্লীৱলিঙ্গ নামৰ ভাগ এটিও আছে। গতিকে সংস্কৃতৰ অনুৰূপ পালিতো — পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ এই তিনিটা লিঙ্গ পোৱা যায়। মনকৰিবলগীয়া যে সংস্কৃতৰ অনুৰূপে পালিতো তিনিটা লিঙ্গৰ ভাগেই পোৱা যায় যদিও ক'ব লাগিব যে লিঙ্গ নির্ণয়ৰ যি কঠোৰতা সংস্কৃতত দেখা যায় সেই কঠোৰতা পালিত নাই। পালিত লিঙ্গ নির্ণয়ৰ কেইটামান বৈশিষ্ট্য দেখা যায়। তাৰে ভিতৰত—

- পালিত এনে কিছুমান শব্দ আছে, যিবোৰৰ কিছুমান হয় পুংলিঙ্গবাচক, নহয় স্ত্রীলিঙ্গবাচক অথবা ক্লীৱলিঙ্গবাচক। শব্দ কেতবোৰ এনে ধৰণৰ — বুদ্ধ, লোক সদায় পুংলিঙ্গবাচক; পূজা, চিন্তা স্ত্রীলিঙ্গবাচক; সেইদৰে তপ, আয়ু আদি সদায় ক্লীৱলিঙ্গবাচক শব্দ।
- কোনো শব্দ পুংলিঙ্গ-স্ত্রীলিঙ্গ, কোনো শব্দ পুংলিঙ্গ-ক্লীৱলিঙ্গ আকৌ কোনো শব্দ স্ত্রীলিঙ্গ-ক্লীৱলিঙ্গৰ ৰূপ কৰিব পাৰি। যেনে —

  সুত (পুং.) — সুতা (স্ত্রী.)
  দিবস (পুং.) — দিবসং (ক্লীৱ.)
  বন্দনা (স্ত্রী) — বন্দনং (ক্লীৱ)
- কোনো শব্দৰ অৱশ্যে তিনিওটা লিঙ্গৰ ৰূপেই পোৱা যায়। যেনে — কলস (পুংলিঙ্গ)— কলসী (স্ত্রীলিঙ্গ) আৰু কলসং (ক্লীৱলিঙ্গ)।
- আন এটা বৈশিষ্ট্য হ'ল কোনো পুংলিঙ্গ বা স্ত্রীলিঙ্গ শব্দ ক্লীৱলিঙ্গ কৰোঁতে সাধাৰণতে অনুস্বাৰ যোগ দিয়া হয়। যেনে—

  অম্বু (পুং.) — অম্বং (ক্লীৱ.)
  নগৰী (স্ত্রী.) — নগৰং (ক্লীৱ.)
- কোনো পুংলিঙ্গ শব্দৰ আকৌ একাধিক স্ত্রীলিঙ্গ থাকিব পাৰে। যেনে — কুম্ভকাৰ (পুং.) — কুম্ভকাৰা, কুম্ভকাৰী, কুম্ভকাৰিণী (স্ত্রী.)

উল্লিখিত বিশেষত্বসমূহৰ বাহিৰেও পালিত সংস্কৃতৰ দুটা লিঙ্গ নির্ণয়ৰ নিয়ম পৰিলক্ষিত হোৱা দেখা যায়।

- ভিন্ন পুৰুষ আৰু স্ত্রী বুজোৱা শব্দ। যেনে — পুৰিস (পুং.) — ইত্থী (স্ত্রী.)
- কোনো পুংলিঙ্গবাচক শব্দৰ পাছত -আ, -ঈ, -ইনী, -নী, -ইকা, -ইয়া আদি প্রত্যয় যোগ দি স্ত্রীলিঙ্গ কৰা হয়। যেনে —

আয্য	—	আয্যা
থের	—	থেৰী
তপস্সী	—	তপস্সিনী
আচায্য	—	আচায্যানী
ভিক্খু	—	ভিক্খুনী
জনক	—	জনিকা
অজক	—	অজিয়া, ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পালিত ক্লীৱলিঙ্গ গঠনত কি চিন যোগ দিয়া হয়?

.....

২.৫ শব্দৰূপ

শব্দৰূপৰ ক্ষেত্রত সংস্কৃতত যি জটিলতা দেখা যায় পালিত সেই জটিলতা বহুখিনি হ্রাস পালে। মূলতঃ পালি ভাষাৰ সৰলীকৰণ প্রৱণতাৰ বাবেই শব্দ ৰূপৰ জটিলতা আৰু বৈচিত্র্য বহুখিনি নাইকিয়া হৈ পৰিল। বিশেষকৈ শব্দৰ গঠন বা আকৃতি, বচন, লিঙ্গ, কাৰক আৰু বিভক্তি — এই সকলো দিশতে পালিৰ শব্দৰূপ সৰল হৈ পৰিল। পালিৰ শব্দৰূপৰ বিষয়ে আলোচনা কৰিলে কেতবোৰ বৈশিষ্ট্য চকুত পৰে। সেইবোৰ আলোচনা কৰিলেই পালিৰ শব্দৰূপৰ সৰলতা আৰু স্বৰূপ সম্বন্ধে জানিব পৰা যাব। বিশেষত্বসমূহ এনেধৰণৰ —

- শব্দৰ গঠন বা আকৃতিৰ ফালৰ পৰা চালে দেখিবলৈ পোৱা যায় যে পালিত অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জন লোপ পোৱাৰ ফলত সকলো শব্দই স্বৰান্ত হৈ পৰিল। গতিকে পালিৰ শব্দৰূপ বুলিলে স্বৰান্ত শব্দৰহে আছে, ব্যঞ্জনান্ত শব্দৰ নাই। স্বৰান্ত শব্দৰূপ থাকিলেও ঋ-কাৰান্ত আৰু ঐ, ঔ-কাৰান্ত শব্দৰূপ লোপ পালে। যাৰ ফলত প্রাতিপদিকৰ বর্ণগত বিভিন্নতা এক প্রকাৰ নাইকিয়া হৈ পৰিল। পালিত ব্যঞ্জনান্ত লোপ হোৱাৰ ফলত ব্যঞ্জনান্ত শব্দই স্বৰান্ত ৰূপ ল'লে। যেনে — সংস্কৃত আত্মন্, যুৱন্, গুণৱান্ আদি ব্যঞ্জনান্ত প্রাতিপদিক যথাক্রমে অত্তা, যুৱা, গুণৱা ৰূপ ল'লে।
- সংস্কৃতত বচন আছিল তিনিটা — একবচন, বহুবচন আৰু দ্বিবচন। কিন্তু পালিত দ্বিবচন

লোপ পালে। দ্বিবচনৰ ঠাইত ল'লে বহুবচনে। গতিকে পালিত একবচন আৰু বহুবচন এই দুটা বচনতহে শব্দৰূপ হয়।

- সংস্কৃতৰ দৰে পালিতো তিনিটা লিঙ্গৰ (পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ) ব্যৱস্থা আছে যদিও পালিত প্রধানতঃ অর্থ অনুযায়ীহে লিঙ্গ নির্ণয় কৰা হ'ল। তদুপৰি পুংলিঙ্গবাচক শব্দত স্ত্রী প্রত্যয় যোগ দি স্ত্রীলিঙ্গ আৰু অনুস্বাৰ যোগ দি ক্লীৱলিঙ্গ গঠন কৰা হ'ল। ইয়াৰ বাহিৰেও সংস্কৃতত প্রত্যেক লিঙ্গৰ ৰূপ বেলেগ, কিন্তু পালিত পুংলিঙ্গ আৰু ক্লীৱ শব্দৰ ৰূপ কর্তা আৰু কর্ম কাৰকৰ বাহিৰে সকলোতে একে। গতিকে সংস্কৃতৰ লিঙ্গ নির্ণয়ৰ জটিলতা পালিত বহুখিনি হ্রাস পালে, যাৰ বাবে শব্দৰূপৰ বৈচিত্র্যও ভালেখিনি সৰল হ'ল।
- পালিৰ আন এটা শব্দৰূপৰ বৈশিষ্ট্য হ'ল কাৰক-বিভক্তিৰ বিভিন্নতা একাকাৰ হৈ পৰাতো। সম্বন্ধ পদকে ধৰি সংস্কৃতত সাতোটা কাৰকৰ ব্যৱস্থা আছিল যদিও পালিত পাঁচোটাত পৰিণত হ'ল। কৰণ আৰু অপাদান কাৰকৰ বহুবচনত প্রায়ে একে বিভক্তি যোগ হোৱাৰ কাৰণে দুয়োটা কাৰকেই প্রায় একে হৈ পৰিল। একেদৰে সম্প্রাদান আৰু সম্বন্ধ পদো একাকাৰ হৈ পৰিল। কাৰণ দুয়োটা কাৰক বুজাবলৈ একেখিনি বিভক্তিয়েই যোগ হোৱাৰ নিয়ম হ'ল। গতিকে পালিৰ শব্দৰূপৰ জটিলতা বিভক্তি আৰু কাৰকৰ দিশতো বহু পৰিমাণে সৰল হ'ল।
- পালিৰ শব্দৰূপত বৈদিক শব্দৰূপবোৰ কিছু বৈশিষ্ট্য পৰিলক্ষিত হয়। বৈদিক শব্দৰূপৰ তৃতীয়া '-এহি' আৰু পঞ্চমীৰ '-এভি' পালিত আছে। যেনে — বুদ্ধেহি, বুদ্ধেভি। অ-কাৰান্ত শব্দৰ প্রথমাৰ বহুবচনত '-আসে' যোগ হোৱাও বৈদিকৰে বৈশিষ্ট্য। যেনে — দেৱাসে, ধম্মাসে।

চমুকৈ পালিৰ শব্দৰূপৰ বৈশিষ্ট্য কেইটা এনেধৰণৰ—

- পালিৰ প্রায় সকলো শব্দই স্বৰান্ত।
- অধিকাংশ শব্দ অ-কাৰান্ত শব্দৰূপৰ দৰে ৰূপ হোৱাৰ নিয়ম হ'ল।
- শব্দৰূপৰ ক্ষেত্রত কেৱল পুংলিঙ্গ আৰু স্ত্রীলিঙ্গৰ মাজতহে সামান্য ভেদ ৰক্ষিত হ'ল।
- সাদৃশ্যৰ ফলত বিভক্তিৰ বিভিন্নতা প্রায় একাকাৰ হ'ল।
- দ্বিবচন লুপ্ত। শব্দৰূপ একবচন আৰু বহুবচনতহে দেখা গ'ল।
- বৈদিক শব্দৰূপৰ কিছু অৱশিষ্ট লক্ষ্য কৰা যায়।

২.৫.১ পালিৰ বিভক্তিৰ তালিকা

সংস্কৃতৰ দৰে পালিতো বিভক্তিৰ সংখ্যা ছয়টা — প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, পঞ্চমী, সপ্তমী। ষষ্ঠী বিভক্তি নহয়, সম্বন্ধ পদ। সম্বোধনক কোৱা হয় — 'আলাপনং'। পালিৰ বিভক্তিৰ তালিকাখন তলত দিয়া ধৰণৰ —

তালিকা ২.১ঃ পালি ভাষাৰ বিভক্তি

একবচন	*বহুবচন*
প্রথমা - ও (বিসর্গৰ ঠাইত)	- আ, (আসে), এ

দ্বিতীয়া - ং	- এ, (য়)
তৃতীয়া - এন, ন (আ)	- হি (এহি), ভি (এভি)
চতুর্থী - স্স (য়)	- নং
পঞ্চমী - স্মা, ম্হা	- হি (এহি), ভি (এভি)
ষষ্ঠী - স্স (য়)	- নং
সপ্তমী - স্মিং, ম্হি (এ)	- সু (এ)
আলাপনং - ও	- আ, আসে, এ

তলত এটা শব্দৰূপৰ চানেকি দিয়া হ'ল—

তালিকা ২.২ঃ অ-কাৰান্ত 'বুদ্ধ' শব্দ (পুংলিঙ্গ)

বিভক্তি	*একবচন*	*বহুবচন*
প্রথমা	বুদ্ধো	বুদ্ধা
দ্বিতীয়া	বুদ্ধং	বুদ্ধে
তৃতীয়া	বুদ্ধেন	বুদ্ধেহি, বুদ্ধেভি
চতুর্থী	বুদ্ধস্স, বুদ্ধায়	বুদ্ধানং
পঞ্চমী	বুদ্ধা, বুদ্ধন্মা, বুদ্ধম্হা	বুদ্ধেহি, বুদ্ধেভি
ষষ্ঠী	বুদ্ধস্স, বুদ্ধায়	বুদ্ধানং
সপ্তমী	বুদ্ধে, বুদ্ধস্মিং, বুদ্ধম্হি	বুদ্ধেসু
সম্বোধন	বুদ্ধো	বুদ্ধা



জানি থোৱা ভাল

'শব্দৰূপ' বুলিলে নামমূল অর্থাৎ বিশেষ্য, বিশেষণ, সর্বনাম বা প্রাতিপদিকৰ পাছত কাৰক, বিভক্তি, বচন, লিঙ্গ আদিৰ ভাব প্রকাশকে বুজায়। বিভক্তিৰ সংযোগত বচন বা সংখ্যাৰ ৰূপৰ সলনি হোৱাৰ লগতে বিভিন্ন কাৰকৰ অর্থ ভেদ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালি ঠাই পূৰ কৰক —

পালিৰ প্রায় সকলো শব্দই .....।

২.৬ ধাতুৰূপ

ধাতুত পুৰুষ, বচন, কাল আৰু ভাৰ অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি ক্রিয়াৰ বিভিন্ন

ৰূপ আৰু ব্যৱহাৰ নির্দেশক কৰাকে ধাতুৰূপ বোলে। পালিৰ ধাতুৰূপ সংস্কৃতৰে অনুগামী যদিও সংস্কৃতৰ ধাতুৰূপৰ যি জটিলতা আৰু বৈচিত্র্য সি পালিত বহু পৰিমাণে হ্রাস পালে। অৱশ্যে সংস্কৃতৰ পৰা পালিৰ সময়ৰ ব্যৱধান কম হোৱা হেতুকে পালিৰ ধাতুৰূপত সংস্কৃতৰো কিছু সাদৃশ্য নোহোৱা নহয়। শব্দৰূপৰ দৰে ধাতুৰূপৰ ক্ষেত্রতো কিছুমান বিশেষত্ব পালিত চকুত পৰে। সেইবোৰ এনেধৰণৰ —

- কাল আৰু ভাব প্রকাশক বিভক্তি সংস্কৃতত দহ প্রকাৰৰ আছিল; ইহঁতক একেলগে ল-কাৰ বোলা হৈছিল। বিভক্তিবোৰৰ সকলো 'ল' বর্ণৰে গঠিত বাবে ইহঁতক একেলগে ল-কাৰ বোলে। কাল প্রকাশক ল-কাৰ পাঁচটা— লট্ (বর্তমানা), লিট্ (পৰোক্খা), লঙ্ (হীয্যতনী), লুঙ্ (অয্যতনী), লৃট (ভৱিস্সন্তি)। ভাব প্রকাশক ল-কাৰ তিনিটা— লোট্ (পঞ্চমী), লৃঙ্ (কালাতি পত্তি), বিধিলিঙ্ (সত্তমী)। সংস্কৃতৰ কাল প্রকাশক 'লুট্' আৰু ভাব প্রকাশক 'আশীর্লিঙ্' পালিত লোপ পালে।
- পালিত সংস্কৃতৰ দৰেই 'পৰস্মৈপদ' আৰু 'আত্মনেপদ' — এই দুই প্রকাৰ ধাতুৰূপেই আছে যদিও আত্মনেপদৰ প্রয়োগ কম। পালিত কেতিয়াবা আত্মনেপদৰ বিভক্তিৰ ঠাইত পৰস্মৈপদৰ বিভক্তি যোগ কৰা হয়।
- সংস্কৃতৰ ধাতুৰ দহোটা গণৰ ভিতৰত পালিত সাতোটা গণ ৰক্ষিত হৈছে। সেইবোৰ হ'ল— ভূৱদি (ভ্বাদি), ৰুধদি (ৰুধাদি), দিৱদি (দিৱাদি), সদি (স্বাদি), কিয়দি (ক্র্যাদি), তনদি (তনাদি) আৰু চুৰদি (চুৰাদি)।
- পালিৰ ধাতুৰূপত দ্বিবচন নাই, একবচন আৰু বহুবচনহে আছে।
- বিভক্তি মূলত ঃ সংস্কৃতানুযায়ী হ'লেও ধ্বনি পৰিৱর্তনৰ কাৰণে ৰূপৰ পৰিৱর্তন ঘটিছে।

এই বৈশিষ্ট্যবোৰৰ বাহিৰেও সংস্কৃতৰ লগত পালিৰ ধাতুৰূপৰ সাদৃশ্য থকা বৈশিষ্ট্য দুটা হ'ল—

- সংস্কৃতৰ দৰে পালিতো পুৰুষৰ সংখ্যা তিনিটা — প্রথম, মধ্যম আৰু উত্তম।
- বাচ্য তিনিটা — কর্তৃবাচ্য, কর্ম্মবাচ্য আৰু ভাৱবাচ্য।

তলত দুটা ধাতুৰ ৰূপ কৰি দেখুওৱা হ'ল ঃ

তালিকা ২.৩ ঃ ভু - ধাতু (লট্ - বত্তমানা)

	পৰস্মৈপদ		আত্মনেপদ	
	একবচন	বহুবচন	একবচন	বহুবচন
প্রথম পুৰুষ	ভৱতি	ভৱন্তি	ভৱতে	ভৱন্তে
মধ্যম পুৰুষ	ভৱসি	ভৱথ	ভৱসে	ভৱৱ্হে
উত্তম পুৰুষ	ভৱমি	ভৱাম	ভৱে	ভৱম্হে

তালিকা ২.৪ ঃ সু - ধাতু (লট্ - বৰ্ত্তমানা)

	পৰস্মৈপদ	আত্মনেপদ
প্ৰথম পুৰুষ	সুনোতি, সুনাতি	সুনোন্তি, সুনন্তি
মধ্যম পুৰুষ	সুনোসি, সুনাসি	সুনোথ, সুনাথ
উত্তম পুৰুষ	সুনোমি, সুনামি	সুনোম, সুনাম



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ পালিত ভাব প্ৰকাশক ল-কাৰৰ সংখ্যা কেইটা?

.....



চিন্তা-চৰ্চা কৰক — ২.১

পালিৰ ধাতুৰূপ যে সংস্কৃততকৈ বহুখিনি সৰল সেই বিষয়ে এটা টোকা লিখিবলৈ যত্ন কৰক।

২.৭ সাধিত ধাতুৰূপ

বিশেষ বিশেষ প্ৰত্যয় যোগ দি নতুন নতুন ধাতু গঠন কৰি তাৰ পাছত তিঙ্ বিভক্তি অনুযায়ী সেই ধাতুবোৰৰ ৰূপ কৰাকে গৌণ ধাতুৰূপ বোলে। মূলতঃ সাধিত ধাতুৰ ৰূপেই হৈছে গৌণধাতু ৰূপ। পালিত গৌণ ধাতু ৰূপত ক্ৰিয়া পদবোৰ দুটা ৰূপত পোৱা যায় — সমাপিকা আৰু অসমাপিকা। পালিৰ সমাপিকা ক্ৰিয়াৰ ৰূপত পাব পৰা গৌণ ধাতুবোৰ হৈছে — সনন্ত বা ইচ্ছাৰ্থক ধাতু, য়ঙন্ত ধাতু, নাম ধাতু, নিজন্ত ধাতু আৰু কৰ্মবাচ্য। অসমাপিকা ক্ৰিয়াপদবোৰ হৈছে — তুমুনন্ত বা নিমিত্তাৰ্থক অসমাপিকা, কৃদন্ত আৰু পূৰ্বকালিক অসমাপিকা। এই সমূহৰ গঠন সম্পৰ্কে তলত আলোচনা কৰা হ'ল —

- **সনন্ত ধাতু** (Desiderative) ঃ পালিত সনন্ত ক্ৰিয়াৰ ব্যৱহাৰ কম যদিও সংস্কৃতৰ দৰে ইচ্ছা অৰ্থ বুজাবলৈ ধাতুৰ পাছত 'সন্' প্ৰত্যয় যোগ হয় আৰু 'সন্' ৰ 'স' ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে —

  √জি + স্ + তি> জিগীসতি

  √দা > দিচ্ছতি, তিজ্ > তিতিক্সতি

- **নিজন্ত ধাতু** (Causative) ঃ সংস্কৃতত নিজন্ত বা প্ৰেৰণাৰ্থক ক্ৰিয়া গঠন কৰিবলৈ ধাতুৰ পাছত 'নিচ' প্ৰত্যয় যোগ কৰা হয়। পালিত সংস্কৃত '-অয়' আৰু '-আপয়'-ৰ সংযোগত নিজন্ত সম্পন্ন কৰা হয়। কেতিয়াবা ইহঁত যথাক্ৰমে '-এ' আৰু '-আপে' হয়। যেনে —

  √গম + অয় + তি> গময়তি / √গম + এ + তি> গমেতি

√হা + আপয় + তি> হাপয়তি / √হা + আপে + তি> হাপেতি

- **যঙন্ত** (Frequentive Verb) ঃ পুনঃ পুনঃ আৰু অতিশয় বুজাবলৈ সংস্কৃতত ধাতুৰ পাছত 'যঙ্' প্রত্যয় যোগ হয় আৰু 'যঙ্' ৰ 'য' থাকে। অৱশ্যে পালিত 'য'> '-অ' হৈহে ক্রিয়াপদ গঠন কৰে। যেনে — লালপ্যতে > লালপ্পতি, চঞ্চল্যতে > চঞ্চলতি।
- **নামধাতু** (Denominative) ঃ পালিত নামধাতু গঠনত বিশেষ্য, বিশেষণত '-আয়', -ইয়, -ঈয়, '-এ', '-অয়' যোগ হোৱা দেখা যায়। যেনে—

  -আয় - ধুম + আয় - তি > ধুমায়তি

  -এ - সমাধান + এ + তি> সমাধানেতি

  -ইয় - বিবাদ + ইয় + তি> বিবাদিয়তি ইত্যাদি
- **কর্মবাচ্য** (Passive Voice) ঃ সংস্কৃতৰ অনুৰূপতে পালিতো ধাতুৰ পাছত '-য' প্রত্যয় যোগ হৈ কর্মবাচ্য গঠিত হয়। অৱশ্যে পালিত '-য' কেতিয়াবা '-ইয়' বা '-ইয্য' আৰু কেতিয়াবা '-ঈয়' বা '-ঈ' আকৌ কেতিয়াবা পূর্ব্বৱর্তী ব্যঞ্জনৰ লগত সমীভূত হয়। যেনে —

  √হন্ + ইয় + তি > হঞ্ঞতে

  √দা + ইয় + তি> দিয়তে, দিয্যতে

  √পচ + ইয় + তে > পচ্চতে ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ পালিত সাধিত ধাতুৰ কেইটা ৰূপ পোৱা যায়?

.....

প্রশ্ন নং ৭ ঃ নিজন্ত ক্রিয়াপদে কিহৰ অর্থ প্রকাশ কৰে?

.....

২.৮ অসমাপিকা ধাতুৰূপ

আমি ইতিমধ্যে সমাপিকা ক্রিয়াপদৰ প্রসঙ্গত ধাতুৰ অর্থাৎ ক্রিয়াৰ অসমাপিকা ৰূপসমূহৰ কথা উল্লেখ কৰি আহিছোঁ। এতিয়া তলত সেইবোৰৰ পালিত কেনেদৰে গঠন হয় সেই সম্পর্কে আলোচনা কৰিম।

- **বর্তমানসূচক** (Present Participle) ঃ বর্তমানসূচকৰ প্রত্যয় কেইটা হ'ল— -অং, -অন্ত (শতৃ), -আন, -মান (শানচ্)। ইহঁতে পালিৰ বর্তমান কালৰ কৃদন্ত গঠন কৰে। যেনে —

  -অং - গচ্ছং

  -অন্ত - গচ্ছন্তে

  -আন - ভাসানো

  -মান - ভাসমানো ইত্যাদি

- **অতীতবাচক** (Past Participle) ঃ -ত (-ইত), -ন, -তৰৎ এই প্রত্যয় কেইটায়ো পালিত অতীতবাচক অর্থাৎ অতীত কালৰ কৃদন্তৰ গঠন কৰে। যেনে—

  √কৰ + ত > কতো

  √দা + ন > দিন্নো

  √হু + তৰৎ > হুতৱা ইত্যাদি।

- **ভৱিষ্যতবাচক** (Future Participle) ঃ -তব্ব, -অনীয়, -য আৰু -সসং, -স্সমান এই প্রত্যয়সমূহে ভৱিষ্যত কালৰ কৃদন্ত গঠন কৰে। উদাহৰণ —

  √দা + তব্ব > দাতব্বো

  √গম্ + অনীয় > গমনীয়ো

  √নি + য > নেয্যো

  √গম্ + সসং > গামিসসং

  √গম্ + স্সমান > গমিস্সমান ইত্যাদি।

- **তুমুন্তক অসমাপিকা** (Infinitives) ঃ পালিৰ তুমন্তক অসমাপিকা গঠনত সংস্কৃতৰ 'তুমুন্' প্রত্যয়টোৱেই '-তুং' ৰূপে ব্যৱহাৰ হয় যদিও বৈদিক প্রত্যয় -তৱে, -তুয়ে, -তায়ে আদি আন কেইটামান প্রত্যয় ধাতু বা ক্রিয়ামূলত যোগ হয়। যেনে —

  √কৰ্ + তুং > কুত্তং

  √কৰ্ + তৱে > কত্তৱে

  √মৰ্ + তুয়ে > মৰিতুয়ে

  √দিস্ (দৃশ্) + তায়ে > দক্খিতায়ে ইত্যাদি।

- **ল্যৱর্থক অসমাপিকা** (Gerund) ঃ সংস্কৃতৰ 'ল্যপ্' (য) আৰু 'ক্তাচ (ত্বা) প্রত্যয়ৰ পৰা অহা -য আৰু -ত্বা, -ত্বান, -তূন, -তূনা প্রত্যয়ৰ সংযোগত পালিত ল্যৱর্থক গঠন কৰা হয়। যেনে —

  √ৱন্ধ্ + য > বন্ধিয়

  √কৰ্ + ত্বান > কত্বান

  √কৰ্ + তূন > কত্তূন

  √গম্ + তূনা > গন্তূনা ইত্যাদি।



চিন্তা-চর্চা কৰক — ২.২

পালি ভাষাত পোৱা সাধিত ধাতু ৰূপক বহলকৈ যি দুটা ভাগত ভাগ কৰা হৈছে, উল্লেখ কৰি তাৰ অন্তর্গত উপবিভাগসমূহৰ চমু পৰিচয় এটি যুগুত কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ পালিৰ তুমন্তক অসমাপিকা গঠনত সংস্কৃতৰ 'তুমুন্' প্রত্যয়টো কি ৰূপে ব্যৱহাৰ হয় ?

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পালি ভাষাত সন্ধি-প্রকৰণ ব্যৱস্থা আছে আৰু বহলভাৱে ইয়াক 'শব্দ সন্ধি' আৰু 'অক্ষৰ সন্ধি' — এই দুটা ভাগত ভাগ কৰা হৈছে। প্রথম শব্দৰ শেষ বর্ণ আৰু দ্বিতীয় শব্দৰ প্রথম বর্ণৰ মিলনত যি সন্ধিৰ সৃষ্টি হয় সিয়েই শব্দ সন্ধি। তাৰ বিপৰীতে শব্দ বা পদৰ ভিতৰ ভাগত ধ্বনিগত পৰিৱর্তন ঘটি বর্ণৰ লোপ, আগম আদিৰ ফলত সৃষ্টি হোৱা সন্ধিয়েই অক্ষৰ-সন্ধি। এই বিষয়ে বিস্তৃতভাৱে অধ্যায়টোত আলোচনা কৰা হ'ল।
- সংস্কৃতৰ অনুৰূপে পালিতো তিনিটা লিঙ্গৰ ভাগেই পোৱা যায় যদিও ক'ব লাগিব যে লিঙ্গ নির্ণয়ৰ যি কঠোৰতা সংস্কৃতত দেখা যায় সেই কঠোৰতা পালিত নাই। এই বিষয়ে বহলাই অধ্যয়ন কৰিলে।
- পালি ভাষাৰ ধ্বনিতত্ত্বৰ বিভিন্ন পৰিৱর্তনৰ প্রক্রিয়াবোৰৰ সংজ্ঞাৰ লগতে ৰূপতত্ত্বৰ বিভিন্ন উপাদানসমূহবো পৰিৱর্তনৰ বিষয়ে জানিবলৈ সক্ষম হ'ল।
- পালিত কেনেকৈ শব্দৰূপ কৰে আৰু ধাতুৰূপ কেনেকৈ গঠন কৰে সেই বিষয়ে স্পষ্টকৈ জানিব পাৰিলে লগতে সমাপিকা আৰু অসমাপিকা ক্রিয়াৰূপ গঠনৰ বিষয়েও উদাহৰণসহ জানিব পাৰিলে।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.



২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা।

২ নং প্রশ্নৰ উত্তৰ ঃ অন্তঃসন্ধি।

৩ নং প্রশ্নৰ উত্তৰ ঃ অনুস্বাৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্ৱৰান্ত।

৫ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা।

৬ নং প্রশ্নৰ উত্তৰ ঃ দুটা।

৭ নং প্রশ্নৰ উত্তৰ ঃ প্রেৰণা অর্থ।

৮ নং প্রশ্নৰ উত্তৰ ঃ '-তুং' ৰূপে ব্যৱহাৰ হয় ।



২.১২ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) পালিত দ্বিবচন কিহলৈ ৰূপান্তৰ হ'ল?

খ) পালিত পুৰুষৰ সংখ্যা কেইটা আৰু কি কি?

গ) পালিত কি সংযোগত নিজন্ত ধাতু সম্পন্ন কৰা হয়?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) পালিৰ প্ৰায় সকলো শব্দই স্বৰান্ত।

খ) পালিত ধাতুৰ পাছত '-য' প্ৰত্যয় যোগ হৈ কৰ্মবাচ্য গঠিত হয়।

গ) পালিত পুংলিঙ্গ বা স্ত্ৰীলিঙ্গ শব্দ ক্লীৱলিঙ্গ কৰোঁতে সাধাৰণতে অনুস্বাৰ যোগ দিয়া হয়।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পালিৰ অসমাপিকা ক্ৰিয়াপদৰ গঠন সম্পৰ্কে উদাহৰণসহ এটি চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ পালি ভাষাৰ বিভক্তিসমূহৰ তালিকাখন লিখক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক —

পালিৰ সাধিত ধাতু, সমীভৱন, স্বৰাগম, স্বৰলোপ, বৰ্ণ-বিপৰ্যয়, বিসৰ্গ সন্ধি, পালিৰ নিজন্ত ধাতু, কৃদন্ত।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পালিৰ সন্ধি প্ৰকৰণ ব্যৱস্থা সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পালিৰ শব্দৰূপৰ সকলো দিশ সামৰি এটি আলোচনা যুগুতাওক।

প্ৰশ্ন ৩ ঃ পালিৰ ধাতুৰূপৰ সকলো দিশ সামৰি এটি নাতি দীৰ্ঘ টোকা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ পালিৰ যি কোনো এটা শব্দৰ শব্দৰূপ অথবা এটা ধাতুৰ ধাতুৰূপ কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ৩ঃ প্ৰাকৃত ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ প্ৰাকৃত ভাষা

৩.৪ প্ৰাকৃত স্ৱৰবৰ্ণসমূহৰ পৰিচয়

৩.৪.১ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য

৩.৫ প্ৰাকৃত ব্যঞ্জনবৰ্ণসমূহৰ পৰিচয়

৩.৫.১ ব্যঞ্জনবৰ্ণসমূহৰ পৰিৱৰ্তনৰ ধাৰা

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাকৃত ভাষা যে সংস্কৃতৰ সৰলীকৰণ ৰূপ সেই বিষয়ে ধাৰণা লাভ কৰিব
- প্ৰাকৃত ভাষাৰ স্ৱৰ আৰু ব্যঞ্জনধ্ৱনিসমূহৰ বিস্তৃত পৰিচয় লাভ কৰিব
- স্ৱৰধ্ৱনি আৰু ব্যঞ্জনধ্ৱনিসমূহ তালিকাৰে সৈতে বুজিবলৈ সক্ষম হ'ব
- একক আৰু সংযুক্ত ব্যঞ্জনবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্যবোৰৰ সম্ভেদ লাভ কৰিব।

৩.২ পৰিচয়

আমি প্ৰথম অধ্যায়তে কৈ আহিছোঁ যে, পালি ভাষা প্ৰাকৃতৰ প্ৰথম শিষ্ট বা সাহিত্যিক ৰূপ। গতিকে ক'ব পাৰি প্ৰাকৃত পালিৰে পৰৱৰ্তী স্তৰ। দৰাচলতে বৈদিক ভাষাৰ পৰিৱৰ্তিত ৰূপটোক সামগ্ৰিকভাৱে 'প্ৰাকৃত' বোলা হয়, য'ত পালি ভাষাও সোমাই পৰে। সেইফালৰ পৰা প্ৰাকৃতৰ এটা বহল পৰিসীমা আছে। ব্যাপক অৰ্থত প্ৰাকৃতৰ এই সময়ছোৱাকে 'মধ্য ভাৰতীয় আৰ্য ভাষা'ৰ স্তৰ বুলি কোৱা হয়। ইয়াৰ আগৰ অধ্যায় দুটাত আমি পালি ভাষাৰ ব্যাকৰণ সম্পৰ্কে বহলাই অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি প্ৰাকৃত ভাষাৰ স্ৱৰ আৰু ব্যঞ্জন বৰ্ণ সম্পৰ্কে বহলাই অধ্যয়ন কৰিম।

মন কৰিব যে, সময়ৰ ফালৰ পৰা খ্ৰীষ্টাব্দ প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ ষষ্ঠ শতাব্দী পৰ্যন্ত সাহিত্যত ব্যৱহৃত যি প্ৰাকৃত পোৱা যায় এই সময়ছোৱাকে প্ৰাকৃতৰ সময় হিচাপে ধৰা হৈছে।

তলত প্রাকৃত ভাষাৰ স্বৰ আৰু ব্যঞ্জন বর্ণ সম্পর্কে অধ্যয়ন কৰি ইয়াৰ পৰৱর্তী অধ্যায়ত প্রকৃত ভাষাৰ আন কেইটামান ব্যাকৰণগত দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিম। এই অধ্যায় দুটাৰ অধ্যয়নে আপোনাক প্রাকৃত ভাষাৰ ব্যাকৰণ সম্পর্কে বিস্তৃত ধাৰণা প্রদান কৰিব।

৩.৩ প্রাকৃত ভাষা

কাল নিৰূপণৰ দিশৰ পৰা সংস্কৃত আৰু প্রাকৃতৰ সময়, সংস্কৃত আৰু পালিৰ ব্যৱধানতকৈ বেছি। গতিকে সংস্কৃতৰ সৈতে পালিৰ যিমান ওচৰ সম্বন্ধ, প্রাকৃতৰ সৈতে তাতকৈ কম। এই ব্যৱধান বা পার্থক্য ধ্বনিগত, ৰূপগত এই আটাইবোৰ দিশতে স্পষ্টভাৱে পৰিলক্ষিত হয়। অৱশ্যে সাদৃশ্যও যে নাই তেনেও নহয়, যিবোৰ দিশত বৈসাদৃশ্য স্পষ্ট সেই একেবোৰ দিশতে আকৌ কিছুমান বিশেষ বৈশিষ্ট্যৰ ক্ষেত্রত সংস্কৃতৰ সৈতে সাদৃশ্য আছে। যেনে — প্রাকৃত বর্ণমালা সংস্কৃতৰ পৰাই গ্রহণ কৰা, স্বৰভক্তিৰে দুয়োটা ভাষাৰূপত সংযুক্ত ব্যঞ্জনৰ বিশ্লিষ্ট কৰাৰ ৰীতি, শব্দৰ মাজত কোনো একক ব্যঞ্জনৰ লোপ, অ-কাৰন্ত বিসর্গ ‘ও’ হোৱা ইত্যাদি দিশত সাদৃশ্য মনকৰিবলগীয়া।

ক’বলৈ গ’লে প্রাকৃতৰ ওপৰত সংস্কৃতৰ প্রভাৱ সুদূৰ প্রসাৰি। প্রাকৃত ব্যাকৰণবিদসকলেও সংস্কৃত ব্যাকৰণৰ আদর্শ আগত ৰাখিয়েই সাহিত্যত প্রাকৃতৰ স্বৰূপ নির্ণয় কৰিছিল। তদুপৰি প্রাকৃত সাহিত্যৰচক সকলোখিনিয়ে আছিল সংস্কৃত ৰচনাতো পাৰদর্শী। সেয়েহে প্রাকৃতৰ ওপৰত সংস্কৃতৰ মসৃণ প্রভাৱ গভীৰভাৱে লক্ষ্য কৰা যায়।

আনফালে পালি আৰু প্রাকৃত মূলতঃ একে। সেয়েহে বিভিন্ন সাদৃশ্য অনেক দিশতে লক্ষ্য কৰা যায়। পিছে দুই ভাষাৰ উদ্ভৱ আৰু বিকাশৰ মাজত কালগত ব্যৱধান আছে আৰু পৰিৱেশো আছিল ভিন্নতৰ। গতিকে দুয়োৰে মাজত পার্থক্য থকাটোও স্বাভাৱিক। বৈদিকৰ সৈতে প্রাকৃতৰ পার্থক্য যিদৰে ধ্বনিগত আৰু ৰূপগত দিশত লক্ষ্য কৰা যায়, ঠিক সেইদৰে পালিৰ সৈতে প্রাকৃতৰো পার্থক্য একেবোৰ দিশতেই পৰিলক্ষিত হয়। যেনে — স্বৰ আৰু ব্যঞ্জনধ্বনিবোৰ একে হ’লেও প্রয়োগৰ পার্থক্য; ‘অয়’ আৰু ‘অৱ’ পালিত ‘এ’, ‘ও’ হ’লেও বহুসময়ত একে ৰূপতে ৰক্ষিত হয়, কিন্তু প্রাকৃতত কেৱল ‘এ’, ‘ও’ হে ৰক্ষিত হয়; পালিত ‘ন’ আৰু ‘ণ’ দুয়োৰে ব্যৱহাৰৰ বিপৰীতে পৈশাচী প্রাকৃতৰ বাহিৰে আনবোৰ প্রাকৃতত ‘ণ’ হে ব্যৱহাৰ হয়; পালিত কেৱল ‘স’, প্রাকৃতত হ’লে শ, স — এই দুই উষ্ম ধ্বনিৰ ব্যৱহাৰ ইত্যাদি। ৰূপতত্ত্বৰ দিশতো পার্থক্য আছে। যেনে — সংস্কৃত য-কাৰ আৰু ‘গণ’ৰ সৈতে পালিৰ ওচৰ সম্বন্ধ কিন্তু প্রাকৃতত সমস্ত ধাতুক এক গণীয় কৰাৰ প্রৱণতাই দেখা দিয়ে। এইবোৰৰ বাহিৰেও কর্মবাচ্য গঠন, অসমাপিকা গঠন ইত্যাদি ৰূপতত্ত্বৰ বহুদিশতেই পার্থক্য দেখা গৈছে।

প্রাকৃতৰ আলোচনাৰ প্রসঙ্গত আন এটা উল্লেখযোগ্য কথা হ’ল প্রাকৃতক মহাৰাষ্ট্রী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অর্ধমাগধী ইত্যাদি বিভিন্ন ভাগত ভাগ কৰিলেও দৰাচলতে এইবোৰৰ মূলগত বিশেষ পার্থক্য নাই। কেৱল স্থানীয় প্রভাৱৰ ফলত সৃষ্টি হোৱা দুই এটা পার্থক্যহে দেখা যায়।

সি যি কি নহওক এই অধ্যায়ত আমি ভাৰতীয় আৰ্যভাষাই ক্ৰমবিকাশৰ পথত কেনেদৰে সৰলতাৰ দিশলৈ আগবাঢ়ি গৈ প্ৰাকৃতৰ ৰূপ পালে তাৰে আভাস দাঙি ধৰিবলৈ বিচাৰিছোঁ।

৩.৪ প্ৰাকৃত স্ৱৰবৰ্ণসমূহৰ পৰিচয়

প্ৰাকৃতৰ স্ৱৰধ্বনিসমূহৰ মূল হৈছে সংস্কৃত স্ৱৰধ্বনি। অৱশ্যে ব্যৱহাৰৰ ক্ষেত্ৰত সংস্কৃত স্ৱৰধ্বনিৰ সৈতে প্ৰাকৃতৰ স্ৱৰধ্বনিৰ পাৰ্থক্য দেখা যায়। সংস্কৃতৰ চৈধ্যটা স্ৱৰধ্বনি যি আঠটা স্ৱৰধ্বনি পালিত ৰক্ষিত সেই একে কেইটা স্ৱৰধ্বনিয়েই প্ৰাকৃততো দেখা যায়। সেইকেইটা হৈছে — অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। ইয়াৰে অ, ই, উ এই তিনিটা হ্ৰস্বস্ৱৰ হোৱাৰ বিপৰীতে আ, ঈ, ঊ এই তিনিটা দীৰ্ঘস্ৱৰ; এ আৰু ও হৈছে যুগ্মস্ৱৰ। মন কৰিবলগীয়া যে, পালিত পোৱা 'অয়' আৰু 'অৱ' এই দুই দ্ব্যক্ষৰীয়া স্ৱৰধ্বনি প্ৰাকৃতত দেখা নাযায়। স্থানান্তৰত এই বিষয়ে কোৱা হ'ব। প্ৰাকৃতৰ স্ৱৰধ্বনিৰ তালিকাৰ সৈতে পালিৰ স্ৱৰধ্বনিৰ তালিকাখনৰ মাজত কোনো পাৰ্থক্য নাই। পালি স্ৱৰধ্বনিৰ যিখন তালিকা ইতিমধ্যে অধ্যায় ১-ত উল্লেখ কৰা হৈছে প্ৰাকৃতৰ স্ৱৰধ্বনিৰ বাবেও সেই একেখন তালিকাই আপুনি ব্যৱহাৰ কৰিব পাৰিব। সেইবাবে ইয়াত পুনৰ উল্লেখ কৰা নহ'ল।

৩.৪.১ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বৈশিষ্ট্য

প্ৰাকৃতৰ স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰাৰ আগেয়ে এটা কথা কৈ থোৱা ভাল হ'ব যে সংস্কৃতৰ এনে কেইটামান স্ৱৰধ্বনি আছে যিকেইটাৰ ব্যৱহাৰ বা পৰিৱৰ্তিত ৰূপ পালিত একেবাৰে নাই। সেইকেইটা স্ৱৰধ্বনি হ'ল — ঋ, ঌ, আৰু ৠ। ঋ, ঐ আৰু ঔ ৰ ব্যৱহাৰো পৰিৱৰ্তিত ৰূপতহে পোৱা যায়। তলত স্ৱৰবৰ্ণসমূহৰ পৰিৱৰ্তন সম্পৰ্কে আলোচনা কৰা হ'ল —

- পালিৰ দৰেই প্ৰাকৃততো ঋ-কাৰৰ পোনপটীয়া ব্যৱহাৰ নাই। ঋ-কাৰ প্ৰাকৃতত অ, ই, উ, এ আৰু ৰ, ৰি, ৰু লৈ পৰিৱৰ্তন হৈ ব্যৱহাৰ হৈছে। যেনে —

ঋ > অ;	কৃত > কঅ	ঋ > ৰ; বৃক্ষ > ৱ্ৰচ্চ
ঋ > ই;	তৃণ > তিণ	ঋ > ৰি; ঋষি > ৰিসি
ঋ > উ;	ঋজু > উজু	ঋ > ৰু; বৃক্ষ > ৰুচ্ছ
ঋ > এ;	গৃহ > গেহ	

- প্ৰাকৃতত ঐ আৰু ঔ-কাৰৰ ব্যৱহাৰ নাই। প্ৰাকৃতত ইহঁত যথাক্ৰমে এ আৰু ও হিচাপে উচ্চাৰণ হৈছে। যেনে— ঐ > এ — শৈল > খেল, বৈৰ > বেৰ; ঔ > ও — যৌৱন > জোব্বন। অৱশ্যে ঐ কেতিয়াবা ই, ঈ অথবা অই আৰু ঔ কেতিয়াবা উ, অউ হয়। যেনে—

ঐ > ই, ঈ; সৈন্ধৰ > সিন্ধৰ
ধৈর্য > ধীৰ
ঐ > অই; চৈত্র > চইত্ত
ঔ > উ; সৌন্দর্যং > সুন্দেৰং
ঔ > অউ; পৌৰ > পউৰ

- আমি ওপৰত কৈ আহিছোঁ যে প্রাকৃতত দ্যক্ষৰীয় স্বৰ 'অৱ' আৰু 'অয়' ৰ ব্যৱহাৰ নাই। এই দুই স্বৰধ্বনিৰ ঠাইত প্রাকৃতত যথাক্রমে 'ও' আৰু 'এ'-ত পৰিণত হৈ উচ্চাৰণ হয়। যেনে —

অৱ > ও; ভৱতি > ভোতি, হোতি, হোই
অয় > এ; জয়তি > জেই
নযতি > ণেই

- এইবোৰৰ বাহিৰেও প্রাকৃতত ব্যৱহৃত আঠটা স্বৰবর্ণৰো কেতিয়াবা কেতিয়াবা আন ধ্বনিলৈ পৰিৱর্তন হৈছে। যেনে —

অ > ই; পক্ক > পিক্ক
অ > আ; সমৃদ্ধি > সামিদ্ধি
অ > এ; শয্যা > সেজ্জা
আ > অ; প্রাকৃত > পউঅ
ই > অ; পৃথিৱী > পুহৱী
ই > উ; ইক্ষু > উচ্ছু
ই > এ; পিণ্ড > পেণ্ড
ই > ও; দিখা > দোহা
ঈ > ই; অলীক > অলিঅ
ঈ > এ; নীড় > নেড
উ > অ; মুকুল > মউল
উ > এ; নুপুৰ > নেউৰ
ও > অ; একোষ্ঠং> পঅট্ঠং
এ > ই; বেদনা > বিঅনা
ইত্যাদি।

- তদুপৰি অনুস্বাৰ আৰু সংযুক্ত ব্যঞ্জনৰ পূর্বৱর্তী দীর্ঘস্বৰ হ্রস্ব হোৱা, যেনে — পাংশু > পংসু, কাব্য > কব্ব; দ্বিত অথবা সংযুক্ত ব্যঞ্জনৰ ঠাইত একক ব্যঞ্জন হ'লে হ্রস্বস্বৰ দীর্ঘ হোৱা, যেনে — কর্তব্য > কাদব্ব, বিশ্বাস > বীসাস; অথবা অনুস্বাৰ লুপ্ত হ'লে পূর্বৱর্তী হ্রস্বস্বৰ দীর্ঘ হোৱা, যেনে — বিংশত > বীসা, ইত্যাদি প্রাকৃতৰ স্বৰধ্বনি পৰিৱর্তনৰে আন আন বৈশিষ্ট্য।



জানি থোৱা ভাল

- এই আলোচনাত 'বর্ণ' আৰু 'ধ্বনি' শব্দ দুটা পার্থক্যহীনভাৱে ব্যৱহাৰ কৰা হৈছে।
- সংস্কৃত স্বৰবর্ণমালাত '৯' ক হ্রস্ব 'লি' আৰু '৯৯' ক দীর্ঘ 'লি' বুলি উচ্চাৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'ঋ' ধ্বনি প্রাকৃতত আছেনে?

.....

৩.৫ প্রাকৃত ব্যঞ্জনধ্বনিসমূহৰ পৰিচয়

স্বৰধ্বনিৰ দৰে প্রাকৃতৰ ব্যঞ্জনধ্বনিও সংস্কৃতৰে অনুৰূপ। সংস্কৃতৰ ৩৩ টা ব্যঞ্জনধ্বনিৰ ৩২-টাই প্রাকৃতত ৰক্ষিত হৈছে। মাথোন সাহিত্যিক প্রাকৃত বিশেষে দুই-এটা ধ্বনিৰ ব্যৱহাৰ হোৱা নাছিল। তাৰে ভিতৰত 'ন' ধ্বনি পৈশাচী প্রাকৃত আৰু কেতিয়াবা অর্ধ-মাগধীত ব্যৱহাৰ হোৱাৰ বাহিৰে বাকী প্রাকৃতকেইটাত 'ন' ব্যৱহাৰ প্রায় লুপ্ত হৈ 'ণ' হে হ'ল। তদুপৰি একমাত্র মাগধীৰ বাহিৰে 'শ' ব্যৱহাৰ অন্য প্রাকৃতত কেৱল 'স'-হে থাকিল। 'য'-ৰ ব্যৱহাৰ প্রাকৃতত একেবাৰে নাইকিয়া হ'ল। এইদৰে লক্ষ্য কৰিলে দেখা যায় যে দুই-এক ধ্বনিৰ বাদে সংস্কৃতৰ প্রায়বোৰ ব্যঞ্জনধ্বনিয়েই প্রাকৃতত ব্যৱহাৰ হৈছিল। অৱশ্যে ৩২ টা ধ্বনিৰ প্রাকৃতত সকলো অৱস্থানত সমানে বা সংস্কৃতৰ দৰে একেৰূপত ব্যৱহাৰ হোৱা নাছিল। প্রাকৃতৰ 'ঙ' ধ্বনি আদ্য অৱস্থানত ব্যৱহাৰ নহৈছিল। মাজত অথবা শেষতো অনুস্বাৰ (ং) হিচাপেহে উচ্চাৰণ হৈছিল। তদুপৰি মাগধী প্রাকৃতৰ বাহিৰে আনবোৰ প্রাকৃতত 'য'-ৰ ঠাইত 'জ' হিচাপেহে উচ্চাৰিত হৈছিল। অৱশ্যে 'ৱ' ধ্বনি প্রাকৃতত ৰক্ষিত হৈছিল। এইদৰে দুই-এটা সংস্কৃত ধ্বনি প্রাকৃতত ব্যৱহাৰ নহৈছিল। সিপিঠিত প্রাকৃতৰ সামগ্রিক ব্যঞ্জনধ্বনিৰ তালিকাখন উচ্চাৰণৰ স্থান আৰু ধৰণৰ ভিত্তিত দেখুওৱা হ'ল।

তালিকা ৩.১ ঃ প্রাকৃত ভাষাৰ ব্যঞ্জনধ্বনি

উচ্চাৰণৰ স্থান		ওষ্ঠ্য		দন্ত্য		মূৰ্দ্ধন্য		তালব্য		পশ্চতালব্য		কণ্ঠনালীয়	
উচ্চাৰণ ধৰণ		অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
স্পর্শ	অল্পপ্রাণ	প	ব	ত	দ	ট	ড	চ	জ	ক	গ		
ধ্বনি	মহাপ্রাণ	ফ	ভ	থ	ধ	ঠ	ঢ	ছ	ঝ	খ	ঘ		
নাসিক্য			ম		ন*		ণ		ঞ		ঙ		
উষ্ম					স			শ *					হ
পার্শ্বিক					ল								
কম্পিত							ৰ						
অর্ধব্যঞ্জন			ৱ						য়				

* — সীমিত প্রয়োগ



জানি থোৱা ভাল

পাঁচ প্রকাৰ সাহিত্যিক প্রাকৃতৰ ভিতৰত 'মাগধী প্রাকৃত' অন্যতম। ই আছিল ভাৰতৰ পূব অঞ্চলৰ প্রাকৃত। মাগধীৰ কেন্দ্রবিন্দু প্রাচীন মগধ (দক্ষিণ বিহাৰ) যদিও এই প্রাকৃতৰ কথ্যৰূপৰ বিৱর্তনৰ ফলত পশ্চিমৰ পিনে ভোজপুৰী-মগহী-মৈথিলী আৰু পূৱৰ পিনে ওড়িয়া-বাংলাৰ লগতে অসমীয়া ভাষাৰো উদ্ভৱ আৰু বিকাশ ঘটে। ইয়াৰে সাহিত্যিক প্রাকৃত পাঁচ বিধৰ ভিতৰত মহাৰাষ্ট্রীকে শ্রেষ্ঠ প্রাকৃত বুলি কোৱা হয়। এই বিষয়ে ইতিমধ্যে আপুনি তৃতীয় ষাণ্মাসিকত বহলাই অধ্যয়ন কৰি আহিছে বাবে ইয়াত বহলাই আলোচনা কৰা নহ'ল।

৩.৫.১ ব্যঞ্জনধ্বনিসমূহৰ পৰিৱর্তনৰ ধাৰা

আমি ওপৰত ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে সংস্কৃতৰ কেইটামান ব্যঞ্জনধ্বনি প্রাকৃতত লুপ্ত হৈ পৰিছে, লগতে সংস্কৃতৰ ব্যঞ্জনধ্বনিবোৰো প্রাকৃতত সৰল হৈহে উচ্চাৰিত হৈছে। অৱশ্যে একক ব্যঞ্জনতকৈ সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন হে অধিকভাৱে হোৱা দেখা যায়। সেয়েহে প্রাকৃতৰ ব্যঞ্জনধ্বনিবোৰৰ পৰিৱর্তনৰ ধাৰাক বহলকৈ দুটা ভাগত ভাগ কৰা হৈছে —

- একক ব্যঞ্জনৰ পৰিৱর্তন
- সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন

➢ *একক ব্যঞ্জনৰ পৰিৱর্তন ঃ* একক ব্যঞ্জনৰ কেইটামান প্রধান বৈশিষ্ট্য হ'ল —

- ❍ পৈশাচী প্রাকৃত আৰু অর্ধমাগধীৰ বাহিৰে অন্য প্রাকৃতত দন্ত্য 'ন' মূর্দ্ধন্য 'ণ' হৈছে (ন > ণ)।
- ❍ মাগধীত 'য' ৰ ব্যৱহাৰ আছে যদিও আন প্রাকৃতত 'জ' হে আছে।
- ❍ সেইদৰে মাগধীৰ বাহিৰে অন্য প্রাকৃতত শ, ষ -ৰ ঠাইত 'স', মাগধীত মাথোন 'শ' -ৰ ব্যৱহাৰ হয়।
- ❍ মাগধীত আকৌ 'ৰ' > 'ল' হয়। অন্য প্রাকৃতত কিন্তু এনে পৰিৱর্তন নহয়।

ধ্বনি পৰিৱর্তনৰ এইবোৰ বৈশিষ্ট্যৰ উপৰি শব্দৰ স্থান অনুযায়ীও কেতবোৰ পৰিৱর্তন ঘটিছে। সেইবোৰ স্থান বা অৱস্থান বিশেষে এনেদৰে দেখুওৱাব পাৰি—

- ❍ আদি ব্যঞ্জনৰ পৰিৱর্তন

(ক) কোনো কোনো শব্দৰ ক্ষেত্রত আদিত থকা অল্পপ্রাণ ব্যঞ্জন মহাপ্রাণ ধ্বনিলৈ পৰিৱর্তন হোৱা দেখা যায়। যেনে — কুব্জ > খুজ্জ।

(খ) কেতিয়াবা দন্ত্য ব্যঞ্জন মূর্দ্ধন্য আৰু কেতিয়াবা তালব্য ধ্বনিলৈ পৰিৱর্তন হয়। যেনে — দ্বাদশ > ডুৱাডস; তিষ্ঠ > চিঠ।

(গ) ভূ ধাতুৰ 'ভ' > 'হ' হয়। যেনে — ভৱতি > হোই।

(ঘ) 'তাৱৎ' আৰু 'তে' এই দুই শব্দৰ 'ত' শৌৰসেনী আৰু মাগধীত 'দ' লৈ ৰূপান্তৰিত হৈ উচ্চাৰিত হয়। যেনে — তাৱৎ > দাৱ; তে > দে।

❍ মধ্য ব্যঞ্জনৰ পৰিৱর্তন

(ক) পদ মধ্যস্থিত ক, গ, চ, জ, ত, দ, প আদি অল্পপ্রাণ ধ্বনি শৌৰসেনীৰ বাহিৰে প্রায়বোৰ প্রাকৃততে লোপ পাইছে। মহাৰাষ্ট্রী প্রাকৃতৰ ই এটা প্রধান বৈশিষ্ট্য। যেনে — সকল > সঅল, নগ > নঅ, শচী > সঈ, সুজন > সুঅণ, অমৃত > অমঅ, নদী > নঈ, ৰূপ > ৰূঅ, ইত্যাদি।

(খ) পদমধ্যস্থিত মহাপ্রাণ খ, ঘ, থ, ধ, ফ আৰু ভ ধ্বনি 'হ' লৈ ৰূপান্তৰিত হয়। যেনে — মুখ > মুহ, মেঘ > মেহ, নাথ > নাহ, সাধু > সাহু, সভা > সহা, শেফালিকা > সেহালিআ ইত্যাদি।

(গ) স্বৰমধ্যৱর্তী শ, ষ, স > 'হ' লৈ কেতিয়াবা কেতিয়াবা পৰিৱর্তন ঘটে। যেনে— দ্বাদশ > বাৰহ, পাষাণ > পাহাণ, দিৱস > দিঅহ ইত্যাদি।

(ঘ) কেতিয়াবা স্বৰমধ্যৱর্তী প > ব আৰু ত > দ, ল -লৈ পৰিৱর্তন হয়। যেনে— শপথ > সবহ; সাতবাহন > সালবাহন, দোহদ > দোহল ইত্যাদি।

(ঙ) কেতিয়াবা 'হ' > 'খ' হয়। যেনে — দাহ > দাখ।

(চ) 'ৰ' প্রায়ে 'ল' হয়। যেনে — হৰিদ্রা > হলিদ্দা।

❍ অন্ত্য ব্যঞ্জনৰ পৰিৱর্তন

(ক) শব্দৰ শেষত থকা সকলো স্পর্শ বর্ণই লুপ্ত হয়। যেনে — পশ্চাৎ > পচ্ছা, তাৱৎ > দাৱ।

(খ) অন্তত থকা 'ম' অনুস্বাৰত পৰিণত হয়। যেনে — গৃহম > গেহং, পুত্রম্ > পুত্তং।

(গ) পালিৰ দৰেই প্রাকৃততো বিসর্গ লোপ পাইছে। সাধাৰণতে অ-কাৰন্ত বিসর্গ (ঃ) 'ও' হয় আৰু অন্যকাৰন্ত বিসর্গ লোপ পায়। যেনে— মত্তঃ > মত্তো, পুত্রঃ > পুত্তো; কিন্তু পুত্রাঃ > পুত্তা, দুঃখ > দুক্খ। মাগধীত কিন্তু অ-কাৰন্ত বিসর্গ 'এ' হয়। যেনে— জনঃ > যণে, নৰঃ > ণৰে ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কোন প্রাকৃতত 'শ' উচ্চাৰণ হয় ?

.....

প্রশ্ন নং ৩ ঃ প্রাকৃতত অ-কাৰান্ত বিসর্গ কিহলৈ পৰিৱর্তন হয় ?

.....

➢ *সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন ঃ* সংস্কৃতৰ সংযুক্ত ব্যঞ্জনবোৰ প্রাকৃতত সৰল হৈ ব্যৱহাৰ হৈছে। দৰাচলতে প্রাকৃতত দুটাতকৈ অধিক ব্যঞ্জন সংযুক্ত অৱস্থাত দেখা নাযায়। শব্দৰ আদিত সংযুক্ত ব্যঞ্জন থাকিলে স্বৰভক্তি বা স্বৰাগমৰ দ্বাৰা অথবা কেতিয়াবা সংযুক্ত ব্যঞ্জনৰ যিকোনো এটা লোপ হৈ উচ্চাৰণ সৰল হৈ পৰা দেখা যায়। আনফালে শব্দৰ মধ্যস্থানত সংযুক্ত ব্যঞ্জনবোৰ সৰল হোৱা দেখা যায় বিশেষকৈ সমীভৱন, স্বৰভক্তি, অপিনিহিতি, বর্ণ-বিপর্যয় আদি ধ্বনি পৰিৱর্তন প্রক্রিয়াৰ জৰিয়তে।

❍ শব্দৰ আদি অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন ঃ

(ক) সংযুক্ত ব্যঞ্জনৰ এটা লোপ হৈ সৰল হয়। যেনে — স্নেহ > ণেহ, গ্রাম > গাম, স্থুল > থূল, শ্মশান > মসাণ, প্রতি > পই ইত্যাদি।

(খ) স্বৰাগমৰ জৰিয়তে কেতিয়াবা আদিস্থিত সংযুক্ত ব্যঞ্জন সৰল হোৱা দেখা যায়। যেনে — স্ত্রী > ইত্থী।

(গ) স্বৰাগমৰ দৰে স্বৰভক্তিৰ ফলতো প্রাকৃতত আদিস্থিত কোনো সংযুক্ত ব্যঞ্জন সৰল হোৱা দেখা যায়। যেনে — ম্লান > মিলাণ, ক্লেশ > কিলেস ইত্যাদি।

❍ শব্দৰ মধ্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তন ঃ সমীভৱনে প্রাকৃতত শব্দৰ মাজত থকা সংযুক্ত ব্যঞ্জন সৰল কৰাত প্রধান ভূমিকা গ্রহণ কৰা দেখা যায়। প্রাকৃতৰ সংযুক্ত ব্যঞ্জন সৰলীকৰণৰ ক্ষেত্রত সমীভৱনৰ সাধাৰণ নিয়মবোৰ এনেধৰণৰ —

(ক) স্পর্শবর্ণৰ লগত স্পর্শবর্ণ সংযুক্ত হৈ থাকিলে প্রথম বর্ণই দ্বিতীয় বর্ণৰ সৈতে সমৰূপতা লাভ কৰে অর্থাৎ দ্বিতীয় বর্ণই প্রাধান্য লাভ কৰি দ্বিত্ব হয়। যেনে — শব্দ > সদ্দ, যুক্ত > জুত্ত।

(খ) স্পর্শবর্ণৰ সৈতে নাসিক্য ব্যঞ্জন যুক্ত হৈ থাকিলে নাসিক্য ধ্বনিটো লুপ্ত হয়। যেনে — অগ্নি > অগ্‌গি, পদ্ম > পদ্‌দ।

(গ) স্পর্শবর্ণৰ লগত উষ্মবর্ণ সংযুক্ত হ'লে দুয়ো মিলি 'চ্ছ' অথবা 'খ' হয়। যেনে — অক্ষি > অচ্ছি, ক্ষীৰ > খীৰ।

(ঘ) স্পর্শৰ লগত অন্তঃস্থ যুক্ত হ'লে সমীভূত হয়। যেনে — অল্প > অপ্‌প, যোগ্য > জোগ্‌গ

(ঙ) উষ্মবর্ণৰ লগত অনুনাসিক ধ্বনি সংযুক্ত হৈ থাকিলে অনুনাসিক আগলৈ আহি বর্ণ-বিপর্যাস ঘটে আৰু উষ্মবর্ণ 'হ' লৈ ৰূপান্তৰিত হয়। যেনে — প্রশ্ন > পণ্‌হ, গ্রীষ্ম > গিম্‌হ।

(চ) অনুনাসিকৰ লগত অন্তঃস্থ সংযুক্ত হ'লে অন্তঃস্থ লোপ পায় আৰু

অনুনাসিক ধ্বনিটো দ্বিত্ব হয়। যেনে — পূণ্য > পুণ্ণ, ধর্ম > ধম্ম ইত্যাদি।

সমীভৱনৰ উপৰি স্বৰভক্তি, অপিনিহিতি, বর্ণ-বিপর্যয় আদিৰ জৰিয়তেও মধ্যস্থিত সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হোৱা দেখা যায়। যেনে—

(ছ) স্বৰভক্তিৰ মূল উদ্দেশ্যই হৈছে জটিল উচ্চাৰণ সৰল কৰি তোলা। প্রাকৃতত এই প্রক্রিয়াৰে শব্দৰ মাজত থকা কেতবোৰ সংযুক্ত ব্যঞ্জন সৰল হোৱা নিয়ম আছে। যেনে —স্নেহ > সণেহ, হর্ষ > হৰিস, পদ্ম > পউম ইত্যাদি।

(জ) অপিনিহিতি ৰীতিৰ জৰিয়তেও কেতবোৰ সংযুক্ত ব্যঞ্জন সৰল হোৱা দেখা যায়। যেনে — আর্য্য > অৰিঅ

(ঝ) বর্ণ-বিপর্যয়ৰ জৰিয়তে পদমধ্যস্থিত সংযুক্ত ব্যঞ্জন সৰল হোৱা দুটামান উদাহৰণ হ'ল — হ্রদ > ৰহদ, প্রহ্লাদ > পৰ্হাদ ইত্যাদি।

এইদৰে সংস্কৃতৰ সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'ল' অন্তঃস্থ ধ্বনি হয়নে?

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যাপক অর্থত 'প্রাকৃত' শব্দটোৱে সমগ্র মধ্যভাৰতীয় আর্য ভাষাক বুজায়।
- পালিৰ দৰে প্রাকৃতো সংস্কৃতৰে পৰিৱর্তিত ৰূপ। কেৱল সেয়ে নহয় প্রাকৃতৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ সংস্থানো সংস্কৃতৰে অনুৰূপ। অৱশ্যে ব্যৱহাৰৰ ক্ষেত্রত সংস্কৃত বর্ণমালাৰ (স্বৰ আৰু ব্যঞ্জন) পৰা প্রাকৃত বর্ণমালাৰ কিছু পার্থক্য আছে।
- উচ্চাৰণৰ ধৰণ আৰু উচ্চাৰণৰ স্থান অনুযায়ী প্রাকৃত বর্ণমালা দুখনক তালিকাত দেখুৱাব পাৰি।
- প্রাকৃতৰ একক ব্যঞ্জন আৰু সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তনৰ দ্বিধাৰা সম্পর্কে জানিবলৈ সক্ষম হ'ল।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি- প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মাগধী প্ৰাকৃত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ও-কাৰান্তলৈ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।



৩.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) প্ৰাকৃতৰ স্ৱৰধ্ৱনিৰ সংখ্যা কেইটা?

খ) প্ৰাকৃতত 'ৱ' ধ্ৱনি ৰক্ষিত হৈছেনে?

গ) প্ৰাকৃতত শ, ষ -ধ্ৱনি কিহলৈ ৰূপান্তৰ হৈছে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) প্ৰাকৃতৰ এ আৰু ও হৈছে যুগ্মস্ৱৰ।

খ) প্ৰাকৃতত কেৱল সমীভৱনৰ জৰিয়তেহে মধ্যস্থিত সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ হোৱা দেখা যায়।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰাকৃতৰ স্ৱৰধ্ৱনিৰ পৰিৱৰ্তন সম্পৰ্কে এটি নাতিদীৰ্ঘ টোকা লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

'ঋ' ধ্ৱনিৰ পৰিৱৰ্তন, প্ৰাকৃতৰ শব্দৰ মধ্য অৱস্থানত সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তন

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাকৃতত স্ৱৰধ্ৱনি কেইটা আৰু কি কি? তালিকা এখনত প্ৰাকৃতৰ স্ৱৰধ্ৱনিবোৰ সজাওক।

প্ৰশ্ন ২ ঃ প্ৰাকৃতৰ ব্যঞ্জনধ্ৱনিৰ পৰিৱৰ্তনৰ ধাৰা কেইটা আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ প্ৰাকৃত ব্যঞ্জনধ্ৱনিৰ দ্বিধাৰা সম্পৰ্কে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৪ ঃ প্রাকৃত ভাষাৰ ব্যাকৰণৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সন্ধি
৪.৪ লিঙ্গ
৪.৫ শব্দৰূপ
৪.৬ ধাতুৰূপ
৪.৭ সাধিত ধাতুৰূপ
৪.৮ অসমাপিকা ৰূপ
৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্রগতিৰ খতিয়ান
৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃতৰ পৰা প্রাকৃতলৈ আহোতে ৰূপগত দিশত কেনেদৰে সৰলীকৰণ বা পৰিৱর্তন ঘটিছে সেই বিষয়ে জানিব পাৰিব
- প্রাকৃত ভাষাৰ সন্ধি আৰু লিংগ বিভাজন সম্পর্কে অৱগত হ'ব
- শব্দৰূপ, ধাতুৰূপকে আদি কৰি প্রাকৃত ব্যাকৰণৰ নানা দিশৰ পৰিচয় লাভ কৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি প্রাকৃত ভাষাৰ স্বৰবর্ণসমূহৰ পৰিচয়, স্বৰবর্ণসমূহৰ পৰিৱর্তনৰ বৈশিষ্ট্য, প্রাকৃত ব্যঞ্জনবর্ণসমূহৰ পৰিচয় আৰু ব্যঞ্জনবর্ণসমূহৰ পৰিৱর্তনৰ ধাৰা সম্পর্কে বহলাই অধ্যয়ন কৰিলো। সেই অধ্যায়টোতেই আপুনি অৱগত হ'ল যে সংস্কৃতৰ সৈতে প্রাকৃতৰ ব্যৱধান বা পার্থক্য আছে। এই ব্যৱধান বা পার্থক্য ধ্বনিগত, ৰূপগত এই আটাইবোৰ দিশতে স্পষ্টভাৱে পৰিলক্ষিত হয়। এই অধ্যায়টোত আমি সংস্কৃতৰ পৰা প্রাকৃতলৈ আহোতে ৰূপগত দিশত কেনেদৰে সৰলীকৰণ বা পৰিৱর্তন ঘটিছে সেই বিষয়ে বহলাই অধ্যয়ন কৰিম।

৪.৩ সন্ধি

সংস্কৃতৰ 'সন্ধি প্রকৰণ' এক জটিল প্রক্রিয়া। কিন্তু পালি-প্রাকৃত স্তৰত সংস্কৃতৰ সন্ধিৰ জটিলতা বহুখিনি হ্রাস পালে। প্রাকৃতৰ 'সন্ধি প্রকৰণ' আকৌ পালিতকৈয়ো সৰল হৈ পৰিল। ইয়াৰ মূল কাৰণ হিচাপে আঙুলিয়াব পাৰি— প্রাকৃতত পদান্ত ব্যঞ্জন লোপ; তদুপৰি সমীভৱনৰ জৰিয়তে পদৰ মাজত থকা সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণৰ ফলতো প্রাকৃত সন্ধিৰ জটিলতা বহুখিনি হ্রাস পালে। গতিকে প্রাকৃত সন্ধি বুলিলে প্রধানতঃ স্বৰ সন্ধিকহে বুজিব লাগিব। প্রাকৃত স্বৰসন্ধিৰ ক্ষেত্রত দুটা কথা গুৰুত্বপূর্ণ। এটা — প্রাকৃত স্বৰ সন্ধিৰ দুই-এটা নিয়ম সংস্কৃত মুলানুগ। আনটো — কিছুমান স্বৰসন্ধি সংস্কৃত নিয়ম বর্হিভূত।

- সংস্কৃতৰ নিয়মত প্রাকৃতৰ সন্ধি প্রকৰণৰ উদাহৰণ —
  - অ, আ + অ, আ = আ হয়। যেনে — দক্খিণ + অণিল = দক্খিণাণিল, পাস + আসঙ্কী = পাসাসঙ্কী
  - অ + ই = এ হয়। যেনে — ণ + ইচ্ছই = ণেচ্ছই
  - অ + উ = ও হয়। যেনে — মচ্ছ + উদৰ = মচ্ছোদৰ ইত্যাদি।
- সংস্কৃতৰ নিয়ম বর্হিভূত স্বৰসন্ধিৰ উদাহৰণ —
  - স্বৰবর্ণৰ সৈতে স্বৰ বর্ণ থাকিলে কেতিয়াবা পূর্বৱর্তী স্বৰ লোপ পায়। যেনে — মঅ + ইন্দ = মইন্দ
  - স্বৰবর্ণৰ পিছত স্বৰবর্ণ থাকিলে কেতিয়াবা পৰৱর্তী স্বৰ লোপ পায়। যেনে — চূঅ + অংকুৰ = চূঅংকুৰ

এইখিনিতে এটা কথা মন কৰিবলগীয়া যে প্রাকৃতত ব্যঞ্জনসন্ধিৰ উপস্থিতি নাই যদিও কোনো বিশেষ ক্ষেত্রত ব্যঞ্জন সন্ধিৰ অস্তিত্ব প্রাকৃততো লক্ষ্য কৰা যায়। যেনে— প্রাকৃতত পদান্ত 'ম্' > 'ং' লৈ পৰিৱর্তন হোৱা নিয়ম যদিও কেতিয়াবা 'ম্'ৰ অস্তিত্বও দেখা যায় — একম্ + একম্ = একমেকং

তদুপৰি পদৰ মাজত ব্যঞ্জনধ্বনিৰ সমীভৱন হওঁতে কেতিয়াবা কোনো শব্দত ব্যঞ্জন সন্ধিৰ লক্ষণ দেখিবলৈ পোৱা যায়। যেনে — দুব্ + লভ = দুল্লহ

এইদৰে প্রাকৃতত দুই এটা শব্দত ব্যঞ্জন সন্ধিৰ উপস্থিতি দেখা গ'লেও প্রাকৃতত বর্হিসন্ধিৰ প্রয়োগ নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাকৃতত ব্যঞ্জন সন্ধিৰ অস্তিত্ব সমূলি নাই। কথাষাৰ সচাঁ নে মিছা?

.....

৪.৪ লিঙ্গ

ভাষাৰ ক্ষেত্ৰত 'লিঙ্গ নিৰ্ণয়' বা 'লিঙ্গ প্ৰকৰণ' এক গুৰুত্বপূৰ্ণ বিষয়। আমি জানো যে প্ৰাকৃত সংস্কৃতৰে পৰৱৰ্তী ৰূপ। সেইফালৰ পৰা সংস্কৃতৰ বহু ভাষাতাত্ত্বিক বৈশিষ্ট্যই প্ৰাকৃতত দেখিবলৈ পোৱা যায়। কেৱল প্ৰাকৃত ভাষাত সৰলীকৰণৰ স্বাৰ্থত সংস্কৃতৰ বহুখিনি বৈশিষ্ট্যই শিথিল হৈ পৰিছে। প্ৰাকৃতৰ লিঙ্গ প্ৰকৰণো সেই শিথিলতাৰে এক গুৰুত্বপূৰ্ণ বিষয়। বিশ্লেষণ কৰিলে দেখা যায় সংস্কৃতৰ দৰে প্ৰাকৃততো লিঙ্গৰ তিনিটা ৰূপ, যথা— পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু ক্লীৱলিঙ্গ দেখা গ'লেও প্ৰাকৃতৰ লিঙ্গ প্ৰকৰণৰ নিয়ম সংস্কৃতৰ অনুৰূপ নহয়। সংস্কৃতত যিটো শব্দই স্ত্ৰীলিঙ্গ বুজায় সেইটোৱে প্ৰাকৃতত পুংলিঙ্গ শব্দক বুজায় আৰু ক্লীৱলিঙ্গক বুজোৱা শব্দই পুংলিঙ্গ শব্দকহে নিৰ্দেশ কৰে। যেনে—

সংস্কৃত ঃ শৰৎ (স্ত্ৰী.) ; বিষম্ (ক্লীৱ.)

প্ৰাকৃত ঃ সৰও(পুং.) ; বিসো (পুং)

সেইদৰে পুংলিঙ্গ নিৰ্দেশ কৰা শব্দ প্ৰাকৃতত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ দুয়োটাই হ'ব পাৰে; যেনে —

সংস্কৃত ঃ গৰিমা (পুং.) ; প্ৰাকৃত ঃ গৰিমো (পুং.), গৰিমা (স্ত্ৰী.)

সংস্কৃত ঃ মহিমা (পুং.) ; প্ৰাকৃত ঃ মহিমো (পুং.), মহিমা (স্ত্ৰী.)

এইদৰে আলোচনা কৰিলে প্ৰাকৃতৰ লিঙ্গ প্ৰকৰণ ব্যৱস্থাত এক লিঙ্গৰ ঠাইত অন্য এক লিঙ্গ হোৱাটো এক বিশেষত্ব বুলিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সংস্কৃতৰ এটি পুংলিঙ্গ শব্দৰ প্ৰাকৃতৰ স্ত্ৰীলিঙ্গ ৰূপ লিখক।

.....

৪.৫ শব্দৰূপ

সৰলীকৰণ প্ৰৱণতা ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এই সৰলীকৰণ প্ৰৱণতাৰ বাবেই সংস্কৃতৰ শব্দৰূপৰ জটিলতা আৰু বৈচিত্ৰ প্ৰাকৃতত বহুখিনি হ্ৰাস পালে। শব্দৰ আকৃতি, বচন, লিঙ্গ, কাৰক তথা বিভক্তি আদি সকলো দিশতে প্ৰাকৃতৰ শব্দৰূপ বহুখিনি সৰল হৈ পৰিল। প্ৰাকৃতৰ শব্দৰূপৰ প্ৰধান বিশেষত্ববোৰ তলত উল্লেখ কৰা হ'ল।

প্ৰাকৃতৰ শব্দৰূপৰ বিশেষত্ববোৰৰ ভিতৰত প্ৰথমেই উল্লেখ কৰিব লাগিব যে প্ৰাকৃতৰ সকলো শব্দই স্বৰান্ত; অৰ্থাৎ পদান্ত ব্যঞ্জন লোপ পোৱাত শব্দৰূপে স্বৰান্ত ৰূপ ল'লে। গতিকে প্ৰাকৃতৰ শব্দৰূপ বুলিলে আমি স্বৰান্ত শব্দৰূপ বুলিহে বুজিব লাগিব। পিছে স্বৰান্ত শব্দৰূপতো

আকৌ কিছু সীমাবদ্ধতাও দেখা যায়। প্রাকৃতত স্বৰান্ত শব্দৰূপৰ ভিতৰত ঋ-কাৰান্ত, ঔ আৰু ঐ-কাৰান্ত শব্দৰূপো লোপ পালে। পুংলিঙ্গ শব্দৰ প্রধান প্রাতিপদিক থাকিল অ/ই/উ-কাৰান্ত, স্ত্রীলিঙ্গত থাকিলে আ/ঈ/ঊ-কাৰান্ত আৰু ক্লীৱলিঙ্গত থাকিল কেৱল অ-কাৰান্ত শব্দৰূপৰ অস্তিত্ব।

দ্বিতীয়তে, সংস্কৃতৰ দ্বিবচনৰ ব্যৱহাৰ প্রাকৃতত নাইকিয়া হৈ পৰিল। দ্বিবচনৰ ঠাই ল'লে বহুবচনে। মাথোন প্রাকৃতত দুটা বুজোৱা শব্দৰ আগত 'দ্বে', 'দুৱে', 'দো' আদি অংশ যোগ দিয়া হয়। গতিকে প্রাকৃতত বচন বুলিলে কেৱল একবচন আৰু বহুবচন — এই দুই ৰূপহে পোৱা যায়।

তৃতীয়তে, প্রাকৃতত এটা শব্দৰ আর্হিত আন এটা শব্দ গঠনৰ প্রৱণতাৰ বাবেও শব্দৰূপৰ বৈচিত্র্য বহুখিনি কমি গ'ল। পুংলিঙ্গ ই/উ-কাৰান্ত শব্দৰূপৰ কোনো পার্থক্যই দেখা নাযায়। আনহাতে আ/ঈ/ঊ-কাৰান্ত শব্দৰূপৰ মাজতো কোনো পার্থক্য নাই। অধিকাংশ শব্দৰূপৰ আর্হি অ-কাৰান্ত শব্দৰূপ। উদাহৰণস্বৰূপে সংস্কৃতৰ অ-কাৰান্ত 'নৰঃ' আৰু ই-কাৰান্ত 'মুনি' শব্দ আকৃতিগত পার্থক্য স্পষ্ট, কিন্তু প্রাকৃতত দুয়োটা শব্দৰ ৰূপ অ-কাৰান্ত ৰূপত গঠন হৈছে।

চতুর্থতে, সমকাৰকত্ব বা কাৰকৰ অভিন্নতা প্রাকৃতৰ শব্দৰূপৰ আন এক অন্যতম বিশেষত্ব। প্রাকৃতত ষষ্ঠী আৰু চতুর্থী বিভক্তি এক হৈ পৰিল; বহুবচনত প্রথম-দ্বিতীয়াৰ ভেদ লোপ পালে; স্ত্রীলিঙ্গৰ ৰূপত আকৌ তৃতীয়া-চতুর্থী-ষষ্ঠী আৰু সপ্তমী বিভক্তিয়ে এক ৰূপ ল'লে; তদুপৰি পুংলিঙ্গ শব্দৰ সপ্তমীৰ একবচনত সকলোতে সর্বনামৰ বিভক্তি '-স্মি' যোগ হ'ল।

পঞ্চমতে, বিভক্তি অর্থাৎ বিকল্প বিভক্তিৰ প্রয়োগো প্রাকৃত শব্দৰূপৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। প্রাকৃতত পুংলিঙ্গৰ ৭মীৰ একবচনত বিকল্প হিচাপে 'ই', স্ত্রীলিঙ্গৰ ১মা-২য়াৰ বহুবচনত বিকল্প বিভক্তি হিচাপে 'উ' আৰু 'ও' বিভক্তি, ৩য়া, ৪র্থী, ৬ষ্ঠী আৰু ৭মীৰ একবচনত বিকল্পে অ, আ, ই আৰু এ বিভক্তি যোগ হয়। ফলত একেটা পদ একেটা কাৰকতে ভিন ভিন হৈ পৰিছে।

ষষ্ঠতে, প্রাকৃতত শব্দৰূপৰ প্রসংগত লিঙ্গৰ ভূমিকাও আনবোৰ বিশেষত্বৰ দৰেই গুৰুত্বপূর্ণ। প্রাকৃতত লিঙ্গ প্রকৰণৰ বৈচিত্র্য সংস্কৃততকৈ ভালেখিনি সৰল হৈ পৰা বুলি ইতিপূর্বে উল্লেখ কৰি আহিছোঁ। সংস্কৃতত লিঙ্গৰ ৰূপ বেলেগ, কিন্তু প্রাকৃতত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গ শব্দৰ ৰূপ কর্তা আৰু কর্ম কাৰকৰ বাহিৰে সকলোতে একে। গতিকে প্রাকৃত স্তৰত সংস্কৃতক লিঙ্গ অনুসৰি শব্দৰূপৰ বৈচিত্র্য সৰল হৈ প্রধানত ঃ পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ — এই দুটা লিঙ্গত পৰিণত হ'ল।

তালিকা ৪.১ ঃ বিভক্তিৰ তালিকা

বিভক্তি	*একবচন*	*বহুবচন*
প্রথমা	ও, এ	আ, (ণো, ও, উ)
দ্বিতীয়া	ং	আ (ণা, এ, উ, ও)
তৃতীয়া	এন (অ, আ, ই, এ)	হিং হি, (ভিং)
চতুর্থী	সস্ (অ, এ)	ণং (ণ)

পঞ্চমী	হি, (ও, আ, উ)	হিংতো, সুংতো (হি, হিং)
ষষ্ঠী	সস্ (আহ, আএ)	ণং, (ণ)
সপ্তমী	ম্মি, ম্হি (এ)	সু (সুং)

তালিকাখনৰ বন্ধনীৰ ভিতৰত দেখুওৱা বিভক্তিবোৰ বিকল্প বিভক্তিৰূপে ব্যৱহাৰ হয়। তলত এটি শব্দৰ ৰূপ কৰি দেখুওৱা হ'ল —

তালিকা ৪.২ঃ পুত্ত (পুত্র — আ-কাৰান্ত পুংলিঙ্গ) শব্দৰ বিভিন্ন বিভক্তিৰ ৰূপ

	একবচন	বহুবচন
১মা	পুত্তো	পুত্তা
২য়া	পুত্তং	পুত্তা, পুত্তে
৩য়া	পুত্তেণ	পুত্তেহি, পুত্তেহিং
৪র্থী	পুত্তস্স, পুত্তাও	পুত্তাণং
৫মী	পুত্তা, পুত্তাদো, পুত্তাদু	পুত্তাহিংতো
	পুত্তাও, পুত্তাহি	পুত্তেসুন্তো
৬ষ্ঠী	পুত্তাস্স	পুত্তাণং, পুত্তাণ
৭মী	পুত্তম্মি, পুত্তে	পুত্তেসু, পুত্তেসুং



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ প্রাকৃতত বিকল্প বিভক্তি প্রয়োগ নাই। কথাষাৰ সচাঁ নে মিছা?

.....

৪.৬ ধাতুৰূপ

প্রাকৃতৰ ধাতুৰূপ সংস্কৃততকৈতো সৰলেই, পালিতকৈয়ো সৰল। ইয়াৰ মূল কাৰণ হ'ল সাদৃশ্য আৰু সৰলীকৰণ প্রৱণতা আৰু ধ্বনিগত পৰিৱর্তনৰ প্রচুৰ প্রভাৱ। প্রাকৃতৰ ধাতুৰূপৰ বিশেষত্ববোৰলৈ লক্ষ্য কৰিলে দেখা যায়—

প্রাকৃতত ধাতুবোৰক একগণীয় কৰাৰ প্রৱণতা অধিক। সংস্কৃতত ধাতুবোৰক দহটা 'গণ'ত ভাগ কৰাৰ বিপৰীতে প্রাকৃতত ধাতুবোৰক অ-গণ আৰু এ-গণ, হিচাপে দুটা ভাগ কৰা হৈছে যদিও ধাতুবোৰক মূলতঃ ভ্বাদিগণীয় অর্থাৎ ভূ-ধাতুৰ আকাৰ অনুযায়ী ৰূপ দিয়াৰ প্রৱণতাই দেখা দিলে।

দ্বিতীয়তে, ল-কাৰৰ বৈচিত্র্যও সংস্কৃত আৰু পালিতকৈ হ্রাস পালে। প্রাকৃতত কাল প্রকাশক ল-কাৰ মাথোন দুটা — লট্ (বর্তমান) আৰু লৃট্ (ভৱিষ্যত)। সেইদৰে ভাব-প্রকাশক ল-কাৰো দুটা — লোট্ আৰু বিধিলিঙ্। বিধিলিঙৰ প্রয়োগো লক্ষণীয়ভাৱে সীমিত। চাৰিটা ল-

কাৰ বুজাবলৈ প্রাকৃতত একবচন আৰু বহুবচনত যিবোৰ 'তিঙ' বিভক্তি ব্যৱহাৰ কৰা হয়, সেইবোৰ অধিকাংশই সংস্কৃতৰ তিঙ্ বিভক্তিৰ ধ্বনিগত পৰিৱর্তনৰ ফল। তলত ধাতুৰূপৰ বিভক্তিসমূহৰ তালিকা কেইখন দিয়া হ'ল —

তালিকা ৪.৩ঃ ধাতুৰূপৰ বিভক্তিসমূহ

লট্ (বর্তমান)

	একবচন	বহুবচন
প্রথম পুৰুষ ঃ	ই (দি)	न्তি
মধ্যমপুৰুষ ঃ	সি	হ (ধ)
উত্তম ঃ	মু	মো

লোট্ (অনুজ্ঞা)

	একবচন	বহুবচন
প্রথম পুৰুষ ঃ	উ (দু)	न्তু
মধ্যম পুৰুষ ঃ	সু (শু)	হ (ধ)
উত্তম পুৰুষ ঃ	মু	মো

লৃট্ (ভৱিষ্যত)

	একবচন	বহুবচন
প্রথম পুৰুষ ঃ	স্সই (স্সদি), (শ্শদি)	সসন্তি (শ্শন্তি)
মধ্যম পুৰুষ ঃ	স্সদি (শ্শশি)	স্সহ (স্সহ) (স্মধ) (শ্শধ)
উত্তম পুৰুষ ঃ	স্সামি, সসং (শশং)	সসামো (শ্শামো)

বিধিলিঙ্

	একবচন	বহুবচন
প্রথম পুৰুষ ঃ	এজ্জ	এজ্জা
মধ্যম পুৰুষ ঃ	এজ্জাসি, এজ্জসি	এজ্জহ, এজ্জাহ
উত্তম পুৰুষ ঃ	এজ্জামি	এজ্জাম

প্রাকৃতৰ ধাতুৰূপৰ আন এটা বিশেষত্ব হ'ল বিকল্প বিভক্তিৰ প্রয়োগ। উদাহৰণস্বৰূপে লটৰ প্রথম পুৰুষৰ বহুবচনত অতিৰিক্ত বিভক্তি হিচাপে মু, মা ব্যৱহাৰ হোৱা দেখা যায়। একেদৰে লট্, লৃট আৰু বিধিলিঙত বিকল্প বিভক্তি হিচাপে 'জ্জ', 'জ্জা' যোগ হোৱা দেখা যায়।

দ্বিবচন লোপো প্রাকৃতৰ ধাতুৰূপৰ অন্য এক বৈশিষ্ট্য। প্রাকৃতৰ ধাতুৰূপত কেৱল একবচন আৰু বহুবচনহে আছে। শব্দৰূপৰ দৰে দ্বিবচনৰ ঠাই ল'লে বহুবচনে।

প্রাকৃত ধাতুৰূপৰ চানেকি হিচাপে তলত অ-গণীয় 'পুচ্ছ' ধাতু লট্-ত ৰূপ কৰি দেখুওৱা হ'ল —

তালিকা ৪.৪ ঃ অ-গণীয় 'পুচ্ছ' ধাতু লট্-ত ৰূপ

পুচ্ছ (প্রচ্ছ)

	একবচন	বহুবচন
প্রথম পুৰুষ ঃ	পুচ্ছই (মহাৰাষ্ট্রী)	পুচ্ছন্তি
	পুচ্ছদি (শৌৰসেনী)	
মধ্যম পুৰুষ ঃ	পুচ্ছসি	পুচ্ছধ (শৌৰসেনী)
		পুচ্ছহ (মহাৰাষ্ট্রী)
উত্তম পুৰুষ ঃ	পুচ্ছামি	পুচ্ছামো



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রাকৃতৰ ভাব প্রকাশক ল-কাৰ কেইটা?

.....

৪.৭ সাধিত ধাতুৰূপ

বিভিন্ন প্রত্যয়ৰ সংযোগত নতুন শব্দ গঠন কৰি তাৰ পাছত 'তিঙ্' বিভক্তি অনুযায়ী ধাতুৰূপ কৰাকে যে সাধিত ধাতুৰূপ বোলে সেই বিষয়ে আমি প্রথম অধ্যায়ত পালি ভাষাৰ সাধিত ধাতুৰূপ প্রসঙ্গতে উল্লেখ কৰি আহিছোঁ। প্রাকৃতত সাধিত ধাতু তিনি প্রকাৰৰ পোৱা যায়— নিজন্ত বা প্রেৰণার্থক ক্রিয়া, নামধাতু আৰু কর্মবাচ্য। তলত এইবোৰ কেনেকৈ গঠন কৰা হয় উদাহৰণসহ দেখুওৱা হ'ল —

- **নিজন্ত বা প্রেৰণার্থক ক্রিয়া ঃ** প্রাকৃতৰ নিজন্ত বা প্রেৰণার্থক ক্রিয়া গঠন সংস্কৃত বা পালিতকৈ যথেষ্ট সৰল। ইয়াত পালিৰ দৰে 'অয়' আৰু 'পয়'ৰ ব্যৱহাৰ নাই। এই দুয়োটা প্রত্যয় প্রাকৃতত যথাক্রমে 'এ' আৰু -'েৱ'/-'আবে' লৈ ৰূপান্তৰ হোৱা দেখা যায়। যেনে —

  কৰ্ + এ + ই, দি = কাৰেই, কাৰেদি

  মাৰ্ + এ + ই, দি = মাৰেই, মাৰেদি

  আণা+ ৱে + ই, দি = আণাৱেই, আণাৱেদি ইত্যাদি

- **নামধাতু ঃ** প্রাকৃতত নামধাতু গঠনৰ কোনো নিজস্ব বৈশিষ্ট্য নাই। প্রাকৃতত '-আয়' আৰু '-আপয়' ৰ পৰা উদ্ভূত '-আঅ' আৰু '-ৱে' নামমূলটোত যোগ হৈ নামধাতু গঠন কৰা হয়। যেনে—

  সুখ + আয় + তি = সুখায়তি

  সমাধান + এ + তি = সমাধানেতি ইত্যাদি

- **কর্মবাচ্য ঃ** প্রাকৃতত ধাতুৰ পাছত 'য়' প্রত্যয় কৰি কর্মবাচ্য গঠন কৰা হয়। মাথোন কেতিয়াবা 'য়' ধাতুৰ পূর্বৱর্তী ব্যঞ্জনৰ সৈতে সমীভৱন হয়। যেনে — গম্যতে > গম্মই ; দৃশ্যতে >

দিস্‌সই, দীসই ইত্যাদি।

কেতিয়াবা আকৌ 'য়' ৰ ঠাইত 'ঈঅ' অথবা 'ইজ্‌জ' হয়। যেনে —

পঠ্যতে > পঢ়িজ্জই, পঢ়ীঅই

ক্রিয়তে > কৰীঅই, কৰিজ্জই ইত্যাদি।

৪.৮ অসমাপিকা ৰূপ

প্রাকৃতৰ অসমাপিকা ৰূপ তিনিটা — (ক) কৃদন্ত (খ) তুমর্থক আৰু (গ) ল্যৱর্থক অসমাপিকা। তলত ইহঁতৰ গঠন দেখুওৱা হ'ল।

- **কৃদন্ত ঃ** কিছুমান ধাতুত কিছুমান বিশেষ প্রত্যয় যোগ কৰি কৃদন্ত গঠন কৰা হয়। অসমাপিকা ক্রিয়াৰ কার্য বুজাবলৈ আচলতে এই পদবোৰ ব্যৱহাৰ কৰা হয়। গঠনৰ ওপৰত ভিত্তি কৰি কৃদন্তক প্রধানতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি — বর্তমানকালিক, অতীতকালিক আৰু ভৱিষ্যতকালিক কৃদন্ত।
  - ➢ *বর্তমানকালিক কৃদন্ত ঃ* প্রাকৃতত বর্তমানকালিক কৃদন্ত গঠন হয় '-অন্ত' (শতৃ) আৰু '-মান' (শানচ্‌) প্রত্যয়ৰ সংযোগত। প্রাকৃতত পৰস্মৈপদী বা আত্মনেপদী যি কোনো ধাতুৰ পিছতে এই প্রত্যয় দুটা যোগ হ'ব পাৰে। যেনে — জানন্ত, পিঅন্ত, পেচ্ছমান, সুণমান ইত্যাদি।
  - ➢ অতীতকালিক কৃদন্ত ঃ প্রাকৃতত অতীতকালিক কৃদন্ত গঠনৰ প্রত্যয়কেইটা হৈছে — -ণ, -ইত আৰু -ত। মহাৰাষ্ট্রীত '-ত' লোপ হয়। যেনে — দিন্ন (দত্তঃ), ৰুন্ন (ৰুদিত); জানিঅ, জানিদ ; গঅ, গদ ইত্যাদি।
  - ➢ ভৱিষ্যতকালিক কৃদন্ত ঃ ভৱিষ্যতকালবাচক কৃদন্ত গঠনতো তিনিটা প্রত্যয়ে গঠন কৰা হয়। সেই প্রত্যয় তিনিটা হ'ল — '-ৱ্ব', '-অণীঅ'/'-অণিজ্জ' আৰু '-য্য' বা '-জ্‌জ'। এই তিনিওটা প্রত্যয় যথাক্রমে সংস্কৃতৰ 'তব্য', 'অনীয়' আৰু 'য়' কৃৎ প্রত্যয়ৰ ধ্বনিগত পৰিৱর্তন হৈ আহিছে। যেনে — হোদব্ব (ভৱিতব্য); পূঅণীঅ, পূঅণিজ্জ (পূজনীয়); গেয্য, গেজ্জ (গেয়) ইত্যাদি।
- **তুমুর্থক অসমাপিকা ঃ** সংস্কৃতত তুমর্থক অসমাপিকা গঠনত ধাতুৰ পিছত '-তুম্‌'-ৰ ব্যৱহাৰ কৰা হয়। কিন্তু প্রাকৃত বিশেষে ইয়াৰ প্রয়োগ অন্য ৰূপত হোৱা দেখা যায়। সেই অনুযায়ী—

  মহাৰাষ্ট্রীত '-ঊং' (যেনে — কৃ + তুম > কাউং)

  শৌৰশেনীত '-দুং' (যেনে — গন্তুম > গমিদুং)

  অর্ধ-মাগধীত '-ওএ' (যেনে — গচ্ছিওয়ে) ইত্যাদি।
- **ল্যৱর্থক অসমাপিকা ঃ** প্রাকৃতত ল্যৱর্থক অসমাপিকা ক্রিয়াৰ অর্থ বুজাবলৈ অর্থাৎ ল্যৱর্থক অসমাপিকা গঠনৰ প্রত্যয়কেইটা হ'ল ক্রমে — -ত্তা, -ত্তাণং, -ইঅ, -ঊণ, -দূণ, -দুঅ। ইয়াৰে প্রথম দুটা অর্ধ-মাগধীত; '-ইঅ' প্রায় আটাই কেইটা প্রাকৃত ৰূপতে; '-ঊণ' মহাৰাষ্ট্রী আৰু

মাগধীত; '-দূণ' শৌৰসেনীত আৰু '-দুঅ' কৃ আৰু গম্ ধাতুৰ পাছত শৌৰসেনীত বিকল্পে ব্যৱহাৰ কৰা হয়। যেনে —

-ত্তা, ত্তাণং ঃ জানিত্তা, পুচ্ছিত্তা, ভৱিত্তাণং

-ইঅ ঃ কৰ + ইঅ = কৰিঅ

গম + ইঅ = গমিঅ

-ঊণ ঃ কৰিঊণ (মহাৰাষ্ট্ৰী)

কাঊণ (মাগধী)

-দূণ ঃ কৰিদূণ

-দুঅ ঃ কদুঅ ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ প্ৰাকৃতত নামধাতু গঠনৰ কিবা বিশেষ বৈশিষ্ট্য আছেনে?

.....

প্ৰশ্ন নং ৬ ঃ প্ৰাকৃতত অতীতকালিক কৃদন্ত গঠনৰ প্ৰত্যয়কেইটা কি কি?

.....



৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাকৃত ভাষাত সৰলীকৰণৰ স্বাৰ্থত সংস্কৃতৰ বহুখিনি বৈশিষ্ট্যই শিথিল হৈ পৰিছে। প্ৰাকৃতৰ সন্ধি প্ৰকৰণ, লিঙ্গ প্ৰকৰণ যে সংস্কৃত আৰু পালিতকৈ যথেষ্ট সৰল তাকো জানিব পাৰিলে।
- সৰলীকৰণ প্ৰৱণতাৰ বাবেই সংস্কৃতৰ শব্দৰূপ আৰু ধাতুৰূপৰ জটিলতা আৰু বৈচিত্ৰ্য বহুখিনি হ্ৰাস পালে। এই বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰা হ'ল।
- লগতে পৰিৱৰ্তিত ৰূপত (সংস্কৃতৰ পৰা) সাধিত ধাতু আৰু অসমাপিকা গঠন সম্পৰ্কেও জানিব পাৰিলে। ইয়াৰ পৰাও অৱগত হ'ল যে প্ৰাকৃত ভাষাৰ পৰ্যায়ত ইয়াৰো আমূল পৰিৱৰ্তন সাধিত হৈছে আৰু সৰলীকৰণ ঘটিছে।



৪.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.



৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মিছা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত. মহিমা পুং. > প্ৰাকৃত. মহিমা (স্ত্ৰী)।

৩ নং প্রশ্নৰ উত্তৰ ঃ মিছা।

৪ নং প্রশ্নৰ উত্তৰ ঃ দুটা।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রাকৃতত নামধাতু গঠনৰ কোনো নিজস্ব বৈশিষ্ট্য নাই।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রাকৃতত অতীতকালিক কৃদন্ত গঠনৰ প্রত্যয়কেইটা হ'ল -ণ, -ইত আৰু -ত।



৪.১২ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) প্রাকৃতত পদান্ত ব্যঞ্জন আছেনে?

খ) প্রাকৃতত ধাতুবোৰক কি গণীয় কৰাৰ প্রৱণতা দেখা যায়?

গ) প্রাকৃতৰ অসমাপিকা ৰূপ কেইটা আৰু কি কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) প্রাকৃত সন্ধি বুলিলে প্রধানতঃ ব্যঞ্জন সন্ধিকহে বুজিব লাগিব।

খ) প্রাকৃতৰ লিঙ্গ প্রকৰণৰ নিয়ম সংস্কৃতৰ অনুৰূপ।

গ) সমকাৰকত্ব কাৰকৰ অভিন্নতা প্রাকৃতৰ শব্দৰূপৰ আন এক অন্যতম বিশেষত্ব।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ শব্দৰূপ কাক বোলে? প্রাকৃতৰ শব্দৰূপৰ বৈশিষ্ট্য কি কি আলোচনা কৰক।

প্রশ্ন ২ ঃ 'প্রাকৃতৰ সন্ধি প্রকৰণ এক সৰল প্রক্রিয়া' — আলোচনা কৰক।

প্রশ্ন ৩ঃ চমুটোকা লিখক — প্রাকৃতৰ লিঙ্গ প্রকৰণ, বিকল্প বিভক্তি, প্রাকৃত ল-কাৰ, নামধাতু, প্রাকৃত কৃদন্ত, তুমুর্থক অসমাপিকা গঠন, ল্যৱর্থক অসমাপিকা।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ এটি শব্দৰ ৰূপ কৰি প্রাকৃতৰ শব্দৰূপৰ বিভক্তিৰ তালিকাখন দেখুওৱাক।

প্রশ্ন ২ঃ ধাতুৰূপ কাক বোলে? প্রাকৃতৰ ধাতুৰূপ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ প্রাকৃতৰ ল-কাৰ অনুযায়ী ধাতুৰূপৰ বিভিন্ন বিভক্তিৰ তালিকা কেইখন দি যি কোনো এটি ধাতু শব্দৰ ৰূপ কৰি দেখুওৱাক।

প্রশ্ন ৪ঃ ৰূপতত্ত্ব কাক বোলে? প্রাকৃতৰ ৰূপতত্ত্বৰ প্রধান প্রধান ৰূপ কেইটা উল্লেখ কৰি এটি চমু আলোচনা কৰক।

প্রশ্ন ৫ ঃ প্রাকৃতৰ সাধিত ধাতুৰ ৰূপৰ গঠন সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ পালি সাহিত্যৰ পৰিচয়

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পালি সাহিত্য

৫.৪ পালি সাহিত্যৰ শ্রেণীবিভাগ

৫.৪.১ *ত্রিপিটক* আৰু *ত্রিপিটকৰ* অন্তর্গত সাহিত্যৰ পৰিচয়

৫.৪.২ *ত্রিপিটক* বহির্ভূত সাহিত্যৰ পৰিচয়

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পালি সাহিত্য সৃষ্টিৰ কাল নিৰূপণ কৰিব পাৰিব
- বিষয়বস্তু আৰু ৰূপ অনুসৰি পালি সাহিত্যক শ্রেণীবিভাগ কৰিবলৈ সক্ষম হ'ব
- বৌদ্ধ ধর্মৰ মূল ধর্মীয় তথা শাস্ত্রীয় গ্রন্থত্রয় *ত্রিপিটক* সম্পর্কে জ্ঞান লাভ কৰিব
- *ত্রিপিটকৰ* অন্তর্গত আৰু বহির্ভূত দুয়ো শ্রেণী সাহিত্যৰে সাহিত্যিক নিদর্শনসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- তদুপৰি পালি সাহিত্যৰ সাহিত্যিক মর্যদাও নিৰূপণ কৰিবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় কেইটাত আপুনি পালি আৰু প্রাকৃত ভাষাৰ ব্যাকৰণৰ কেইটামান দিশ অধ্যয়ন কৰিলে। সেই অধ্যয়নৰ পৰা আপুনি নিশ্চয় এক স্পষ্ট ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ল যে — পালি আৰু প্রাকৃতৰ ব্যাকৰণগত দিশসমূহ সংস্কৃততকৈ সৰল। সংস্কৃত ভাষাত যেনে দৰে বিভিন্ন সাহিত্যৰ সৃষ্টি হৈছিল, ঠিক সেইদৰে পালি আৰু প্রাকৃততো তদানীন্তন সময়ত বিবিধ সাহিত্যৰ সৃষ্টি হৈছিল। এই অধ্যায়টোত আমি পালি ভাষাৰ সাহিত্য সম্পর্কে অধ্যয়ন কৰিম।

পালি ভাষাৰ সাহিত্যৰাজিত মূলতঃবৌদ্ধ শাস্ত্রৰ পৰিচয় জ্ঞাপক ৰচনাৰাজি অন্তর্গত। পালি সাহিত্যৰাজিক আকৌ দুটা ভাগত ভাগ কৰি আলোচনা কৰা হয়। এই দিশসমূহৰ বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।

৫.৩ পালি সাহিত্য

বিভিন্ন তথ্য প্ৰমাণৰ ওপৰত ভিত্তি কৰি 'পালি ভাষা'ৰ সময় হিচাপে খ্ৰীষ্ট পূৰ্ব তৃতীয় শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ দ্বিতীয় শতাব্দী বুলি ধৰা হৈছে। ই প্ৰধানতঃ গঢ় লৈ উঠিছে আদি স্তৰৰ প্ৰাকৃতৰ পশ্চিমা আৰু প্ৰাচ্য-মধ্যা উপভাষাৰ মিশ্ৰণত। দক্ষিণ-পশ্চিম আৰু দক্ষিণ ভাৰতৰ হীনযান মতৱালম্বী বৌদ্ধসকলৰ জৰিয়তে পালি ভাষাই প্ৰতিষ্ঠা লাভ কৰে। গতিকে পালিক ধৰ্ম সাহিত্যৰ ভাষা হিচাপেও অভিহিত কৰা হয়। অন্য কথাত পালিক 'বৌদ্ধ-প্ৰাকৃত' হিচাপে অভিহিত কৰিব পাৰি। দৰাচলতে পালি সাহিত্য বুলিলে আমি থোৰতে বৌদ্ধ শাস্ত্ৰৰ পৰিচয় জ্ঞাপক ৰচনাৰাজিকে বুজোঁ। উল্লেখ কৰা ভাল যে বুদ্ধদেৱৰ সমস্ত বচনসমূহক একেলগে 'বুদ্ধ বচন' বুলি কোৱা হয়। বুদ্ধ বচনসমূহ ইতিমধ্যে *ত্ৰিপিটক*ৰ অন্তৰ্ভুক্ত হৈছে।

পালি সাহিত্যই বিশালতা লাভ কৰাৰ মূলতে আছে হীনযান পন্থৰ থেৰীবাদীসকলৰ অৱদান। যাৰ অৱদানত এইবিধ সাহিত্যৰ প্ৰসাৰতা ভাৰতৰ উপৰি সিংহল (এতিয়াৰ শ্ৰীলংকা), ব্ৰহ্মদেশ, শ্যামদেশ, কম্বোডিয়া, প্ৰভৃতি পৰ্যন্ত পৰিব্যাপ্ত হৈ পৰিছে। সেইফালৰ পৰা পালি ভাষাই বিবিধ সাহিত্য সম্ভাৰেৰে ঐশ্বৰ্যশালী তথা উন্নত ভাষা হিচাপে নিজকে পৰিচয় দিবলৈ সক্ষম হৈছে।

আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ যে পালি হৈছে ধৰ্ম সাহিত্যৰ ভাষা। অৰ্থাৎ পালি বৌদ্ধ ধৰ্মতত্ত্বৰে পৰিপুষ্ট ভাষা। কিন্তু তাৰ অৰ্থ এইটোও নহয় যে পালিত আন সাহিত্যিক ৰস সমৃদ্ধ সাহিত্যৰাজি সমূলি নাই। দৰাচলতে পালি সাহিত্যত ধৰ্মমূলক আৰু ধৰ্ম-নিৰপেক্ষ দুয়োবিধ বিষয়েই সমানেই সমাদৃত। তাৰে কেতবোৰ ৰচনাই উৎকৃষ্ট সাহিত্য হিচাপে যাউতীযুগীয়া খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ধৰ্ম-নিৰপেক্ষ সাহিত্যৰ ভিতৰত নাৰী মনৰ দুখ-বেদনা, সংঘাত-কাৰুণ্যৰ পৰা আৰম্ভ কৰি কল্যাণ-মৈত্ৰীৰ আদৰ্শলৈকে, মনোজ্ঞ ৰচনাৰ পৰা ঐতিহাসিক তথ্যলৈকে তথা সামাজিক-সাংস্কৃতিক-নৈতিক আদি প্ৰতিটো দিশেই পালি সাহিত্যৰ ভিতৰত সোমাই পৰিছে।

৫.৪ পালি সাহিত্যৰ শ্ৰেণীবিভাগ

পালি ভাষাৰ ক্ষেত্ৰত সময়ৰ এক নিৰ্দিষ্ট সীমা নিৰ্দেশ কৰা হৈছে যদিও সাহিত্যৰ প্ৰসঙ্গত স্পষ্টকৈ সেয়া দেখুৱাব নোৱাৰি। কিয়নো পালি সাহিত্যৰ ৰচনাৰ সূচনা হয় খ্ৰীষ্টীয় শতাব্দী আৰম্ভ হোৱাৰ পূৰ্বে আৰু ই অবিৰত গতিত খ্ৰীষ্টীয় পঞ্চদশ শতাব্দী মানলৈকে অব্যাহত থাকে। কেৱল সেয়ে নহয়, ইয়াৰ পাছতো বিক্ষিপ্ত ৰূপত হ'লেও পালি সাহিত্য ৰচনা নোহোৱাকৈ থকা নাছিল। যি কি নহওক এই সমগ্ৰ সময়ছোৱাত ৰচিত বিভিন্ন সাহিত্যৰাজিৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে পালি সাহিত্যক বহলকৈ দুটা ভাগত ভাগ কৰিব পাৰি। সেই দুটা হ'ল —

(ক) *ত্ৰিপিটক* (খ) *ত্ৰিপিটক* বহিৰ্ভূত সাহিত্য

ধর্মমূলক পালি সাহিত্যখিনিক *ত্রিপিটকৰ* অন্তর্ভুক্ত কৰাৰ বিপৰীতে ধর্ম-নিৰপেক্ষ সাহিত্যখিনি *ত্রিপিটক* বহির্ভূত সাহিত্যশ্রেণীৰ অন্তর্ভুক্ত কৰা হৈছে। তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৫.৪.১ *ত্রিপিটক* আৰু *ত্রিপিটকৰ* অন্তর্গত সাহিত্যৰ পৰিচয়

তিনি 'পিটক'ৰ সমষ্টিক একেলগে *ত্রিপিটক* আখ্যা দিয়া হৈছে। 'বিনয়', 'সুত্ত' আৰু 'অভিধম্ম' — এই তিনি পিটকেই *ত্রিপিটক*। 'পিটক' শব্দৰ অর্থ 'পাত্র', 'পেৰা' বা 'আধাৰ'। বুদ্ধদেৱৰ ধর্মোপদেশ, ভিক্ষুৰ জীৱন-যাপনৰ প্রণালী বিষয়ক কথা শৃংখলিত ৰূপত সংগৃহীত হোৱাৰ পাছত প্রত্যেক ভাগকে বুদ্ধ বচনৰ একোটা 'আধাৰ', 'পাত্র' বা 'পেৰা' বুলি কোৱা হয়। পিছলৈ এই তিনি পিটকেই *ত্রিপিটক* হিচাপে অভিহিত হ'ল।

'বিনয় পিটক'ত আছে ভিক্ষু-ভিক্ষুণীসকলৰ পালনীয় বিধি-নিয়ম লগতে শীল বিষয়ক শিক্ষাই এই পিটকত প্রাধান্য বিস্তাৰ কৰিছে। 'সুত্ত পিটক'ত প্রধানভাৱে বুদ্ধ প্রৱর্তিত ধর্মৰ মূল তত্ত্ব বা সুত্রবিলাকে স্থান লাভ কৰিছে। এই পিটকত চিত্তবিষয়ক শিক্ষাই প্রধানভাৱে সন্নিৱিষ্ট হৈছে। 'অভিধম্ম পিটক'ত প্রজ্ঞাবিষয়ক শিক্ষাৰ বিষয়ে প্রতিপাদন কৰা হৈছে।

সিংহলী ঐতিহ্যৰ পৰা জানিব পৰা মতে তৃতীয় ***মহাসংগীতি***ৰ পিছত সম্রাট অশোকৰ নির্দেশ অনুযায়ী পুত্র মহেন্দই বিনয়, সুত্ত আৰু অভিধম্ম এই তিনি পিটক লৈ সিংহললৈ বৌদ্ধ ধর্ম প্রচাৰৰ অর্থে যায়। কালক্রমত সিংহলত বৌদ্ধধর্ম প্রতিষ্ঠা হয় আৰু খ্রীঃ পূঃ প্রথম শতিকামানত সিংহলৰ ৰজা বট্টগামণীয়ে *ত্রিপিটক*-খন প্রথমে লিপিবদ্ধ কৰায়। এই *ত্রিপিটকেই* বৌদ্ধধর্মৰ মূল শাস্ত্র — ব্রাহ্মণ্য ধর্মৰ ***চতুর্বেদ***ৰ সমতুল্য।

তলত প্রতিখন পিটকৰ পৰিচয়ৰ লগতে প্রত্যেকৰে অন্তর্গত সাহিত্যৰাজিৰ বিষয়ে আলোচনা একোটি আগ বঢ়োৱা হ'ল।

- *বিনয় পিটক ঃ* ওপৰত আমি উল্লেখ কৰি আহিছোঁ যে 'বিনয় পিটক'ত প্রধানভাৱে স্থান লাভ কৰিছে ভিক্ষু-ভিক্ষুণীসকলৰ পালন কৰিবলগা বিধি-নিয়ম আৰু শীল বিষয়ক শিক্ষাই। বিনয় পিটকৰ আকৌ উপবিভাগ তিনিটা— (ক) সুত্ত বিভংগ (খ) খন্দক বা খন্ধক আৰু (গ) পৰিবাৰ পাঠ।

  'সুত্ত বিভংগ'ত ২২৭ টা সুত্র আছে। এই সুত্রসমূহত ভিক্ষুজীৱনৰ আচাৰ-ব্যৱহাৰ আৰু জীৱন-যাপন সম্পর্কে সন্নিৱিষ্ট হৈছে। 'সুত্র' বা 'সুত্ত' শব্দৰ অর্থ বিশ্লেষণাত্মক বাখ্যা। 'সুত্ত বিভংগ'ৰ অংশ দুটা — 'মহাবিভংগ' আৰু 'ভিক্খুনী বিভংগ'। 'মহাবিভংগ'ত ভিক্ষুসকলৰ আৰু 'ভিক্খুনী বিভংগ'ত ভিক্ষুণীসকলৰ আচাৰ-ব্যৱহাৰৰ কথা সন্নিৱিষ্ট হৈছে।

  খন্দকৰ ভাগো দুটা — 'মহাবগ্গ' আৰু 'চুল্লবগ্গ'। 'মহাবগ্গ'ত সংঘৰ উৎপত্তি,



মহাসংগীতি ঃ বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ পিছত তেওঁৰ শিষ্য-প্রশিষ্যসকলে *ত্রিপিটকৰ* বিষয়ে অর্থাৎ বৌদ্ধ তত্ত্বৰ বিষয়ে আলোচনা কৰিবলৈ পতা অধিৱেশনবোৰকে একোখনকৈ মহাসংগীতি বোলে। মহাসংগীতি বহিছিল তিনিখন। প্রথমখন বহিছিল বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ ঠিক পিছতে ৰাজগৃহৰ বৈভাৰ পর্বতৰ সপ্তপর্ণী নামৰ গুহাত। প্রথম মহাসংগীতিৰ এশ বছৰ পিছত বৈশালীত আৰু তৃতীয়খন বহে দ্বিতীয়খনৰ এশ বছৰ পিছত অশোকৰ সময়ত পাটলিপুত্রত।

চতুর্বেদ ঃ ঋগ্, সাম, যজু আৰু অথর্ব বেদক একেলগে চতুর্বেদ বোলা হয়।

বৌদ্ধসংঘৰ বিশেষ অনুষ্ঠানৰ বিধি-ব্যৱস্থা, বিবাদ মীমাংসাৰ ব্যৱস্থাৱলীকে আদি কৰি ভিক্ষুসকলৰ কৰ্তব্য পৰ্যন্ত উল্লেখ কৰা আছে। 'চুল্লবগ্‌গ'ত আছে সংঘৰ সাংগঠনিক ইতিহাস তথা ভিক্ষু-ভিক্ষুণীসকলৰ আচাৰ-ব্যৱহাৰ।

'পৰিবাৰ পাঠ' বিনয় পিটকৰ তৃতীয় তথা শেষ বিভাগ। প্ৰশ্নোত্তৰৰ মাধ্যমত সংঘৰ নীতি-নিয়ম প্ৰকাশ কৰা এই বিভাগটো জানিবা সুত্ত আৰু খন্দকৰ পৰিশিষ্ট। বৌদ্ধধৰ্মৰ পৰিসীমাত 'বিনয় পিটক'ৰ গুৰুত্ব অপৰিসীম। বুদ্ধৰ সমসাময়িক ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক দিশৰ মূল্যবান তথ্য প্ৰকাশ কৰাৰ বাবে বিনয় পিটকৰ মূল্য তথা গুৰুত্ব লক্ষণীয়ভাৱে বৃদ্ধি হৈছে। তদুপৰি বিনয় পিটকৰ নীতি-নিয়মবোৰে নিৰ্বাণৰ পথত আগবাঢ়ি যাওতে সকলোকে সম্পূৰ্ণ সহায় আগবঢ়াব পাৰে — এই বিশ্বাসৰ বাবেই বিনয় পিটকে *ত্ৰিপিটকৰ* ভিতৰত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিনয় পিটকৰ শেষ বিভাগটোৰ নাম কি?

.....



নিকায় ঃ পালিত নিকায় শব্দই সংকলন, সমষ্টি, ৰাশি আদি অৰ্থ প্ৰকাশ কৰে।

➢ *সুত্ত পিটক ঃ* তিনিখন পিটকৰ আটাইতকৈ উল্লেখযোগ্য তথা গুৰুত্বপূৰ্ণ পিটকখনেই হৈছে 'সুত্ত পিটক'। কিয়নো এই পিটকতেই বুদ্ধদেৱৰ মূল সূত্ৰ তথা ধ্যান-ধাৰণা সন্নিৱিষ্ট হৈছে। 'সুত্ত' শব্দৰ অৰ্থই হ'ল সু-উক্তি বা সু-কথন, সূচনা, সুদন, সুত্ৰান, সুত্ৰ গ্ৰন্থন ইত্যাদি। সুত্ত পিটক পাচোঁটা ***নিকায়*** বা সংকলনত বিভক্ত। সেইকেইটা ক্ৰমে — (ক) দীঘ নিকায় (খ) মজঝিম নিকায় (গ) সংযুক্ত নিকায় (ঘ) অংগুত্তৰ নিকায় আৰু (ঙ) খুদ্দক নিকায়।

- দীঘ নিকায় ঃ সুত্ৰৰ সংখ্যা ৩৪। আটাইকেইটা সুত্ৰই দীৰ্ঘ বা দীঘলীয়া আকাৰৰ। সেয়েহে এই নিকায়ৰ নাম দীঘ নিকায়। ৩৪ টা সুত্ৰক 'সীলকখন্দ বগ্‌গ', 'মহা বগ্‌গ' আৰু 'পাতিক বগ্‌গ' — এই তিনিটা বৰ্গত ভাগ কৰা দীঘ নিকায়ৰ মূল বক্তব্য বৌদ্ধ ধৰ্মৰ সীল, সমাধি আৰু প্ৰজ্ঞাৰ অৱতাৰণা হ'লেও তৎকালিন ভাৰতৰ সমাজ জীৱনৰ প্ৰতিচ্ছৱিকে আদি কৰি ভৌগোলিক আৰু ঐতিহাসিক দিশৰো নানা কথাই স্থান লাভ কৰিছে।
- মজঝিম নিকায় ঃ 'মূল পন্‌নাসা', 'মজঝিম পন্‌নাসা', আৰু 'উপৰি পন্‌নাসা — এই তিনিটা বিভাগেৰে গঠিত মজঝিম নিকায়ৰ সুত্তৰ সংখ্যা ১৫২ টা। মজঝিম নিকায়তো বৌদ্ধধৰ্মৰ ধ্যান-ধাৰণা, দৰ্শনৰ উপৰি বৌদ্ধ ধৰ্মৰ সৈতে জৈনৰ সম্পৰ্ককে আদি কৰি তৎকালিন ভাৰতৰ সামাজিক তথা ৰাজনৈতিক জীৱনৰো পৰিচয় পোৱা যায়।
- সংযুক্ত নিকায় ঃ সুত্ৰৰ সংখ্যা ৫ টা। 'সগাথবগ্‌গ', 'নিদান', 'খন্দ', 'সড়ায়তন'

আৰু 'মহাবগ্গ' — এই পাঁচটা বৰ্গেৰে নিৰ্মিত উক্ত নিকায় আধ্যাত্মিক আৰু নৈতিক আলোচনাৰে পৰিপূৰ্ণ।

- অংগুত্তৰ নিকায় ঃ দুহেজাৰতকৈয়ো অধিক সুত্ত থকা এই নিকায়ত বৌদ্ধধৰ্মৰ বিভিন্ন নীতিমূলক বাখ্যা তথা শীল, সমাধি আৰু প্ৰজ্ঞা বিষয়ক কথাৰ আলোচনা আগবঢ়োৱা হৈছে। এই নিকায়ৰ বিভাগ এঘাৰটা। প্ৰত্যেক বিভাগকে একোটা 'নিপাত' নাম দিয়া হৈছে।
- খুন্দক নিকায় ঃ 'সুত্ত পিটক'ৰ সৰ্বশেষ গ্ৰন্থ খুদ্দক নিকায়। ই যোল্লখন সম্পূৰ্ণ গ্ৰন্থৰ সমষ্টি। গ্ৰন্থকেইখন ক্ৰমে — (১) খুদ্দক পাঠ (২) ধম্মপদ (৩) উদান (৪) ইতিবৃত্তক (৫) যুত্ত নিপাত (৬) বিমান বত্থু (৭) পেত বত্থু (৮) থেৰগাথা (৯) থেৰীগাথা (১০) জাতক (১১) মহানিদ্দেস (১২) চুল্লনিদ্দেস (১৩) পটিসম্ভিদামগ্গ (১৪) অপদান (১৫) বুদ্ধবংস (১৬) চৰিয়পিটক। তলত আটাইকেইখন গ্ৰন্থৰে এটি চমু বিৰৰণ দিবলৈ যত্ন কৰা হ'ল—

  (১) খুদ্দক পাঠ ঃ নটা ক্ষুদ্ৰ পাঠৰ একত্ৰ সংকলন খুদ্দক পাঠ। ত্ৰি-শৰণ, দশশীল, শ্ৰেষ্ঠ মংগল, মৈত্ৰী-ভাৱনা ইত্যাদি বৌদ্ধধৰ্মৰ মূল কথাবোৰ নটা পাঠত সংকলন কৰা হৈছে।

  (২) ধম্মপদ ঃ খুদ্দক নিকায়ৰ দ্বিতীয় গ্ৰন্থ ধম্মপদ। ধম্মপদ পালি সাহিত্যৰ এক অতুলনীয় সম্পদ। তদুপৰি ধম্মপদৰ বিশ্বজনীন উপদেশৰাজিয়ে আন কোনো ধৰ্মৰে সৈতে বিৰোধৰ ভাব সৃষ্টি নকৰে বাবে পৃথিৱীৰ আন ধৰ্মৰ পৰিসীমাতো ধম্মপদৰ স্থান অতি উচ্চ। আনকি ধম্মপদক হিন্দু শাস্ত্ৰ *গীতা*ৰ লগতো তুলনা কৰা হয়।

  ধম্মপদৰ মূল তত্ত্বই হৈছে নিৰ্বাণ প্ৰাপ্তি। সৰ্বমানৱৰ কল্যাণ-মৈত্ৰীৰ ভাবেৰে প্ৰশান্তময় অৱস্থা লাভ কৰাই ইয়াৰ মূল দৰ্শন। দৰাচলতে বৌদ্ধ ধৰ্মৰ সমস্ত বুদ্ধ বচন আৰু বৌদ্ধধৰ্মৰ মূল সূত্ৰসমূহ ধম্মপদৰে বক্তব্য মাথোন। বুদ্ধ বচনৰ উপৰি হিন্দুধৰ্ম তথা জৈন ধৰ্মশাস্ত্ৰৰ পৰাও নীতি-নৈতিকতামূলক বিভিন্ন কথা সংগ্ৰহ কৰি সৰ্বমানৱৰ মাজত নৈতিক আৰু আধ্যাত্মিক জ্ঞান প্ৰচাৰ কৰাই এই সংকলনৰ মূল লক্ষ্য হিচাপে বিবেচিত হৈছে। ধম্মপদৰ বিভিন্ন পাঠ পালিৰ উপৰি সংস্কৃত, প্ৰাকৃত তথা চীন, তিব্বত পৰ্যন্ত প্ৰসাৰিত হোৱাৰ পৰাই এই গ্ৰন্থৰ মূল্য কিমান সেয়া সহজেই অনুমেয়।

  ধম্মপদৰ মুঠ গাথাৰ সংখ্যা ৪২৩ টা। গাথাসমূহ ২৬ টা বৰ্গ (বগ্গ)ত লিপিবদ্ধ হৈ আছে। বগ্গসমূহ যথাক্ৰমে — যমক, অপ্পমাদ, চিত্ত, পুপ্ফ, বাল, পণ্ডিত, অৰহন্ত, সহস্স, পাপ, দণ্ড, জৰা, অত্ত, লোক, বুদ্ধ, সুখ, পিয়, কোধ, মল, ধম্মট্ঠ, মগ্গ, পকিন্নক, নিৰয়, নাগ, তন্হা,

ভিক্খু আৰু ব্রাহ্মণবগ্গো। মন কৰিব যে, 'ধম্ম' আৰু 'পদ' এই দুটা স্বতন্ত্র শব্দৰ সংযোগত 'ধম্মপদ' শব্দটো সৃষ্টি হৈছে। 'ধম্ম' শব্দৰ অর্থ প্রকৃতি, গুণ, মতবাদ, প্রাকৃতিক নিয়ম ইত্যাদি। সেইদৰে 'পদ' শব্দৰ অর্থ পদ, পথ, স্থান, সোপান ইত্যাদি। গতিকে ধম্মপদৰ অর্থ ধর্মৰ পথ, ধর্ম সোপান ইত্যাদি হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সুত্ত পিটকৰ শেষ গ্রন্থ কি?

.....

প্রশ্ন নং ৩ ঃ ধম্মপদত মুঠ কেইটা গাথা আছে?

.....

(৩) উদান ঃ বর্গৰ সংখ্যা আঠটা। প্রত্যেক বর্গৰে সুত্তৰ সংখ্যা ১০ টা। আঠটা বর্গৰ বিভিন্ন সুত্তৰ মাজত প্রকাশ পাইছে বুদ্ধৰ জীৱনৰ কেইটামান বিশিষ্ট পৰিঘটনা আৰু তেওঁৰ ভাব-গম্ভীৰ উপদেশ বাণী। এইবোৰ বিভিন্ন গাথা আৰু গদ্যমিশ্রিত ভাষাত প্রকাশ পাইছে।

(৪) ইতিবৃত্তক ঃ ইয়াৰ সুত্তৰ সংখ্যা ১১২ টা। বর্গ আছে চাৰিটা। ইয়াতো বুদ্ধৰ ভাব গম্ভীৰ বাণী গদ্য-পদ্যৰ মিশ্রিত ভাষাত প্রকাশ পাইছে।

(৫) সুত্তনিপাত ঃ সুত্তনিপাত বৌদ্ধধর্মী গ্রন্থসমূহৰ ভিতৰত অন্যতম প্রাচীন তথা উল্লেখযোগ্য গ্রন্থ। ধম্মপদৰ পিছতে ইয়াক স্থান দিয়া হৈছে। মুঠ ৭০ টা সুত্তক ৫ টা বর্গত ভাগ কৰা হৈছে। বৌদ্ধধর্ম প্রচাৰৰ প্রথম পর্যায়তে এই গ্রন্থৰ সূচনা হয় বুলি অনুমান কৰা হৈছে। মৈত্রীভাবাদর্শ, অহিংসা, কৰুণা, সংযম আদি নীতি-নির্দেশনামূলক ধর্মবাখ্যা ইয়াত আছে। এইগ্রন্থৰে অন্তর্গত 'ধনিয় সুত্ত' আৰু 'নালক সুত্ত'ত আছে বুদ্ধজন্মৰ বৃত্তান্ত। তদুপৰি ইয়াত বুদ্ধজন্মৰ পিছত অর্থাৎ গৃহত্যাগ, প্রব্রজ্যা গ্রহণ, জাৰ বিজয়ৰ কাহিনীও সন্নিৰিষ্ট হৈছে। এইবোৰৰ মাজতে প্রকাশ পাইছে সেইসময়ৰ ভাৰতীয় সমাজ-জীৱন আৰু ধর্মীয় জীৱনৰ বিভিন্ন দিশ। এইফালৰ পৰা চালে 'সুত্ত নিপাত'ৰ সাহিত্যিক মূল্য কোনো গুণে কম নহয়।

(৬) বিমানবত্থু ঃ সৎ কর্মৰ ফল দেখুৱায়েই 'বিমানবত্থু' ৰচনা কৰা হৈছে। এই গ্রন্থত কেনেদৰে সৎ আৰু পৰিশীলিত তথা নৈতিকতাত থাকিলে স্বর্গৰ অনির্বচনীয় সুখানুভূতি লাভ কৰিব পাৰি তাকে বিভিন্ন সুত্তৰ মাজদি প্রকাশ কৰা হৈছে।

(৭) পেতবত্থু ঃ 'বিমানবত্থু'ৰ বিপৰীত মেৰুত ৰচনা হৈছে 'পেতবত্থু'। ইয়াত

আছে দুষ্কৃতিৰ ফলত মানুহে প্রেতকালত ভুগিব পৰা নিদাৰুণ যন্ত্রণাৰ বর্ণনা আছে।

(৮) থেৰগাথা ঃ ইয়াত সাৰিপুত্ত, উপালি, ছন্ন, অংগুলিমাল, ৰাহুল, কুণ্ডল, সুমংগল, সীবক, বিমল, সুমন, উত্তীয় ইত্যাদি থেৰসকলে কিদৰে মায়াৰ বন্ধনৰ পৰা মুক্ত হৈ বুদ্ধৰ প্রেম, মৈত্রী আৰু অহিংসাৰ বাণীত পৰম প্রশান্তি লাভ কৰিছে তাৰ বর্ণনা বৰ সাৱলীল ৰূপত দাঙি ধৰা হৈছে। তদুপৰি বন্ধন মুক্তিৰ সুখ আৰু পৰমানন্দও সুতীব্র ৰূপত প্রকাশ পাইছে।

(৯) থেৰীগাথা ঃ থেৰীগাথাত স্বামীহাৰা তথা পুত্রহাৰা নাৰীয়ে কেনেকৈ বুদ্ধৰ বাণীত শৰণাপন্ন হৈ মনৰ দুখ প্রশামিত কৰি প্রশান্তি বিচাৰি পাবলৈ সক্ষম হৈছে তাৰ বর্ণনা দিয়া হৈছে। একান্ত ব্যক্তিগত ভাবানুভূতিৰে বুদ্ধৰ ধাত্রীমাতা 'মহাপ্রজাপতি গৌতমী'ৰ পৰা আৰম্ভ কৰি পতিতা অম্বপালী, অশুচি কামনাৰ বলি উৎপলবন্না, নলকাৰৰ পত্নী সুমুত্তিকা, মাতা-পিতা-ভ্রাতাক একেচিতাতে দাহ কৰিবলগা পুত্র আৰু স্বামীহাৰা কিসা-গৌতমী আদি বিচিত্র নাৰী চৰিত্রৰ মর্মন্তুদ বর্ণনা মর্মস্পর্শী ৰূপত পোৱা যায়।

বৌদ্ধধর্মীয় সাহিত্যিক পৰিক্রমাত দুয়োখন (থেৰগাথা আৰু থেৰীগাথা) গ্রন্থ সংকলনৰে সমান মূল্য। দুয়োখন গ্রন্থই ব্যক্তিগত ভাবানুভূতি আৰু অভিজ্ঞতাৰে ৰচিত। দুয়োখনৰ গ্রন্থৰ পার্থক্য মাথোন ইমানেই যে থেৰগাথাত প্রাকৃতিক জগতৰ বিবিধ চিত্র ফুটি উঠাৰ বিপৰীতে থেৰীগাথাত এই বর্ণনা দেখা নাযায়। এই দুই গ্রন্থই বৌদ্ধধর্ম সাহিত্যৰে নহয় সমগ্র ভাৰতীয় সাহিত্যৰেই উৎকৃষ্ট গীতি কবিতাৰ অনুপম স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে।



জানি থোৱা ভাল

বুদ্ধদেৱৰ শিষ্যসকলক থেৰ আৰু শিষ্যা (স্ত্রীবাচক) সকলক থেৰী বোলা হয়।

(১০) জাতক ঃ বৌদ্ধ সাহিত্যৰ পৰিক্রমাত 'জাতক'ৰ স্থান নিশ্চিতভাৱে অনন্য। গ্রন্থখনৰ সাহিত্যিক আৰু ঐতিহাসিক মূল্য অপৰিসীম। বুদ্ধদেৱৰ অতীত জন্ম-বৃতান্তৰ ওপৰত ভিত্তি কৰি 'জাতক' ৰচিত হৈছে। বুদ্ধৰ অতীত 'জাত' বা 'জন্মলাভ'ৰ বৃতান্ত অর্থতে 'জাতক' শব্দ ব্যৱহাৰ হৈছে। বৌদ্ধ বিশ্বাস মতে গৌতমে বুদ্ধত্ব লাভ কৰাৰ বহু পূর্বেই জন্ম জন্মান্তৰ ধৰি পৰোপকাৰেৰে আত্মোৎসর্গ কৰি পূণ্য অর্জন কৰিছিল। আত্মোৎসর্গৰ এই অৱস্থাবিলাককে 'বোধিসত্ব' বোলে। বোধিসত্ব অৱস্থাত বুদ্ধৰ কৰুণা,

মৈত্রী, দান, প্রভৃতিৰ যি কাহিনী সেই কাহিনীয়ে জাতক।

জাতকৰ সংখ্যা প্রথম অৱস্থাত ৫৫০ টা পোৱা গৈছিল। কিন্তু বর্তমানে ৫৪৭ টাহে জাতক পোৱা যায়। মূলতে জাতকৰ সংখ্যা ইমান বেছি নিশ্চয় নাছিল। বুদ্ধই খুব সম্ভৱ তেখেতৰ শিষ্যসকলক বিভিন্ন জাতকৰ কাহিনীৰে প্রেম আৰু কৰুণাৰ বাণী শুনাইছিল। বৌদ্ধ ধর্মগুৰুসকলে এনেদৰে ধর্ম বাখ্যা কৰাৰ পৰম্পৰা ৰক্ষা কৰাত জাতকৰ সংখ্যা বৃদ্ধি পায় বুলি অনুমান কৰাৰ থল আছে।

কাল নিৰূপণৰ পিনৰ পৰা খ্রীষ্টীয় পঞ্চম শতিকাৰ *জাতকত্থবন্ননাৰ* ৰচয়িতা বুদ্ধঘোষকে জাতকৰ ৰচয়িতা বুলি বহু পণ্ডিতে মত দিব খুজিলেও খ্রীষ্টপূর্ব দ্বিতীয়-তৃতীয় শতাব্দীৰ পৰাই জাতকৰ প্রচলন থকাৰ প্রমাণ আছে। জাতকৰ কাহিনীভাগ প্রধানত — তিনিটা ভাগত বিভক্ত। সেইকেইটা ক্রমে — (ক) পচ্চুপন্নবত্থু (বর্তমান কথা) — এইটো বিভাগত বুদ্ধদেৱে তেওঁৰ পূর্ব জন্মৰ বৃতান্ত প্রকাশ কৰাৰ প্রসঙ্গ বর্ণনা আছে। (খ) অতীতবত্থু (অতীত বস্তু) — ইয়াত আছে বুদ্ধৰ অতীতৰ জন্ম কাহিনী আৰু কুশল কর্মৰ বর্ণনা। (গ) সমোধান — এই বিভাগ হৈছে অতীত বস্তুৰ সৈতে বর্তমান বস্তুৰ যোগ নির্ণয়।

জাতকৰ মূল লক্ষ্য হ'ল বৌদ্ধধর্মৰ অহিংসা, ত্যাগ, প্রেম, মৈত্রী, কৰুণা আদিৰ বাখ্যাৰ লগতে প্রচাৰ। তাৰ মাজতে প্রকাশ পাইছে ঐতিহাসিক আৰু সামাজিক জীৱনৰ কথাবস্তু। তদুপৰি শিল্পকলাৰ দিশতো জাতকৰ মূল্য অনন্য। সাঁচী, সাৰনাথ, ভাৰট, অজন্তা আদি ঠাইৰ প্রাচীন ভাস্কর্যৰ প্রেৰণা আছিল জাতকৰ বিভিন্ন কাহিনী। মুঠতে এই সকলো দিশৰ পৰা দৃষ্টি নিবদ্ধ কৰিলে জাতক বৌদ্ধধর্মী সাহিত্যৰ এখন উল্লেখযোগ্য দলিল বুলি অভিহিত কৰিব পাৰি।

(১১) মহানিদ্দেস ঃ ই বাখ্যামূলক গ্রন্থ। ইয়াত বৌদ্ধধর্মৰ বিভিন্ন দিশৰ কথা বর্ণনা আছে।

(১২) চুল্লনিদ্দেস ঃ মহানিদ্দেসৰ দৰে ইও বাখ্যামূলক গ্রন্থ। ইয়াতো বৌদ্ধধর্মৰ তাত্ত্বিক বিৱৰণ প্রকাশ পাইছে।

(১৩) পটিসম্ভিদামগ্গ ঃ প্রশ্নোত্তৰৰ মাধ্যমত বৌদ্ধ ধর্মৰ তত্ত্ব বাখ্যা তথা বিশ্লেষণ কৰা এক অমূল্য গ্রন্থ।

(১৪) অপদান ঃ এই গ্রন্থত বৌদ্ধধর্মী শিষ্য-শিষ্যা (থেৰ-থেৰী)সকলৰ জীৱনৰ বিবিধ মহত্বপূর্ণ কাহিনী বিধৃত কৰা হৈছে। অৱশ্যে বুদ্ধদেৱৰ কীর্তিও ইয়াত উল্লেখ আছে। 'অপদান' শব্দই বিশিষ্ট কীর্তি বা অৱদানক বুজাইছে।

(১৫) বুদ্ধবংস ঃ বুদ্ধদেৰ আৰু তেওঁৰ পূর্বজন্মৰ ২৪ জন বুদ্ধৰ জীৱন কাহিনী ২৫ টা পৰিচ্ছেদত বর্ণনা কৰা হৈছে। বুদ্ধবংসত গৌতম বুদ্ধক ২৫ তম বুদ্ধ হিচাপে উল্লেখ কৰা হৈছে।

(১৬) চৰিয়াপিটক ঃ চৰিয়া (চর্যা) অর্থাৎ যি গুণৰ সমাৱেশত বোধিসত্ব অৱস্থা লাভ কৰিব সেই গুণবোৰৰ বাখ্যা ইয়াত ৩৫ টা জাতক কাহিনীৰ মাজত পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ হিন্দু ধর্মৰ কোন ধর্মীয় গ্রন্থৰ লগত 'ধম্মপদ'ক তুলনা কৰা হয়?

.....

প্রশ্ন নং ৫ ঃ জাতকৰ প্রধান ভাগ কেইটা?

.....

➢ *অভিধম্ম পিটক ঃ ত্রিপিটকৰ* তৃতীয় তথা অন্তিম পিটক হ'ল 'অভিধম্ম পিটক'। এই পিটকক সুত্ত পিটকৰে পৰিপূৰক গ্রন্থ বুলি ক'ব পাৰি। অভিধম্ম পিটকত প্রজ্ঞা বিষয়ক শিক্ষাক প্রণালীবদ্ধভাৱে স্থান দিয়া হৈছে। প্রজ্ঞা লাভৰ উপায়; যেনে— ধর্ম, অর্থ, নিৰুক্তি আৰু প্রতিভা এই সমূহেই হৈছে এই পিটকৰ মূল উপজীব্য। অত্যন্ত পাণ্ডিত্যপূর্ণ বাখ্যাৰে অভিধম্মত এই তত্ত্বসমূহ ব্যাখ্যা কৰা হৈছে।

অভিধম্ম পিটকৰ অন্তর্গত গ্রন্থৰ সংখ্যা সাতখন। এই আটাইকেইখন গ্রন্থতে প্রশ্নোত্তৰৰ মাধ্যমত দার্শনিক তত্ত্বৰ বাখ্যা কৰা হৈছে। তলত গ্রন্থসমূহৰ চমু পৰিচয় দিবলৈ যত্ন কৰা হ'ল।

- ধম্মসংগনি ঃ ধম্মসংগনিৰ মূল চিত্তবিষয়ক শিক্ষা। ইয়াত চিত্তজগত আৰু পৰিৱর্তনশীল বাহ্যিক জগতৰ পদার্থসমূহৰ যাৱতীয় বিষয়বোৰৰ বিষয়ে প্রণালীবদ্ধভাৱে সম্বন্ধ বিশ্লেষণ কৰা হৈছে।
- বিভংগ আৰু ধাতুকথা ঃ 'বিভংগ' আৰু 'ধাতুকথা'ৰ মূল ধম্মসংগনি। 'বিভংগ'ত ধম্মসংগনিৰ বিষয় সমূহৰে বিষদ বিশ্লেষণ দাঙি ধৰা হৈছে। তাৰ বিপৰীতে ধাতুপাঠত আছে ছয়ধাতু, যেনে — ক্ষিতি-অপ-তেজ-মৰুৎ-ব্যোম আৰু বিজ্ঞানৰ জ্ঞান আৰু আয়তনৰ বিশ্লেষণ।
- পুগ্গলপঞ্ঞত্তি ঃ ইয়াত 'পুগ্গল' অর্থাৎ 'ব্যক্তি'ৰ প্রকাৰ ভেদ, যেনে— শিক্ষার্থী, অর্হৎ, প্রত্যেকবুদ্ধ, সম্যকসম্বুদ্ধৰ 'পঞ্ঞত্তি' অর্থাৎ বিভিন্ন ব্যক্তিবিশেষৰ 'পৰিচয়' দাঙি ধৰা হৈছে।
- কথাবত্থু ঃ এই গ্রন্থত থেৰবাদীসকলৰ মত আৰু দৃষ্টিভঙ্গী বিশ্লেষণ কৰা হৈছে।

এই গ্ৰন্থৰ মূল উদ্দেশ্য হ'ল থেৰবাদী মতাদৰ্শৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা আৰু অ-থেৰবাদী মতাদৰ্শক খণ্ডন কৰা হৈছে।

- যমক ঃ এই গ্ৰন্থত চিত্তৰ জটিল তত্ত্ব আৰু নীতিধৰ্মক মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰা হৈছে।
- পট্ঠান প্ৰকৰণ ঃ অভিধম্মৰ শেষ গ্ৰন্থ 'পট্ঠান প্ৰকৰণ'ত বৌদ্ধ দৰ্শনৰ কাৰ্য-কাৰণ নিৰ্ণয় কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'অভিধম্ম পিটক'ৰ অন্তৰ্গত সাতখন গ্ৰন্থৰ উমৈহতীয়া বৈশিষ্ট্যটো কি?

.....

৫.৪.২ *ত্ৰিপিটক* বহিৰ্ভূত সাহিত্যৰ পৰিচয়



টীকাগ্ৰন্থ ঃ মূল গ্ৰন্থৰ ব্যাখ্যাত্মক পৰ্যালোচনাই টীকা অৰ্থাৎ টীকাগ্ৰন্থ।

আমি ওপৰত যিবোৰ সাহিত্য সম্পদৰ বিষয়ে আলোচনা কৰি আহিছোঁ এই আটাইবোৰেই বৌদ্ধ ধৰ্মশাস্ত্ৰ *ত্ৰিপিটকৰ* অন্তৰ্গত সাহিত্য। কিন্তু পালি ভাষাত এই গ্ৰন্থবোৰৰ বাহিৰেও *ত্ৰিপিটক* বহিৰ্ভূত কেতবোৰ সাহিত্যৰো সৃষ্টি হৈছিল। সেইবোৰ হ'ল — মৌলিক গ্ৰন্থ, ***টীকাগ্ৰন্থ*** বা অট্ঠকথা, ঐতিহাসিক গ্ৰন্থ, সংক্ষিপ্ত গ্ৰন্থ, কাব্য গ্ৰন্থ আৰু অন্যান্য। তলত এই শ্ৰেণীসমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ল ।

- *মৌলিক গ্ৰন্থ ঃ* পালিৰ আটাইতকৈ উল্লেখযোগ্য মৌলিক গ্ৰন্থখন হ'ল 'মিলিন্দ পঞ্হ' বা 'মিলিন্দ প্ৰশ্ন'। প্ৰশ্নোত্তৰৰ মাধ্যমত ৰচিত 'মিলিন্দ পঞ্হ'ৰ বৌদ্ধ ভিক্ষু নাগসেন বুলি অনুমান কৰা হৈছে। ইয়াত প্ৰশ্নকৰ্তা হ'ল ৰাজ্যৰ ৰজা মিলিণ্ডাৰ আৰু উত্তৰদাতা হ'ল ৰচক নাগসেন। এই গ্ৰন্থৰ মূল বিষয়বস্তু হ'ল বৌদ্ধধৰ্ম আৰু দৰ্শনতত্ত্বৰ ব্যাখ্যা। প্ৰশ্নকৰ্তা মিলিণ্ডাই কৰা প্ৰতিটো প্ৰশ্ন নাগসেনে অতি সাৱলীলভাৱে বিভিন্ন উপমাৰ মাধ্যমত উত্তৰ দিছে। উল্লেখযোগ্য যে গ্ৰন্থখনৰ বিষয়বস্তু জটিল তত্ত্বগুণ সমৃদ্ধ হ'লেও ভাষা যথেষ্ট সৰল। তত্ত্ব আৰু সাহিত্যিক দিশৰ পিনৰ পৰা গ্ৰন্থখনৰ মূল্য অপৰিসীম।

  'মিলিন্দ পঞ্হ'ৰ বাহিৰে আন দুখনমান উল্লেখযোগ্য মৌলিক গ্ৰন্থ হ'ল 'নিদান-কথা'— য'ত কোনো অজ্ঞাতনামা কবিয়ে বুদ্ধ জীৱনৰ কাহিনী ধাৰাবাহিকভাৱে আলোচনা কৰিছে। সেইদৰে 'নেত্তি' আৰু 'পেটকোপ্দেশ'ত আছে যথাক্ৰমে বুদ্ধৰ উপদেশ আৰু পিটকৰ উপদেশাৱলীৰ বৰ্ণনা।
- *টীকাগ্ৰন্থ বা অট্ঠকথা ঃ* পালিত টীকাগ্ৰন্থক অট্ঠকথা বুলিও কোৱা হয়। পালি টীকাকাৰসকলৰ ভিতৰত বুদ্ধঘোষ, বুদ্ধদত্ত, ধৰ্মপাল বিশেষভাৱে উল্লেখযোগ্য। পালিৰ টীকাকাৰ হিচাপে বুদ্ধঘোষ অন্যতম। তেওঁ তিনিওখন পিটকৰে টীকাগ্ৰন্থ

ৰচনা কৰি গৈছে।

মগধৰ এক বিখ্যাত ব্রাহ্মণ পৰিয়ালত খ্রীষ্টীয় পঞ্চম শতিকাৰ বুদ্ধঘোষৰ জন্ম বুলি অনুমান কৰা হয়। এইজন টীকাকাৰ নানা শাস্ত্রত ব্যুৎপত্তি লাভ কৰে আৰু শেষত বৌদ্ধধর্মত দীক্ষিত হৈ ধর্ম প্রচাৰৰ প্রবৃত্ত হয় আৰু নানান বৌদ্ধ শাস্ত্র ৰচনা কৰে। তেওঁৰ টীকাগ্রন্থসমূহৰ ভিতৰত সমগ্র পিটকৰ সাৰ সংগ্রহ কৰি ৰচনা কৰা 'বিসুদ্ধিমগ্গ' অন্যতম। সেইদৰে 'সমন্ত পাসাদিকা'ৰ মূল বিনয় পিটকৰ বিষয়বস্তুৰ বাখ্যাৰ লগতে বৌদ্ধধর্মৰ প্রাচীন ইতিহাস মহাসাংগীতিসমূহৰ বর্ণনা। সুত্তপিটকৰ দীঘ, মজ্ঝিম, সংযুক্ত আৰু অংগুত্তৰ আধাৰত ৰচনা কৰা টীকাগ্রন্থ ক্রমে 'সুমংগল বিলাসিনী', 'পপঞ্চসুদনী', 'সাৰত্থপকাসিনী' আৰু 'মনোৰথ পুৰণী' বুদ্ধঘোষৰ আন আন কীর্তি। বুদ্ধঘোষৰ খুদ্দক নিকায়ৰ অন্তর্গত ধম্মপদ, সুত্তনিপাত আৰু খুদ্দক পাঠৰ টীকাগ্রন্থ কেইখন ক্রমে 'ধম্মপদত্থকথা', 'সুত্তনিপাতত্থকথা' আৰু 'পৰমত্থজ্যোতিক'। বুদ্ধঘোষে অভিধম্ম পিটকৰ আধাৰতো অর্থাৎ অভিধম্মৰ সাত গ্রন্থৰ আধাৰত সাতখন টীকাগ্রন্থ ৰচনা কৰে। অভিধম্মৰ অন্তর্গত টীকাগ্রন্থ কেইখন হ'ল — 'অত্থসালিনী', 'সম্মোহ বিনোদিনী', 'ধাতুকথাপকৰণ-অট্ঠকথা', 'পুগ্গলপঞ্ঞত্তি-অট্ঠকথা', 'কথাবত্থু-অট্ঠকথা', 'যমকপকৰণ-অট্ঠকথা' আৰু 'পট্ঠানপকৰণ-অট্ঠকথা'।

বুদ্ধদত্তৰ টীকাগ্রন্থৰ ভিতৰত 'উত্তৰবিনিচ্ছয়', 'বিনয়বিনিচ্ছয়', 'অভিধম্মাৱতাৰ' আৰু 'ৰূপাৰূপবিভাগ'। ইয়াৰে প্রথমখনত আছে ভিক্ষু-ভিক্ষুণীসকলৰ বিনয় সম্পর্কীয় আলোচনা, দ্বিতীয়খনত আছে একে বিনয়ৰে বাখ্যাত্মক আলোচনা। সেইদৰে তৃতীয় আৰু চতুর্থ টীকাগ্রন্থখনৰ মূল বিষয়বস্তু অভিধম্ম পিটক।

এই দুজনৰ উপৰি ধর্মপালৰ 'পৰমত্থদীপনী', মহাক্চ্চানৰ 'নেত্তি-প্রকৰণ', মহানামৰ 'সদ্ধম্মপকাসিনী' আৰু উপাসেনৰ 'সদ্ধম্মপজ্জোতিকা' পালিৰ টীকাগ্রন্থ হিচাপে বিশেষ উল্লেখযোগ্য।

- *ঐতিহাসিক গ্রন্থ ঃ* পালিত 'বংস' আখ্যাৰে এক শ্রেণীৰ সাহিত্য পোৱা যায়। এই সাহিত্য শ্রেণীক ঐতিহাসিক গ্রন্থৰ অন্তর্ভুক্ত কৰা হৈছে। পালি সাহিত্যৰ ঐতিহাসিক গ্রন্থৰ অন্তর্ভুক্ত উল্লেখযোগ্য কেইখনমান গ্রন্থ হ'ল — দীপবংস, মহাবংস, থুপবংস, সাসনবংস, চুলবংস, গন্ধবংস আদি।

খ্রীষ্টীয় চতুর্থ-পঞ্চম শতিকামানত ৰচিত 'দীপবংস' ঐতিহাসিক গ্রন্থসমূহৰ আটাইতকৈ উল্লেখযোগ্য প্রাচীন গ্রন্থ। ৰচকৰ নাম নথকা এই গ্রন্থত বৌদ্ধ সম্প্রদায়ৰ কথাকে আদি কৰি সম্রাট অশোক আৰু বিজয়সিংহৰ দ্বাৰা সিংহল জয়ৰ কথা সন্নিৰিষ্ট কৰা হৈছে। 'মহাবংস'ত আছে বৌদ্ধধর্মৰ ক্রমবিকাশৰ লগতে প্রসাৰৰ ইতিহাস। 'থুপবংস'ৰ মূল বিষয় গৌতম বুদ্ধৰ পূর্বজন্মৰ ইতিহাস তথা তেওঁৰ মহাপৰিনির্বাণ আৰু অস্থিৰ ওপৰত অজাত শত্রুৰে ৰাজগৃহত স্তুপ নির্মাণ কৰা

আদি সমস্ত কথাৰ বৰ্ণনা আছে। ৰচনাৰ সময় ত্ৰয়োদশ শতিকাৰ আগছোৱা। 'সাসনবংস'ত বিধৃত হৈছে সম্ৰাট অশোকৰ বৌদ্ধধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা আৰু ব্ৰহ্মদেশত বৌদ্ধধৰ্মৰ অভ্যুদয়। সেইদৰে 'চূলবংস' সিংহলৰ ৰজা মেঘবৰ্ণৰ পৰা বিক্ৰমৰাজসিংহলৈকে ২৪ জন ৰজাৰ কাহিনী আৰু 'গন্ধবংস'ত পালি সাহিত্যৰ চমু বুৰঞ্জী সন্নিৰিষ্ট হৈছে।

- *সংক্ষিপ্ত গ্ৰন্থ ঃ* পালি সাহিত্য পৰিক্ৰমাত বৌদ্ধদৰ্শন বিষয়ক শিক্ষা বা তত্ত্বসম্বলিত কেতবোৰ গ্ৰন্থ সংক্ষিপ্ত আকাৰত সংকলন কৰা দেখা গৈছে। এইবোৰ গ্ৰন্থকে সংক্ষিপ্ত গ্ৰন্থ বোলে। সংক্ষিপ্ত গ্ৰন্থৰ উল্লেখযোগ্য স্বাক্ষৰ হ'ল ধম্মপালৰ 'সচ্চসংখেপ'। ইয়াত 'সত্য'ৰ কথা কোৱা হৈছে। সেইদৰে বৌদ্ধ দৰ্শনৰ আলোচনাৰে অনিৰুদ্ধৰ 'অভিধম্ম সংগ্ৰহ', চিত্তবিষয়ক শিক্ষাৰে ক্ষেমাচাৰ্যৰ 'নামৰূপ পসংসা' বিশেষভাৱে উল্লেখযোগ্য সংক্ষিপ্ত গ্ৰন্থৰ উদাহৰণ।
- *কাব্য গ্ৰন্থ ঃ* পালি কাব্য গ্ৰন্থসমূহ সংস্কৃত কাব্য অনুসৃত, তদুপৰি এইবোৰত সংস্কৃতৰ কাব্যৰীতিৰো প্ৰভাৱ দেখা যায়। খ্ৰীষ্টীয় দ্বাদশ শতিকাত ৰচিত বুদ্ধৰক্খিতৰ 'জিনচৰিত' এখন উল্লেখযোগ্য বা বৈশিষ্ট্যপূৰ্ণ কাব্য গ্ৰন্থ। সেইদৰে বুদ্ধদেৱৰ গুণানুকীৰ্তন থকা 'পজ্জমধু', মানৱজীৱনৰ ক্ষণভঙ্গুৰতাৰ ওপৰত ৰচিত 'তেলকটাহগাথা', বৌদ্ধধৰ্মৰ মূল নীতিৰ ওপৰত ৰচিত 'সদ্ধম্মোপয়ান' পালি কাব্য সাহিত্যৰ উল্লেখযোগ্য পুথি বা গ্ৰন্থ।
- *অন্যান্য ঃ ত্ৰিপিটক* বহিৰ্ভূত সাহিত্যৰ অন্যান্য শাখাত পৰে ব্যাকৰণ, অভিধান আৰু ছন্দ-অলংকাৰ সম্বন্ধীয় গ্ৰন্থসমূহ। পালি ব্যাকৰণৰ ভিতৰত কচ্চায়ন বা কত্যায়নৰ 'কচ্চায়ন', মোগ্গল্লায়নৰ 'সদ্দলক্খন' আৰু অগ্গবংসৰ 'সদ্দনীতি' উল্লেখযোগ্য।

পালিৰ প্ৰধান অভিধান দুখন হ'ল — 'অভিধানপ্পদীপিকা' আৰু 'একখৰকোস'। ছন্দ অলংকাৰৰ ভিতৰত 'বুত্তোদয়' আৰু 'সুবোধলংকাৰ' নামৰ গ্ৰন্থ দুখনেই প্ৰধান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ পালি টীকাগ্ৰন্থক আন কি নামেৰে জনা যায়?

.....

প্ৰশ্ন নং ৮ ঃ 'দীপবংস' কোন শ্ৰেণী সাহিত্যৰ অন্তৰ্গত?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পালি সাহিত্য যে প্ৰধানতঃ বৌদ্ধ ধৰ্মী সেই বিষয়ে জানিব পাৰিলে। বিষয়বস্তু অনুযায়ী পালি সাহিত্য সম্ভাৰক (ক) *ত্ৰিপিটকৰ* অন্তৰ্গত আৰু (খ) *ত্ৰিপিটক* বহিৰ্ভূত — এই দুটা ভাগ কৰি ইহঁতৰ অন্তৰ্গত সাহিত্যৰাজিৰ বিষয়ে বিস্তৃত অধ্যয়ন লাভ কৰিবলৈ সক্ষম হ'ল।
- *ত্ৰিপিটকৰ* অন্তৰ্গত সাহিত্যখিনিক ধৰ্মমূলক আৰু *ত্ৰিপিটক* বহিৰ্ভূত সাহিত্যখিনিক ধৰ্ম নিৰপেক্ষ সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হৈছে। পিটক তিনিখনৰ মূল্য সমান। তিনিওখন পিটকতে বৌদ্ধ ধৰ্মৰ বিভিন্ন দিশৰ আলোচনা কৰা হৈছে। সেই অনুযায়ী 'বিনয় পিটক'ত শীল বিষয়ক শিক্ষা, 'সুত্ত পিটক'ত বুদ্ধৰ উপদেশৰ বৰ্ণনা আৰু 'অভিধম্ম'ত প্ৰজ্ঞা বিষয়ক শিক্ষাই স্থান লাভ কৰিছে। 'পিটক' শব্দৰ অৰ্থ পাত্ৰ, পেৰা অথবা আধাৰ।
- পালি সাহিত্যৰ ভিতৰত যিখিনি সাহিত্যক *ত্ৰিপিটকৰ* বৰ্হিভাগত ধৰা হৈছে সেইখিনি ধৰ্ম নিৰপেক্ষ এই কাৰণেই যে এইবোৰ সাহিত্য বৌদ্ধধৰ্মী নিৰ্ভৰ নহয়।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি- প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.



৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিবাৰ পাঠ।

২ নং প্রশ্নৰ উত্তৰ ঃ খুদ্দক নিকায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৪২৩ টা।

৪ নং প্রশ্নৰ উত্তৰ ঃ গীতা।

৫ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রকাশৰ মাধ্যম প্রশ্নোত্তৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ অট্‌ঠকথা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক।



৫.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) পালি সাহিত্যৰাজিক বিষয়বস্তু অনুযায়ী প্রধানতঃ কেইটা ভাগত ভাগ কৰিব পাৰি?

খ) *ত্রিপিটক* কাক বোলে?

গ) 'পিটক' শব্দৰ অর্থ কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) খুদ্দক নিকায়ৰ দ্বিতীয় গ্ৰন্থ ধম্মপদ।

খ) জাতকৰ মূল লক্ষ্য হ'ল বৌদ্ধধৰ্মৰ অহিংসা, ত্যাগ, প্ৰেম, মৈত্ৰী, কৰুণা আদিৰ বাখ্যাৰ লগতে প্ৰচাৰ।

গ) পালিত 'বংস' আখ্যাৰে এক শ্ৰেণীৰ সাহিত্য পোৱা যায় আৰু এই সাহিত্য শ্ৰেণীক নিকায় গ্ৰন্থৰ অন্তৰ্ভুক্ত কৰা হৈছে।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পালি সাহিত্যৰ প্ৰতিটো ভাগৰে এটি পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ২ ঃ *ত্ৰিপিটকৰ* পৰিচয়জ্ঞাপক এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক — *ত্ৰিপিটক,* বিনয় পিটক, খুদ্দক পাঠ, থেৰীগাথা, অভিধম্ম পিটক

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সুত্ত পিটকৰ প্ৰধান ভাগ কেইটা আৰু কি কি? বিভিন্ন বিভাগৰ অন্তৰ্গত সাহিত্যৰাজিৰ পৰিচয় দিয়ক।

প্ৰশ্ন ২ ঃ 'জাতক'ৰ বিষয়বস্তু বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ঃ 'অভিধম্ম পিটক'ৰ অন্তৰ্গত গ্ৰন্থসমূহৰ মাজত বৌদ্ধধৰ্মৰ দাৰ্শনিক মতবাদসমূহ কেনেদৰে প্ৰকাশ পাইছে লিখক।

প্ৰশ্ন ৪ ঃ *ত্ৰিপিটক* বহিৰ্ভূত পালি সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ পালি টীকা গ্ৰন্থখনিৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৬ ঃ প্রাকৃত সাহিত্যৰ পৰিচয়

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ প্রাকৃত সাহিত্য
৬.৪ প্রাকৃত সাহিত্যৰ শ্রেণী বিভাগ
৬.৪.১ জৈন ধর্মৰ অন্তর্ভুক্ত সাহিত্য
৬.৪.২ ধর্ম নিৰপেক্ষ সাহিত্য
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাকৃত সাহিত্যৰ কাল নিৰূপণ কৰিব পাৰিব
- প্রাকৃত সাহিত্যৰ শ্রেণীবিভাগ কৰিবলৈ সক্ষম হ'ব
- পালি সাহিত্য যিদৰে বৌদ্ধ ধর্মী সাহিত্য সেইদৰে প্রাকৃত সাহিত্য যে বিশেষভাৱে জৈন ধর্মী সাহিত্য সেয়া জানিব পাৰিব
- প্রাকৃত সাহিত্যৰ সাহিত্যিক মর্যদাও নিৰূপণ কৰিবলৈ সক্ষম হ'ব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি পালি ভাষাৰ সাহিত্য সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। সেই অধ্যায়টোতে আপুনি অৱগত হ'ল যে পালি সাহিত্যত মূলতঃ বৌদ্ধ শাস্ত্রৰ পৰিচয় জ্ঞাপক ৰচনাৰাজি অন্তর্গত। অৱশ্যে বৌদ্ধ শাস্ত্র বাৰ্হিভূত কিছু সাহিত্যও পালি ভাষাত ৰচিত হৈছিল। এই অধ্যায়টোত আপুনি প্রাকৃত সাহিত্য সম্পর্কে অধ্যয়ন কৰিব।

পালিৰ দৰে প্রাকৃত ভাষাতো বিবিধ সাহিত্যৰ সৃষ্টি হৈছিল। প্রাকৃত সাহিত্য প্রধানতঃ জৈনধর্মী আৰু পালি সাহিত্যৰ দৰেই সমৃদ্ধিশালী। পালিৰ দৰে প্রাকৃত সাহিত্যৰো এটা বুজন অংশ জৈন ধর্মৰ 'সিদ্ধান্ত'সমূহে আৱৰি ৰাখিছে। জৈন ধর্ম সম্প্রদায় বহির্ভূত সাহিত্যৰ পৰিমাণো প্রাকৃতত কম নহয়। গতিকে সাহিত্যিক দৃষ্টিকোণৰ পৰা প্রাকৃত সাহিত্য বুলিলে ধর্মমূলক আৰু ধর্ম-নিৰপেক্ষ দুয়োবিধকে বুজা যায় আৰু দুয়োবিধৰে সমান মূল্য আছে। এই অধ্যায়টোত আমি

এই দুয়ো বিধ প্ৰাকৃত সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰিম। ইয়াৰ জৰিয়তে আপুনি প্ৰাকৃত সাহিত্যৰ এক সম্যক ধাৰণা লাভ কৰিব।

৬.৩ প্ৰাকৃত সাহিত্য

আপুনি ইতিমধ্যে পঢ়ি আহিছে যে প্ৰাকৃত শব্দটোৱে ভাৰতীয় আৰ্যভাষাৰ মধ্য স্তৰটো বুজায় যদিও এই নামটোৱে মধ্য ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় বা মধ্য স্তৰটোহে চিহ্নিত কৰে। এই স্তৰটোৰ সময়সীমা খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকা পৰ্যন্ত। খ্ৰীষ্টীয় প্ৰথম শতিকাতেই প্ৰাকৃত ভাষাই সংস্কৃত ভাষাত অশ্বঘোষে লিখা নাটক *সাৰিপুত্ৰ প্ৰকৰণত* স্থান লাভ কৰে আৰু তেতিয়াৰ পৰাই প্ৰাকৃত ভাষাই সাহিত্যত আত্মপ্ৰকাশ কৰে। তাৰ পাছতে ভৰতৰ *নাট্যশাস্ত্ৰৰ* 'ধ্ৰুৱা' গীত, পৰৱৰ্তী সময়ত কালিদাস, ভাস প্ৰভৃতি নাট্যকাৰে নাটকৰ মাজত প্ৰাকৃত ভাষা সাহিত্যিক ভাষা হিচাপে প্ৰয়োগ কৰা দেখা যায়।

খ্ৰীষ্ট্ৰীয় তৃতীয় শতিকা মানৰ ভিতৰত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত প্ৰাকৃতসমূহ অঞ্চল বিশেষে বিশেষ আঞ্চলিক বৈশিষ্ট্যৰে গঢ় লৈ উঠে আৰু আঞ্চলিক নামেৰে পৰিচিত হয়। এই আঞ্চলিক ৰূপবোৰৰ মাধ্যমেদি অনেক সাহিত্যাদিও সৃষ্টি হৈছিল। সাহিত্য আদি সৃষ্টি হোৱা বাবে প্ৰাকৃতৰ এই আঞ্চলিক ৰূপবোৰক সাহিত্যিক প্ৰাকৃত নাম দিয়া হৈছে। এই সাহিত্যিক প্ৰাকৃত ঘাইকৈ পাঁচবিধ পোৱা যায় — মহাৰাষ্ট্ৰী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অৰ্ধ-মাগধী।

এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে যদিও এই সাহিত্যিক প্ৰাকৃতবোৰ আঞ্চলিক ৰূপৰ মাধ্যমত বা ভেটিত গঢ় লৈ উঠা প্ৰাকৃত বুলি কোৱা হৈছে, কিন্তু সেই প্ৰাকৃতৰ ৰূপবোৰত সম্পূৰ্ণ আঞ্চলিক কথ্যৰূপবোৰ দেখিবলৈ পোৱা নগৈছিল; এই প্ৰাকৃতসমূহ সংস্কৃত ব্যাকৰণৰ আদৰ্শতহে গঢ় লৈ উঠিছিল। সেই পিনৰ পৰা এই প্ৰাকৃতবোৰক কৃত্ৰিম প্ৰাকৃত ভাষা বুলিহে ক'ব পাৰি। অৱশ্যে এইবোৰত লৌকিকতা যে একেবাৰে নাছিল তেনেও নহয়। কিন্তু প্ৰাকৃত বৈয়াকৰণসকলে প্ৰাকৃতৰ সাহিত্যিক যি ভাবাদৰ্শ তাক লৌকিক ৰূপৰ পৰাই গ্ৰহণ কৰি পৰিমাৰ্জিত ৰূপত গঢ়ি তুলিছিল। সেয়ে সাহিত্যিক প্ৰাকৃতসমূহে কথ্যধৰ্মী গুণ বহুখিনি হেৰুৱাই কৃত্ৰিম সাধু ভাষাৰূপে আত্মপ্ৰকাশ কৰিছিল। এই বিষয়ে ইতিমধ্যে আপুনি দ্বিতীয় ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে বাবে পুনৰুক্তি কৰা নহ'ল।

এই প্ৰাকৃত ভাষাত বিবিধ সাহিত্য ৰচিত হৈছে যদিও জৈন ধৰ্মৰ 'সিদ্ধান্ত' সমূহে অধিকাংশ ঠাই আৱৰি ৰাখিছে। সাহিত্যিক দৃষ্টিকোণৰ পৰা প্ৰাকৃত সাহিত্য বুলিলে ধৰ্মমূলক আৰু ধৰ্ম-নিৰপেক্ষ দুয়োবিধকে বুজা যায় আৰু দুয়োবিধৰে সমান মূল্য আছে। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৬.৪ প্ৰাকৃত সাহিত্যৰ শ্ৰেণীবিভাগ

ইতিমধ্যে আপুনি গম পালে যে, পালি সাহিত্য যিদৰে বৌদ্ধ ধৰ্ম নিৰ্ভৰ, সেইদৰে প্ৰাকৃত

সাহিত্য জৈন ধর্ম নির্ভৰ। অৱশ্যে পালিৰ দৰে প্রাকৃততো ধর্ম নিৰপেক্ষ সাহিত্যৰ পৰিমাণো একেবাৰে কম নহয়। বিষয়বস্তুৰ পৰিৱেশন আৰু ৰূপ অনুযায়ী প্রাকৃত সাহিত্যৰাজিক বহলভাৰে দুটা ভাগত ভাগ কৰিব পাৰি—জৈন ধর্মৰ অন্তর্ভুক্ত সাহিত্য আৰু ধর্ম নিৰপেক্ষ সাহিত্য। তলত দুয়োটা শ্রেণীৰ অন্তর্গত সাহিত্য সম্ভাৰৰ এটি পৰিচয় দিয়া হ'ল।

৬.৪.১ জৈন ধর্মৰ অন্তর্ভুক্ত সাহিত্য

প্রাকৃত সাহিত্য অধিকাংশই জৈন ধর্মী সাহিত্য। জৈন ধর্মী সাহিত্যখিনিক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি — জৈন সিদ্ধান্ত বা আগম গ্রন্থ আৰু আগম বহির্ভূত ধর্মমূলক সাহিত্য

- *জৈন সিদ্ধান্ত বা আগম গ্রন্থ ঃ* জৈন ধর্ম সাহিত্যক সাধাৰণতে 'সিদ্ধান্ত' বা 'আগম' বুলি অভিহিত কৰা হয়। 'আগম' বা 'সিদ্ধান্ত'সমূহৰ অন্তর্গত গ্রন্থসমূহক আকৌ ৬ টা ভাগত ভাগ কৰা হৈছে —
  - দ্বাদশ অংগ ঃ ধর্মমূলক গ্রন্থ হিচাপে 'অংগ'ৰ অন্তর্গত গ্রন্থসমূহৰ মূল্য অপৰিসীম। কিয়নো এইবোৰ গ্রন্থ জৈন ধর্মৰ মূল শাস্ত্র। বাৰখন অংগৰ সমষ্টি বাবে ইহঁতক একেলগে দ্বাদশ অংগ বুলি কোৱা হয়। এই বাৰখন অংগৰ ভিতৰত *আয়ৰংগসূত্তই* হ'ল জৈন ধর্মৰ আদি মূল আৰু সাৰ।
  - দ্বাদশ উবংগ (উপাংগ) ঃ উবংগৰ সংখ্যা বাৰখন। অৱশ্যে অংগৰ সৈতে উবংগৰ তেনে কোনো বিষয়গত সম্বন্ধ নাই।
  - *দশ পইন্ন*(প্রকীর্ণ) ঃ দহখন বিভিন্ন গ্রন্থৰ সমষ্টি দশ পইন্ন ছন্দোবদ্ধ স্তুতিমূলক গ্রন্থ। মানুহৰ দৈনন্দিন পৰিশুদ্ধ জীৱন ধাৰা সম্বন্ধে এই গ্রন্থত আলোচনা কৰা হৈছে।
  - *ষট্ ছেয়সুত্ত (ছেদসুত্ত) ঃ ছেয়সুত্ত* ছয়খন গ্রন্থৰ সমষ্টি। এই ছয় গ্রন্থত জৈন সৈন্যাসীসকলৰ নীতি-নিয়মৰ কথা বর্ণনা আছে।
  - চাৰি মুলসুত্ত (মূলসূত্র) ঃ ই চাৰিখন গ্রন্থৰ সমষ্টি। চাৰি গ্রন্থৰ *উত্তৰজ্ঝয়ন* সর্বপ্রাচীন। ইয়াত কিছুমান জৈন ধর্মী কাহিনী কবিতাই স্থান লাভ কৰিছে।
  - অন্যান্য ঃ ইয়াৰ অন্তর্গত গ্রন্থৰ সংখ্যা দুই— *নন্দী* বা *নন্দীসুত্ত (নন্দীসূত্র)* আৰু *অনুত্তগদাৰ (অনুযোগদ্বাৰ)*। গ্রন্থ দুখনত জৈন শাস্ত্রৰ পৰিচয় থকাৰ উপৰি বিভিন্ন জৈন গুৰুৰ চৰিতাৱলী বর্ণিত হৈছে।
- *আগম বহির্ভূত ধর্মমূলক সাহিত্য ঃ* ইয়াৰ অন্তর্গত সাহিত্যৰাজিক আকৌ তিনিটা ভাগত ভাগ কৰিব পাৰি — টীকা গ্রন্থ, কাব্য গ্রন্থ আৰু অন্যান্য।
  - টীকা গ্রন্থ ঃ আগম গ্রন্থবোৰৰ অর্থবোধৰ উদ্দেশ্য জৈন ধর্মৰ দুই ফৈদ তথা সম্প্রদায় 'দিগম্বৰ' আৰু 'শ্বেতাম্বৰ' উভয়ে কেতবোৰ বাখ্যামূলক টীকাগ্রন্থ ৰচনা কৰিছিল। উল্লেখযোগ্য যে শ্বেতাম্বৰ সম্প্রদায়ে ৰচনা কৰা টীকা গ্রন্থসমূহক

নিজ্জুত্তি' আৰু দিগম্বৰ সম্প্রদায়ে ৰচনা কৰা টীকাসমূহক 'চূন্নী' বোলে। দুয়োবিধ টীকাই পদ্যৰ আকাৰত ৰচনা কৰা। দুয়োবিধতে জৈন ধর্মৰ তত্ত্ব ব্যাখ্যাৰ লগতে *ৰামায়ণ, মহাভাৰত* তথা *পঞ্চতন্ত্র, জাতক* আদিৰ কাহিনীকে আদি কৰি লোকজীৱনৰ বিভিন্ন উপকথা, জনশ্রুতিৰে ধর্মতত্ত্ব ব্যাখ্যা কৰা হৈছে।



জানি থোৱা ভাল

জৈন ধর্মৰ দুই ধর্মীয় সম্প্রদায় — দিগম্বৰ আৰু শ্বেতাম্বৰ। জৈন ধর্মৰ প্রধান প্রতিষ্ঠাপক মহাবীৰ নগ্ন আছিল। কিন্তু স্থূলভদ্রই নগ্নতাৰ পৃষ্ঠপোষকতা নকৰি বস্ত্রাবৃত (শ্বেতবস্ত্র) হোৱাৰ সপক্ষে মত পোষণ কৰে। এওঁৰ দলেই 'শ্বেতাম্বৰ' জৈন হিচাপে পিছলৈ পৰিচিত হ'ল। আনহাতে ভদ্রবাহুৰ দলে নগ্নতাক পৃষ্ঠপোষকতা কৰিছিল। এওঁলোকেই পৰৱর্তী সময়ত 'দিগম্বৰ' জৈন হিচাপে পৰিচিত হ'ল।

- কাব্যগ্রন্থ ঃ প্রাকৃত কাব্যগ্রন্থৰ ভিতৰত জৈনৰামায়ণ *পউম চৰিঅ (পদ্মচৰিত);* দিগম্বৰ সম্প্রদায়ৰ জিনসেন গুণভদ্রই *পুৰাণৰ* আর্হিত লিখা *তিষষ্টি লক্ষণ মহাপুৰাণ;* শ্বেতাম্বৰ সম্প্রদায়ৰ হেমচন্দ্রই 'চৰিত'ৰ আর্হিত লিখা *ত্রিষষ্টিশলাকা পুৰুষ চৰিত;* জৈন ধর্মৰ মূল বিষয়বস্তু সম্বন্ধীয় *ধম্মকহা;* তদুপৰি সৰু সৰু ধর্মীয় কাহিনী সম্বলিত কথানক শ্রেণীৰ *কালকাচার্য কথানক, কল্পসূত্র* বিশেষভাৱে উল্লেখযোগ্য কাব্যগ্রন্থ।

জৈন সাহিত্যৰ প্রাচীনতম কাব্যগ্রন্থ হ'ল *পউম চৰিঅ* বা *পদ্মচৰিত*। ই *ৰামায়ণৰ* অন্যতম সংস্কৰণ। মহাৰাষ্ট্রী প্রাকৃতত ৰচনা কৰা এই কাব্য গ্রন্থখনৰ ৰচনাৰ সময় হিচাপে খ্রীষ্টীয় তৃতীয় বুলি অনুমান কৰা হৈছে। ৰচক বিমল সুৰি। ১১৮ টা সর্গত বিভক্ত গ্রন্থখনত ৯০০০ টা গাথা আছে। 'পদ্ম' মানে ৰামক বুজাইছে। এতেকে *পদ্ম চৰিত* মানে ৰাম চৰিত বর্ণনা। ইয়াত ৰাৱণ জৈন ধর্মী হ'লেও ৰামৰ হাতত নিধন হোৱাৰ মূলতে ৰাৱণৰ কুকর্মৰ ফল। পৰিশেষত অৱশ্যে ৰামেও জৈন ধর্মত দীক্ষা গ্রহণ কৰা দেখুৱাই জৈন ধর্মৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। বিমল সুৰিৰ সমসাময়িক ৰবিসেনৰ *পদ্ম চৰিত* তথা হেমচন্দ্রৰ *তিষষ্টিশলাকা পুৰুষ* জৈন কাব্য গ্রন্থৰ আন এক উল্লেখযোগ্য কীর্তি।

কাব্যগ্রন্থ হিচাপে *ধম্মকহাৰ* স্থান প্রাকৃত সাহিত্যত অনন্য। কর্মবাদ, জন্মন্তৰবাদ তথা ধর্ম প্রচাৰেই এই গ্রন্থৰ মূল উদ্দেশ্য হ'লেও সাহিত্যিক মূল্যও সমানেই প্রকাশ পাইছে। এই একে উদ্দেশ্যেৰে ৰচনা কৰা *ধম্মকহাৰ* লেখীয়া আন এখন গ্রন্থ হ'ল হৰিভদ্র সুৰিৰ *সমৰাই চকহা*। *কালকাচার্য কথানকৰ*

ৰচয়িতাৰ বিষয়ে জানিব পৰা নগলেও কাহিনী সম্বলিত হোৱা বাবে গ্ৰন্থখনৰ ধৰ্মতত্ত্বৰ বাখ্যা উপভোগ্য হৈ উঠিছে। *কল্পসূত্ৰত* আছে ৰাজকুমাৰ কালকে জৈন ধৰ্ম গ্ৰহণৰ বৰ্ণনা; লগতে উজ্জয়িনীৰাজ গৰ্দভিল্লৰ কবলৰ পৰা ভনীয়েক সৰস্বতীক উদ্ধাৰৰ কাহিনী আৰু শেষত দেখুওৱা হৈছে ৰাজকুমাৰৰ উজ্জয়িনী অধিকাৰ বৰ্ণনা।

- অন্যান্য ঃ অন্যান্য গ্ৰন্থৰ ভিতৰত স্তৰ স্তোত্ৰ, নীতি-কবিতা আৰু দুই এখন ধৰ্মতত্ত্ব সম্বন্ধীয় গ্ৰন্থ ধৰা হৈছে। প্ৰাকৃতৰ স্তৰ স্তোত্ৰৰ অন্তৰ্গত দুখনমান গ্ৰন্থ হ'ল — মানতুংগৰ *ভয়হৰ স্তোত্ৰ*, ধনপালৰ *ঋষভ পঞ্চাশিকা*, অভয়দেৱৰ *জয়তিহুয়ন স্তোত্ৰ*। সেইদৰে নীতিমূলক গ্ৰন্থ দুখনমান হ'ল — ধৰ্ম দাসৰ *উৱৱসমালা*, মুনিচন্দ্ৰৰ *গাথাকোশ*, সময় সুন্দৰৰ *গাথা মহস্ৰী*। তত্ত্বমূলক তথা জৈন দৰ্শনমূলক গ্ৰন্থ *পঞ্চথিয়সাৰ্বেই* প্ৰধান।

  উল্লেখযোগ্য যে এইযোৰ গ্ৰন্থৰ নীতি তথা তাত্ত্বিক মূল্য থাকিলেও সাহিত্যিক মূল্য বৰ কম বুলিব পাৰি। অৱশ্যে কেৱল প্ৰাকৃততে ৰচনা কৰা বাবে এইবোৰ গ্ৰন্থৰ নিজা মূল্য এটা সদায় আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *পউম চৰিঅ* কাৰ ৰচনা?

.....

প্ৰশ্ন নং ২ ঃ দশ পইন্ন কি আৰু ইয়াত কি বিষয়বস্তু বৰ্ণিত হৈছে?

.....

.....

৬.৪.২ ধৰ্ম নিৰপেক্ষ সাহিত্য

প্ৰাকৃতৰ ধৰ্ম নিৰপেক্ষ সাহিত্যখিনিৰ ৰচনা ৰীতিৰ পাৰ্থক্যলৈ লক্ষ্য ৰাখি নিম্নলিখিত উপবিভাগ কেইটাত ভাগ কৰিব পাৰি — কথা সাহিত্য, মহাকাব্য, গীতি-কাব্য আৰু নাট্য সাহিত্য। তলত প্ৰতিটো বিভাগৰ সাহিত্যৰাজিৰে চমুকৈ পৰিচয়মূলক টোকা দিয়া হ'ল।

- *কথা সাহিত্য ঃ* প্ৰাকৃত সাহিত্য কথা সাহিত্যত বেচ চহকী। ধৰ্ম নিৰপেক্ষ প্ৰাকৃত কথা সাহিত্যইপ্ৰাকৃত সাহিত্যৰ এক বুজন অংশ আৱৰি আছে। সোমদেৱৰ *কথাসৰিৎ-সাগৰ*, গুণাঢ্যৰ *বড্ডকহা*, ক্ষেমেন্দ্ৰৰ *বৃহৎ কথা-মঞ্জৰী*, বুধস্বামীৰ *বৃহৎ কথা শ্লোক সংগ্ৰহ* প্ৰাকৃত কথা সাহিত্যৰ অনবদ্য সংযোজন।

  গুণাঢ্যৰ দ্বাৰা ৰচিত পৈশাচী প্ৰাকৃততে ৰচিত *বড্ডকহা* নিঃসন্দেহে প্ৰাকৃত

কথা সাহিত্যৰ অন্যতম প্রকাশ। অৱশ্যে এই গ্রন্থৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। মাথোন সংস্কৃত কেইগৰাকীমান আচার্য, যেনে — দণ্ডী, বাণভট্ট, সুবন্ধু, গোৱর্ধন আদিৰ ৰচনাত গুণাঢ্যৰ বিষয়ে বহুখিনিয়ে জানিব পৰা যায়। *বড্ডকহা* ৰচনাৰ এক কিম্বদন্তী কাহিনী পোৱা যায় — প্রতিষ্ঠানপুৰৰ ৰজাক সভাপণ্ডিত গুণাঢ্যই ছমাহৰ ভিতৰত সংস্কৃত ভাষা শিকাব নোৱাৰি তেওঁ ৰাজ্য ত্যাগ কৰি বিন্ধ্যাৰণ্যলৈ যায়। তাত তেওঁ কানভূতিক লগ পায়। তেওঁৰ মুখে গুণাঢ্যই সাতজন চক্রৱর্তী বিদ্যাধৰৰ প্রেম আৰু বীৰত্বৰ কথা শুনে। সেইবোৰকে গুণাঢ্যই সাত লাখ শ্লোকত নিজৰ দেহৰ তেজেৰে লিখি ৰজালৈ পঠিয়াই দিয়ে। কিন্তু ৰজাই পৈশাচীত লিখা কাৰণে বুজি নাপাই পুনৰ সেইবোৰ ঘূৰাই পঠায়। মনৰ দুখতে গুণাঢ্যই অগ্নিকুণ্ড নির্মাণ কৰি সেই শ্লোকবোৰ প্রতিটোকে আওৰাই এখিলা এখিলাকৈ অগ্নিত নিক্ষেপ কৰিব ধৰিলে। বনৰ পশু-পক্ষীয়ে আহাৰ নিদ্রা পৰিত্যাগ কৰি শ্লোকবোৰ শুনিবলৈ ধৰাত সিহঁত দিনক দিনে শুকাই-খীনাই যাবলৈ ধৰিলে। ফলত ৰজাই শুকান মাংস খাব লগা হ'ল। অৱশেষত ৰজাই সকলো কথাৰ সম্ভেদ পাই শ্লোকবোৰ ৰক্ষা আৰু প্রচাৰৰ ব্যৱস্থা কৰিলে। ইতিমধ্যে তাৰে ৬ লাখ শ্লোক অগ্নিত দাহ গৈছিল।

- *মহাকাব্য ঃ* প্রাকৃত মহাকাব্যৰ ভিতৰত প্রবৰসেনৰ বুলি অনুমেয় *সেতুবন্ধ* অন্যতম। মহাৰাষ্ট্রীত ৰচিত এই কাব্যৰ প্রকৃত নাম *ৰাৱণবহো* বা *দহমোহবহো*। ইয়াত ৰামৰ কাহিনী অর্থাৎ *ৰামায়ণৰ* কাহিনী বিধৃত কৰা হৈছে। মন কৰিবলগীয়া এয়ে যে যদিও কাব্যখনৰ ৰচক হিচাপে প্রবৰসেনকে নিক্ষেপ কৰা হয় সেইবিষয়ে আজিও কিন্তু মতভেদৰ শেষ নাই। ৰচক প্রবৰসেন এজন ৰজা আছিল যদিও তেওঁ কোন ৰাজ্যৰ ৰজা আছিল স্পষ্টকৈ জনা নাযায়। বহুতে তেওঁক কলহনৰ *ৰাজতৰংগিনী*ৰ সূত্র ধৰি কাশ্মিৰ ৰাজ বুলি ক'ব খোজে। কোনোবাই আকৌ বাক্‌টাৰ দ্বিতীয় প্রবৰসেনেই *সেতুবন্ধৰ* ৰচক বুলি কয়। এইদৰে তেওঁকলৈ মতভেদ থাকিলেও তেওঁ যে এজন ৰজা আছিল সেই বিষয়ে কাৰো দ্বিমত নাই। ৰচক যিয়েই নহওক কাব্যখনে কিন্তু বিস্তৰ প্রসিদ্ধি লাভ কৰিছিল। আনকি আচর্য দণ্ডীয়ে *কাব্যাদশত* *সেতুবন্ধৰ* নাম উল্লেখ কৰি কাব্যখনৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰিছিল —

'মহাৰাষ্ট্রাশ্রয়াং ভাষাং প্রকৃষ্টং প্রাকৃতং ৱিদ্ধঃ ;
সাগৰঃসূক্তি ৰত্নানাং সেতুবন্ধাদি যন্ময়ম।'

কাব্যগ্রন্থখনে যে কেৱল ভাৰততে প্রসিদ্ধি লাভ কৰিছিল তেনে নহয়, দক্ষিণ পূব এছিয়া পর্যন্ত এই গ্রন্থৰ প্রসাৰতা বৈ গৈছিল। ১৫ টা সর্গত বিভক্ত গ্রন্থখনত সীতাৰ অন্বেষণ, সেতু-নির্মাণ, ৰাৱণ বধ, সীতা উদ্ধাৰ আদিৰ কাহিনী বিয়পি আছে। কাহিনীভাগ যদিও *ৰামায়ণৰ* তথাপি কিন্তু লেখকৰ কোনো বিশিষ্ট ধর্ম প্রচাৰৰ উদ্দেশ্য নাছিল। তাৰ বিপৰীতে সাগৰৰ ওপৰত সেতু নির্মাণৰ জৰিয়তে মানৱীয় বুদ্ধি তথা কৌশল আৰু দৃঢ়তাৰ বিজয় ঘোষণা কৰি অশুভ শক্তিৰ পৰাজয় দেখুৱাই

কাব্যৰস পান কৰোৱাহে কাব্যখনৰ মূল উদ্দেশ্য আছিল। ইয়াৰ বাহিৰেও শব্দ-পুঞ্জৰ আড়ম্বৰতা, অলংকাৰ বহুলতা, দীৰ্ঘসবদ্ধতা, বিষয়বস্তুৰ হৃদয়গ্ৰাহী বৰ্ণনাৰ লগতে বীৰ আৰু শৃঙ্গাৰ ৰসে কাব্যখনক অনন্য সাধাৰণ কৰি তুলিছে।

কণৌজৰাজ যশোবৰ্মনৰ ৰাজসভাৰ কবি বাক্‌পতিৰাজৰ দ্বাৰা ৰচিত *গউডবহো* প্ৰাকৃত মহাকাব্যৰ আন এখন উল্লেখযোগ্য মহাকাব্য। ১২০৯ টা শ্লোকত আবৃত্ত মহাকাব্যখনৰ মূল বিষয় হিচাপে যশোবৰ্মনৰ হাতত গৌড়ৰজাৰ মৃত্যু দেখুওৱা হ'লেও ঐতিহাসিক উপাদান ইমান প্ৰকট নহয়। কিয়নো গৌড়ৰজাৰ ৰাজধানী, যশোবৰ্মনৰ সৈতে প্ৰকৃত শত্ৰুতাৰ কাহিনী কাব্যখনত দেখিবলৈ পোৱা নাযায়। ৰৱং বহু পৰিমাণে প্ৰশস্তিমূলক আৰু কবিৰ আত্মচৰিত হৈ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ *সেতুবন্ধ* কাব্যখনৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

- *গীতিকাব্য ঃ* প্ৰাকৃতত গীতিকাব্যৰ এক সুকীয়া স্থান আছে। সংস্কৃত নাটকৰ 'ধ্ৰুৱা' গীতবোৰেই প্ৰাকৃতৰ প্ৰাচীনতম্ নিদৰ্শন হ'লেও সাতবাহন বংশীয় ৰজা হালৰ দ্বাৰা সংগৃহীত বুলি জনাজাত *গাহাসত্তসঈ*(সংস্কৃত *গাথাসপ্তশতী*) নামৰ গীতি কবিতাৰ সংগ্ৰহখনি সৰ্বোত্তম বুলিব পাৰি। গ্ৰন্থখনি মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত। লোকজীৱনত অতি প্ৰাচীন কালৰ পৰা মুখে মুখে চলি অহা কোটি কোটি গাথাৰ মাজৰ পৰা সাতশ গাথা সংগ্ৰহ কৰি সাতশ শতকত বিভক্ত কৰি সংকলন কৰিছিল বাবে এই সংকলনক *গাহাসত্তসঈ* বুলি কোৱা হৈছে।

  এই সংকলনখনিত সংগৃহীত কবিতাসমূহে সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, আনন্দ-বেদনাৰ লগতে প্ৰাচীন ভাৰতীয় লোকজীৱনৰ চিত্ৰ দাঙি ধৰাত সফল হোৱাত ভাৰতীয় সাহিত্যৰ ইতিহাসত গ্ৰন্থখনিৰ মূল্য সদায় অম্লান হৈ থাকিব।

  *গাহাসত্তসঈ*ৰ মূল বিষয় প্ৰেম। সেই প্ৰেম কোনো কৃত্ৰিম নগৰীয়া প্ৰেম নহয়, সৰল আৰু লোকজীৱনৰ প্ৰেমহে। প্ৰেমৰ পৰা ওপজা মান-অভিমান, শংকা-ব্যাকুলতা, প্ৰিয়জনৰ সৈতে মিলনৰ আকাঙ্খা, প্ৰিয়জনক নোপোৱাৰ বেদনা ইত্যাদি

প্রেমৰ স্বাভাৰিক অৱস্থাবোৰ *গাহাসত্তসঈ*ত বৰ্তমান। লগতে প্রকাশ পাইছে প্রেমৰ বন্ধন মানিব নোখোজা মুক্ত ব্যাকুলতা।

গাহাসত্তসঈত এফালে যেনেকৈ প্রেম অনুভূতিৰ প্রকাশ ঘটিছে, আনফালে তাৰ মাজতে ভাৰতীয় জীৱন প্রবাহৰ চিৰপৰিচিত গ্রাম্য পৰিবেশ এক নিটোল ৰূপত ফুটি উঠিছে। তদুপৰি বিভিন্ন দেৱ-দেৱী; যেনে — মহাদেৱ, গণপতি, পার্বতী, কৃষ্ণ আদিৰ উল্লেখে ভাৰতীয় ধর্মীয় বিশ্বাসকো দাঙি ধৰিবলৈ সক্ষম হৈছে। এইদৰে *গাহাসত্তসঈ* এখন অনুপম গ্রন্থলৈ পর্যৱসিত হৈছে।

গাহাসত্তসঈৰ পিছতে আন এখন গীতি কবিতাপুথিৰ নাম ল'ব লাগিব। এই সংকলনখনৰ নাম *বজ্জালগ্গ*। ইয়াৰ মুঠ গাথাৰ সংখ্যা ৭৯৫। এই সংকলনখনৰ কবিতাবোৰ সংগ্রহ কৰিছিল জৈন কবি জয়বল্লভে। একোটা বিষয়ৰ গাথা একোটা 'বজ্জা' (ব্রজ্যা)ৰ অন্তর্গত আৰু 'বজ্জা'ৰ পদ্ধতিৰে সজোৱা বাবে এই গ্রন্থৰ নাম বজ্জালগ্গ। কবিতাবোৰৰ বেছিভাগেই কোনো জ্ঞানী পণ্ডিতৰ জ্ঞান গর্ভ নীতি কথাৰ দৰে। উল্লেখযোগ্য যদিও এই গ্রন্থৰ অন্তর্গত কবিতাবোৰ এজন জৈন কবিৰ দ্বাৰা সংগৃহীত, তথাপি কিন্তু জৈন ধর্ম সম্বন্ধীয় গাথাৰ সংকলন মুঠেও নহয়।

- *নাট্য সাহিত্য ঃ* কথা সাহিত্য বা কাব্য সাহিত্যত প্রাকৃত যিমান চহকী, নাট্য সাহিত্যত ইমান চহকী নহয়। দশম শতাব্দীৰ আদি ভাগৰ মধ্যাদেশৰ গুর্জৰ-প্রতিহাৰৰ ৰজা মহেন্দ্রপালৰ গুৰু বুলি নিজৰ পৰিচয় দিয়া প্রসিদ্ধ সংস্কৃত নাট্যকাৰ, প্রাবন্ধিক, কবি তথা আলংকাৰিক কবিৰাজ ৰাজশেখৰ *কর্পূৰ মঞ্জৰী* নাটকখনিয়েই প্রাকৃত নাট্য সাহিত্যৰ একমাত্র সাক্ষী। অৱশ্যে নাট্যকাৰ ৰাজশেখৰে এইখনক নাটক নুবুলি 'সট্টক' বুলিহে অভিহিত কৰিছে। উল্লেখ কৰা ভাল যে *কর্পূৰমঞ্জৰী*য়েই 'সট্টক' নামৰ নাটিকা শ্রেণীৰ প্রথম নিদর্শন। 'সট্টক' হৈছে সংস্কৃত 'নাটিকা' তথা 'উপৰূপক'ৰ অনুসৃত একপ্রকাৰ উপৰূপক। 'সট্টক' সম্বন্ধে পৰৱর্তী এটি অধ্যায়ত বহলাই আলোচনা কৰা হ'ব।



জানি থোৱা ভাল

সংস্কৃতত দৃশ্য কাব্যক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে — 'ৰূপক' আৰু 'উপৰূপক'। ৰূপক দহ প্রকাৰ। যেনে — নাটক, প্রকৰণ, ভান, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অংক, বীথী আৰু প্রহসন। উপৰূপক ওঠৰ প্রকাৰ — নাটিকা, ত্রোটক, গোষ্ঠী, নাট্যৰাসক, প্রস্থান, উল্লাপ্য, কাব্য, প্রেঙ্খন, ৰাসক, সংলাপক, শ্রীগতিত, শিল্পক, বিলাসিকা, দুর্মুল্লিকা, প্রকৰণী, হল্লীশো আৰু ভানিকা।

নাটকখনিৰ বিষয়বস্তু এটি প্রণয়মূলক কাহিনী। সিদ্ধপুৰুষ ভৈৰৱানন্দই অলৌকিক শক্তিৰে আনি দিয়া অপৰূপা কুন্তলৰাজকন্যা কর্পূৰ মঞ্জৰীৰ প্রতি ৰজা

চণ্ডপালৰ বিমুগ্ধ দৃষ্টি, তাৰ পিছত দুয়োৰে মাজত হোৱা তীব্ৰ প্ৰেম-অনুৰাগ, পাটমহিষী বিভ্ৰমলেখাৰ সেই প্ৰেমত প্ৰতিবন্ধক হৈ দেখা দিয়ে আৰু শেষত বিচক্ষণা বিদুষক ভৈৰবানন্দৰ মিলিত সহযোগত কৌশলেৰে সেই প্ৰতিবন্ধকতা আঁতৰাই ৰজাৰ লগত কৰ্পূৰ মঞ্জৰীৰ বিবাহ কাৰ্য সম্পন্ন, এয়ে হৈছে নাটকখনৰ মূল কাহিনী।

নাটকখনিৰ ব্যৱহৃত প্ৰাকৃতকলৈ ভিন্ন মত পোৱা যায়। কবিৰাজে নিজেই 'সক্কদং পৰিহৰিঅ পাউদৰন্ধে' অৰ্থাৎ 'সংস্কৃত পৰিহাৰ কৰি প্ৰাকৃতত ৰচনা' বুলিলেও দৰাচলতে তেওঁ কোনো প্ৰাকৃতত ৰচনা কৰিছিল সেই বিষয়ে স্পষ্টকৈ কোৱা নাই। নাটকখনিৰ ব্যৱহৃত ভাষালৈ লক্ষ্য কৰিলে ৰাজশেখৰে যে কোনো নিৰ্দিষ্ট প্ৰাকৃত ব্যৱহৃত নাই সেয়া সহজে অনুমেয়। ৰাজশেখৰে শৌৰসেনীকে প্ৰধান অৱলম্বন হিচাপে লৈ তাৰ লগত মহাৰাষ্ট্ৰী উপাদান, অপভ্ৰংশ-অৱহট্‌ঠ আৰু 'দেশী' বা কথ্য-ৰূপৰ উপাদান সংমিশ্ৰণ ঘটাই সাধাৰণতে 'প্ৰাকৃত' বুলি ক'ব পৰা ভাষাতে কৰ্পূৰমঞ্জৰী ৰচনা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *গাহাসত্তসঈ* (সংস্কৃত *গাথাসপ্তশতী*) নামৰ গীতি কবিতাৰ সংগ্ৰহখন কোনে কি প্ৰাকৃতত সংকলিত কৰিছিল?

.....

প্ৰশ্ন নং ৫ ঃ *কৰ্পূৰমঞ্জৰী* কোনে ৰচনা কৰিছিল?

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পালি সাহিত্য যিদৰে বৌদ্ধ ধৰ্ম সৰ্বস্ব, সেইদৰে প্ৰাকৃত জৈন ধৰ্ম সৰ্বস্ব। পালিৰ দৰে প্ৰাকৃত সাহিত্যখিনিকো জৈন ধৰ্মমূলক আৰু ধৰ্ম নিৰপেক্ষ প্ৰাকৃত সাহিত্য — এই দুই প্ৰধান ভাগত ভাগ কৰি দেখুওৱাব পাৰিলে।
- জৈন ধৰ্মৰ ধৰ্মীয় সম্প্ৰদায় দুটা ঃ শ্বেতাম্বৰ আৰু দিগম্বৰ।
- ধৰ্মীয় সাহিত্য হিচাপে জৈন ধৰ্মী সাহিত্যখিনিৰ মূল থাকিলেও ধৰ্ম নিৰপেক্ষ সাহিত্যখিনিৰ মূল্যও কম নহয়। কিয়নো এই সাহিত্যখিনিয়ে সাহিত্যিক প্ৰমূল্য বহন কৰাৰ লগতে প্ৰাকৃত সাহিত্যক চহকীও কৰিছে।
- ধৰ্ম নিৰপেক্ষ প্ৰাকৃত সাহিত্যৰ ভিতৰত মহাকাব্যৰ অন্তৰ্গত *সেতুবন্ধ*, গীতিকাব্যৰ নিদৰ্শন *গাহাসত্তসঈ* আৰু নাট্য সাহিত্যৰ সাক্ষী *কৰ্পূৰ মঞ্জৰী* গৌৰৱোজ্জল সাহিত্য কীৰ্তি।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি- প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৭) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৮) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৯) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.



৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিমল সুৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দহখন বিভিন্ন গ্ৰন্থৰ সমষ্টি দশ পইন্ন ছন্দোবদ্ধ স্তবস্তুতিমূলক গ্ৰন্থ। মানুহৰ

দৈনন্দিন পৰিশুদ্ধ জীৱন ধাৰা সম্বন্ধে এই গ্ৰন্থত আলোচনা কৰা হৈছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৫ টা সৰ্গত বিভক্ত *সেতুবন্ধ* গ্ৰন্থখনত সীতাৰ অন্বেষণ, সেতু-নিৰ্মাণ, ৰাৱণ বধ, সীতা উদ্ধাৰ আদিৰ কাহিনী বিয়পি আছে। কাহিনীভাগ যদিও *ৰামায়ণ*ৰ তথাপি কিন্তু লেখকৰ কোনো বিশিষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নাছিল। তাৰ বিপৰীতে সাগৰৰ ওপৰত সেতু নিৰ্মাণৰ জৰিয়তে মানৱীয় বুদ্ধি তথা কৌশল আৰু দৃঢ়তাৰ বিজয় ঘোষণা কৰি অশুভ শক্তিৰ পৰাজয় দেখুৱাই কাব্যৰস পান কৰোৱাহে কাব্যখনৰ মূল উদ্দেশ্য আছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজা হালৰ দ্বাৰা সংগৃহীত বুলি জনাজাত *গাহাসত্তসঈ*(সংস্কৃত *গাথাসপ্তশতী*) নামৰ গীতি কবিতাৰ সংগ্ৰহখনি মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কবিৰাজ ৰাজশেখৰ।



৬.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) অশ্বঘোষে লিখা কোনখন নাটকত প্ৰাকৃত ব্যৱহাৰ দেখা যায়?

খ) *পউম চৰিঅ* বা *পদ্মচৰিত*খন কিমান টা সৰ্গত বিভক্ত আৰু গ্ৰন্থখনত কিমান গাথা আছে।

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) জৈন ধৰ্মৰ মূল বিষয়বস্তু সম্বন্ধীয় গ্ৰন্থ হ'ল *ধম্মকহা।*

খ) *গাহাসত্তসঈ*ৰ মূল বিষয় বিষাদ।

গ) *বজ্জালগ্গ* প্ৰাকৃত ভাষাত লিখা প্ৰথম নাটক।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰথম প্ৰাকৃত নাটক হিচাপে *কৰ্পূৰ মঞ্জৰী*ক বিচাৰ কৰক।

প্ৰশ্ন ২ ঃচমুকৈ লিখক — প্ৰাকৃতৰ আগমমূলক গ্ৰন্থ, *পউমচৰিঅ, ধম্মকহা, সেতুবন্ধ, গাহাসত্তসঈ, গউড়বহো, বজ্জালগ্গ, কৰ্পূৰ মঞ্জৰী।*

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'প্ৰাকৃত সাহিত্য প্ৰধানতঃ জৈন ধৰ্মী' — পৰ্যালোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাকৃতৰ কাব্য গ্ৰন্থসমূহৰ এটি পৰিচয়সূচক টোকা লিখক।

প্ৰশ্ন ৩ ঃ ধৰ্ম নিৰপেক্ষ প্ৰাকৃত সাহিত্যৰাজিৰ পৰিচয় দিয়ক।

*** ***** ***

অধ্যায় ৭ ঃ *ধম্মপদৰ* সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ *ধম্মপদৰ* ৰচনা কাল আৰু ৰচয়িতা
৭.৪ *ধম্মপদ* শব্দৰ অর্থ
৭.৫ *ধম্মপদৰ* বিষয়বস্তু
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পালি সাহিত্যৰ ধর্মীয় দিশটোৰ বিষয়ে জানিব পাৰিব
- *ধম্মপদ* যে পালি সাহিত্যৰ এখন বিশিষ্ট ধর্মগ্রন্থ, য'ত বৌদ্ধ ধর্মৰ নৈতিক জ্ঞান সম্বলিত কথাৰ সমাৱেশ ঘটিছে সেই বিষয়ে জানিব পাৰিব
- *ধম্মপদৰ* জনপ্রিয়তা সম্পর্কে জানিব পাৰিব
- *ধম্মপদ* শব্দৰ অর্থ আৰু বিষয়বস্তুৰ আভাস পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি প্রাকৃত সাহিত্য সম্পর্কে কিছু কথা অধ্যয়ন কৰিলে। সেই অধ্যায়টোত গম পালে যে প্রাকৃত সাহিত্যৰ বহুলাংশ ঠাই আগুৰি আছে জৈন ধর্মীয় বিভিন্ন গ্রন্থই। অৱশ্যে এটা কথা ঠিক যে ধর্ম নিৰপেক্ষ সাহিত্যও প্রাকৃতত কম নহয়। এই অধ্যায়টোত আমি পালি ভাষাত লিখা এখন বিখ্যাত গ্রন্থ *ধম্মপদৰ* বিষয়ে কিছু কথা অধ্যয়ন কৰিম।

এইখন পাঠ্যবিষয়ৰে পঞ্চম অধ্যায়টোত আপুনি পালি সাহিত্য সম্পর্কে অধ্যয়ন কৰোঁতে *ধম্মপদ* শব্দটোৰ লগত পৰিচিত হৈ আহিছে। বৌদ্ধসকলৰ মূল ধর্মশাস্ত্র *ত্রিপিটক*ৰ অন্যতম 'সুত্ত পিটক'ৰ অন্তর্গত খুদ্দক নিকায়ৰ দ্বিতীয় গ্রন্থ *ধম্মপদৰ* গুৰুত্ব বৌদ্ধ সাহিত্যত অপৰিসীম। সম্রাট অশোকৰ ৰাজত্ব কালত পাটলিপুত্রত অনুষ্ঠিত তৃতীয় বৌদ্ধ 'মহাসংগীতি'ত বৌদ্ধ ধর্মৰ তিনি পিটকৰ সম্পাদনা আৰু ভাষ্যাদিয়ে বহুখিনি পূর্ণতা লাভ কৰে আৰু *ধম্মপদ* সেই আলোচনা,

বিতর্ক, বাখ্যা আদিৰে উল্লেখযোগ্য সফল পৰিণতি বুলি বিবেচনা কৰা হয়। এই অধ্যায়টোত আমি *ধম্মপদৰ* লগত সম্পর্কীত বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিম। অধ্যায়টোত অধ্যয়নে আপোনাক এই গ্রন্থখনৰ বিষয়বস্তুৰ লগতে আন দিশবোৰৰ লগতো পৰিচয় কৰাই দিব। ইয়াৰ পৰৱর্তী অধ্যায়ত আমি *ধম্মপদৰ* পৰা নির্বাচিত কৰি দিয়া দুটা অংশ অধ্যয়ন কৰিম।

৭.৩ *ধম্মপদৰ* ৰচনাকাল আৰু ৰচয়িতা

ধম্মপদৰ মূল বক্তব্য বিষয় হ'ল ধর্ম অর্থাৎ নীতি-নৈতিকতামূলক পথ কেনেদৰে লাভ কৰিব পাৰি তাৰ আধ্যাত্মিক বাখ্যা কৰা। এই নীতি-আদর্শৰ মাজেদি কল্যাণ-মৈত্রীৰ মনোভাব প্রকাশ কৰিব বিচৰাৰ লগতে চিৰকালৰ সার্বিক মানৱ ধর্ম উন্মোচন কৰিব খোজা হৈছে। অন্যকথাত বৌদ্ধ ধর্মৰ বাণী, দার্শনিক দৃষ্টিভঙ্গী আৰু আদর্শৰ চমৎকাৰ চিত্র স্পষ্টভাৱে *ধম্মপদৰ* বিভিন্ন গাথাৰ মাজত প্রকাশ পাইছে। এই মহাগুণৰ বাবেই *ধম্মপদ* বৌদ্ধ সাহিত্যতে নহয়, সমগ্র ভাৰতীয় ধর্ম সাহিত্যতো অবিস্মৰণীয় কীর্তি হিচাপে আজিও চিহ্নিত হৈ আছে।

হিন্দু ব্রাহ্মণ্য ধর্মত তত্ত্বপ্রধান *গীতাৰ* যি স্থান, বৌদ্ধধর্মত *ধম্মপদৰ* সেই স্থান। *গীতাৰ* মাজেদি যিদৰে কোনো দেশ-কাল-ধর্ম-সম্প্রদায়ে সীমাৱদ্ধ কৰি ৰাখিব নোৱৰা উদ্দীপিত মানৱাত্মাৰ আদর্শ সংস্থাপিত হৈছে, সেইদৰে *ধম্মপদতো* বিশ্বমানৱক মানৱত্ব প্রদান কৰাৰ দৃঢ় আকাঙ্খা প্রতিভাত হৈছে। এফালে প্রেম আনফালে ক্ষমা, এফালে ত্যাগ আনফালে উদাৰতা, এফালে অহিংসা আনফালে কৰুণা, এফালে অক্রোধ আৰু আনফালে পৰোপকাৰেৰে প্রকৃত মানুহ গঢ়ি তোলাৰ আদর্শ *ধম্মপদৰ* গাথাসমূহৰ মাজত সমুজ্জল। *ধম্মপদৰ* এই ভাবগত আৰু সাহিত্যগত গুণৰাশিৰ বাবেই *ধম্মপদ* কেৱল পালি ভাষাতে নহয় প্রাকৃত, সংস্কৃত, বৌদ্ধ-সংস্কৃতৰ উপৰি ফৰাচী, জার্মানী, চীনীয়, তিব্বতী আদি ভাষাতো প্রাচীনকালতে অনূদিত হৈছিল। কেৱল সেয়ে নহয় আমাৰ ভাষাতো ইতিমধ্যে *ধম্মপদৰ* অনুবাদ সম্পন্ন হৈছে।



জানি থোৱা ভাল

ধম্মপদৰ বিশিষ্টতা সম্পর্কে দুজন পণ্ডিতৰ মন্তব্য অতি উল্লেখযোগ্য। পণ্ডিত প্রবোধ চন্দ্র বাগচীয়ে কৈ গৈছে — "*ধম্মপদ* বৌদ্ধ গ্রন্থ নোহোৱা হ'লে এই দেশত গীতাতকৈ কম আদৰ নাপালেহেঁতেন।" ঠিক সেইদৰে বিশ্বকবি ৰবীন্দ্রনাথ ঠাকুৰে তেওঁৰ *প্রাচীন সাহিত্য* গ্রন্থত *ধম্মপদ* সম্পর্কে দিয়া মন্তব্যটো এনে ধৰণৰ— "ভগবদ্ গীতায় ভাৰতবর্ষ যেমন আপনাকে প্রকাশ করিয়াছে, গীতার উপদেষ্টা ভারতের চিন্তাকে যেমন একেস্থানে একটি সংহত মূর্তি দান করিয়াছেন, ধম্মপদ গ্রন্থেও ভারতবর্ষের চিত্তের একটি পরিচয় তেমনি ব্যক্ত হইয়াছে।" এই মন্তব্য দুটাই প্রমাণ কৰে গ্রন্থখনৰ বিশালতা।

মুঠতে ভাব গধুৰ বিষয়বস্তুৰে সমৃদ্ধ ৪২৩ টা গাথা আৰু ২৬ টা বগ্গত বিভক্ত *ধম্মপদত*

সৎ, শুদ্ধ আৰু পৰিশীলিত জীৱন-যাপনৰ আদর্শৰে ভৰপুৰ এই গ্রন্থ ভাৰতীয় জনমানসত সদায় অনুপম সাহিত্য কীর্তি হিচাপে চিহ্নিত হৈ থাকিব। *ধম্মপদৰ* ২৬ টা বগ্গৰ নাম হ'ল— যমক, অপ্পমাদ, চিত্ত, পুপ্ফ, বাল,পণ্ডিত, অৰহন্ত, সহস্স, পাপ, দণ্ড,জৰা, অত্ত, লোক, বুদ্ধ, সুখ, পিয়, কোধ, মল, ধম্মট্ঠ, মগ্গ, পকিন্নক (বিবিধ), নিৰয় (নৰক),নাগ, তন্হা, ভিক্খু আৰু ব্রাহ্মণ। মন কৰিবলগীয়া যে, এই বগ্গসমূহ পালি ভাষাত ৰচিত *ধম্মপদৰ* ক্ষেত্রতহে প্রযোজ্য। এই প্রসংগত আৰু এটি কথা উল্লেখ কৰি যোৱা হ'ল যে *ধম্মপদ* পালি, প্রাকৃত আৰু সংস্কৃত ভাষাত পোৱা যায়। এই ভাষাসমূহৰ পৰা চীনীয়, তীব্বতী ভাষালৈ সেই সময়তে অনূদিতও হৈছিল। কোনো কোনোৱে 'বৌদ্ধ সংস্কৃত' বা 'মিশ্র-সংস্কৃতৰ *ধম্মপদ*'ৰ কথা উল্লেখ কৰি গৈছে যদিও ইয়াৰ অস্তিত্ব এতিয়াও বিচাৰি পোৱা নাই। পৰৱর্তী সময়ত বৌদ্ধ মতাৱলম্বীসকলৰ বিভিন্ন শাখাৰ জৰিয়তে এই গ্রন্থই দেশ-বিদেশতো সমাদৰ লাভ কৰিছে। বর্তমান পৃথিৱীৰ বিভিন্ন ভাষালৈ এই গ্রন্থ অনূদিত হোৱা কার্যই গ্রন্থখনৰ শ্রেষ্ঠতাকে সূচিত কৰে। অৱশ্যে, এটা কথা ঠিক যে সংস্কৃত, প্রাকৃত, বৌদ্ধ সংস্কৃতত *ধম্মপদ* ৰচিত হ'লেও পালি *ধম্মপদকহে* প্রথম আৰু মৌলিক গ্রন্থৰূপে স্বীকাৰ কৰা হয়।

ধম্মপদৰ ৰচনাকাল যিদৰে নির্ণয় কৰা যথেষ্ট জটিল কাম, ৰচয়িতা সম্পর্কে বিশেষ নির্ভৰযোগ্য সিদ্ধান্তলৈ অহাটোও সেইদৰেই জটিল কাম। সাধাৰণভাৱে বিশ্বাস কৰা হয় যে *ধম্মপদ* হৈছে বুদ্ধদেৱৰ মুখামৃত বাণী। বুদ্ধদেৱে ধর্ম প্রচাৰৰ উদ্দেশ্যেৰে শ্রাৱস্তী, বৈশালী, কোশল, জেতবন, কৌশাম্বী, অৱন্তী ৰাজগৃহ, সেতব্য, বাৰাণসী, কপিলাবস্তু আদি বিভিন্ন ঠাই ঘূৰি ফুৰোতে পৰিস্থিতি সাপেক্ষে তেখেতৰ শিষ্যসকলক বিভিন্ন গাথাৰ মাধ্যমেৰে নীতি-নৈতিকতামূলক বাণী ব্যক্ত কৰিছিল। সেইবোৰেই পিছলৈ *ধম্মপদ* নামেৰে জনমানসত জনাজাত হৈ পৰে। *ধম্মপদ* ত্রিপিটকৰ অন্তর্ভুক্ত গ্রন্থ। ৰচনাকাল হিচাপে সেয়েহে *ত্রিপিটকৰ* ৰচনাকালেই ইয়াৰো ৰচনা কাল বুলি সাধাৰণভাৱে ক'ব পাৰি। প্রায় দুশ বছৰ কাল ধৰি বৌদ্ধ পণ্ডিত, স্থবিৰ, মহাস্থবিৰসকলৰ মুখ বাগৰি চলি অহাৰ পাছত প্রথম দুখন মহাসংগীতিত *ধম্মপদৰ* শুদ্ধাশুদ্ধ নির্ণীত হোৱাত তৃতীয় মহাসংগীতিৰ পাছত *ত্রিপিটক* সম্পূর্ণৰূপে লিপিবদ্ধ হয়। সেয়া আছিল সিংহলৰাজ বট্টগামনিৰ ৰাজত্ব কালত, খ্রীষ্টপূর্ব ২৯-ত। তদুপৰি *ধম্মপদৰ* প্রথম উল্লেখ পোৱা যায় খ্রীষ্টীয় প্রথম শতাব্দীৰ *মিলিন্দ পঞহত*। সেয়েহে ২৫৬ খ্রীষ্ট পূর্বাব্দত অনুষ্ঠিত হোৱা শেষ তথা ৩য় মহাসংগীতিৰ পৰা খ্রীষ্ট পূর্বাব্দ ২৯-ৰ ভিতৰৰ কোনো এক সময়ত *ধম্মপদৰ* সংকলন আৰু সম্পাদনা হয় বুলি অনুমান কৰিব পাৰি।

বিশেষভাৱে উল্লেখযোগ্য যে বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ পিছত প্রাচীন বৌদ্ধ সংঘৰ ভিতৰত পালনীয় আচাৰ-অনুষ্ঠানকলৈ বিভিন্ন মতভেদৰ সৃষ্টি হৈছিল। তদুপৰি বহুতো মূল বৌদ্ধদর্শনৰ পৰা বিচ্যুতও হৈছিল। সেয়েহে প্রয়োজন সাপেক্ষে অর্থাৎ ভিক্ষুসকলৰ পাৰস্পৰিক সম্প্রীতিৰ বাবে বুদ্ধ বচন বুলি ভাৰতীয় নীতিজ্ঞানৰ বিশাল সাহিত্য ভঁৰালৰ লগতে জৈনাচার্যসকলৰ মতবাদৰ পৰাও নীতিকথাসমূহ সংগ্রহ কৰি সুপৰিকল্পিত বগ্গ (বর্গ) বিভাজনেৰে *ধম্মপদ* গ্রন্থ সৃষ্টি হয় বুলি অনুমান কৰাৰ থল আছে। অৱশ্যে এই কাম একেসময়তে হোৱা নাছিল। সম্রাট

অশোকৰ ওচৰত *ধম্মপদৰ* 'অপ্পমাদ বগ্গ'ৰ আবৃত্তি হৈছিল বুলি জনা যায়। সেয়েহে অনুমান কৰিব পাৰি যে, হয়তো অশোকৰ সময়ৰ পৰা বা পূৰ্বৰে পৰা *ধম্মপদৰ* গাথাসমূহ সূচনা হৈ পৰৱৰ্তী কালত খ্ৰীষ্টীয় শতাব্দী আৰম্ভ হোৱাৰ পূৰ্বকালতে ই সুবিন্যস্ত ৰূপ লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *ধম্মপদত* কিমানটা গাথা আছে আৰু কেইটা বগ্গত বিভক্ত?

.....

প্ৰশ্ন নং ২ ঃ *ধম্মপদ* কেতিয়া বা কোন সময়ছোৱাত সংকলন আৰু সম্পাদনা হয় বুলি অনুমান কৰা হয়?

.....

.....

৭.৪ *ধম্মপদ* শব্দৰ অৰ্থ

ধম্মপদৰ অৰ্থ যথেষ্ট ব্যাপক। 'ধম্ম' আৰু 'পদ' এই দুই স্বতন্ত্ৰ শব্দৰ সংযুতিত *ধম্মপদ* শব্দটি সৃষ্টি হৈছে। *ধম্মপদ* বৌদ্ধধৰ্মত প্ৰচলিত এক বিশেষ শ্ৰেণীৰ কাব্য গ্ৰন্থ। গতিকে বৌদ্ধ সাহিত্য তথা বৌদ্ধ সমাজত ইয়াৰ এক সুকীয়া অৰ্থ থকাটোৱে স্বাভাৱিক। বৌদ্ধ টীকাকাৰ আচাৰ্য বুদ্ধঘোষে *ধম্মপদক* 'সম্পত্তসদ্ধম্মপদো সথা ধম্ম পদং সুভং দেসেসি' অৰ্থাৎ 'মংগলময় ধৰ্ম বা নিৰ্বাণ উপলব্ধিৰ পন্থা' বুলি অৰ্থ কৰিছে। তেওঁৰ পৰৱৰ্তী স্পেন্স, হাৰ্ডি, মেক্সমুলাৰ, ফিছাৰ আদিয়ে *ধম্মপদক* 'ধৰ্মৰ পথ', 'ধৰ্মৰ সোপান', 'ধৰ্মৰ ভেটি' বুলি অভিহিত কৰিছে। ফেউজবলে (Feusboll) 'ধৰ্ম গাথা গুচ্ছ' বুলি কৈছে। এই সমূহ মতৰ ওপৰত ভিত্তি কৰি অথবা গ্ৰন্থখনিৰ ধৰ্মীয় দিশ তথা নীতি নৈতিকতামূলক পথ লাভৰ উপায়ৰ অৰ্থতে যে ইয়াৰ নাম *ধম্মপদ* ৰখা হৈছে তাক ক'ব পাৰি। বৌদ্ধ সাহিত্যৰ 'ধম্ম' অৰ্থাৎ ধৰ্ম মানে— যি ধৰ্ম ঈশ্বৰ সদৃশ বুদ্ধৰ মুখ নিসৃত বাণীৰ মাজত আৱদ্ধ। বাখ্যা প্ৰসংগত 'ধম্ম' শব্দৰ শব্দ ধৰ্মমত, সাৰ্বজনিক বা প্ৰাকৃতিক নিয়ম, গুণ, পদাৰ্থ, ন্যায় আৰু সত্যৰ পথ, জাগতিক ৰীতি ইত্যাদি হিচাপে চিহ্নিত হৈছে।

ধম্মপদৰ গাথাসমূহৰ মাজত চাৰিটা সুকীয়া অৰ্থ সদায় বিৰাজমান। প্ৰথম, ধৰ্মমত অৰ্থাৎ মহাত্মা বুদ্ধৰ সত্যাশ্ৰয়ী বাণী; দ্বিতীয়, প্ৰজ্ঞাদৰ্শন-যাৰ জৰিয়তে সংসাৰৰ কোনো অনিত্য আৰু দুঃখে স্পৰ্শ কৰিবলৈ সক্ষম নহ'ব; তৃতীয়, সংসাৰ নিৰ্লিপ্ততা—সংসাৰ সদায় মিথ্যা আশ্ৰয়ৰ স্থল। গতিকে তাৰ প্ৰতি নিৰ্লিপ্ত হ'ব পাৰিলে ইহলোক আৰু পৰলোকত সুখ বিৰাজ কৰিব; চতুৰ্থ, চিত্ত বৃত্তি — চিত্ত অৰ্থাৎ মনক গভীৰ আত্ম প্ৰত্যয়েৰে সত্যেপলাব্ধিত বান্ধি ৰাখিব পৰাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ কথা।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে, 'ধম্ম' বা 'ধৰ্ম' শব্দ উচ্চ নৈতিক আদৰ্শৰ ওপৰত

প্ৰতিষ্ঠিত আৰু সি সৰ্ব মানৱৰ কল্যাণকামী গুণেৰে সমৃদ্ধ।

'ধম্ম' শব্দৰ দৰেই 'পদ' শব্দৰো অৰ্থ ব্যাপক। অভিধম্ম পিটকত 'পদ'ৰ অৰ্থ হৈছে — স্থান, ৰক্ষা, নিৰ্বাণ, অংশ, পদ, কাৰণ আৰু পদবিক্ষেপ। সেই ফালৰ পৰা চালে *ধম্মপদৰ* অৰ্থ — আমি ওপৰত উল্লেখ কৰি অহাৰ দৰে ধৰ্মৰ পথ অথবা ধৰ্মৰ মাৰ্গ, তদুপৰি নিৰ্বাণ উপলব্ধিৰ পন্থা তথা সংসাৰৰ দুঃখ মোচনৰ অৱলম্বন। আনহাতে 'পদ' শব্দই বচন, উক্তি, পথ, গাথা, আদিৰ অৰ্থও প্ৰকাশ কৰে। 'অপ্পমাদ বগ্গো'ৰ প্ৰথমটি গাথাতে আছে — 'অপ্পমাদো অমত পদং, পমাদো মচ্চুনো পদং' — অৰ্থাৎ অপ্ৰমাদ অমৃতৰ পথৰ দৰে, কিন্তু প্ৰমাদ মৃত্যু পথৰ নিচিনা। এনে উক্তিৰ পৰা 'পদ' শব্দ পথ অৰ্থত প্ৰযুক্ত হোৱা দেখা যায়। আনহাতে 'সহস্স বগ্গো'ত আছে, 'একং ধম্মপদং সেয্যো যং সুত্বা উপসম্মতি' অৰ্থাৎ এটা ধৰ্মপদেই (গাথা) শ্ৰেয়, যাক শুনিলে প্ৰশান্তি অনুভৱ হয়। 'পুপ্ফ বগ্গো'ত আছে, "কো ধম্মপদং সুদেসিতং কুসলো পুপ্ফমি'ৱ পচেস্সতি" — নিপুণ মালাকাৰৰ পুষ্পচয়নৰ দৰে কোনে এই সুদেশিত (সুবাখ্যাত) *ধম্মপদ* চয়ন কৰিব পাৰে? এনেবোৰ 'পদ' শব্দৰ অৰ্থই বচন, উক্তি, গাথা আদিৰ অৰ্থ প্ৰকাশ কৰে। সেয়েহে *ধম্মপদক* একেলগে অৰ্থ কৰিলে হ'ব — 'ধম্ম সম্বন্ধীয় বচন বা উক্তি বা গাথা'। যিয়ে সংসাৰ যাতনাৰ অৱসানৰ উপায় অৰ্থাৎ নিৰ্বাণ উপলব্ধিৰ পথৰ সন্ধান দিব পাৰে। সাধাৰণভাৱে ক'ব পাৰি — সজ আচৰণ আৰু নৈতিকতাৰ জৰিয়তে মানৱ জীৱনৰ উৎকৰ্ষ সাধন কৰাৰ লগতে সংসাৰৰ মায়া-মোহ বিলুপ্তিৰ দ্বাৰা নিৰ্বাণ উপলব্ধি কৰাৰ পথ বা উপায়েই হ'ল *ধম্মপদ।*



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অভিধম্ম পিটক মতে *ধম্মপদত* থকা 'পদ'ৰ অৰ্থ কি?

.....

.....

৭.৫ *ধম্মপদৰ* বিষয়বস্তু

ধম্মপদৰ মূল ভেটি ধৰ্ম। গতিকে ইয়াৰ বিষয়বস্তুও ধৰ্মমূলক। কিন্তু ইয়াত ধৰ্মৰ কোনো জটিল দাৰ্শনিক তত্ত্বৰ বাখ্যা নাই, আছে মাথোন সাধাৰণ জনসাধাৰণৰ সকলো দুখ-যন্ত্ৰণাৰ পৰা মুক্তি লাভৰ পথৰ সন্ধান। এই পথৰ সন্ধান পাব পাৰি একমাত্ৰ বৌদ্ধধৰ্মৰ অনুশীলনৰ জৰিয়তে। সেয়েহে ***ত্ৰিশৰণ মন্ত্ৰত*** শ্ৰদ্ধা, ***চতুৰাৰ্য*** সত্য উপলব্ধি, ***শীলাদি*** পালন, ইন্দ্ৰিয় সংযম, তৃষ্ণা ত্যাগ, ক্ৰোধ-দ্বেষ আদি দূৰ কৰি সৎ, শুদ্ধ, পৰিশীলিত জীৱন-যাপনৰ পথ প্ৰশস্ত কৰিবলৈ বিচৰা হৈছে। বৌদ্ধ সাধন মাৰ্গত আগবঢ়াৰ প্ৰথম সোপানেই হৈছে শীল পালনৰ জৰিয়তে ব্ৰহ্মচৰ্য অৱলম্বন কৰা। ইয়াৰ পিছতে গুৰুত্ব দিয়া হৈছে চিত্ত সংযম। চঞ্চল চিত্তই হ'ল সৰ্বপ্ৰকাৰৰ দুখৰ মূল কাৰণ। সেয়ে *ধম্মপদৰ* বিভিন্ন গাথাৰ জৰিয়তে চিত্তৰ সংযম, চিত্তৰ একাগ্ৰতা, অকুশল চিন্তা



ত্ৰিশৰণ মন্ত্ৰ ঃ 'বুদ্ধং শৰণং গচ্ছামি, ধম্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি'

চতুৰাৰ্য বা চাৰি আৰ্যসত্য ঃ বৌদ্ধ ধৰ্মত চাৰি আৰ্যসত্য হ'ল — দুখ, দুখৰ উৎপত্তি, দুখ নিৰোধ আৰু দুখ নিৰোধৰ উপায়।

শীল ঃ শীল মানে পালনীয় আচৰণ। প্ৰাণী বধ নকৰা, চুৰি কাৰ্য নকৰা, কাম-সক্ত হৈ পৰদাৰ গমন নকৰা, মিথ্যা বা মিছা কথাৰ পৰা দূৰত থকা আৰু মাদক দ্ৰব্য সেৱন নকৰা —এই কেইটাকে বৌদ্ধধৰ্মত পঞ্চশীল বোলা হৈছে।

ত্যাগ, কুশল চিন্তাৰ প্ৰয়াস আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

দুখ য'ৰে পৰাই উৎপত্তি নহওক লাগিলে অথবা যি ধৰণৰে নহওক সি মানুহক মানসিক কষ্ট প্ৰদান কৰিবই। কিন্তু সেই দুখকো দুখ ৰূপে গ্ৰাহ্য নকৰি জাগতিক প্ৰক্ৰিয়াৰে এক স্বাভাৱিক পৰিণতি ৰূপে ল'ব পাৰিলে মনৰ কোনো অশান্তি ভাবৰ সৃষ্টি নহয় বা হ'ব নোৱাৰে। সেইকাৰণেই বুদ্ধই দুখবাদৰ প্ৰচাৰ কৰিছিল। যাক বৌদ্ধ সাহিত্যত চাৰি আৰ্যসত্য (চত্তাৰি অৰিঅ সচ্চানি) বোলা হৈছে। এই চাৰি সত্যই বৌদ্ধধৰ্মৰ মূল সূত্ৰ আৰু এই কেইটা স্থিৰ কৰাই বৌদ্ধ ধৰ্মৰো মূল উদ্দেশ্য।

এই চতুৰাৰ্য সত্যৰ অজ্ঞানতাৰ বাবেই জীৱই দুখৰ সাগৰত কক্‌বকাবলগীয়া হয়। দুখ আকৌ আঠ প্ৰকাৰৰ — জন্ম, ব্যাধি, জৰা, মৃত্যু, প্ৰিয় বিপ্ৰয়োগ, অপ্ৰিয় সম্প্ৰয়োগ, ইপ্সিত বস্তু অলাভ আৰু পঞ্চেন্দ্ৰিয়ৰ গ্ৰাহ্য বস্তু। প্ৰত্যেক জীৱই এই আঠ প্ৰকাৰ দুখৰ কবলত পৰি কাতৰ হ'ব লগা হয়। কিন্তু বুদ্ধই মানুহক দুখৰ পৰা চিৰ মুক্তি দিব বিচাৰিছে অষ্টাঙ্গ মাৰ্গৰ অনুশীলনৰ জৰিয়তে। যি অষ্টাঙ্গ মাৰ্গে দুখৰ নিৰোধ ঘটাব পাৰে। এই অষ্টাঙ্গ মাৰ্গ হ'ল — সম্যক দৃষ্টি, সম্যক সংকল্প, সম্যক বাক্য, সম্যক কৰ্মান্ত, সম্যক জীৱিকা, সম্যক ব্যায়াম, সম্যক স্মৃতি আৰু সম্যক সমাধি। এই অষ্টাঙ্গ মাৰ্গ কায়-বাক্য আৰু মনৰ ওপৰত প্ৰবলভাৱে প্ৰতিষ্ঠিত।

ধম্মপদৰ ধৰ্মোপদেশৰ পৰিক্ৰমাত ত্ৰিশৰণ (অৰ্থাৎ বুদ্ধই শ্ৰেষ্ঠ ভগৱান, বৌদ্ধধৰ্মই শ্ৰেষ্ঠ ধৰ্ম আৰু সংঘই প্ৰকৃত পূণ্য স্থান), চতুৰাৰ্য সত্য আৰু অষ্টাঙ্গ মাৰ্গ — এই তিনিটাৰ ওপৰতে বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। ইয়াৰ ভিতৰত আকৌ অষ্টাঙ্গ মাৰ্গৰ সাধনাৰে শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হৈছে।

দুখ নিৰোধৰ উপায় নিৰ্বাণ প্ৰাপ্তি। নিৰ্বাণৰ প্ৰকৃত অৰ্থই হৈছে নিবৃত্তি বা বিনাশ, কিন্তু দেহৰ বিনাশৰ কথা ইয়াত কোৱা হোৱা নাই, প্ৰবৃত্তিৰ বিনাশৰ কথাহে ইয়াত কোৱা হৈছে। *ধম্মপদৰ* বিভিন্ন গাথাত সেয়েহে অনিত্য, অনাত্ম, দুখময় জগততো নিৰ্বাণৰ উপলব্ধিত শান্তি থকাৰ কথা উল্লেখ কৰিছে। সেয়েহে কোৱা হৈছে নিৰ্বাণ — 'অমতং পদং' (সহস্‌স বগ্‌গো - ১৫) অথবা 'নিব্বানং পৰম সুখং' (সুখ বগ্‌গো - ৮)। বুদ্ধৰ উপদেশৰ মূল আছিল জনলোকৰ কল্যাণ। যি কল্যাণ *ধম্মপদতো* একেদৰেই প্ৰযুক্ত হৈছে।

গতিকে পৰিশেষত ক'ব পাৰি শীলাদি পালনেৰে কায়-বাক্য মনক সংযত কৰি ত্ৰিশৰণত সশ্ৰদ্ধা, চতুৰাৰ্য সত্য উপলব্ধি আৰু অষ্টাঙ্গ মাৰ্গৰ অনুশীলনেৰে সৰ্ব দুখ নিৰসণ কৰি সুখকৰ অৱস্থাত জনসাধাৰণক উৰ্ত্তীণ কৰাবলৈ বিচৰাটোৱেই *ধম্মপদৰ* বিষয়বস্তুৰ সাৰমৰ্ম। এই মহান বিষয়বস্তুৰ বাবেই *ধম্মপদক* ধৰ্মীয় ভাবাদৰ্শ বিষয়ৰ অদ্বিতীয় গ্ৰন্থৰূপে অভিহিত কৰিব পাৰি।

প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে *ধম্মপদ* গ্ৰন্থখন যিহেতু পালি ভাষাত ৰচনা কৰা হৈছিল, সেয়ে ইয়াত পালি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহেই ৰক্ষিত হৈছে। আপুনি ইতিমধ্যে দ্বিতীয় ষণ্মাসিকৰ লগতে এইখন পাঠ্য বিষয়টো পালি ভাষাৰ ব্যাকৰণগত দিশসমূহ অধ্যয়ন কৰিছে সেয়ে ইয়াত পুনৰুক্তি কৰা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বৌদ্ধধর্মত দুখবাদক আন কি নামেৰে জনা যায়?

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *ধম্মপদ* বৌদ্ধধর্মৰ এখন মূল ধর্মীয় গ্রন্থৰ অন্তর্গত। *ধম্মপদৰ* মূল বক্তব্য বিষয় হ'ল ধর্ম অর্থাৎ নীতি-নৈতিকতামূলক পথ কেনেদৰে লাভ কৰিব পাৰি তাৰ আধ্যাত্মিক বাখ্যা কৰা। এই নীতি-আদর্শৰ মাজেদি কল্যাণ-মৈত্রীৰ মনোভাব প্রকাশ কৰিব বিচৰাৰ লগতে চিৰকালৰ সার্বিক মানৰ ধর্ম উন্মোচন কৰিব খোজা হৈছে।
- অশোকৰ সময়ৰ পৰা বা পূর্বৰে পৰা *ধম্মপদৰ* গাথাসমূহ সূচনা হৈ পৰৱর্তী কালত খ্রীষ্টীয় শতাব্দী আৰম্ভ হোৱাৰ পূর্বকালতে ই সুবিন্যস্ত ৰূপ লাভ কৰে। *ধম্মপদৰ* ৰচয়িতা আৰু ৰচনাকাল সম্বন্ধে অধ্যায়টোত বহলাই আলোচনা কৰাৰ লগতে এই গ্রন্থখনৰ যে তিনিটা প্রধান ৰূপৰ লগতে বিভিন্ন ভাষালৈ অনূদিত ৰূপো আছে সেই বিষয়ে অৱগত হ'ল।
- *ধম্মপদৰ* বিষয়বস্তু নীতি-নৈতিকতামূলক আৰু আধ্যাত্মিক ভাৱাদর্শ আৰু ইয়াৰ সফল পৰিণতি যে নির্বাণ প্রাপ্তি এই বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ল।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯০); *ধম্মপদ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৭) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৮) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৯) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

১০) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১১) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১২) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *ধম্মপদত* ৪২৩ টা গাথা আৰু ই ২৬ টা বগ্‌গত বিভক্ত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ২৫৬ খ্ৰীষ্ট পূৰ্বাব্দত অনুষ্ঠিত হোৱা শেষ তথা ৩য় মহাসংগীতিৰ পৰা খ্ৰীষ্ট পূৰ্বাব্দ ২৯-ৰ ভিতৰৰ কোনো এক সময়ত *ধম্মপদৰ* সংকলন আৰু সম্পাদনা হয় বুলি অনুমান কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অভিধম্ম পিটক মতে 'পদ'ৰ অৰ্থ হৈছে — স্থান, ৰক্ষা, নিৰ্বাণ, অংশ, পদ, কাৰণ আৰু পদবিক্ষেপ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰি আৰ্য সত্য।



৭.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) *ধম্মপদৰ* গাথাসমূহৰ মাজত কি চাৰিটা সুকীয়া অৰ্থ সদায় বিৰাজমান?

খ) দুখ কেই প্ৰকাৰৰ আৰু কি কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) হিন্দু ব্ৰাহ্মণ্য ধৰ্মত তত্ত্বপ্ৰধান *গীতাৰ* যি স্থান, বৌদ্ধধৰ্মত *ধম্মপদৰ* সেই স্থান।

খ) দুখ নিৰোধৰ উপায় নিৰ্বাণ প্ৰাপ্তি।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *ধম্মপদ* শব্দৰ অৰ্থৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ *ধম্মপদৰ* ৰচক সম্পৰ্কে এটি টোকা লিখক

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৌদ্ধধৰ্মৰ এখন অমূল্য ধৰ্মগ্ৰন্থ হিচাপে *ধম্মপদক* বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ *ধম্মপদৰ* ৰচক আৰু ৰচনাকাল সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ *ধম্মপদ* গ্ৰন্থৰ বিষয়বস্তুৰ আভাস দিবলৈ যত্ন কৰক।

প্ৰশ্ন ৪ ঃ *ধম্মপদ* শব্দৰ অৰ্থ কি? *ধম্মপদক* এখন নৈতিক জ্ঞানৰ সমপৰ্যায়ৰ গ্ৰন্থ হিচাপে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৮ ঃ *ধম্মপদ* — অপ্পমাদ আৰু পুপ্ফ বগ্গ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ অপ্পমাদ বগ্গৰ মূল পাঠ আৰু অসমীয়া অনুবাদ

৮.৩.১ কঠিন শব্দৰ ভাষিক অনুশীলন

৮.৪ অপ্পমাদ বগ্গৰ মূল কথা

৮.৫ অপ্পমাদ বগ্গৰ নামকৰণৰ তাৎপর্য

৮.৬ পুপ্ফ বগ্গৰ মূল পাঠ আৰু অসমীয়া অনুবাদ

৮.৬.১ কঠিন শব্দৰ ভাষিক অনুশীলন

৮.৭ পুপ্ফ বগ্গৰ মূল কথা

৮.৮ পুপ্ফ বগ্গৰ নামকৰণৰ তাৎপর্য

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্রগতিৰ খতিয়ান

৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *ধম্মপদ*ৰ বিভিন্ন বগ্গসমূহৰ ভিতৰত অন্যতম — অপ্পমাদ আৰু পুপ্ফ বগ্গৰ বিষয়ে মূল পাঠসহ জানিবলৈ সক্ষম হ'ব
- দুয়োটা বগ্গৰ নামকৰণৰ তাৎপর্য তথা নামৰ সার্থকতাও জানিব পাৰিব
- দুয়োটা বগ্গৰে মূল বিষয়বস্তু সম্পর্কে অৱগত হ'ব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বৌদ্ধসকলৰ মূল ধর্মশাস্ত্র *ত্রিপিটক*ৰ অন্যতম 'সুত্ত পিটক'ৰ অন্তর্গত খুদ্দক নিকায়ৰ দ্বিতীয় গ্রন্থ *ধম্মপদ*ৰ লগত সম্পর্কিত বিভিন্ন দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যয়নৰ পৰা অৱগত হ'ল যে ৪২৩ টা গাথা আৰু ২৬ টা বগ্গত বিভক্ত *ধম্মপদত* সৎ, শুদ্ধ আৰু পৰিশীলিত জীৱন-যাপনৰ আদর্শৰ কথা বর্ণিত হৈছে। এই অধ্যায়টোত উক্ত গ্রন্থখনৰ অন্তর্গত দুটা বগ্গ — অপ্পমাদ আৰু পুপ্ফ বগ্গৰ বিষয়বস্তু তথা মূল বক্তব্যৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

বৌদ্ধধর্মৰ মূল নীতি অপ্পমাদ অর্থাৎ অপ্রমাদ— এই বিষয়ে *ধম্মপদত* কি কোৱা হৈছে সেই বিষয়ে অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব। ঠিক সেইদৰে 'পুপ্ফ বগ্গ'তো সাধনামুখী নৈতিক শিক্ষা তথা কর্তব্যৰ বাণীকে উন্মোচিত কৰিছে একাধিক ফুলৰ উপমাৰ সহায়েৰে। আপুনি সেই বিষয়েও অধ্যায়টিৰ জৰিয়তে অৱগত হ'ব।

৮.৩ 'অপ্পমাদ বগ্গ'ৰ মূল পাঠ আৰু অসমীয়া অনুবাদ

মূল পাঠ ঃ

১/ অপ্পমাদো অমতপদং পমাদো মচ্চুনো পদং।
অপ্পমত্তা ন মীয়ন্তি যে পমত্তা যথা মতা।।

অসমীয়া অনুবাদ ঃ অপ্রমাদ অমৃতৰ পথৰ নিচিনা (অর্থাৎ নির্বাণ পথ), প্রমাদ মৃত্যু পথৰ নিচিনা। অপ্রমত্ত ব্যক্তিৰ কেতিয়াও মৃত্যু নঘটে, প্রমত্ত ব্যক্তি জীয়াই থাকিও মৃতৰ দৰে।

২/ এতং ৱিসেসতো ঞত্বা অপ্পমাদম্হি পণ্ডিতা।
অপ্পমাদে পমোদন্তি অৰিয়ানং গোচৰে ৰতা।।

অসমীয়া অনুবাদ ঃ এই কথা অপ্রমাদী পণ্ডিতসকলে বিশেষভাৱে জানি আর্যসকলৰ ধর্ম পথত বিচৰণ কৰে আৰু অপ্রমাদলৈ প্রমোদিত হয়।

৩/ তে ঝায়িনো সাততিকা নিচ্চং দল্হ্ পৰক্কথা।
ফুসন্তি ধীৰা নিব্বাণং যোগক্খেমং অনুত্তৰং।।

অসমীয়া অনুবাদ ঃ এনে ধ্যানপৰায়ণ, সততে উদ্যমশীল, সদা দৃঢ়পৰাক্রমী ধীৰ লোকসকলে পৰম প্রশান্ত নির্বাণ লাভ কৰে।



জানি থোৱা ভাল

অপ্রমাদ-প্রমাদ ঃ অনিত্য আৰু দুখময় জগতৰ প্রতি অনাসক্ত হৈ সংযম চিত্তেৰে সর্বপ্রকাৰ কুশল চিন্তা আৰু কার্যত ৰত হোৱাই অপ্রমাদ, তাৰ বিপৰীতে সর্বপ্রকাৰ অকুশল কর্মই প্রমাদ।

বৌদ্ধধর্মত 'আর্য' শব্দৰ অর্থ সুকীয়া। বৌদ্ধধর্মত নির্বাণ লাভৰ পথ চাৰিটা — সোতাপত্তিমগ্গ, সকদাগামিমগ্গ, অনাগামিমগ্গ আৰু অৰহত্তমগ্গ। নির্বাণৰ পথ অনুযায়ী সোতাপত্তি, সকদাগামি, অনাগামি আৰু অহহত্ত লোকে প্রথমে মার্গ লাভ কৰে, তাৰ পিছত নির্বাণ লাভ কৰে। মার্গ লাভ আৰু ফলপ্রাপ্তি অনুযায়ী এওঁলোকক আঠশ্রেণীত ভাগ কৰা হৈছে। ইয়াকে কোৱা হয় 'অট্ঠ অৰিয়পুগ্গল'। এই আঠ শ্রেণীৰ লোককে 'আর্য' বোলা হয়।

৪/ উট্ঠানবতো সতিমতো সুচিকম্মস্স নিসম্মকাৰিনো।
সঞ্ঞতস্স চ ধম্মজীৱিনো অপ্পমত্তস্স যসোভিবড্ঢতি।।

অসমীয়া অনুবাদ ঃ উত্থানশীল, স্মৃতিসম্পন্ন, শুদ্ধাচাৰী, বিবেচনাশীল, সংযত আৰু অপ্রমত্ত ধর্মজীৱিসকলৰ যশ বৃদ্ধি পায়।

৫/ উট্ঠানেনপ্পমাদেন সঞ্ঞমেন দমেন চ।
দীপং কয়িৰাথ মেধাৱী যং ওঘো নীভিকীৰতি।।

অসমীয়া অনুবাদ ঃ উত্থান, অপ্রমাদ, সংযম আৰু আত্মদমনৰ দ্বাৰা বিজ্ঞ ব্যক্তিসকলে নিজৰ বাবে যি দ্বীপ সৃষ্টি কৰে, তাক বানপানীয়েও উটু�ৰাই নিব নো�ৱাৰে।

৬/ পমাদমনুযুঞ্জন্তি বালা দুম্মেধিনো জনা।
অপ্পমাদঞ্চ মেধাৱী ধনং সেট্ঠ'ৰ ৰক্খতি।।

অসমীয়া অনুবাদ ঃ নির্বোধ তথা মুর্খ আৰু বুদ্ধিহীন মানুহবোৰে প্রমাদৰ অনুসৰণ কৰে, কিন্তু বিজ্ঞ তথা মেধাৱীসকলে অপ্রমাদকেই শ্রেষ্ঠ সম্পদ বুলি ৰক্ষা কৰে।

৭/ মা পমাদমনুযুঞ্জেথ মা কামৰতিসন্থবং।
অপ্পমত্তো হি ঝায়ন্তো পপ্পোতি বিপুলং সুখং।।

অসমীয়া অনুবাদ ঃ প্রমাদৰ পথ অনুসৰণ নকৰিবা, কাম-ৰতি সম্ভোগৰ দ্বাৰা আসক্ত নহ'বা, অপ্রমত্ত আৰু ধ্যানপৰায়ণ লোকে বিপুল সুখ লাভ কৰে।

৮/ পমাদং অপ্পমাদেন যথা নুদতি পণ্ডিতো।
পঞ্ঞাপাসাদমৰুয্হ অসোকো সোকিনিং পজং।
পব্বতট্ঠো'ৱ ভুম্মট্ঠে ধীৰো বালে অৱেক্খতি।।

অসমীয়া অনুবাদ ঃ অপ্রমাদৰ দ্বাৰা প্রমাদক দূৰ কৰা পণ্ডিত লোকে প্রজ্ঞাপ্রাসাদত উঠি শোকহীন হৈ পর্বত শিখৰৰ পৰা ধীৰ ব্যক্তিয়ে ভূমিস্থিত মূর্খ ব্যক্তিক চোৱাৰ দৰে শোকাকুল জনসাধাৰণক অৱলোকন কৰে।

৯/ অপ্পমত্তো পমত্তেসু সুত্তেসু বহুজাগৰো।
অৱলস্সং'ৱ সীঘ'স্সো হিত্বা যাতি সুমেধসো।।

অসমীয়া অনুবাদ ঃ বেগী ঘোঁৰাই দুর্বল ঘোঁৰাক পিছ পেলাই আগবাঢ়ি যোৱাৰ দৰে জ্ঞানীসকলেও প্রমত্তসকলৰ মাজত অপ্রমত্ত হৈ থাকি আৰু সুপ্তসকলৰ মাজত জাগ্রত হৈ থাকি বেগেৰে আগবাঢ়ি যায়।

১০/ অপ্পমাদেন মঘৱা দেৱানং সেট্ঠতং গতো।
অপ্পমাদং পসংসন্তি পমাদো গৰহিতো সদা।।

অসমীয়া অনুবাদ ঃ অপ্রমাদৰ দ্বাৰা ***মঘ***ৰাই দেৱতাসকলৰ মাজত শ্রেষ্ঠ আসন লাভ কৰিছিল। অপ্রমাদ প্রশংসিত, প্রমাদ সর্বদা নিন্দিত।

১১/ অপ্পমাদৰতো ভিক্খু পমাদে ভয়দস্সিৱা।
সংযোজনং অণুং থূলং ডহং অগ্গী'ৱ গচ্ছতি।।

অসমীয়া অনুবাদ ঃ অপ্রমাদৰত ভিক্ষুৰে প্রমাদক ভয়ৰ চকুৰে চায়। তেওঁ ক্ষুদ্র অথবা বৃহৎ সকলো ধৰণৰ ***সংযোজন*** দগ্ধ কৰি অগ্নিৰ দৰে অগ্রসৰ হয় (মুক্তিৰ পথত)।



মঘ ঃ পূর্বজন্মত বোধিসত্ত্বই মঘ-মানৰ ৰূপে জন্ম লৈ লোককল্যাণমূলক কাম কৰি স্বর্গত ইন্দ্রত্ব লাভ কৰিছিল।

সংযোজন ঃ ভৱ-বন্ধন অর্থাৎ সংসাৰ বন্ধনকে সংযোজন বোলে। সংসাৰৰ মায়াই আবৃত কৰি ৰখা কাৰণেই সংযোজন।

১২/ অপ্পমাদৰতো ভিক্খু পমাদে ভয়দস্সিৰা।
অভবেৰা পৰিহানায় নিৰ্ব্বান্স্সে'ৰ সন্তিকে।।

অসমীয়া অনুবাদ ঃ অপ্রমাদৰত আৰু প্রমাদক ভয় কৰা ভিক্ষুৰ কেতিয়াও পতন নহয়। তেওঁ নির্ব্বানৰ ওচৰত অৱস্থান কৰে।

৮.৩.১ কঠিন শব্দৰ ভাষিক অনুশীলন

তলত অপ্পমাদ বগ্গটিৰ অন্তর্গত কিছুমান কঠিন শব্দৰ ভাষিক আলোচনা কৰা হ'ল —

গাথা নং ১ ঃ অপ্পমাদো < অপ্রমাদঃ; কুশল চিন্তা আৰু কর্মত ৰত।
প্র > প্প (সমীভৱন)
দঃ > দো (সংস্কৃতৰ পদান্ত অ-যুক্ত বিসর্গ পালিত ও হয়)
অমৃত পদম্ > অমত পদং; নির্বাণ পথ
মৃ > ম (ঋ > অ)
ম্ > ং (ব্যঞ্জনান্ত ম্ পালিত কেতিয়াবা অনুস্বাৰ হয়)
মচ্চুনো < মৃত্যুনঃ
মৃ > ম (ঋ > অ)
ত্যু > চ্চ (সমীভৱন)
নঃ > নো (অ-যুক্ত বিসর্গ 'ও')

গাথা নং ২ ঃ বিসেসতো < বিশেষতঃ; বিশেষভাৱে
(পালিত শ, ষ আৰু স - ৰ ভিতৰত 'স' টোহে ৰক্ষিত)
তঃ > তো (অ-যুক্ত বিসর্গ 'ও')
ঞত্বা < জ্ঞাত্বা ; জানি
জ্ঞ > ঞ

গাথা নং ৩ ঃ ঝায়িনো < ধ্যায়িনঃ; ধ্যানপৰায়ণ
ধ্য > ঝ
নিচ্চং < নিত্যং; সদায়
ত্য > চ্চ (সমীভৱন)

গাথা নং ৪ ঃ উট্ঠানৱতো < উত্থানৱতঃ; উত্থানশীল বা উৎসাহশীল
থ > ট্ঠ (মূর্ধন্যীভৱন)
সতিমতো < স্মৃতিমতঃ ; স্মৃতিসম্পন্ন
স্মৃ > স (পালিৰ আদিত সংযুক্ত ব্যঞ্জন নাই)
ঋ > অ

গাথা নং ৫ ঃ সঞ্ঞমেন < সংযমেন; সংযমী ব্যক্তিৰ দ্বাৰা
সংয > সঞ্ঞ (পালিত অনুস্বাৰৰ পৰৱৰ্তী স্থানত 'য' থাকিলে অর্থাৎ 'ংয'- অৰ ঠাইত 'ঞ্ঞ' হয়)
কয়িৰাথ < কুর্য্যাৎ, নির্মাণ কৰা
য্যা > য়িৰা (স্বৰভক্তি আৰু বর্ণবিপর্যয়)

গাথা নং ৬ ঃ বালা < ৰালাঃ; মূর্খ, নির্বোধ
লাঃ > লা (অন্যযুক্ত বিসর্গ (অ-যুক্ত > 'ও') লোপ)
দুম্মেধিনো < দুর্মেধিনঃ অজ্ঞ ব্যক্তি
র্ম > ম্ম (পালিত ‘ ৰেফৰ ব্যৱহাৰ নাই, ৰেফযুক্ত ব্যঞ্জন দ্বিত হয়)

গাথা নং ৭ ঃ পপ্পোতি < প্রাপ্নোতি; লাভ কৰা
প্র > প (ৰ-কাৰ লোপ)
প্ন > প্প (সমীভৱন)

গাথা নং ৮ ঃ অসোকো < অশোকঃ; শোকহীন
শ > স
ভূম্মট্ঠে < ভুমিস্থে ; মাটিত থকা
স্থ > ট্ঠ (মূর্ধন্যীভৱন)

গাথা নং ৯ ঃ সীঘস্সো < শীঘ্রাশ্বঃ; দূতগামী ঘোঁৰা
শ্ব > স্স (সমীভৱন)

গাথা নং ১০ ঃ গৰ্হিতো < গহির্তঃ; নিন্দিত
গহির্তঃ > গৰহিতো (স্বৰভক্তি)
ৰ্হ > ৰহ ; অঃ > ও

গাথা নং ১১ ঃ থুলং < স্থলম্; বৃহৎ
স্থ > থ (আদিস্থিত সংযুক্ত ব্যঞ্জনৰ এটা লোপ)
অগ্গী'ৰ < অগ্নি + ইৰ ; জুই বা অগ্নিৰ দৰে গ্র < গ্গ (সমীভৱন)

গাথা নং ১২ ঃ অভব্বো < অভব্যঃ ; অযোগ্য
ব্য > ব্ব (সমীভৱন)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালি ঠাই পূৰণ কৰক— সর্বপ্রকাৰ কুশল কার্যই '.....' ?

প্রশ্ন নং ২ ঃ পালিত পদান্ত অ-যুক্ত বিসর্গ > ও আৰু অন্য যুক্ত বিসর্গ লোপ পায়। কথাষাৰ — সঁচা নে মিছা?

.....

৮.৪ অপ্পমাদ বগ্গৰ মূল কথা

বৌদ্ধধর্মৰ মূল নীতি অপ্পমাদ অর্থাৎ অপ্রমাদ। দৰাচলতে বুদ্ধৰ বাণীৰ মূলতত্ত্বও এই 'অপ্পমাদ'ৰ মাজতে অর্ন্তনিহিত হৈ আছে। 'অপ্রমাদ' শব্দ গভীৰ অর্থব্যঞ্জক। জগত অনাত্ম, জগত অনিত্য, জগত দুখময়। গতিকে এই অনাত্ম, অনিত্য আৰু দুখময় জগতৰ প্রতি অনাসক্ত আৰু সংযমী হৈ একাগ্র চিত্তেৰে সর্বপ্রকাৰ কুশল চিন্তা আৰু কর্মত ৰত হোৱাই অপ্রমাদ আৰু এনে ধ্যান-ধাৰণা পুষ্ট আৰু নিজৰ কর্তব্যত অবিচলিত জনেই অপ্রমাদী। অপ্রমাদী ব্যক্তিয়ে সতর্কতাৰে কাম, ভব আৰু অবিদ্যাক অতিক্রমী আগবাঢ়ি যায়। অপ্রমাদীজনে নির্বাণৰ প্রশান্তি অনুভৱ কৰে আৰু তাৰ জৰিয়তে জন্ম, জৰা, মৃত্যুক জয় কৰিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে সর্বপ্রকাৰ চিন্তা আৰু কার্যই হ'ল প্রমাদ। যিয়ে এই অকুশল কর্মত নিজকে নিয়োজিত কৰি ৰাখে সেইজনেই অপ্রমাদী। প্রমাদী ব্যক্তিয়ে সংসাৰৰ প্রকৃত স্বৰূপ উপলব্ধি কৰিবলৈ অপাৰগ, তেওঁ দুখানুভূতিৰ সত্যোপলব্ধি কৰিব নোৱাৰে। সাংসাৰিক ভোগ লিপ্সাই তেওঁলোকক অকুশল চিন্তা জগতলৈ বাৰে বাৰে ঠেলি লৈ যায়। যাৰ বাবে তেওঁলোক জীয়াই থাকিও মৃত ব্যক্তিৰ লেখীয়া হৈ থাকে।

সেয়েহে এই বগ্গটিত অপ্পমাদৰ অনুশীলনেৰে প্রমাদক বিনাশ কৰাৰ কথা কোৱা হৈছে। বৌদ্ধ ভিক্ষু তথা দার্শনিকসকলৰ বাখ্যা অনুসৰি অপ্রমাদ হৈছে অমৃত পথ সদৃশ, ই মানুহক নির্বাণৰ পথত অধিষ্ঠিত কৰায়। কিন্তু তাৰ বিপৰীতে প্রমাদ হৈছে মৃত্যু পথ সদৃশ। জ্ঞানীজনে, বিদ্বানজনে এই কথা ভালদৰে উপলব্ধি কৰিব পাৰে বাবেই প্রমত্তক ত্যাগ কৰি অপ্রমত্তৰ পিনে ধাৱমান হয়। এনে ধ্যান পৰায়ণ উদ্যমী ব্যক্তিয়ে নির্বাণ লাভ কৰিবলৈ সক্ষম হয়। অর্থাৎ তেওঁলোকে অমৰত্ব লাভ কৰিবলৈ সক্ষম। অপ্রমত্ত ব্যক্তিসকলৰ ওপৰত কোনো দুখ-শোক, মায়া-মোহৰ প্রভাৱ নাই। এইবোৰৰ কু-ফলৰ প্রতি তেওঁলোক সদা জাগ্রত আৰু বিবেচনাশীল। তেওঁলোকৰ অধ্যৱসায় গুণৰ বলত যি ভেটি নির্মাণ কৰে সি সমগ্র জগততে বৈ বৈ যায়; তাক বানপানীয়েও উটুৱাই নিব নোৱাৰে, ধুমুহাইও বগৰাব নোৱাৰে। কিয়নো তেওঁলোকে অত্যন্ত মেধা শক্তিৰে অপ্রমাদক পৰম ধন জ্ঞান কৰে। সেয়েহে বগ্গটিৰ জৰিয়তে প্রমাদৰ পথ অনুসৰণ কৰিবলৈ উপদেশ প্রদান কৰিছে। পুনৰ কোৱা হৈছে যে মানুহক প্রমাদে বিপুল সুখৰ পৰা পদে পদে বঞ্চিত কৰে। অপ্রমাদী ব্যক্তি সদায় শোকহীন হৈ পর্বত শিখৰত আৰোহন কৰিব পাৰে। অকল সিয়ে নহয় অপ্রমাদী বেগী ঘোঁৰা সদৃশ, প্রমাদী দুর্বল ঘোঁৰাৰ দৰে। অপ্রমাদৰ ইমানেই গুণবল যে মঘৰাই এই অপ্রমাদৰ পথ অনুসৰণ কৰিয়েই দেৱতাসকলৰ মাজত ইন্দ্রত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। এই কথা জানি অপ্রমাদী পুৰুষে সকলো সংসাৰ বন্ধনক বশ কৰি অগ্নিৰ দৰে আগবাঢ়ি যায় নির্বাণৰ পথত।

এইদৰে 'অপ্পমাদ বগ্গ'টিত বুদ্ধদেৱৰ প্রধান নৈতিক উপদেশ অপ্রমত্ত অনুশীলনৰ ওপৰত গুৰুত্ব প্রদান কৰি অপ্রমাদক প্রশংসা আৰু প্রমাদক হীন দৃষ্টি নিক্ষেপ কৰিছে। দৰাচলতে অপ্রমাদৰ অনুশীলন অবিহনে অমৰত্ব লাভ তথা নির্বাণ প্রাপ্তিৰ আশা বৃথা। বৌদ্ধধর্মৰ অপ্রমাদৰ

শ্রেষ্ঠত্ব এই বগ্গটিত এনেদৰে উপযুক্ত উদাহৰণেৰে দাঙি ধৰিছে।

৮.৫ অপ্পমাদ বগ্গৰ নামকৰণৰ তাৎপর্য

আমি ইতিমধ্যে ওপৰত পাই আহিছোঁ যে বৌদ্ধধর্মৰ মূল নীতি অপ্রমাদ। এই বগ্গটিৰ গাথাসমূহৰ বিষয়বস্তুতো এই মূল নীতিটোকে অৱলম্বন হিচাপে লোৱা হৈছে। অপ্রমাদ শব্দটি বৌদ্ধধর্মত আধ্যাত্মিক ভাব-সমৃদ্ধ তথা গভীৰ অর্থবোধক শব্দ। বৌদ্ধধর্মৰ দার্শনিক বাখ্যানুসৰি কুশল কর্মত ৰত জনেই অপ্রমাদী। কুশল কর্ম দহবিধ — দান, শীল, ভাৱনা, সেৱা, সন্মান, পূণ্যদান, পূণ্য অনুমোদন, ধর্ম-প্রচাৰ, ধর্ম-বাখ্যা, দৃষ্টি ঋজুতা বা সত্যজ্ঞান সঞ্চয় অর্থাৎ চাৰিবিধ আর্যসত্য। সাধাৰণতে দেখা যায় এইসমূহ কুশল কর্মৰ নিয়োজনৰ ফলতে কোনো লোক নির্বাণৰ দিশে অগ্রসৰ হয়। সেয়ে এই বগ্গটিৰ বিভিন্ন ঠাইত নির্বাণ লাভৰ মূলমন্ত্র যে অপ্রমাদ তাক ব্যঞ্জনাধর্মী বক্তব্যৰ মাজেৰে ক'বলৈ বিচৰা হৈছে। তাৰ বিপৰীতে প্রমাদ সদায় ভুল, ব্যভিচাৰ, অন্যায় আৰু অপকর্মৰ সৈতে জড়িত। কুশল কর্ম যিদৰে দহবিধ আছে অকুশল কর্মও এই জগতত দহবিধ আছে। সেইবোৰ হ'ল — জীৱ হত্যা, চৌর্য, ব্যভিচাৰ, মিছা বচন, ভেদবাক্য, কর্শবাক্য, তুচ্চালাপ, লোভ, খং আৰু মিছা দৃষ্টি। এই সমূহ অকুশল কর্মৰ পৰিণাম সদায় ভয়াবহ। ইহঁতে মানুহক সৎপথৰ বিপৰীতে কুপথ, অমৃত পথৰ বিপৰীতে মৃত্যু পথলৈহে ঠেলি লৈ যায়। ইহঁতে সদায় দুখৰ স্বৰূপ কঢ়িয়াই লৈ ফুৰে। সংসাৰৰ মায়াৰ পাশত আৱদ্ধ হৈ এইসমূহ কুগুণৰ অধিকাৰী ব্যক্তিয়ে জীৱন্ত কালতে মৰণৰ সোৱাদ পাবলগীয়া হয়। ইয়াৰ মূলতে এইসকলে পার্থিৱ সুখকে পৰম সুখ বুলি ভাবি নির্বাণৰ উপলব্ধি কৰিব নোৱাৰা হয়।

এইদৰে বগ্গটিত প্রমাদৰ কুফলৰ বর্ণনা দি অপ্রমাদৰ পৰম সুখৰ আভাস দাঙি ধৰিছে। অপ্রমাদৰ জৰিয়তে যিহেতু বগ্গটিত সৎ পথৰ সন্ধান দেখুৱাইছে গতিকে এই পিনৰ পৰা চালে বগ্গটিৰ নাম উপযুক্ত আৰু সার্থক বুলি ক'ব পৰা যায়। তদুপৰি ভাষাবিজ্ঞানীসকলৰ মতে 'অসুৰ' শব্দৰ পৰা 'সুৰ' হোৱাৰ দৰে 'অপ্রমাদ' শব্দৰ পৰাহে 'প্রমাদ' শব্দৰ বিকাশ। এই পিনৰ পৰাও 'অপ্রমাদে' আগস্থান পায়। এইদৰে সুক্ষ্মভাৱে বিচাৰ কৰিলে নামকৰণ সার্থক হোৱা বুলিয়ে ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ বৌদ্ধধর্মৰ মূল নীতি কি?

.....

.....

প্রশ্ন নং ৪ঃ কুশল অথবা অকুশল কর্ম কেইবিধ?

.....

.....

৮.৬ পুপ্ফবগ্গৰ মূল পাঠ আৰু অসমীয়া অনুবাদ

মূল পাঠ ঃ

১/ কো ইমং পঠবিং বিজেস্সতি
যমলোকং চ ইমং সদেৱকং।
কো ধম্মপদং সুদেসিতং
কুসলো পুপ্ফমি'ৱ পচেস্সতি।।

অসমীয়া অনুবাদ ঃ যমলোক আৰু দেৱলোকসহ কোনে এই পৃথিৱী জয় কৰিব ? নিপুণ মালাকাৰে বাছি বাছি পুষ্প সংগ্রহ কৰাৰ দৰে কোনে সুন্দৰ বাখ্যাযুক্ত ধর্মপদ আহৰণ কৰিব।

২/ সেখো পঠবিং বিজেস্সতি
যমলোকং চ ইমং সদেৱকং।
সেখো ধম্মপদং সুদেসিতং
কুসলো পুপ্ফমি'ৱ পচেস্সতি।।

অসমীয়া অনুবাদ ঃ কেৱল ***শৈক্ষ্য***ইহে এই যমলোক আৰু দেৱলোকসহ এই পৃথিৱী জয় কৰিব পাৰিব। তেওঁৰেই নিপুণ মালাকাৰৰ পুষ্পচয়নৰ দৰে সুপ্রদর্শিত ধর্মপদ আহৰণ কৰিব।



শৈক্ষ্য ঃ শীল, সমাধি আৰু প্রজ্ঞা অনুশীলনৰত ব্যক্তিয়েই শৈক্ষ্য।

৩/ ফেনুপমং কায়মিমং ৱিদিত্বা,
মৰীচি ধম্মং অভিসংবুধানো।
ছেত্বান মাৰস্স পপুপফ্কানি,
অদস্সনং মচ্চৰাজস্স গচ্ছে।।

অসমীয়া অনুবাদ ঃ এই দেহক ফেনসদৃশ আৰু মৰীচিকাৰ দৰে বিবেচনা কৰি মাৰৰ (মায়া) পুষ্পশৰ ছিন্ন কৰিলে যমৰাজৰ দৃষ্টিৰ অগোচৰ হ'ব পাৰি।

৪/ পুপ্ফানি হেৱ পচিনন্তং ব্যাসত্তমনসং নৰং,
সুত্তং গামং মহোঘো'ৱ মচ্চু আদায় গচ্ছতি।

অসমীয়া অনুবাদ ঃ শুই থকা গাঁৱক বানপানীয়ে উটুৱাই নিয়াৰ দৰে পুষ্প আহৰণৰত ব্যক্তিৰ দৰে কামনা-বাসনা তথা বিষয়-বাসনাত আসক্ত লোক মৃত্যু মুখত পতিত হয়।

৫/ পুপ্ফানি হেৱ পচিনন্তং ব্যাসত্তমনসং নৰং।
অতিত্তং যেৱ কামেসু অন্তকো কুৰুতে বসং।।

অসমীয়া অনুবাদ ঃ পুষ্প আহৰণৰত ব্যক্তিৰ দৰে বিষয়-বাসনাত আসক্ত ব্যক্তি বিষয়-বাসনাৰ অতৃপ্ত অৱস্থাতেই মৃত্যুৱে বশ কৰে।

৬/ যথাপি ভমৰো পুপ্ফং বণ্ণগন্ধং অহেঠয়ং।
পলেতি ৰসমাদায় এৱং গামে মুনী চৰে।।

অসমীয়া অনুবাদ ঃ ভোমোৰাই যিদৰে ফুলৰ বৰণ আৰু গোন্ধ নষ্ট নকৰাকৈ মৌ আহৰণ কৰে, ঠিক তেনেদৰে মুনিয়েও গাঁৱত কাৰো অনিষ্ট নকৰাকৈ বিচৰণ কৰে।

৭/ ন পৰেসং বিলোমানি ন পৰেসং কতাকতং।
অত্তানো'ৱ অৱেক্খেয্য কতানি অকতানি চ।।

অসমীয়া অনুবাদ ঃ আনৰ ভাল-বেয়া, কৃত-অকৃত কর্মৰ প্রতি চকু দিয়াতকৈ নিজৰ কৃত-অকৃতৰ প্রতিহে চকু দিয়া উচিত।

৮/ যথাপি ৰুচিৰং পুপ্ফং বণ্ণৱন্তং অগন্ধকং।
এবং সুভাসিতা বাচা অফালা হোতি অকুব্বতো।।

অসমীয়া অনুবাদ ঃ সুভাষিত বচন কার্যত ব্যৱহাৰ নকৰিলে সুন্দৰ, বর্ণময় কিন্তু গন্ধহীন ফুলৰ দৰে নিষ্ফল হয়।

৯/ যথাপি ৰুচিৰং পুপ্ফং বণ্ণৱন্তং সগন্ধকং।
এবং সুভাসিত বাচা সফলা হোতি সকুব্বতো।।

অসমীয়া অনুবাদ ঃ সুভাষিত তথা ৰুচিপূর্ণ বচন কার্যত পৰিণত কৰিলে সুন্দৰ, বর্ণময়, সুগন্ধি ফুলৰ দৰে সফল হয়।

১০/ যদাপি পুপ্ফৰাসিম্হা কৰিয়া মালাগুণে বহু।
এবং জাতেন মচ্চেন কত্তব্বং কুসলং বহুং।।

অসমীয়া অনুবাদ ঃ যেনেকৈ এদম ফুলৰ পৰা বিভিন্ন মালা গাঁথিব পাৰি, সেইদৰে এই পৃথিৱীত জন্ম গ্রহণ কৰিও বহুলোকে বহু সৎ কাম কৰিব পাৰে।

১১/ ন পুপ্ফগন্ধো পটিৱাতমেতি
ন চন্দনং তগৰ মল্লিকা ৱা।
সতঞ্চ গন্ধো পটিবাতমেতি
সব্বা দিসা সপ্পুৰিসো পবাতি।।

অসমীয়া অনুবাদ ঃ তগৰ, চন্দন, মল্লিকা ফুলৰ গন্ধ বায়ুৰ বিপৰীতে কেতিয়াও প্রবাহিত নহয়। কিন্তু সৎ লোকৰ কীর্তি বায়ুৰ বিপৰীত তথা সর্বদিশতে প্রবাহিত হয়।

১২/ চন্দনং তগৰং বা'পি উপ্পলং অথ বস্সিকী।
এতেসং গন্ধজাতানং সীলগন্ধো অনুত্তৰো।।

অসমীয়া অনুবাদ ঃ তগৰ, চন্দন, পদুম, বার্ষিকী আদি ফুলৰ গোন্ধতকৈ শীলবান অর্থাৎ চৰিত্রবান লোকৰ গন্ধ অতি উত্তম।

১৩/ অপ্পমত্তো অয়ং গন্ধো যা'য়ং তগৰচন্দনী।
যে চ সীলবতং গন্ধো বাতি দেৱেসু উত্তমো।।

অসমীয়া অনুবাদ ঃ তগৰ, চন্দনৰ গন্ধ তেনেই সামান্য। কিন্তু শীলবানসকলৰ উত্তম গন্ধ দেৱলোকতো প্রবাহিত হয়।

১৪/ তেসং সম্পন্নসীলানং অপ্পমাদ বিহাৰিনং।
সম্মদঞ্ঞঞ বিমুত্তানং মাৰো মগ্গং ন বিন্দতি।।

অসমীয়া অনুবাদ ঃ যিসকল লোক শীলবান, অপ্রমাদী আৰু প্রজ্ঞাৰদ্বাৰা পার্থিৱ মোহৰ পৰা

বিমুক্ত, সেইসকলৰ গতিপথৰ সন্ধান মাৰে (মায়াই) নাপায়।

১৫/ যথা সঙ্কাৰ ধানস্মিং উজ্ঝিতস্মিং মহাপথে।
পদুমং তথ জায়েথ সুচিগন্ধং মনোৰমং।।

অসমীয়া অনুবাদ ঃ ৰাজপথত পেলাই থোৱা আৱর্জনাৰ দমতো সুগন্ধময় পদুমৰ জন্ম হয়।

১৬/ এৱং সঙ্কাৰ ভূতেষু অন্ধভূতে ***পুথুজ্জনে***।
অতিৰোচিত পঞ্ঞায় সম্মাসম্বুদ্ধসাৱকো।।

অসমীয়া অনুবাদ ঃ সেইদৰে আৱর্জনাসদৃশ মোহাচ্ছন্ন জনসাধাৰণৰ মাজত সম্যক সম্বুদ্ধৰ ***শ্ৰাৱক*** অর্থাৎ পূর্ণ্যজ্ঞানী বুদ্ধৰ শিষ্যও প্রজ্ঞাৰ দ্বাৰা শোভিত হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মাৰ শব্দৰ অর্থ কি?

.....



পুথুজ্জনে ঃ মাগফলৰ বর্হিভূত সর্বসাধাৰণ লোকসকলেই পুথুজন।

শ্ৰাৱক ঃ শীল, সমাধি, প্রজ্ঞা আৰু বিমুক্তি জ্ঞানদর্শনৰ প্রভাৱেৰে সকলোৰে শীর্ষত থকা শ্রেষ্ঠ বুদ্ধ শিষ্যকেই শ্রাৱক বোলে।

৮.৬.১ কঠিন শব্দৰ ভাষিক অনুশীলন

তলত পুপ্ফ বগ্গৰ অন্তর্গত কিছুমান কঠিন শব্দৰ অসমীয়া অর্থসহ ভাষিক টোকা দিয়া হ'ল —

গাথা নং ১ ঃ বিজেস্সতি < বিজেষ্যতে; জয় কৰিব
ষ্য > স্স (সমীভৱন)
পুপ্ফং < পুষ্পম্ ; ফুল
ষ্প > প্ফ (উষ্মবর্ণৰ (ষ) লগত স্পর্শবর্ণৰ (প) সংযুক্ত হ'লে উষ্মবর্ণ সমীভূত হৈ স্পর্শবর্ণৰ মহাপ্রাণিত হয়)

গাথা নং ২ ঃ সেখো < শৈক্ষ্যঃ; পূর্ণজ্ঞানী
ক্ষ > খ
ক্ষ্যঃ > খো (অ-যুক্ত বিসর্গ 'ও')

গাথা নং ৩ ঃ ফেনুপমং < ফেনোপমং (ফেন + উপমং); ফেনৰ দৰে
মচ্চুৰাজস্স < মৃত্যুৰাজস্য ; মৃত্যুৰাজ্যৰ বা যমৰ
ত্যু > চ্চু (সমীভৱন)
স্য > স্স (সমীভৱন)

গাথা নং ৪ ঃ ব্যাসত্তমনসং < ব্যাসক্তমনসম্; বিষয়বাসনাত আসক্ত
ক্ত > ত্ত (সমীভৱন)
গামং < গ্রামম্ ; গাঁও
গ্র > গ (আদ্য ৰ-কাৰ লোপ)

গাথা নং ৫ ঃ অতিত্তং < অতৃপ্তম; তৃপ্তিহীন
তৃ > তি (ঋ > ই)
প্ত > ত্ত (সমীভৱন)
বসং < বশম্ ; বশ কৰে
শ > স (পালিত কেৱল 'স' হে আছে)

গাথা নং ৬ ঃ বন্নগন্ধং < বর্ণগন্ধৌ; বর্ণ আৰু গন্ধ
র্ন > ন্ন (ৰেফযুক্ত ব্যঞ্জন দ্বিত)
অহেঠেয়ং < অবিনাশয়ন্ ; নষ্ট নকৰাকৈ
অহেঠেয়ং ঃ দেশীশব্দ

গাথা নং ৭ ঃ কতাকতং < কৃতাকৃতম্; ভাল বেয়া কাম
ঋ > অ
অবেক্খেয্য < অৱক্ষেত ; বিচাৰ কৰা উচিত
ক্ষ > ক্খ

গাথা নং ৮ ঃ অফলা ঃ দেশীশব্দ; নিষ্ফল
হোতি < ভবহি ; হোৱা
অকুব্বতো < অকুর্ব্বত ঃ ; কার্যত পৰিণত নকৰিলে
র্ব্ব > ব্ব (পালিত ৰেফৰ প্রয়োগ নাই)

গাথা নং ৯ ঃ সকুব্বতো < সকুর্ব্বতঃ; কার্যত পৰিণত কৰিলে
র্ব্ব > ব্ব
তঃ > তো (অ-যুক্ত বিসর্গ 'ও')

গাথা নং ১০ ঃ মচ্চেন < মর্ত্ত্যেন; মানুহৰূপে
র্ত্ত্যে > চ্চে (পালিত ৰেফ নাই)
ত্ত > চ্চ (সমীভৱন)

গাথা নং ১১ ঃ সব্বা দিসা < সর্ব্বাঃ দিশাঃ; সর্ব দিশতে
র্ব্ব > ব্ব (ৰেফ লোপ)
ব্বঃ > ব্ব (অ-ৰ বাহিৰে অন্যযুক্ত বিসর্গ লোপ)

গাথা নং ১২ ঃ সীলগন্ধো < শীলগন্ধঃ; শীল পালন কৰাৰ ফলত লাভ কৰা যশ
শ > স

গাথা নং ১৩ ঃ অপ্পমত্তো < অল্পমাত্রঃ; অলপমান
ল্প > প্প (সমীভৱন)

গাথা নং ১৪ ঃ বিমুত্তানং < বিমুক্তানাম্; বিমুক্ত ব্যক্তি
ক্ত > ত্ত (সমীভৱন)

মগ্গং < মার্গম ; গতিপথ

র্গ > গ্গ (ৰেফযুক্ত ব্যঞ্জন দ্বিত হৈছে)

গাথা নং ১৫ ঃ সুচিগন্ধং < শুচিগন্ধম্; সুগন্ধী

শ > স

ম্ > ং (পদান্ত ম্ > ং হয়)

গাথা নং ১৬ ঃ পঞ্ঞায় < প্রজ্ঞয়া; প্রজ্ঞাৰ দ্বাৰা

জ্ঞ > ঞ্ঞ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'হোতি'ৰ সংস্কৃত ৰূপ কি?

.....

৮.৭ পুপ্ফ বগ্গৰ মূল কথা

সাধাৰণ লোকক নৈতিক শিক্ষা প্রদান *ধম্মপদ*ৰ মূল লক্ষ্য। এই মূল কথাটোৱে *ধম্মপদ*ৰ প্রতিটো গাথাৰ মাজত প্রাঞ্জল ৰূপত বর্ণিত হৈছে। 'পুপ্ফ বগ্গ'ও ইয়াৰ ব্যতিক্রম নহয়। নির্বাণ প্রাপ্তি প্রতিজন ভিক্ষুৰে ভিক্ষু জীৱনৰ মূল লক্ষ্য। কিন্তু কঠোৰ নৈতিক তথা আধ্যাত্মিক অনুশীলন আৰু সাধনা নহ'লে লক্ষ্যত উপনীত হোৱাটো সম্ভৱপৰ নহয়। সেয়ে *ধম্মপদ*ৰ প্রতিটো গাথা সাধনামুখী নৈতিক শিক্ষাই প্রজ্বলিত হৈ আছে। 'পুপ্ফ বগ্গ'তো সাধনামুখী নৈতিক শিক্ষা তথা কর্তব্যৰ বাণীকে উন্মোচিত কৰিছে একাধিক ফুলৰ উপমাৰ সহায়েৰে। দৰাচলতে ক'বলৈ গ'লে ফুল অর্থাৎ পুষ্পৰ উপমাৰ সহায়ত সাধাৰণ মানুহলৈ আগবঢ়োৱা কিছুমান উপদেশৰ সমষ্টিয়েই 'পুপ্ফ বগ্গ'।

বগ্গটিৰ আৰম্ভণি গাথাটোতে এটা বিৰাট প্রশ্ন অৱতাৰণা কৰিছে যে— দেৱলোক, যমলোকসহ এই পৃথিৱী কোনে জয় কৰিব পাৰিব? দ্বিতীয়টি গাথাতে ইয়াৰ উত্তৰ দিয়া হৈছে এই কাম কেৱল সেইজনেহে কৰিব পাৰে, যিজন পূর্ণজ্ঞান অর্জনৰ বাবে একান্তভাৱে ব্রতী। এইজনকে কোৱা হয় শৈক্ষ্য ব্যক্তি। অর্থাৎ বুদ্ধৰ প্রকৃত শিষ্যত্ব লাভ কৰা জনেহে এই ত্রিলোক জয় কৰিবলৈ সক্ষম। বৌদ্ধদর্শন মতে শ্রোতাপতি মার্গ, সকৃদাগামী মার্গ, অনাগামী মার্গ আৰু অর্হৎ মার্গ — এই বিভিন্ন মার্গৰ ফলপ্রাপ্ত সাধকহে শৈক্ষ্য নামৰ প্রকৃত অধিকাৰী। শীল, সমাধি আৰু প্রজ্ঞা এই ব্যক্তিয়ে সদায় অনুশীলন কৰে। শীল, সমাধি আৰু প্রজ্ঞা অনুশীলনৰত শৈক্ষ্য ব্যক্তিয়ে ৰূপ, বেদনা, সংজ্ঞা, সংস্কাৰ আৰু বিজ্ঞান — এই পঞ্চস্কন্ধৰ সমষ্টি দেহৰ প্রতি অনাসক্ত যমলোক, দেৱলোক আৰু মনুষ্যলোকৰ উর্ধত প্রজ্ঞাস্তৰত অৱস্থান কৰে। নির্বাণ প্রয়াসী ভিক্ষু এই দেহ আৰু সংসাৰৰ অনিত্যতা সম্পর্কে সর্বদা সচেতন আৰু ভবতৃষ্ণাক মৰীচিকা যেন ভাবি জন্ম-মৃত্যুৰ পৰা পৰিত্রাণ পাবলৈ অহৰহ চেষ্টা কৰে। কিন্তু যিজন অতৃপ্ত বিষয় বাসনাত মজি থাকে তেওঁৰ ভৱিষ্যত অসাৰ সাৰশূন্য অন্ধকাৰ, মর্মান্তিক বেদনাই তেওঁৰ একমাত্র পথ।

প্রকৃত ভিক্ষুৰে ফুলৰ বর্ণ আৰু গন্ধ লেশ মানো অনিষ্ট নকৰাকৈ ভোমোৰাই ফুলৰ মৌ চুহি লৈ যোৱাৰ দৰে তেওঁলোকে লোকসমাজত অতি নির্লিপ্তভাৱে কাৰো হানি-বিঘিনি নঘটোৱাকৈ বাস কৰে, ভবতৃষ্ণাৰ নানা প্রলোভনে হাত-বাউল দি মাতিলেও সেইবোৰক কটাক্ষপাত নকৰে। একেদৰে আনৰ কৃতকর্মকো তেওঁ দৃষ্টিপাত নকৰে। যিজনে গন্ধহীন ফুলক উপেক্ষা কৰাৰ দৰে বুদ্ধৰ বাণী উপেক্ষা কৰে সেইজনৰ জীৱন কেতিয়াও সফল নহয়। সুগন্ধযুক্ত ফুলৰ দৰে শীলবানসকলে দেৱলোকতো সমাদৰ লাভ কৰে। তাতোকৈয়ো ডাঙৰ কথাটো তীব্র গন্ধময় চন্দন, তগৰ, মল্লিকা ফুলৰ গন্ধ বতাহৰ বিপৰীত দিশত কেতিয়াও প্রবাহিত নহয়, কিন্তু সৎ লোকৰ কর্ম-কীর্তি তথা যশ সর্বদিশতে প্রবাহিত হয়। তদুপৰি এই ফুলৰ গন্ধ অস্থায়ী, কিন্তু শীলগন্ধ স্থায়ী আৰু উত্তম। আৰর্জনা সদৃশ ৰাজআলিৰ দাঁতিতে সুগন্ধযুক্ত পদুমৰ উৎপত্তি হোৱাৰ দৰে মায়া-মোহ-লোভৰ পৰিপূর্ণ সংসাৰৰ মাজতে সংসাৰ নির্লিপ্ত ভিক্ষু সদাচাৰ আৰু শীল ব্রতৰ জৰিয়তে জগতত সমাদৃত হৈ পৰে।

এইদৰে বগ্গটিত বিভিন্ন ফুলৰ উপমাৰে পার্থিৱ লোভ-মোহৰ পৰা ওলাই আহি প্রকৃত শৈক্ষ্য ৰূপে নিজকে প্রতিষ্ঠিত কৰি নির্বাণ লাভৰ পথ গ্রহণ কৰিবলৈ উপদেশ দিছে।

৮.৮ পুপ্ফ বগ্গৰ নামকৰণৰ তাৎপর্য

পুপ্ফ বগ্গৰ মূল বক্তব্য হ'ল বিষয় বাসনা ত্যাগ কৰি আসক্তি শূন্য তথা তৃষ্ণামুক্ত হৈ এজন শৈক্ষ্য ব্যক্তিৰ ৰূপত নিজকে প্রস্তুত কৰি নির্বাণত অধিষ্ঠিত হোৱা। এই কথাখিনিকে ক'বলৈ যাওতে বিভিন্ন ফুলৰ উপমাৰে ভিক্ষুসকলক নৈতিক আদর্শ প্রদান কৰিছে। ইয়াত যিমানবোৰ উপমাৰে নৈতিক শিক্ষা প্রদান কৰা হৈছে প্রায় প্রতিটোতেই গন্ধময় ফুলতকৈ শীল, সমাধি আৰু প্রজ্ঞাগন্ধক সর্বোত্তম হিচাপে চিহ্নিত কৰিছে। কিয়নো ফুলগন্ধৰ পৰিসীমা যথেষ্ট ঠেক, সি বতাহৰ বিপৰীতে কেতিয়াও প্রবাহিত নহয়, কিন্তু তাৰ বিপৰীতে শীলগন্ধ চৌদিশে সঞ্চাৰিত হয়। এই শীল, সমাধি আৰু প্রজ্ঞা প্রয়াসীসকলে সকলো প্রকাৰ প্রলোভন তথা দুষ্ট প্রবৃত্তি আৰু দুষ্কর্মৰ দেৱতা মাৰৰ পৰা মুক্ত। কিয়নো মাৰৰ (মায়া) ক্ষণিক প্রভাৱ বিধ্বংসী হ'লেও জ্ঞানীলোকে কুশল অকুশল গুণৰ বিচাৰ কৰি উত্তম গুণৰ অধিকাৰী হৈ সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ মাৰৰ প্রলোভনৰ পৰা নিজকে আঁতৰাই ৰাখে।

বগ্গটিত বিষয়-বাসনাক পুষ্পচয়নকাৰীৰ লগত তুলনা কৰাই নহয়, ফুল যিমানে গন্ধময় হ'লেও ফুলৰ গন্ধ অতি সামান্য বুলি কৈ শীলগন্ধক অত্যুত্তম বুলি শীলৰ গুণানুকীর্ত্তন কৰিছে। তাৰ বিপৰীতে আকৌ বুদ্ধ বাণীক বর্ণময় সুগন্ধি ফুলৰ লগত তুলনা কৰি বুদ্ধ বাণীক একাগ্র চিত্তেৰে গ্রহণ কৰি এই জনমতে জীৱন ধন্য কৰিবলৈ উপদেশ দিছে। এইদৰে বিচাৰ কৰিলে বগ্গটিৰ নাম 'পুপ্ফবগ্গ' ৰখাত সার্থক হোৱা বুলি ক'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বৌদ্ধধর্মৰ মূল লক্ষ্য কি?

.....



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৌদ্ধধর্মৰ মূল নীতি অপ্পমাদ অর্থাৎ অপ্রমাদ। দৰাচলতে বুদ্ধৰ বাণীৰ মূলতত্ত্বও এই 'অপ্পমাদ'ৰ মাজতে অন্তর্নিহিত হৈ আছে। 'অপ্রমাদ' শব্দৰ অর্থ গভীৰ অর্থব্যঞ্জক। জগত অনাত্ম, জগত অনিত্য, জগত দুখময়। গতিকে এই অনাত্ম, অনিত্য আৰু দুখময় জগতৰ প্রতি অনাসক্ত আৰু সংযমী হৈ একাগ্র চিত্তেৰে সর্বপ্রকাৰ কুশল চিন্তা আৰু কর্মত ৰত হোৱাই অপ্রমাদ আৰু এনে ধ্যান-ধাৰণা পুষ্ট আৰু নিজৰ কর্তব্যত অবিচলিত জনেই অপ্রমাদী। সেয়েহে অপ্পমাদ বগ্গটিত অপ্পমাদৰ অনুশীলনেৰে প্রমাদক বিনাশ কৰাৰ কথা কোৱা হৈছে। লগতে পালিত লিখা মূল পাঠখিনি উল্লেখ কৰি অসমীয়া ভাঙণি দিয়া হৈছে।
- নির্বাণ প্রাপ্তি প্রতিজন ভিক্ষুৰে ভিক্ষু জীৱনৰ মূল লক্ষ্য। কিন্তু কঠোৰ নৈতিক তথা আধ্যাত্মিক অনুশীলন আৰু সাধনা নহ'লে লক্ষ্যত উপনীত হোৱাটো সম্ভৱপৰ নহয়। 'পুপ্ফ বগ্গ'তো সাধনামুখী নৈতিক শিক্ষা তথা কর্তব্যৰ বাণীকে উন্মোচিত কৰিছে একাধিক ফুলৰ উপমাৰ সহায়েৰে। দৰাচলতে ক'বলৈ গ'লে ফুল অর্থাৎ পুষ্পৰ উপমাৰ সহায়ত সাধাৰণ মানুহলৈ আগবঢ়োৱা কিছুমান উপদেশৰ সমষ্টিয়েই 'পুপ্ফ বগ্গ'। লগতে পালিত লিখা মূল পাঠখিনি উল্লেখ কৰি অসমীয়া ভাঙণি দিয়া হৈছে।



৮.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯০); *ধম্মপদ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৭) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৮) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

৯) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

১০) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১১) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১২) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.



৮.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অপ্রমাদ।

২ নং প্রশ্নৰ উত্তৰ ঃ সচাঁ।

৩ নং প্রশ্নৰ উত্তৰ ঃ অপ্রমাদ।

৪ নং প্রশ্নৰ উত্তৰ ঃ দহবিধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ মায়া।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভৱতি/ভৱহি।

৭ নং প্রশ্নৰ উত্তৰ ঃ নির্বাণ প্রাপ্তি।



৮.১২ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) 'অপ্পমাদ বগ্গ'ৰ মূল কি?

খ) 'পুপ্ফ বগ্গ'ৰ মূল কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) অপ্ৰমাদী বেগী ঘোঁৰা সদৃশ, প্ৰমাদী দুৰ্বল ঘোঁৰাৰ দৰে।

খ) পুপ্ফ বগ্গৰ মূল বক্তব্য হ'ল বিষয় বাসনা ত্যাগ কৰি আসক্তি শূন্য তথা তৃষ্ণামুক্ত হৈ এজন শৈক্ষ্য ব্যক্তিৰ ৰূপত নিজকে প্ৰস্তুত কৰি নিৰ্বাণত অধিষ্ঠিত হোৱা।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তলৰ পালি শব্দবোৰৰ সংস্কৃত ৰূপ আৰু অসমীয়া অৰ্থ লিখক —

পমাদ, মচ্চুনো, অৰিয়ানং, ধ্যায়িন, নিব্বাণং, কয়িৰাথ, ৰক্খতি, অসোকো, সেট্ঠং, ভিক্খু, সেখো, পুপ্ফ, অতৃপ্তম্, কতাকতং, হোতি, সব্বা, সীলগন্ধো, মাৰো, পঞঞায়, জায়েথ।

প্ৰশ্ন ২ ঃ নিম্নলিখিত গাথাটোৰ অসমীয়া অৰ্থ লিখক —

ন পুপ্ফগন্ধো পটিৰাতমেতি
ন চন্দনং তগৰ মল্লিকা ৰা।
সতঞ্চ গন্ধো পটিবাতমেতি
সব্বা দিসা সপ্পুৰিসো পবাতি।।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অপ্পমাদ বগ্গ'ৰ মূল কি? বগ্গটিৰ মূল কথা খিনিৰ আভাস দাঙি ধৰি নামাকৰণৰ তাৎপৰ্য বাখ্যা কৰক।

প্ৰশ্ন ২ ঃ 'পুপ্ফ বগ্গ'ৰ মূল কি? বগ্গটিৰ মূল কথা খিনিৰ আভাস দাঙি ধৰি নামকৰণৰ তাৎপৰ্য বাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ 'অপ্পমাদ বগ্গ' আৰু 'পুপ্ফ বগ্গ'ৰ অন্তৰ্গত গাথাসমূহ অসমীয়ালৈ অনুবাদ কৰি কঠিন শব্দসমূহৰ অৰ্থসহ ভাষাতাত্ত্বিক বিচাৰ কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ৯ঃ *কর্পূৰমঞ্জৰী* — ১

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ প্ৰথম প্ৰাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰী*
৯.৪ ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ কাল আৰু ৰচনাৱলী
৯.৫ *কর্পূৰমঞ্জৰীত* ব্যৱহৃত প্ৰাকৃত আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য
৯.৬ 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী*
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাকৃত নাটকৰ থূলমূল ইতিহাস সম্পৰ্কে জানিব পাৰিব
- 'সট্টক'ৰ বিষয়ে বিশেষ ধাৰণা লাভ কৰিব পাৰিব
- *কর্পূৰমঞ্জৰী*ৰ স্ৰষ্টা কবিৰাজ ৰাজশেখৰৰ জীৱন আৰু কৃতিৰ বিষয়ে অৱগত হ'ব
- নাটকখনত ব্যৱহৃত হোৱা শৌৰসেনা প্ৰাকৃতৰ বিষয়ে ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব

৯.২ পৰিচয়

এইটো পালি-প্ৰাকৃত অধ্যয়ন শীৰ্ষক পাঠ্যবিষয়খনৰ খণ্ড-২ৰ প্ৰথম অধ্যায়। অধ্যায়ৰ ক্ৰমানুসৰি চালে পাঠ্যবিষয়টিৰ নৱম অধ্যায়। পূৰ্বৱৰ্তী খণ্ডটোত আমি পালি-প্ৰাকৃতৰ ব্যাকৰণগত দিশ, সাহিত্য আদিৰ বিষয়ে চমুকৈ আলোচনা কৰাৰ লগতে বৌদ্ধ ধৰ্মৰ এখন বিশিষ্ট গ্ৰন্থ *ধম্মপদৰ* দুটা বগ্‌গৰ বিষয়ে অধ্যয়ন কৰিলোঁ। সেই গ্ৰন্থখন লিখা হৈছিল পালি ভাষাত। এতিয়া এইটো অধ্যায়ত আমি প্ৰাকৃত ভাষাত লিখা এখন নাটকৰ চমু পৰিচিতি লাভ কৰিম। ইয়াৰ পৰৱৰ্তী অধ্যায়টোত আমি এই নাটকখনৰ মূল পাঠৰ নিৰ্বাচিত এটা অংশ পঢ়িম।

পূৰ্ণাঙ্গ প্ৰাকৃত ভাষাৰ নাটক হিচাপে দশম শতাব্দীৰ আদি ভাগত ৰচিত কবি, নাট্যকাৰ কবিৰাজ ৰাজশেখৰৰ *কর্পূৰমঞ্জৰী* নিঃসন্দেহে সৰ্ব প্ৰথম। অৱশ্যে ইয়াৰ পূৰ্বে সংস্কৃত নাটকত বিশেষকৈ মধ্যম আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখত প্ৰাকৃত ভাষা ব্যৱহাৰ কৰা হৈছিল। এই কাৰণেই

হয়তো কবি সাহিত্যিক তথা নাট্যকাৰসকলৰ প্ৰথম অৱস্থাত প্ৰাকৃতত নাট ৰচনাৰ কথা মনলৈ অহা নাছিল। কিন্তু দশম শতিকাৰ আগভাগত গুৰ্জৰ প্ৰতিহাৰৰ ৰজা মহেন্দ্ৰ পালৰ গুৰু বুলি নিজকে পৰিচয় দিয়া কবিৰাজ ৰাজশেখৰে ৰজা চণ্ডপালৰ লগত ৰাজকুমাৰী *কর্পূৰমঞ্জৰী*ৰ প্ৰণয়ৰ আধাৰত আৰু সম্পূৰ্ণ প্ৰাকৃত ভাষাত *কর্পূৰমঞ্জৰী* নাটকখন ৰচনা কৰে। গতিকে ইতিহাসৰ পিনৰ পৰা চালে *কর্পূৰমঞ্জৰী*ৰ ঐতিহাসিক মূল্য অপৰিসীম। তদুপৰি নাট্যকাৰ ৰাজশেখৰে 'সট্টক' নামৰ এক নব্য নাট্য পৰম্পৰাৰ সংযোজনৰ বাবেও তেওঁৰ নাম ভাৰতীয় নাট্য সাহিত্যৰ ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব।

নাটকখনৰ মূল পাঠ অধ্যয়ন কৰাৰ পূৰ্বে তাৰ অনুসংগ হিচাপে কিছু কথা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। সেয়ে এইটো অধ্যায়ত আমি — প্ৰথম প্ৰাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰী,* ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ কাল আৰু ৰচনাৱলী, *কর্পূৰমঞ্জৰীত* ব্যৱহৃত প্ৰাকৃত আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য, 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী* আদি দিশসমূহ আলোচনা কৰিম।

৯.৩ প্ৰথম প্ৰাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰী*

আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ যে কবিৰাজ ৰাজশেখৰৰ *কর্পূৰমঞ্জৰী* ভাৰতীয় নাট্য সাহিত্যৰ ইতিহাসত এক ব্যতিক্ৰমী সংযোজন। তদুপৰি আমি ইয়াকো উল্লেখ কৰি আহিছোঁ যে ৰাজশেখৰেই পূৰ্ণাঙ্গভাৱে পোন প্ৰথমবাৰৰ বাবে প্ৰাকৃত ভাষাৰ মাধ্যমত নাটক ৰচনা কৰাৰ পৰম্পৰা সূচনা কৰাৰ লগতে 'সট্টক' নামৰ এক নব্য নাট্য শ্ৰেণীৰো আৰম্ভ কৰে। এই দুটা বিশেষত্বৰ বাবে নাট্যকাৰ ৰাজশেখৰ নিশ্চয় চিৰকাল অমৰ হৈ ৰ'ব।

আমি জানো যে, সমগ্ৰ প্ৰাকৃত সাহিত্যই সংস্কৃতৰ অনুগামী। প্ৰাকৃত নাটকো বহু পৰিমাণে সংস্কৃত নাটকৰে অনুগামী। সাধাৰণতে দেখা যায় যে সংস্কৃত নাটকত প্ৰাকৃতজনৰ অৰ্থাৎ সাধাৰণ শ্ৰেণীৰ মুখৰ ভাষা বুলি জ্ঞান কৰি মধ্য আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখতহে প্ৰাকৃত ভাষা প্ৰয়োগ কৰা হৈছিল। দৰাচলতে সংস্কৃত নাটকৰ ক্ষেত্ৰত এইটো এটা ৰীতিসিদ্ধ কথাই হৈ পৰিছিল। এই পিনৰ পৰা চালে সংস্কৃত সাহিত্যই প্ৰসাৰতা লাভ কৰাৰ সময়তে প্ৰাকৃতেও সমৃদ্ধি লাভ কৰিছিল বুলি ক'ব পাৰি। তেনে ক্ষেত্ৰত সম্পূৰ্ণ প্ৰাকৃত ভাষাত নাট ৰচনা নকৰাটো তাৎপৰ্যপূৰ্ণ কথা হিচাপেই বিবেচিত হৈছে। অৱশ্যে ইয়াৰ কেতবোৰ কাৰণো নথকা নহয়।

সংস্কৃত নাটক প্ৰায়বোৰেই ৰাজ পৃষ্ঠপোষকতাৰ ফল। তদুপৰি নাটকৰ বিষয়বস্তুও ৰজাঘৰীয়া প্ৰেম-প্ৰণয়ৰ ওপৰত নিৰ্ভশীল। তেনেক্ষেত্ৰত ৰাজসিক চৰিত্ৰসমূহত প্ৰাকৃত জনৰ মুখৰ ভাষা উপযুক্ত বিবেচনা কৰা নহ'ব বুলিয়ে হয়টো সাহিত্যিকসকলে ভাবিছিল। দ্বিতীয়তে সংস্কৃত ভাষাৰ প্ৰতি থকা উচ্চাত্মিকা আৰু প্ৰাকৃত ভাষাৰ প্ৰতি থকা নীচ্চাত্মিকা মনোভাবো ইয়াৰ কাৰণ হ'ব পাৰে। তৃতীয়তে কাব্যৰ ভাষা সদায় গুৰুগম্ভীৰ আৰু ভাবোদ্দীপক হোৱাতো বাঞ্ছনীয়। নাটকো যিহেতু কাব্য সাহিত্যৰে অন্তৰ্গত, সেইবাবেই তেওঁলোকে হয়টো প্ৰাকৃত ভাষাক গুৰুগম্ভীৰ ভাষা হিচাপে বিবেচনা নকৰিলে। চতুৰ্থতে, আন এটা কাৰণো হ'ব পাৰে যে, প্ৰাকৃত

সাহিত্যিক সৱহখিনিয়ে আছিল একো একোজন বিদগ্ধ সংস্কৃত পণ্ডিত। তদুপৰি ৰীতিমতে মধ্য আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখত যিহেতু প্ৰাকৃত ভাষা সংযোজিত হৈছিলেই; গতিকে প্ৰাকৃতেও নিজস্ব এটা স্থান দখল কৰিবলৈ সক্ষম হৈছিল। সেইবাবে কেৱল প্ৰাকৃত ভাষাত নাটক ৰচনা কৰাৰ কথা বিবেচনা কৰা হোৱা নাছিল। পঞ্চমতে, ৰাজ পৃষ্ঠপোষকতা অবিহনে এখন নাটক মঞ্চস্থ কৰাটো দূৰূহ কাৰ্য। তদুপৰি প্ৰাকৃত নাটক একোখন ৰচনা কৰি ৰজাৰ মুখত প্ৰাকৃত ভাষা যদি দিয়া হয় তেতিয়া ৰজা তাৰ বাবে ক্ষুন্নও হ'ব পাৰে। আনফালে ৰজা অথবা ৰজাঘৰৰ চৰিত্ৰক বাদ দি সৰ্বসাধাৰণৰ সৰল জীৱনৰ কাহিনীক লৈ নাট ৰচনা কৰিলেও সমাজৰ সমাদৰ পোৱাটো টান হৈ পৰিব পাৰে।

এনেবোৰ কাৰণৰ বাবেই হয়টো দশম শতিকাৰ আগভাগলৈকে কোনো সাহিত্যিকেই প্ৰাকৃত ভাষাত এখনো পূৰ্ণাঙ্গ নাটক ৰচনা কৰাৰ কথা নাভাবিলে। কিন্তু এইবোৰ কাৰণ থকাৰ পিছতো ৰাজশেখৰে এক সাহসী পদক্ষেপেৰে *কর্পূৰমঞ্জৰী* ৰচনা কৰি ইতিহাসৰ সূচনা কৰিলে। অৱশ্যে ৰাজশেখৰে সম্পূৰ্ণ প্ৰাকৃততেই নাটকখন ৰচনা কৰিলেও নাট্য-কাহিনীৰ বিষয়বস্তু সৰ্বসাধাৰণৰ জীৱন কাহিনী মুঠেও নহয়, ৰজাঘৰীয়া জীৱন কাহিনী এটিকে কব্যোপম ভাষিক ছন্দৰ লগতে চৰিত্ৰবোৰকো সংস্কৃতৰ অনুগামী কৰি ৰচনা কৰিছে। গতিকে উল্লেখযোগ্য কথাটো হ'ল ৰাজশেখৰে যদিও প্ৰাকৃততেই নাট ৰচনা কৰিছিল বিষয়বস্তু, চৰিত্ৰ চিত্ৰণকে আদি কৰি পৰিৱেশন ৰীতি এই সকলোৰেই সংস্কৃত অনুসৃত আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক—

ক) সংস্কৃত নাটক প্ৰায়বোৰেই ৰাজ পৃষ্ঠপোষকতাৰ ফল।

খ) *কর্পূৰমঞ্জৰী* নাটকখনৰ নাট্য-কাহিনীৰ বিষয়বস্তু সৰ্বসাধাৰণৰ জীৱন।

.....

৯.৪ ৰচনাকাৰ কবিৰাজ ৰাজশেখৰ কাল আৰু ৰচনাৱলী

কবিৰাজ ৰাজশেখৰৰ জীৱন তথা আৰ্বিভাৱ সম্পৰ্কে যিখিনি তথ্য পোৱা গৈছে সেইখিনি অমাৱশ্যাৰ দৰে অন্ধকাৰ নহ'লেও দিনৰ পোহৰৰ দৰে ফৰকালো নহয়। দৰাচলতে তেওঁৰ বিষয়ে যিমানখিনি তথ্য পোৱা যায় সেয়াও তেওঁৰ ৰচনাৱলীৰ মাজতে উল্লেখ কৰা বক্তব্যহে। তেওঁ ৰচনা কৰা *বালৰামায়ণ, বালভাৰত* আৰু *কাব্য মীমাংসা* মতে তেওঁ প্ৰাচীন মহাৰাষ্ট্ৰ অঞ্চলৰ অৰ্ন্তগত বিদৰ্ভৰ এটি ব্ৰাহ্মণ যাযাবৰ পৰিয়ালৰ সন্তান। *বালৰামায়ণৰ* পৰা আৰু এটা কথাৰ গম পোৱা যায় যে *বদনচন্দিকা* নামৰ জনপ্ৰিয় গ্ৰন্থৰ ৰচয়িতা অকালজলদ আৰু সুৰানন্দ নামৰ আন দুজন কবি আলংকাৰিক পণ্ডিত তেওঁৰ বংশৰে আছিল। সম্বন্ধত অকালজলদ ৰাজশেখৰৰ

প্ৰপিতামহ আৰু সুৰানন্দ পিতামহ আছিল।

*বালৰামায়ণ*ত কবিয়ে নিজকে মহামন্ত্ৰীৰ পুত্ৰ বুলিছে। এই মহামন্ত্ৰী কবিৰ পিতৃ দুহিক বা দুৰ্দক। খুৱ সম্ভৱ তেওঁ মহেন্দ্ৰপালৰ পিতৃ ভোজদেৱৰ সময়ত মহামন্ত্ৰী নাছিল আৰু ভোজদেৱৰ মৃত্যুৰ পিছতহে মহেন্দ্ৰপালৰ মহামন্ত্ৰী হৈছিল। মহেন্দ্ৰৰ মৃত্যু হয় খ্ৰীষ্টাব্দ ৯১০-ত। মহেন্দ্ৰপালৰ মৃত্যুৰ পিছত কবিয়ে কণৌজ এৰি ত্ৰিপুৰীৰ ৰজা যুৱৰাজদেৱৰ আশ্ৰয় লয়। তাতেই তেওঁ *বিদ্ধশালভঞ্জিকা* নামৰ গ্ৰন্থখন ৰচনা কৰে। যুৱৰাজদেৱৰ সময় ৯১০ খ্ৰীষ্টাব্দৰ পৰা ৯৫০ খ্ৰীষ্টাব্দলৈকে। যুৱৰাজদেৱৰ মৃত্যুৰ আগতে কবি পুনৰ কণৌজলৈ উভতি যায়। তেতিয়া তাত মহেন্দ্ৰপালৰ পুত্ৰ মহীপালে ৰাজ্য শাসন কৰি আছিল। তাতে ৯৩০ খ্ৰীষ্টাব্দত ৰাজশেখৰৰ দেহাৱসান ঘটা বুলি অনুমান কৰা হৈছে।

এইবোৰৰ বাহিৰেও *কর্পূৰমঞ্জৰী*ৰ স্থাপক আৰু পাৰিপাৰ্শ্বিকৰ কথোপকথনৰ মাজেৰে ৰাজশেখৰক 'সৱ্বভাষা চউৱেন' (সর্বভাষা চতুৰ) বুলি জনা যায়। তদুপৰি তেওঁ এঠাইত 'বালকবি' বুলি নিজকে কোৱালৈ চাই 'তৰুণ কবি'ৰ অর্থতে কথাষাৰ কোৱা যেন লাগে। 'কবিৰাজ' তেওঁৰ আন এক উপাধি। তেওঁৰ *কাব্য মীমাংসা* মতে যি ভিন ভিন ভাষাত ভিন ভিন ৰসসমৃদ্ধ কাব্য ৰচনা কৰিব পাৰে তেৱেই কবিৰাজ। গতিকে তেওঁ যে প্ৰকৃতার্থত এজন কবিৰাজ আছিল জানিব পাৰি।

কবিৰ বৈবাহিক জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে ব্ৰাহ্মণ সন্তান ৰাজশেখৰে 'চৌহান কুলৰ শিৰৰ মালাস্বৰূপ' ক্ষত্ৰিয় ৰাজকুমাৰী অৱন্তী সুন্দৰীক বিবাহ কৰিছিল। তেওঁলোকৰ এই অসবর্ণ বিবাহ যে প্ৰেমৰ পৰিণতিৰ ফল তাক অনুমান কৰিবলৈ অকনো অসুবিধা নহয়। পত্নী অৱন্তী সুন্দৰীৰ সংস্কৃত আৰু প্ৰাকৃত — উভয় ভাষাতে ব্যুৎপত্তি আছিল আৰু তেওঁ এগৰাকী বিদুষী ৰমণী আছিল। প্ৰাকৃত অনুৰাগিনী অৱন্তী সুন্দৰীয়ে স্বামীক কেৱল প্ৰাকৃতত নাটক ৰচনা কৰিবলৈ অনুপ্ৰাণিতই কৰা নাছিল নাটকখনৰ অভিনয়ৰ সুব্যৱস্থাও কৰি দিছিল। *কর্পূৰমঞ্জৰী*ৰ পৰাই এই কথাৰ উমান পোৱা যায়। গতিকে ক'ব পাৰি ৰাজশেখৰৰ সাহিত্য সাধনাত পত্নীৰ ভূমিকা যথেষ্ট আছিল।

কবিজনাৰ জীৱন সম্পর্কে এনেদৰেই কিছু কথা জানিব পৰা যায়। অৱশ্যে তেওঁৰ কাল সম্বন্ধে নির্দ্দিষ্ট কৈ এটা সিদ্ধান্তলৈ আহিব পৰা নাযায় যদিও তেওঁ যে নৱম শতিকাৰ শেষ আৰু দশম শতিকাৰ আদি ভাগৰ কবি আৰু নাট্যকাৰ আছিল সেই কথা গুর্জৰ প্ৰতিহাৰ ৰাজন্য কুলৰ উল্লেখৰ পৰাই জানিব পৰা যায়। তদুপৰি তেওঁৰ *কাব্য মীমাংসা*ত নৱম শতিকাৰ আদিভাগৰ সংস্কৃত আলংকাৰিক ৰুদ্ৰত, উদ্ভট আৰু আনন্দবর্ধনৰ নামোল্লেখ তথা নৱম শতিকাৰ মাজভাগৰ অন্যতম কাশ্মিৰী কবি ৰত্নাকৰৰ নামোল্লেখৰ পৰাই তেওঁক সেই সময়সীমাতে থাপিব পাৰি। উল্লেখযোগ্য যে, দশম শতিকাৰ মাজভাগত ৰচিত জৈন কবি সোমদেৱৰ চম্পুকাব্য *যশস্তিলক*তো ৰাজশেখৰৰ উল্লেখ আছে। এনেদৰে নৱম শতিকাৰ শেষ ভাগৰ পৰা দশম শতিকাৰ মাজভাগলৈকে কবি সাহিত্যসকলে ৰাজশেখৰৰ নাম উল্লেখ কৰাৰ পৰা তথা তেওঁৰ ৰচনাতো সেই সময়ৰ কবি সাহিত্যিকসকলৰ নাম উল্লেখ কৰাৰ পৰা ৰাজশেখৰ নৱম শতিকাৰ শেষ ভাগ আৰু দশম শতিকাৰ আদিভাগৰ কবি বুলি সিদ্ধান্তলৈ আহিব পাৰি।

ৰাজশেখৰৰ ৰচনাৱলী সম্পৰ্কে সন্দেহৰ অৱকাশ নথকা নহয়। তেওঁ বহুকেইখন গ্ৰন্থ ৰচনা কৰিছিল বুলি বিভিন্ন উৎসৰ পৰা জনা গলেও প্ৰধানতঃ পাঁচখনি ৰচনা ৰাজশেখৰৰ বুলি নিশ্চয়কৈ ক'ব পাৰি। তাৰে চাৰিখন নাটক আৰু এখন অলংকাৰ শাস্ত্ৰ। সি যি কি নহওক তেওঁৰ নামত থকা গ্ৰন্থকেইখনিৰ একোটি চমু পৰিচয় দিবলৈ যত্ন কৰা হ'ল।

কর্পূৰমঞ্জৰী ৰাজশেখৰৰ সৰ্বোৎকৃষ্ট ৰচনা। যুৱৰাজ নিৰ্ভৰৰাজৰ (মহেন্দ্ৰ পালৰ) গুৰুৰূপে থকাৰ সময়ছোৱাতে ৰাজশেখৰে এই নাটক ৰচনা কৰা বুলি ক'ব পাৰি। চাৰি অংক বা 'জৱনিকান্তৰম্'ত বিভক্ত *কর্পূৰমঞ্জৰীত* ৰজা চণ্ডপালৰ লগত ৰাজকুমাৰী *কর্পূৰমঞ্জৰীৰ* প্ৰণয় আৰু মিলনৰ চিত্ৰ আঁকা হৈছে। নাটখনত লেখকৰ ব্যক্তিগত প্ৰেমৰ অভিজ্ঞতা কাৰ্যকৰী হোৱা যেন অনুমান হয়।

বালৰামায়ণ দহ অংকৰ আন এখন নাটক। ইয়াৰ প্ৰস্তাৱনাটোৱেই এখন নাটকৰ সমান ডাঙৰ। বিষয়বস্তু *ৰামায়ণৰ* পৰাই গ্ৰহণ কৰা হৈছে। সীতাৰ স্বয়ম্বৰৰ আয়োজনৰ পৰা অগ্নিপৰীক্ষাৰ পিছত অযোধ্যাগমন পৰ্যন্ত প্ৰায় সকলো কাহিনীয়েই এই নাটকখনত প্ৰায় অৰ্ন্তভূক্ত কৰা হৈছে। এই নাটকখন ৰজা মহেন্দ্ৰপালৰ অনুৰোধ মৰ্মেই ৰচনা কৰিছিল বুলি জনা যায়।

ৰাজশেখৰৰ *বালভাৰত* আন এখন নাটক। অৱশ্যে এই নাটকখন সম্পূৰ্ণৰূপত উদ্ধাৰ হোৱা নাই। কেৱল প্ৰথম দুটা অংকহে পোৱা গৈছে। নাটকখনৰ বিষয়বস্তু আনখন মহাকাব্য *মহাভাৰত*। প্ৰথম অংকত আছে দৌপদ্ৰীৰ স্বয়ম্বৰ বৰ্ণনা আৰু দ্বিতীয় অংকত আছে পাণ্ডৱৰ বনযাত্ৰাৰ বৰ্ণনা।

বিদূশালভঞ্জিকা আন এখন চাৰি অংকৰ নাটিকা। এটি প্ৰণয়মূলক কাহিনী নাটিকাখনত বিধৃত হৈছে। বিদ্যাধৰমল্ল নামৰ এজন ৰাজকুমাৰ আৰু কর্নাট দেশৰ ৰজা চন্দ্ৰ বৰ্মনৰ কন্যা মৃগাংকৱলীৰ মাজত হোৱা প্ৰণয়েই নাটিকাখনিৰ মূল বিষয়বস্তু। কণৌজ এৰি ত্ৰিপুৰী ৰাজ্য লৈ গৈ ত্ৰিপুৰী ৰজা যুৱৰাজদেৱৰ আশ্ৰয়ত থাকোঁতে ৰাজশেখৰে এই নাটিকাখন প্ৰণয়ন কৰে বুলি জনা যায়।

ৰাজশেখৰৰ একমাত্ৰ অলংকাৰশাস্ত্ৰ সম্বন্ধীয় গ্ৰন্থখন হ'ল *কাব্য মীমাংসা* । এইখন গ্ৰন্থ ৰাজশেখৰৰ সাহিত্যিক জীৱনৰ শেষ কীৰ্তি। ই এখন অসম্পূৰ্ণ গ্ৰন্থ। বৰ্তমানলৈকে গ্ৰন্থখনিৰ ওঠৰটা অধ্যায়ৰে এটি মাত্ৰ 'অধিকৰণ' পোৱা গৈছে। তাৰ নাম হ'ল 'কবি ৰহস্য'। অৱশ্যে আৱিষ্কৃত অংশৰ মাজতে কবি জনাৰ পাণ্ডিত্য আৰু মৌলিকতা সুন্দৰভাৱে প্ৰকাশ পাইছে।

উল্লিখিত পাঁচখন গ্ৰন্থৰ বাহিৰেও ৰাজশেখৰৰ নামত আন কেইখনমান গ্ৰন্থ পোৱা যায়। তাৰে ভিতৰত এক উল্লেখযোগ্য গ্ৰন্থ হ'ল *ভূৱনকোষ*। গ্ৰন্থখনিৰ নামটোলৈ লক্ষ্য কৰিলে গ্ৰন্থখন শব্দ ব্যুৎপত্তিমূলক গ্ৰন্থ যেন লাগে। *ৰত্নামঞ্জৰী* নামৰ এখন নাটিকা এই জনা সাহিত্যিকেই লিখিছিল বুলি সম্ভেদ পোৱা যায়। *অষ্টপত্ৰদলকমল* নামৰ আন এখন গ্ৰন্থৰ কথা ভোজৰ্ই উল্লেখ কৰিছে। তদুপৰি *হৰিবিলাস* নামৰ কাব্য গ্ৰন্থ এখনো তেওঁৰ নামত পোৱা যায়। ইয়াৰ উপৰি *বালৰামায়ণৰ* প্ৰস্তাৱনাৰ পৰা 'ষট্প্ৰবন্ধান্' বা ছটা প্ৰবন্ধ ৰচনা কৰাৰ কথাও পোৱা যায়।

এইদৰে কবিৰাজ ৰাজশেখৰৰ সাহিত্য-কৃতিৰ সম্ভেদ পাব পাৰি। অনাৱিষ্কৃত বা সন্দেহ

অথবা লুপ্ত গ্ৰন্থখিনিক বাদ দিলেও যিখিনি তথ্য প্ৰমাণসহ তেওঁৰ নামত সুনিৰ্দ্দিষ্ট, সেইখিনিৰ পৰা বিচাৰ কৰি চালেই তেওঁ যে এজন কবি, নাট্যকাৰ, আলংকাৰিক তথা প্ৰাবন্ধিক আছিল সেই কথা অনুধাৱন কৰিব পাৰি, এই গ্ৰন্থবোৰৰ মাজতেই ৰাজশেখৰৰ স্বদীপ্তমান মৌলিক প্ৰতিভা সাৰ্থকভাৱে ফুটি উঠিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ৰাজশেখৰ কোন অঞ্চলৰ লোক আছিল।

.....

প্ৰশ্ন নং ৩ ঃ *কর্পূৰমঞ্জৰী*ৰ বাহিৰে ৰাজশেখৰে ৰচনা কৰা আন এখন নাটকৰ নাম লিখক।

.....

৯.৫ *কর্পূৰমঞ্জৰী*ত ব্যৱহৃত প্ৰাকৃত আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্য

ইতিমধ্যে আপুনি গম পাইছে যে, *কর্পূৰমঞ্জৰী* নাটকখন প্ৰাকৃত ভাষাত ৰচিত। ৰাজশেখৰে নিজেও 'সক্কদং পৰিহৰিঅ পাউদৰন্ধে' (অৰ্থাৎ সংস্কৃত পৰিহাৰ কৰি প্ৰাকৃতত ৰচনা) বুলি উল্লেখ কৰিছে। অৱশ্যে তেওঁ কোনবিধ প্ৰাকৃত ব্যৱহাৰ কৰিছে সেয়া স্পষ্টকৈ কোৱা নাই। নাটকখনত ব্যৱহৃত ভাষালৈ লক্ষ্য কৰিলেও সাহিত্যিক প্ৰাকৃত কোনো বিধৰে সবল উপস্থিতি লক্ষ্য কৰা নাযায়। অৱশ্যে নাটকখন ৰচনাত যে, শৌৰসেনী প্ৰাকৃতকে আধাৰ হিচাপে গ্ৰহণ কৰিছে সেই বিষয়ে কোনো সন্দেহ নাই। তদুপৰি মহাৰাষ্ট্ৰী প্ৰাকৃতৰো লক্ষণ দুই এটা নথকা নহয়। কেৱল সেয়ে নহয় সেই সময়ত প্ৰচলিত প্ৰাকৃতৰ পৰৱৰ্তী ৰূপ অপভ্ৰংশ তথা কথ্যৰূপৰ কিছু শব্দৰ মিশ্ৰণো নাটকখনত আছে। এই বিভিন্ন ভাষিক ৰূপৰ মিশ্ৰণেৰে এক কৃত্ৰিম বা মিশ্ৰিত প্ৰাকৃত নিজাকৈ সৃষ্টি কৰি তাকে বহলকৈ 'প্ৰাকৃত' নামকৰণেৰে *কর্পূৰমঞ্জৰী* সৃষ্টি কৰিছিল বুলিব পাৰি। ৰাজশেখৰ যিহেতু এজন সংস্কৃত বিদগ্ধ পণ্ডিত আছিল, গতিকে মধ্যদেশীয় সংস্কৃতানুগত শৌৰসেনীক অৱলম্বন হিচাপে লোৱাটো একো আচৰিত কথা নহয়। অৱশ্যে মান বিশিষ্ট মহাৰাষ্ট্ৰীকো, বিশেষকৈ গীতাংশত বিশেষভাৱে ব্যৱহাৰ কৰিছিল। সি যি কি নহওক, *কর্পূৰমঞ্জৰী*ত ব্যৱহৃত হোৱা শৌৰসেনী আৰু মহাৰাষ্ট্ৰীৰ মিশ্ৰিত ৰূপৰ ভাষিক বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল।

- শৌৰসেনী আৰু মহাৰাষ্ট্ৰী প্ৰাকৃতৰ প্ৰধান পাৰ্থক্য হ'ল — ত, থ, দ, ধ-ৰ ৰূপ পৰিৱৰ্তন। শৌৰসেনীত 'দ' বা 'ধ' কেতিয়াবা থাকে আৰু কেতিয়াবা ত, থ, দ, ধ লৈ পৰিৱৰ্তন হয়। মহাৰাষ্ট্ৰীত 'ত' প্ৰায়ে লোপ পায় বা কেতিয়াবা 'দ' হয়। মহাপ্ৰাণ 'থ' আৰু 'ধ'-ৰ ঠাইত মহাৰাষ্ট্ৰীত প্ৰায়েই 'হ' কাৰ কৰা হয়। *কর্পূৰমঞ্জৰী*ৰ গদ্যত 'ধ'-ৰ ঠাইত মহাৰাষ্ট্ৰীৰ লক্ষণৰ দৰে 'হ' হোৱা দেখা যায়। যেনে 'অচ্চহমো'। গীতত 'ত' কাৰহে লুপ্ত হৈছে, 'দ' কাৰ হোৱা নাই — 'জং জাই খংজি অতুৰং গৰহো দিনেসো'।

- মহাৰাষ্ট্ৰী ক্ষ > চ্ছ আৰু সৌৰসেনীত 'ক্খ' হয়। *কর্পূৰমঞ্জৰীত* এই দুয়ো বৈশিষ্ট্যই দেখিবলৈ পোৱা যায়।
- চতুৰ্থী বিভক্তিৰ প্ৰয়োগ মহাৰাষ্ট্ৰীৰ বাহিৰে অন্য প্ৰাকৃতত দেখা নাযায়। তাৰ ঠাইত ষষ্ঠী বিভক্তিৰহে ব্যৱহাৰ আছে। *কর্পূৰমঞ্জৰীত* শৌৰসেনী ৰূপতো চতুৰ্থী বিভক্তিৰ ব্যৱহাৰ দেখা যায়। যেনে — 'সুহাঅং সংঝা ভোদু দেৱস্স'।
- একেদৰে সপ্তমীৰ একবচনত সংস্কৃতৰ 'স্মিন্' মহাৰাষ্ট্ৰীত '-স্মি' আৰু শৌৰসেনীত '-ম্হি' হোৱা দুয়োটা বৈশিষ্ট্যই নাটকখনত ব্যৱহাৰ হোৱা দেখা যায়।
- কৰ্মবাচ্য গঠনত মহাৰাষ্ট্ৰীত ব্যৱহাৰ হোৱা 'ইজ্জ' আৰু শৌৰসেনীত 'ঈঅ' -এই দুয়োটা ৰূপেই *কর্পূৰমঞ্জৰীত* দেখা যায়। যেনে — সক্খিজ্জত্র, বণ্ণীঅসি।
- নিমিত্তাৰ্থক ক্ৰিয়া গঠনৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰীৰ '-উং' আৰু শৌৰসেনীৰ '-দুং' দুয়োটা ৰূপেই *কর্পূৰমঞ্জৰীত* বৰ্তমান।
- সংস্কৃতৰ 'ইদানীম্' শব্দ মহাৰাষ্ট্ৰীত 'এন্হিং' হয়। শৌৰসেনীত হয় 'দানিং'। মহাৰাষ্ট্ৰী গীত বা কবিতাতহে ব্যৱহাৰ কৰিব লাগে যদিও ৰাজশেখৰে গদ্য-পদ্য উভয়তে ব্যৱহাৰ কৰিছে।

ওপৰত উল্লেখ কৰা বৈশিষ্ট্যবোৰৰ উপৰি অৱহট্ঠ বা লৌকিক অপভ্রংশ আৰু 'দেসী' বুলি খ্যাত কেতবোৰ শব্দও *কর্পূৰমঞ্জৰীত* ৰাজশেখৰে মুক্ত মনে ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে দেখুৱাব পাৰি — লৌকিক অপভ্রংশ — ঘৰ, ঘৰিণী, কুল্ল, বাহিৰা, মহ ইত্যাদি; দেশী — কাউল্লং, কুৰকুৰা, চংগ, চড়দি, চল্লি, চংগিমং, টসৰ, লংগিমং, টপ্পৰ, বক্কৰ, ভুখল্ল, মহল্ল, সিহন, হলবোলো ইত্যাদি।

এইদৰে ভাষাতাত্ত্বিক দৃষ্টিভংগীৰে আলোচনা কৰিলে *কর্পূৰমঞ্জৰী*ৰ প্ৰাকৃতক প্ৰকৃতাৰ্থতে 'মিশ্ৰিত প্ৰাকৃত' বা সাধাৰণভাৱে 'প্ৰাকৃত' বুলিয়ে অভিহিত কৰিব পাৰি। বহুতে আকৌ ইয়াৰ প্ৰাকৃতক 'আৱন্তী' প্ৰাকৃত বুলিও ক'ব খোজে। উল্লেখযোগ্য যে 'আৱন্তী' প্ৰাকৃতত মহাৰাষ্ট্ৰী আৰু শৌৰসেনী উভয়ৰে লক্ষণ বিদ্যমান। অৱশ্যে 'আৱন্তী' প্ৰাকৃত বোলাৰ সপক্ষে যুক্তি শিথিল। কাৰণ তাৰ ঘাই লক্ষণ স্ববৰ্ণ 'উ'-ৰ অভাৱ *কর্পূৰমঞ্জৰীত* লক্ষ্য কৰা যায়।

*কর্পূৰমঞ্জৰী*ৰ ভাষাত শৌৰসেনীৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ সপক্ষে এটা প্ৰধান যুক্তি হ'ল শৌৰসেনী মধ্য দেশৰ প্ৰাকৃত, য'ত সংস্কৃতৰ প্ৰভাৱ আছিল সৰ্বাধিক। কিয়নো মধ্যদেশৰ শূৰসেনেই আছিল সংস্কৃত ভাষা আৰু সাহিত্যৰ কেন্দ্ৰ ভূমি। এইদৰে আলোচনা কৰিলে *কর্পূৰমঞ্জৰী*ৰ ভাষাক সাধাৰণভাৱে 'প্ৰাকৃত' বুলিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *কর্পূৰমঞ্জৰী*ৰ প্ৰাকৃতক 'মিশ্ৰিত প্ৰাকৃত' বুলিব পাৰি নে ?

.....

৯.৬ 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী*

কবিৰাজ ৰাজশেখৰৰ *কর্পূৰমঞ্জৰী* নাটকখনে প্ৰাকৃত নাটক হিচাপে ভাৰতীয় নাট্য সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰিলেও নাট্যকাৰ ৰাজশেখৰে এই খনক নাটক নুবুলি 'সট্টক' বুলিহে অভিহিত কৰিছে। গতিকে 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী*ক বিচাৰ কৰিবলৈ যোৱাৰ আগতে 'সট্টক' নো কি এই বিষয়ে জনাৰ নিশ্চয় প্ৰয়োজন আছে। চতুদৰ্শ শতিকাৰ বিশ্বনাথ কবিৰাজে *সাহিত্য দৰ্পন*ত সট্টকক উপৰূপক হিচাপে ধৰিছে আৰু *কর্পূৰমঞ্জৰী*ক নিদৰ্শন হিচাপে উল্লেখ কৰিছে। তেওঁৰ মতে 'সট্টক'ৰ ভাষা প্ৰাকৃত, অৱশ্যে তাত ***প্ৰৱেশক আৰু বিষ্কম্ভক*** নাথাকে। ইয়াৰ ৰস হ'ব লাগে অদ্ভুত, অংকৰ নাম সেইদৰে জৱনিকা হ'ব লাগে। ইয়াৰ বাহিৰে আনবোৰ লক্ষণ সংস্কৃত নাটিকাৰ অনুৰূপ। দ্বাদশ শতাব্দীৰ শাৰদাতয়নৰ *ভাৰ প্ৰকাশ*ত আছে — 'সট্টকং নাটিকামিদো নৃত্যমেদাত্মকং প্ৰিয়ে।' পুনৰ কোৱা হৈছে যে যি নাটিকাত প্ৰৱেশক আৰু বিষ্কম্ভক নাথাকে, অংকৰ সলনি য'ত চাৰিটা জৱনিকান্তৰ থাকে, ভাষা যাৰ প্ৰাকৃত সিয়ে 'সট্টক'। গতিকে 'সট্টক' যে নাটিকাৰে অনুৰূপ তাত সন্দেহৰ অৱকাশ নাই। সেয়েহে 'সট্টক' জানিবলৈ আকৌ নাটিকাৰ লক্ষণ জনাৰো প্ৰয়োজনীয়তা আহি পৰে। *সাহিত্য দৰ্পন*ত বিশ্বনাথ কবিৰাজে নাটিকাৰ সংজ্ঞা নিৰূপণ কৰি কৈছে যে নাটিকাৰ ঘটনা কবি কল্পিত। ইয়াত নাৰী চৰিত্ৰৰ প্ৰাধান্য অধিক, অংকৰ সংখ্যা হ'ব লাগে চাৰি। নায়কজন খ্যাতনামা ৰজা ; তেওঁ ধীৰ ললিত প্ৰকৃতিৰ হ'ব লাগে। তদুপৰি নৃত্য-গীতত কুশলা ৰাজবংশোদ্ভৱা কন্যাৰ লগত নায়ক ৰজাৰ প্ৰণয় হ'ব লাগে আৰু এই প্ৰণয় শেষত প্ৰধান ৰাজমহিষীৰ সাহায্যত নায়ক-নায়িকাৰ মিলন সম্ভৱপৰ হয়।



প্ৰৱেশক আৰু বিষ্কম্ভক ঃ নাটিকাৰ ই হঁত দুটা সৰু দৃশ্যবিভাগ। 'প্ৰৱেশক' প্ৰথম অংকৰ আৰম্ভণিতে থকাৰ বিপৰীতে বিষ্কম্ভক যি কোনো অংশৰ প্ৰথমতে থাকিব পাৰে।

এইদৰে 'সট্টক' আৰু নাটিকাৰ লক্ষণ সম্পৰ্কে কিছু কথা জানিব পৰা গলেও 'সট্টক'ৰ মূল বা ব্যুৎপত্তিৰ বিষয়ে স্পষ্টকৈ জানিব নোৱাৰি। এই ক্ষেত্ৰত 'সট্টক'ৰ উৎপত্তি সম্পৰ্কত কেইটামান কথা মাথোন অনুমান কৰি ল'ব পৰা যায়। প্ৰথম অনুমান মতে 'নট্ট' শব্দৰ পৰা 'নাটক' হোৱাৰ দৰে সট্ট শব্দৰ পৰা 'সাটক' হৈ পিছলৈ 'সট্টক' হ'ব পাৰে। দ্বিতীয়তে খ্ৰীঃ পূঃ ২০০০-অৰ বাৰহুত অনুশাসনত উল্লেখ থকা 'সাডিক' নামৰ লোকনৃত্যানুষ্ঠানৰ ওপৰত ভিত্তি কৰিও ৰাজশেখৰে 'সট্টক' জাতীয় ৰচনাৰ প্ৰচলন কৰিব পাৰে। তৃতীয়তে 'সট্টক' শব্দটো দ্ৰাবিড় মূলৰ পৰাও আহিব পাৰে। বিশেষকৈ দ্ৰাবিড়ীয় 'সট্টম-ৰূঅম' বা তাৰ সংক্ষিপ্ত ৰূপ 'সট্টম' শব্দৰ লগত এই সট্টকৰ কিবা প্ৰকাৰে মিল থাকিব পাৰে বুলি ড° এন. এন. উপাধ্যায়ে অধ্যাপক এন. জি. ছুৰুৰে সম্পাদনা কৰি প্ৰকাশ কৰা *কর্পূৰমঞ্জৰী*নাটকখনৰ পাতনিত উল্লেখ কৰিছে। তাৎপৰ্যপূৰ্ণ এয়ে যে, উপাধ্যায়ে অনুমান কৰাৰ দৰে *কর্পূৰমঞ্জৰী*ৰ নৃত্যসমূহৰ নাম আৰু নৃত্যৰ ধৰণ-কৰণৰ পৰা এইটো অনুমান কৰিব পাৰি যে 'সট্টক' শব্দ নিশ্চয় দেশী বা দ্ৰাবিড়ীয় মূলৰ পৰাহে গঠিত, সংস্কৃত মূলৰ নহয়। এইদৰে বিশ্লেষণ কৰি চালে সাদৃশ্যগতভাৱে উৎপত্তিতকৈ 'সাডিক'ৰ ৰূপান্তৰ 'সট্টঅ' অথবা দ্ৰাবিড়ীমূলীয় 'সট্টম'-ৰ পৰা 'সট্টক' হ'ব পাৰে বুলি অনুমান কৰাৰ থল আছে।

ৰাজশেখৰৰ *কর্পূৰমঞ্জৰী* এখন সম্পূৰ্ণ অৰ্থতেই 'সট্টক'। ৰাজশেখৰে নিজেও প্ৰস্তাৱনাত পাৰিপাৰ্শ্বিক আৰু স্থাপকৰ কথোপকথনৰ জৰিয়তে বৰ চাতুৰ্যৰে 'সট্টক'ৰ সংজ্ঞা প্ৰদান কৰিছে।

স্থাপকৰ প্ৰশ্নৰ উত্তৰত পাৰিপাৰ্শ্বিকে হৈছে —

সো সট্টও ত্তি ভণ্ণই দূৰং জো ণাডিআই অণুহৰই।
কিং উন পৰেসঅ বিক্ খংভকাইং ণ কেৱলং দীসন্তি।।

— অৰ্থাৎ তাকেই সট্টক বুলি কোৱা হয় যি বহুল পৰিমাণে নাটিকাক অনুসৰণ কৰে; কেৱল তাত প্ৰৱেশক আৰু বিষ্কম্ভক নাথাকে। এই সূত্ৰটি ৰাজশেখৰে তেওঁৰ *কর্পূৰমঞ্জৰী*ত আখৰে আখৰে পালন কৰিছে। নাটিকাৰ দৰেই ইয়াৰ কাহিনী ভাগ কৰিৰ কল্পনাপ্ৰসূত। নাৰী চৰিত্ৰৰ প্ৰাধান্য ইয়াতো বৰ্তমান। কেৱল সেয়ে নহয় ইয়াত স্ত্ৰী চৰিত্ৰক মৰ্যাদাও দিয়া হৈছে অধিক। অংকৰ পৰিৱৰ্তে জৱনিকাও আছে চাৰিটা। ভৈৰৱানন্দৰ কাৰ্যৰ যোগেদি অদ্ভুত ৰসৰ সঞ্চাৰ কৰা হৈছে। শেষত ৰাজ মহিষীৰ উদ্যোগত নায়ক ৰজা আৰু নায়িকা ৰাজকুমাৰীৰ মিলন ঘটিছে। তদুপৰি কঠোৰ সংস্কৃত পৰিহাৰ কৰি ৰজাৰ পৰা প্ৰতিহাৰীজনলৈ সমগ্ৰ চৰিত্ৰৰ মুখতে সুকোমল প্ৰাকৃত প্ৰয়োগ কৰিছে। এইদৰে বিচাৰ কৰি চালে *কর্পূৰমঞ্জৰী*ক এখন উৎকৃষ্ট 'সট্টক'ৰ উদাহৰণ বুলি আখ্যা দিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ প্ৰৱেশক আৰু বিষ্কম্ভক কি?

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজশেখৰেই পূৰ্ণাঙ্গভাৱে পোন প্ৰথমবাৰৰ বাবে প্ৰাকৃত ভাষাৰ মাধ্যমত নাটক ৰচনা কৰাৰ পৰম্পৰা সূচনা কৰাৰ লগতে 'সট্টক' নামৰ এক নব্য নাট্য শ্ৰেণীৰো আৰম্ভ কৰে। এই দুটা বিশেষত্বৰ বাবে নাট্যকাৰ ৰাজশেখৰ নিশ্চয় চিৰকাল অমৰ হৈ ৰ'ব। সামগ্ৰিকভাৱে ক'ব পাৰি এই আলোচনাৰে আপুনি প্ৰাকৃত নাটকৰ থূলমূল ইতিহাস সম্পৰ্কে জ্ঞান লাভ কৰিলে।
- কবিৰাজ ৰাজশেখৰৰ জীৱন তথা আৰ্বিভাৱ সম্পৰ্কে যিখিনি তথ্য পোৱা গৈছে সেইখিনি অমাৱশ্যাৰ দৰে অন্ধকাৰ নহ'লেও দিনৰ পোহৰৰ দৰে ফৰকালো নহয়। দৰাচলতে তেওঁৰ বিষয়ে যিমানখিনি তথ্য পোৱা যায় সেয়াও তেওঁৰ ৰচনাৱলীৰ মাজতে উল্লেখ কৰা বক্তব্যহে। এয়া যিকোনো এগৰাকী ভাৰতীয় প্ৰাচীন লেখকৰ ক্ষেত্ৰতে প্ৰযোজ্য। অধ্যায়টোত কবিৰাজ ৰাজশেখৰে তেওঁৰ কৃতিসমূহৰ মাজত উদ্ভাসিক কৰা জীৱন সম্পৰ্কে আলোকপাত কৰাৰ উপৰি তেওঁৰ কৃতি সম্পৰ্কে বিস্তৃতভাৱে জানিব পাৰিলে।
- *কর্পূৰমঞ্জৰী*ৰ নাটকখনিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ল। এই নাটকখনৰ আধাৰ

প্ৰাকৃত যে শৌৰসেনী সেই বিষয়ে জনাৰ লগতে মহাৰাষ্ট্ৰীৰ উপাদানো যে নাটকখনিত দেখিবলৈ পোৱা গৈছে সেই বিষয়ে জানিব পাৰিলে।

- 'সট্টক' নো কি এই সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে *কর্পূৰমঞ্জৰী*ক সট্টক হিচাপে বিচাৰ কৰি চাব পাৰিলে।



৯.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৭) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৮) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

৯) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১০) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.

১১) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press.



৯.৯ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ মহাৰাষ্ট্ৰৰ বিদর্ভৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ *বালৰামায়ণ*।

৪ নং প্রশ্নৰ উত্তৰ ঃ পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত নাটিকাৰ সৰু দুটি দৃশ্য বিভাগ।



৯.১০ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ৰাজশেখৰে লিখা *বালৰামায়ণ*খন কি?

খ) *কর্পূৰমঞ্জৰী*ত ব্যৱহাৰ কৰা অৱহট্‌ঠ বা লৌকিক অপভ্রংশ আৰু 'দেসী' ভাষাৰ দুটাকৈ শব্দ উল্লেখ কৰক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) পূৰ্বতে ৰাজ পৃষ্ঠপোষকতা অবিহনে এখন নাটক মঞ্চস্থ কৰাটো দুৰূহ কার্য আছিল।

খ) *বিদূশালভঞ্জিকা* এখন সাতটা অংকৰ নাটিকা।

গ) শৌৰসেনী আৰু মহাৰাষ্ট্ৰী প্রাকৃতৰ প্রধান পার্থক্য হ'ল — ত, থ, দ, ধ-ৰ ৰূপ পৰিৱর্তন।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ *কর্পূৰমঞ্জৰী*ৰ এটি পৰিচয়জ্ঞাপক টোকা লিখক।

প্রশ্ন ২ ঃ 'সট্টক' কাক বোলে। *কর্পূৰমঞ্জৰী* সট্টক হয় নে বিচাৰ কৰক।

প্রশ্ন ৩ ঃ পূৰ্বতে কিয় প্রাকৃত ভাষাত নাটক ৰচনা কৰা হোৱা নাছিল? কাৰণ দর্শাওক।

প্রশ্ন ৪ ঃ চমুটোকা লিখক —

ৰাজশেখৰ, সট্টক, *কাব্য-মীমাংসা, দশকুমাৰ চৰিত*, শৌৰসেনী প্রাকৃত।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রথম প্রাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰীক* বিচাৰ কৰক ।

প্রশ্ন ২ ঃ ৰাজশেখৰৰ জীৱন আৰু কৃতি সম্পর্কে এটি নাটি-দীর্ঘ টোকা লিখক।

প্রশ্ন ৩ ঃ "*কর্পূৰমঞ্জৰীৰ* ভাষা শৌৰসেনী আৰু মহাৰাষ্ট্রী প্রাকৃতৰ এক মিশ্রিত ৰূপ" — আলোচনা কৰক।

প্রশ্ন ৪ ঃ *কর্পূৰমঞ্জৰীৰ* ভাষাক মিশ্রিত 'মিশ্রিত প্রাকৃত' আখ্যা দিব পাৰিনে—আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰীক* বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১০ঃ *কর্পূৰমঞ্জৰী* — ২

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ *কর্পূৰমঞ্জৰী*ৰ কাহিনী আৰু কাহিনীৰ উৎস
১০.৪ চৰিত্ৰ-চিত্ৰণ
১০.৫ *কর্পূৰমঞ্জৰী*ৰ মূল পাঠ আৰু অসমীয়া অনুবাদ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্ৰগতিৰ খতিয়ান
১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *কর্পূৰমঞ্জৰী* নাটকখনৰ কাহিনী আৰু কাহিনীৰ উৎস সম্পৰ্কে জানিব পাৰিব
- *কর্পূৰমঞ্জৰী*ৰ নাটকখনৰ চৰিত্ৰ চিত্ৰণৰ বিষয়ে অৱগত হ'ব
- পাঠ্যবিষয়ত অন্তৰ্গত *কর্পূৰমঞ্জৰী*ৰ মূল পাঠ আৰু তাৰ অসমীয়া অনুবাদ সম্পৰ্কে জ্ঞাত হ'ব।

১০.২ পৰিচয়

পূৰ্বৱৰ্তী অধ্যায়টোত আপুনি প্ৰথম প্ৰাকৃত নাটক হিচাপে *কর্পূৰমঞ্জৰী,* ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ কাল আৰু তেওঁ ৰচনাৱলী, *কর্পূৰমঞ্জৰী*ত ব্যৱহৃত প্ৰাকৃত আৰু তাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য, 'সট্টক' হিচাপে *কর্পূৰমঞ্জৰী* — আদি দিশসমূহৰ লগত পৰিচিত হ'ল। এতিয়া এইটো অধ্যায়ত আমি আমাৰ পাঠ্যবিষয়ৰ বাবে নাটকখনৰ পৰা নিৰ্দ্ধাৰণ কৰি দিয়া অংশটোৰ বিষয়ে অধ্যয়ন কৰিম।

আমাৰ পাঠ্যবিষয়ত এইখন নাটকৰ 'প্ৰথম জৱনিকান্তৰম্'ৰ প্ৰথমৰ ২০ টা শ্লোক অন্তৰ্ভুক্ত কৰা হৈছে। অধ্যায়টোত এই ২০ টা শ্লোকৰ মূল পাঠৰ লগতে অসমীয়া অনুবাদ সন্নিৱিষ্ট কৰা হৈছে যদিও সম্পূৰ্ণ নাটকখনৰে এটি সামগ্ৰিক আলোচনা দাঙি ধৰিবলৈও যত্ন কৰা হৈছে। তাৰ জৰিয়তে আপুনি নাটকখনৰ বিষয়বস্তু সম্পৰ্কে অৱগত হ'ব লগতে নাটকখনত কেনেদৰে চৰিত্ৰচিত্ৰণ কৰিছে সেয়াও চমুকৈ আলোচনা কৰা হৈছে।

১০.৩ *কর্পূৰমঞ্জৰীৰ* কাহিনী আৰু কাহিনীৰ উৎস

কর্পূৰমঞ্জৰীৰ কাহিনী প্রেমমূলক। মূল চাৰিটা 'জৱনিকা'ৰ মাজেৰে নাট্যকাৰে প্রেমৰ কাহিনীটো মিলনান্তক পৰিসমাপ্তি ঘটাইছে। তাকে কৰিবলৈ যাওতে নাট্যকাৰ ৰাজশেখৰে নাটকীয় সংঘাত সৃষ্টিৰ বিপৰীতে অধিক মনোনিৱেশ কৰিছে নায়ক-নায়িকাৰ প্রথম দর্শনতে ওপজা প্রেমানুভূতি আৰু দেহজ সৌন্দর্য তথা ৰূপ-লাৱন্যৰ কাব্যোপম বর্ণনাতহে। তলত জৱনিকা অনুক্রমে *কর্পূৰমঞ্জৰীৰ* কাহিনীটো চমুকৈ বর্ণনা কৰা হ'ল—

প্রথম 'জৱনিকা'ত বসন্ত ঋতুৰ আগমনত ৰজা চণ্ডপালে, তেওঁৰ ৰাণী বিভ্রমলেখা, বিদূষক কপিঞ্জল আৰু পৰিচাৰিকা বিচক্ষণা সহিতে ৰাজপ্রাসাদত বহি আছে। ৰজা-ৰাণীয়ে বসন্তকালীন প্রীতি সম্ভাষণ পৰস্পৰে পৰস্পৰক নিৱেদন কৰিছে। বিচক্ষণা আৰু বিদূষক দুয়োজনৰ মাজত কবিতাৰ প্রতিযোগিতা আৰম্ভ হয়। কিন্তু বিদূষক কপিঞ্জল বিচক্ষণাৰ কবিত্ব শক্তিৰ ওচৰত পৰাজয় বৰণ কৰে আৰু নিজকে অপমানিত বোধ কৰি ৰাজসভা এৰি গুচি যায় যদিও তৎমুহূর্ততে সিদ্ধপুৰুষ ভৈৰৱানন্দক লগত লৈ ৰাজপ্রাসাদ পায়হি। সাধাৰণ ক্ষমতা সম্পন্ন যোগীশ্বৰ ভৈৰৱানন্দৰ এই জগতত অসাধ্য কার্য একো নাই। ৰজা চণ্ডপালে ভৈৰৱানন্দক অনুৰোধ জনালে যে বিদর্ভ ৰাজ কন্যা কর্পূৰমঞ্জৰীক তেওঁৰ অলৌকিক শক্তিৰে তেওঁৰ (ৰজাৰ) আগত উপস্থিত কৰাবলৈ। কথা মতেই ভৈৰৱানন্দই কর্পূৰমঞ্জৰীক স্নানাসিক্তা অৱস্থাতেই ৰজাৰ আগত উপস্থিত কৰালে। প্রথম দর্শনতে দুয়োৰে পূর্বৰাগ জন্মিল। ইয়াৰ পিছত খৱৰ পোৱা গ'ল *কর্পূৰমঞ্জৰী* ৰাণীৰ মহীয়েকৰ ভণী। বিভ্রমলেখাৰ আনন্দত মন নাচি উঠিল আৰু ভনীয়েকক তাত দুদিনমান ৰাখিবলৈ ভৈৰৱানন্দৰ অনুমতি বিচাৰিলে। এই খিনি কথাই কর্পূৰমঞ্জৰীৰ প্রথম জৱনিকা আগুৰি আছে।

দ্বিতীয় জৱনিকাত চণ্ডপাল আৰু কর্পূৰমঞ্জৰীৰ পূর্বৰাগৰ পোৰণি ক্রমে বৃদ্ধি পাবলৈ ধৰে। তেনেতে কর্পূৰমঞ্জৰীয়ে বিৰহ যন্ত্রণাৰ ইঙ্গিতেৰে কেতেকী ফুলৰ পাপৰিত এখন প্রেমপত্র লিখি বিচক্ষণাৰ হাতত ৰজালৈ পঠিয়াই দিয়ে। পত্র পোৱাৰ পিছতে ৰজাৰ মন দুগুনে উদ্‌বাউল হ'ল। তেনেতে ৰাণীৰ কথা মতে দৌল-চতুর্থী উপলক্ষে কর্পূৰমঞ্জৰীয়ে দোলন খেলে আৰু কুৰবক, তিলক আৰু অশোক গছক দোহদ দান কৰি বিকশিত কৰি তোলে। এই কার্য ৰজাই নিজে প্রত্যক্ষ কৰি অভিভূত হৈ পৰে আৰু কর্পূৰমঞ্জৰীৰ প্রতি তীব্র আকর্ষণ অনুভৱ কৰে আৰু তেওঁক পত্নীৰূপে পাবৰ কাৰণে বিদূষক আৰু বিচক্ষণাৰ সহায়ত আঁচনি কৰে।

তৃতীয় জৱনিকাত ৰাণীয়ে কর্পূৰমঞ্জৰীৰ বাবে ৰক্ষা-গৃহ সজায়। কিন্তু বিৰহকাতৰ ৰজা চণ্ডপালে বিদূষকৰ সৈতে আৰু কর্পূৰমঞ্জৰীয়ে পৰিচাৰিকা কুৰংগিকাৰ সৈতে ৰক্ষা-গৃহৰ পৰা গোপনে সুৰংগ পথেদি আহি প্রমোদ উদ্যানত মিলিত হয়। ইফালে ৰখীয়াৰ মাজত হৈ চৈ লাগিল যে কর্পূৰমঞ্জৰী ৰক্ষা-গৃহত নাই। এই কথা গম পাই পুনৰ সুৰংগ পথেদি গৈ কর্পূৰমঞ্জৰী সংগোপনে ৰক্ষা-গৃহ পালেহি।

চতুর্থ জৱনিকাত ৰজাৰ প্রিয়া-মিলনৰ তীব্র আকাঙ্খা আৰু শেষত মিলন দেখুওৱা হৈছে।

কর্পূৰমঞ্জৰীৰ ৰক্ষা-গৃহত ইতিমধ্যে পালি-পহৰীয়াৰ সংখ্যা বৃদ্ধি কৰা হৈছে। এনেতে 'বটসাৱিত্রী' ব্রত পালেহি। সেই উপলক্ষে ৰাণীয়ে অনেক সুন্দৰী গোটাই এটি লোকনৃত্যৰ আয়োজন কৰিলে। ৰাণীয়ে ৰজালৈ খৱৰ পঠিয়ালে যে, সেই নৃত্যানুষ্ঠান তেওঁ ৰজপ্রাসাদৰ চূড়াৰ পৰা উপভোগ কৰিব পাৰিব। ইফালে বিদূষকে সহায় বিচাৰি যোগীশ্বৰ ভৈৰৱানন্দৰ কাষ চাপিল। ভৈৰৱানন্দই বিদূষকক আশ্বাস দিলে। ৰাণীৰো যোগীশ্বৰৰ ওপৰত অগাধ বিশ্বাস আৰু তেওঁৰ প্রতি অশেষ শ্রদ্ধা। আগতে চতুর্দ্দশী তিথিত ভৈৰৱানন্দৰ হতু�ৱাই পার্বতীৰ যি পদ্মৰাগ মণিৰ মূর্তি প্রতিষ্ঠা কৰাইছিল, সেই উপলক্ষে গুৰু দক্ষিনা দিব খোজাত ভৈৰৱানন্দই লাট দেশৰ ৰজা চণ্ডসেনৰ কন্যা ঘনসাৰ মঞ্জৰীৰ লগত ৰজাৰ বিবাহ হ'লেই গুৰু দক্ষিনা দিয়া হ'ব বুলি কৈছিল আৰু তেতিয়া হ'লে ৰজাৰো ৰাজ-চক্রৱর্তী পদ লাভ হ'ব। ৰানীয়ে তাত সন্মতি জনালে। সেইদিনাই বিবাহৰ আয়োজন হ'ল। যোগীশ্বৰৰ নির্দেশত নিমিষতে এটি চামুণ্ডা মন্দিৰ প্রতিষ্ঠা হ'ল। সেই মন্দিৰৰ পৰা ৰক্ষা-গৃহলৈ গোপন সুৰঙ্গ পথেৰে যোগাযোগৰ ব্যৱস্থা কৰা হ'ল। ৰাণীয়ে মন্দিৰলৈ আহি দেখে কন্যা দেখোন কর্পূৰমঞ্জৰী। সন্দেহত ৰক্ষা-গৃহলৈ গৈয়ো চালে। তাতো দেখোন কর্পূৰমঞ্জৰী। তাৰ পিছত ঘনসাৰ মঞ্জৰীৰ লগত বিদূষকে ৰজাৰ লগুন গাঁঠি বান্ধি দিলে। লগে লগে বিবাহ কার্যও সম্পন্ন হ'ল। শেষত ভৈৰৱানন্দই নামৰ ভেদভাঙি দিলে— 'ঘনসাৰ' মানে কর্পূৰ; ঘনসাৰ মঞ্জৰী কর্পূৰমঞ্জৰীৰ নামান্তৰ মাথোন। এই মিলনান্ত কাহিনীৰে সট্টকখনিয়ে সামৰণি লাভ কৰিছে।

*কর্পূৰমঞ্জৰী*ৰ উৎস হিচাপে ৰাজশেখৰৰ পূর্বৱর্তী সপ্তম শতাব্দীৰ শ্রীহর্ষৰ *ৰত্নাৱলী* নামৰ সুবিখ্যাত চাৰি অংকৰ নাটিকাখন বুলি অনুমান কৰিব পাৰি। কাৰণ সেইখনিৰ কাহিনী আৰু ঘটনা বিন্যাস এই নাটকৰ সর্বত্র অনুভূত হয়। অৱশ্যে ৰাজশেখৰৰ মৌলিক প্রতিভাৰ কাৰণে কাহিনী আৰু ঘটনা বিন্যাসে নিজস্বতা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি ক্ষেমেন্দ্রৰ *বৃহৎ কথামঞ্জৰীত* 'কর্পূৰমঞ্জৰী'ৰ নামটি পোৱা যায়। আকৌ সোমদেৱে *কথা-সৰিৎসাগৱতো* কর্পূৰিকা নামটি ব্যৱহাৰ কৰিছে। কিন্তু এই দুখন গ্রন্থত কর্পূৰমঞ্জৰী নামটিৰ উল্লেখ পোৱা যায় যদিও নাটকখনিৰ উৎস হিচাপে আঙুলিয়াব নোৱাৰি। ইয়াৰ বিপৰীতে দণ্ডীকৃত *দশকুমাৰ চৰিত*ৰ প্রভাৱ *কর্পূৰমঞ্জৰীত* বহু পৰিমাণে পৰিলক্ষিত হোৱা দেখা যায়। তাৰ বিদ্যেশ্বৰ চৰিত্রৰ অনুৰূপে ভৈৰৱানন্দ চৰিত্রটিৰ গঢ় লৈছে বুলি অনুমান কৰিব পাৰি। *দশকুমাৰ চৰিত*ৰ নায়ক ৰাজ বাহনৰ কাহিনীত থকা অলৌকিক ইন্দ্রজালিক কার্যাৱলীৰ আদর্শতে ৰাজশেখৰে তেওঁ সট্টকখনি ৰচনা কৰাটো সম্ভৱ, অৱশ্যে ঘটনা বিন্যাসৰ ফালৰ পৰা চালে *ৰত্নাৱলীৰ* প্রভাৱ *দশকুমাৰ চৰিত*তকৈ প্রচুৰ।

*দশকুমাৰ চৰিত*ৰ সংক্ষিপ্ত কাহিনী এনে ধৰণৰ— উজ্জয়িনীৰ ৰাজকুমাৰ ৰাজবাহনে তেওঁৰ সখি পুষ্পোদ্ভৱৰ সৈতে বিসন্নবদনে প্রমোদ উদ্যানত বহি থকা সময়তে এজন ব্রাহ্মণ তেওঁৰ সহচৰ সহিতে তেওঁলোকৰ সমুখত আহি উপস্থিত হ'ল আৰু নিজৰ পৰিচয়ৰ লগতে ইন্দ্রজাল বিদ্যাত যে তেওঁ পার্গত সেই কথা ৰাজবাহনৰ আগত ব্যক্ত কৰিলে। লগতে তেওঁ ৰাজবাহনক বিষন্ন হৈ থকাৰ কাৰণ সুধিলে। ইয়াৰ উত্তৰ পুষ্পোদ্ভৱেই দিলে যে, বসন্ত উৎসৱত এই উদ্যানতে উজ্জয়িনীৰ ৰাজকুমাৰৰ সৈতে মালৱ ৰাজকুমাৰীৰ সাক্ষাৎ হয়। প্রথম দর্শনতে দুইজনৰ

মনত প্ৰেম ভাব উদয় হয় আৰু তেতিয়াৰ পৰাই ৰাজকুমাৰৰ মন বিৰহৰ অগনিত দগ্ধ। কথা শুনি ব্ৰাহ্মণ বিদ্যেশ্বৰে তেওঁৰ ইন্দ্ৰজাল বিদ্যাৰ সহায়ত মালৱৰাজক বিমোহিত কৰি তেওঁৰ কন্যা অৱন্তী সুন্দৰীৰ সৈতে ৰাজবাহনৰ বিবাহ সম্পন্ন কৰাব বুলি প্ৰতিশ্ৰুতি আদায় কৰিলে। ইতিমধ্যে ৰালচন্দ্ৰিকা নামক তৰুণীৰ যোগে কুমাৰে অৱন্তী সুন্দৰীলৈ সংগোপনে বাৰ্তা প্ৰেৰণ কৰিলে।

ইয়াৰ কিছুদিন পিছতে বিদ্যেশ্বৰ অনুচৰসহ মালৱৰাজৰ ৰাজপ্ৰাসাদত উপস্থিত হ'ল আৰু নিজৰ ক্ষমতা ৰজাৰ লগত দেখুৱালে, ৰজাও সম্মোহিত হ'ল। অৱশেষত কৌশলগতভাৱে তেওঁৰ ইন্দ্ৰজালৰ প্ৰভাৱত মালৱ ৰজাৰ কন্যা অৱন্তী সুন্দৰীৰ অনুৰূপ এক কন্যাৰ লগত এজন সৰ্বগুণাকৰ ৰাজকুমাৰৰ বিবাহ হ'ব বুলি ব্যক্ত কৰিলে। ৰজাই সেই কথাত সন্মতি প্ৰদান কৰাত ৰাজকুমাৰ আৰু অৱন্তী সুন্দৰীৰ মিলন হ'ল। মালৱৰজাই এই সমস্ত দৃশ্য দেখি চমৎকৃত হ'ল আৰু বিদ্যেশ্বৰক অনেক ধন-সম্পতি উপহাৰ হিচাপে আগবঢ়ালে।

কাহিনীটোলৈ লক্ষ্য কৰিলে *কর্পূৰমঞ্জৰী*ৰ ভৈৰৱানন্দৰ কার্যকলাপ আৰু *দশকুমাৰ চৰিত*ৰ ইন্দ্ৰজালিক বিদ্যেশ্বৰৰ কার্যকলাপৰ বাহিৰে আন একোটে মিল দেখা নাযায়। গতিকে *দশকুমাৰ চৰিত কর্পূৰমঞ্জৰী*ৰ উৎসৰ সপক্ষে মত পোষণ কৰিব পৰা নাযায়।

এই পিনৰ পৰা শ্ৰীহর্ষৰ *ৰত্নাৱলী*ৰ প্ৰভাৱ অধিক গাঢ় বুলিয়ে ক'ব পাৰি। *ৰত্নাৱলী*ৰ কাহিনীটোলৈ লক্ষ্য কৰিলেই ইয়াৰ স্পষ্ট উমান পোৱা যায়। *ৰত্নাৱলী*ৰ কাহিনীটো এনেধৰণৰ— জ্যোতিষীৰ ভৱিষ্যৎ বাণী মতে সিংহল ৰাজকন্যাক যিয়ে বিবাহ কৰাব তেৱেঁই সার্বভৌম ৰজা হ'ব। এই কথা জানিব পাৰি বৎসৰাজৰ মন্ত্ৰী যৌগন্ধনাৰায়ণে উদয়নৰ বাবে ৰত্নাৱলীক বিচাৰিলে। কিন্তু সিংহলৰাজ বিক্ৰমবাহুৱে উদয়নৰ পত্নী বাসৱদত্তা তেওঁৰ আত্মীয় হেতু সেই প্ৰস্তাৱ মানি নল'লে। যৌগন্ধনাৰায়ণে কিন্তু ৰত্নাৱলীক যি কোনো প্ৰকাৰে উদয়নৰ বাবে বিয়া কৰাই নিয়াৰ চেষ্টাত থাকিল। সেয়ে বুদ্ধি এটা কৰি প্ৰচাৰ কৰিলে যে বাসৱদত্তাৰ জুইত পৰি মৃত্যু ঘটিছে। এইবাৰ সিংহলৰাজে প্ৰস্তাৱ মানি লৈ উদয়নলৈ ৰত্নাৱলীক পঠিয়াই দিলে। কিন্তু সাগৰ যাত্ৰাত নাও বিধবস্ত হোৱাত এগৰাকী বনিকে ৰত্নাৱলীক উদ্ধাৰ কৰি যৌগন্ধনাৰায়ণৰ হাতত অর্পণ কৰিলে আৰু ৰত্নাৱলীক সাগৰৰ পৰা উদ্ধাৰ হোৱা বাবে প্ৰকৃত পৰিচয় লুকুৱাই সাগৰিকা নাম দি ৰাণীৰ লিগিৰী হিচাপে ৰাজ অন্তেষপুৰত ৰাখিলে। কিন্তু সাগৰিকা অত্যন্ত ৰূপৱতী হোৱা বাবে বাসৱদত্তাই ৰজাৰ চকুত নপৰাকৈ ৰাখে যদিও মদন মহোৎসৱত ৰজা আৰু ৰত্নাৱলীৰ দেখা দেখি। প্ৰথম দর্শনতে দুয়ো পৰস্পৰে পৰস্পৰৰ প্ৰতি আকর্ষিত হয় আৰু তাই বৈতালিকৰ কণ্ঠত উদয়নৰ নাম শুনি বিস্মিত হয় লগতে ৰজাৰ প্ৰতি অধিক আকর্ষণ অনুভৱ কৰে। এই আকর্ষণে ক্ৰমে অধিক গাঢ় ৰূপ লাভ কৰে। এদিন কদলী গৃহত দুয়োৰে দেখা-দেখি হয় আৰু দুয়োৰে মন ৰোমাঞ্চিত হৈ পৰে। কিন্তু এই দৃষ্টি বেছি সময় স্থায়ী হ'বলৈ নাপালে। কথা গৈ বাসৱদত্তাৰ কাণত পৰিল আৰু ৰাণী অভিমানী হৈ পৰিল। এইবাৰ সাগৰিকাৰ সখী সুসংগতাই অভিসন্ধি কৰি প্ৰেমিক-প্ৰেমিকাক গোপন মিলনৰ চেষ্টা কৰিলে; সাগৰিকাক বাসৱদত্তাৰ বেশত মাধৱীলতাৰ মণ্ডপলৈ লৈ যাব, ৰজাৰ লগত মিলনৰ উদ্দেশ্য। এই সংকেত বাসৱদত্তাৰ পৰিচাৰিকা কাঞ্চনমালাৰ কাণত পৰাত সকলো খেলিমেলি হৈ পৰিল। ৰজাই সাগৰিকা বুলি ৰাণীকে প্ৰেম নিবেদন কৰি ধৰা

পৰিল, ৰাণী ৰুষ্ট হ'ল দুগুন। কিন্তু সময়ত সাগৰিকা সেই ঠাইত উপস্থিত হ'ল যদিও ৰজাৰ সহাঁৰি নাপালো বুলি ভাবি মাধৱীলতাৰে ডিঙিত ফাঁচি ললে। এই কথা বিদূষকৰ মুখে ৰজাই গম পাই ডিঙিৰ ফাঁচ গুচাওতেহে ধৰা পৰিল যে সেইজনীয়েহে প্ৰকৃত সাগৰিকা। আদৰেৰে সাগৰিকাক আলিংগন কৰিলে যদিও তৎমুহূৰ্ত্বতে বাসৱদত্তাই সাগৰিকাক বন্দী কৰি পেলালে। সাগৰিকা ৰাজ অন্তেষপুৰত অৱৰুদ্ধা হ'ল। এনে সময়ত 'সম্ভৰাসিদ্ধি' নামৰ এজন ইন্দ্ৰজালিক আহি ইন্দ্ৰজাল প্ৰদৰ্শনেৰে অন্তেষপুৰ জুইৰে ঢাকি পেলালে। তেতিয়া অৱৰুদ্ধা সাগৰিকাক উদ্ধাৰ কৰিবলৈ বাসৱদত্তাই ৰজাক অনুনয় বিনয় কৰিলে। লগে লগে জুই নুমাই গ'ল। এনেতে সিংহল ৰজাৰ মন্ত্ৰী তাত উপস্থিত হ'ল আৰু সাগৰিকাৰ প্ৰকৃত পৰিচয় দাঙি ধৰিলে। মন্ত্ৰী যৌগন্ধনাৰায়ণে ইন্দ্ৰজালৰ ষড়যন্ত্ৰ প্ৰকাশ কৰে। সাগৰিকাৰ ৰহস্য ভেদ হোৱাৰ পিছত বাসৱদত্তাই 'ভনী' বুলি ৰত্নাৱলীক সাৱটি ধৰে আৰু নিজে উদয়নৰ হাতত ৰত্নাৱলীক অর্পণ কৰে। ইয়াতেই নাটিকাখনিৰ পৰিসমাপ্তি ঘটিছে।

*ৰত্নাৱলী*ৰ কাহিনী আৰু *কর্পূৰমঞ্জৰী* কাহিনী দুটা তুলনা কৰি চালে একাধিক অংশত সাদৃশ্য চকুত পৰে। যেনে বাসৱদত্তাৰ সমুখত ৰত্নাৱলীক সাগৰিকা বুলি পৰিচয় দিয়াৰ দৰে কর্পূৰ মঞ্জৰীকো ঘনসাৰ মঞ্জৰী বুলি বিভ্ৰমলেসাৰ আগত ভ্ৰান্ত কৰা হৈছে। দ্বিতীয়তে, ৰত্নাৱলীক বিয়া কৰোৱা জন সার্বভৌম ৰজা হোৱাৰ বিপৰীতে কর্পূৰমঞ্জৰী কোনো ৰাজচক্ৰৱর্তীৰ গৃহিনী। তৃতীয়তে, দুয়ো গৰাকী নায়িকাই সম্বন্ধত ৰানীৰ ভনীয়েক। চতুর্থতে, ৰত্নাৱলীৰ দৰে ৰজাৰ প্ৰণয়ৰ বাবে কর্পূৰমঞ্জৰীও ৰাজগৃহত অৱৰুদ্ধা হৈছিল। পঞ্চমতে সম্ভৰসিদ্ধি আৰু ভৈৰৱানন্দ একেই ইন্দ্ৰজালিক পুৰুষ যিয়ে নায়ক-নায়িকাৰ মিলন সম্ভৱ কৰি তুলিছে। ষষ্ঠতে, দুয়োখনতে ৰাজমহিষীৰ উদ্যোগতে বিবাহ কার্য সম্পন্ন হৈছে। সপ্তমতে নাটকীয় লক্ষণৰ ফালৰ পৰাও দুয়োখনেই চাৰি অংকযুক্ত। কেৱল *কর্পূৰমঞ্জৰী*ক লোকনৃত্যৰ সংযোজনেৰে 'সট্টক' নাম দিয়া হৈছে। এইদৰে বিচাৰ কৰিলে *দশকুমাৰ চৰিত*তকৈ *ৰত্নাৱলী*ৰ প্ৰভাৱ *কর্পূৰমঞ্জৰী*ত অধিকভাৱে পৰিছিল বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *কর্পূৰমঞ্জৰী* নাটকখন কেইটা 'জৱনিকা'ত বিভক্ত ?

.....

প্ৰশ্ন নং ২ ঃ *কর্পূৰমঞ্জৰী*ৰ উৎস কি ?

.....

১০.৪ চৰিত্ৰ-চিত্ৰণ

কর্পূৰমঞ্জৰী নাটকত চৰিত্ৰ-চিত্ৰণ বুলি ক'লে নায়ক চণ্ডপাল, নায়িকা কর্পূৰমঞ্জৰী, ৰাজপটমহষী বিভ্ৰমলেখা, বিচক্ষণা, বিদূষক, কপিঞ্জল আৰু সিদ্ধপুৰুষ ভৈৰৱানন্দ এই কেইটা চৰিত্ৰই আমাৰ মনলৈ আহে।

নায়ক চণ্ডপাল চন্দ্ৰৰ দৰেই নিৰ্মল এক প্ৰেমৰ প্ৰতিমূৰ্তি। চণ্ডপালক নাটকখনত প্ৰেমৰ প্ৰতিমূৰ্তি হিচাপে চিত্ৰণ কৰাত ৰাজকীয় পৌৰুষসূলভ গুণ তেওঁৰ চৰিত্ৰত সিমান ফুটি উঠা নাই। অৱশ্যে নাট্যকাৰ ৰাজশেখৰে নায়কৰ চৰিত্ৰত থকা ধীৰ আৰু ললিত গুণেৰে চণ্ডপালক সজাবলৈ যত্নৰ ত্ৰুটি কৰা নাই। তেওঁ এফালে কামৰূপ জয় কৰোঁতা, আনফালে এজন ৰূপহ কোঁৱৰ, সৰ্বাঙ্গ সৌন্দৰ্যৰে পৰম ৰমণীয়া; তথাপিও তেওঁক দুৰ্বল মন এটিয়ে খেদি নুফুৰা নহয়। কর্পূৰমঞ্জৰীক দৰ্শনৰ পিছৰে পৰা তেওঁৰ মনত যি কাতৰ অৱস্থা সৃষ্টি হৈছিল সেয়া অতিকে দুৰ্বল মনৰহে পৰিচায়ক; এগৰাকী তেজস্বী ৰজাৰ চৰিত্ৰত তেনে বৈশিষ্ট্য খাপ নাখায়। তদুপৰি তেওঁ নিজৰ বিচাৰ বুদ্ধি তথা কৌশল-চাতুৰ্যতকৈ বিদূষক অথবা বিচক্ষণাৰ চাতুৰ্য তথা কৌশলৰ দ্বাৰাহে পৰিচালিত, আনহাতে পাটমহিষীৰ দ্বাৰাও তেওঁ সম্পূৰ্ণ নিৰ্দেশিত। এই সকলোবোৰ দিশলৈ চকু দিলে চণ্ডপাল ৰজা হিচাপে ব্যক্তিত্বশূন্য এটি চৰিত্ৰ হিচাপেহে চিহ্নিত হৈছে। অৱশ্যে নাট্যকাৰে চৰিত্ৰটিক এটি প্ৰেম সৰ্বস্ব চৰিত্ৰ হিচাপে চিত্ৰণ কৰিছে আৰু সেইপিনৰ পৰা চালে চৰিত্ৰটি সাৰ্থক বুলিয়ে ক'ব পাৰি।

কর্পূৰমঞ্জৰী নায়িকা হিচাপে শান্ত সমাহিত এপাহি যেন নিয়ৰত তিতা শেৱালী ফুলহে। তেওঁ অল্পভাষী, নিঃশব্দ পদচাৰিনী। তেওঁ নায়ক ৰজা প্ৰেমাতুৰ চণ্ডপালৰ দৰেই প্ৰেমৰ অনুৰাগেৰে ৰঞ্জিত। নহ'লেনো কেতেকী ফুলৰ পাহিত ৰজালৈ বুলি হৃদয় বার্তা প্ৰেৰণ কৰেনে? চণ্ডপালৰ দৰে তেওঁ বিশ্বাস কৰে যে প্ৰেমৰ সাৰ্থকতা মিলনতহে। সেয়ে তেওঁ আত্মীয় স্বজনৰ কথা পাহৰি ভৈৰৱানন্দৰ কথা মতেই ৰজাৰ ওচৰত দেহ-মন সমৰ্পণ কৰিছে। বাঞ্ছিতজনক পাবৰ বাবে সকলো ত্যাগ কৰিবলৈ যে কুণ্ঠাবোধ নকৰে তাকে যেন ৰাজশেখৰে কর্পূৰমঞ্জৰীৰ জৰিয়তে প্ৰকাৰন্তৰে প্ৰকাশ কৰিব বিচাৰিছে।

ৰজা চণ্ডপালৰ পাটমহিষী বিভ্ৰমলেখা এটি আকৰ্ষণীয় চৰিত্ৰ। ধৰ্মপ্ৰাণা, পতিপ্ৰাণা ভাৰতীয় নাৰীৰ আদৰ্শ চৰিত্ৰটিত প্ৰকাশিত হৈছে। পতিপ্ৰাণা বাবেই ঘনসাৰ মঞ্জৰীৰ সৈতে বিবাহ হ'লে ৰাজচক্ৰৱৰ্তী পদ লাভ কৰাৰ আশাত ভৈৰৱানন্দৰ চলনাকো একেমুখে মানি লৈছে, কিয়নো এনে কৰিলে স্বামীৰ মৰ্যদা বৃদ্ধি পাব। এইজনী পাটমহিষীয়েই আকৌ প্ৰথম অৱস্থাত কর্পূৰমঞ্জৰীৰ সৈতে ৰজাৰ গোপন অভিসাৰৰ কথা জানি ৰক্ষিনীসকলৰ মাজত ৰক্ষা-গৃহত কর্পূৰমঞ্জৰীক আৱদ্ধ কৰি ৰাখিছিল। অৱশ্যে অন্য এটা দিশেৰে চালে এয়া ৰাণীৰ কৰণীয়ও। কিয়নো কোনো ভাৰতীয় নাৰীয়েই তেওঁৰ উপস্থিতিত স্বামীক গোপন প্ৰেমিকৰ সৈতে প্ৰেমত আৱদ্ধ হোৱাটো নিবিচাৰে। তেওঁৰ স্বামীৰ প্ৰতি এফালে যেনেকৈ আনুগত্য আৰু শ্ৰদ্ধা আছিল, আনফালে কর্তব্যও সমানেই আছিল। নহ'লেনো 'বট-সাৱিত্ৰী'ৰ লোকনৃত্যানুষ্ঠান চাবলৈ ৰজাক আহ্বান কৰেনে? এইদৰে বিভ্ৰমলেখাৰ জৰিয়তে এগৰাকী কর্তব্য পৰায়ণা, স্বামীভক্তা ভাৰতীয় আদৰ্শৰ নাৰীৰ চৰিত্ৰ ফুটাই তোলাত নাট্যকাৰ সফল হৈছে বুলিব পাৰি।

বিচক্ষণা সঁচা অর্থতে এগৰাকী বিচক্ষণ লিগিৰী। অৱশ্যে তেওঁৰ কর্মৰ পৰিসৰে লিগিৰীৰ নিৰ্দ্দিষ্ট কামত সীমাবদ্ধ কৰি ৰখা নাই। নায়ক ৰজা চণ্ডপাল আৰু ৰাজকুমাৰী কর্পূৰমঞ্জৰীৰ প্ৰেমৰ প্ৰগাঢ়তা বৃদ্ধিত এই লিগিৰীৰ অৰিহণা সবাতোকৈ ওপৰত। বিদূষকৰ সৈতে অভিসন্ধিৰ

চাতুর্যৰে ৰজা আৰু ৰাজকুমাৰীৰ গোপন মিলন তেনেই ত্বৰান্বিত কৰি তুলিছে। এইপিনৰ পৰা চালে লিগিৰী হিচাপে ৰাণীক বিশ্বাসঘাতকতা কৰিলেও নাট্যকাহিনী আগ বঢ়াই লৈ যোৱাত চৰিত্রটিয়ে গুৰুত্বপূর্ণ ভূমিকা যে লৈছে সেয়া ক'বই লাগিব।

বিদূষক নাটকখনিত সংস্কৃত নাটকৰ দৰেই ৰজাৰ প্রিয় হিচাপে চিত্রিত হৈছে যদিও ইয়াত চৰিত্রটিৰ বিশেষ ভূমিকা লক্ষ্য কৰা যায়। বিশেষভাৱে চাবলৈ গলে ভৈৰৱানন্দক কর্পূৰমঞ্জৰীৰ বিষয়ে জনোৱা, বিচক্ষণাৰ লগত লগ লাগি কর্পূৰমঞ্জৰীৰ দোহদ দান কৰা দৃশ্য উপভোগ কৰোৱা, সুৰঙ্গ পথেৰে গোপন মিলন ঘটোৱা, আৰু শেষত 'উত্তম ব্রাহ্মণৰ শিৰোমনি' এই 'আর্য কপিঞ্জল' বিদূষকেই হোম পুৰি, ততাতৈয়াকৈ লগুণ, গাঁঠি দি কর্পূৰমঞ্জৰীৰ সৈতে ৰজাৰ বিবাহ কার্য সম্পন্ন কৰিছে। এইদৰে চৰিত্রটিক নাট্যকাৰে কেৱল হাস্যৰসিক হিচাপে সীমাৱদ্ধ নাৰাখি এটি গুৰুত্বপূর্ণ চৰিত্রলৈ উন্নীত কৰি চৰিত্রটিক এক বিশেষ ধৰণৰ মাত্রা প্রদান কৰাৰ লগতে শেষলৈকে বর্তাই ৰাখিছে।

আন এটি গুৰুত্বপূর্ণ চৰিত্র হ'ল সিদ্ধপুৰুষ ভৈৰৱানন্দ। প্রকৃততে ক'বলৈ গ'লে এইজন ভৈৰৱানন্দৰ কার্য-কাৰণতে নাটকখনে নাটকীয় গতি লাভ কৰিছে। তেওঁৰ নাম আৰু কর্মই সকলোকে চমকিত কৰি নোতোলাকৈ নাথাকে। কৌল-পন্থা অৱলম্বন কৰি মদ্যপান কৰে, মাংস ভক্ষণ কৰে, উগ্র, সকলো নাৰীকে ধর্মপত্নী হিচাপে জ্ঞান কৰে, ভিক্ষাৰে ভোজন কৰে, তদুপৰি শয়ন কৰে চর্মখণ্ডত। তেওঁ ইচ্ছা কৰিলে সূর্যৰ ৰথো ৰখাব পাৰে, চন্দ্রকো ধৰালৈ নমাই আনিব পাৰে। এই অসাধ্য সাধন কৰিব পাৰে বাবেই মহূর্ততে কুণ্ডল ৰাজকন্যা কর্পূৰমঞ্জৰীক ৰজাৰ আগত হাজিৰ কৰাব পাৰিছে; মুহূর্ততে সৃষ্টি হৈছে চামুণ্ডা মন্দিৰ, তেৱেই আকৌ ৰাণীৰ ইচ্ছানুসৰি পার্বতীৰ মূর্তি প্রতিষ্ঠা কৰি গুৰু-দক্ষিণাৰ লোৱাৰ চলনাৰে কর্পূৰমঞ্জৰীক ঘনসাৰ মঞ্জৰী নাম দি ৰজা আৰু ৰাজকুমাৰীৰ বিয়া সম্পন্ন কৰিছে। গতিকে ভৈৰৱানন্দক বাদ দি নাটকীয় ঘটনা সূচনা আৰু সফল পৰিসমাপ্তি সম্ভৱ হৈ নুঠিলহেঁতেন।

এইদৰে আলোচনা কৰিলে দেখা যায় যে নাটকখনিৰ প্রায় প্রতিটো চৰিত্রয়েই একো একোটা গুৰুত্বপূর্ণ দায়িত্ব গ্রহণ কৰিছে। কোনোটোৱেই অপ্রয়োজনীয় সমাবেশ নহয়। সফল নাট্যকাৰে এইদৰেই চৰিত্র আৰু কাহিনীক পৰস্পৰে পৰস্পৰৰ হাতত ধৰাই পৰিসমাপ্তিৰ দিশলৈ আগবঢ়াই লৈ যায়।



চিন্তা-চর্চা কৰক — ১০.১

কর্পূৰমঞ্জৰী নাটকখনত চৰিত্র সৃষ্টিত নাট্যকাৰ কিমান দূৰ সফল হৈছে আলোচনা কৰিবলৈ যত্ন কৰক।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বিচক্ষণা কোন?

.....

প্ৰশ্ন নং ৪ ঃ ঘনসাৰ মঞ্জৰী কাৰ নাম।

.....

১০.৫ *কর্পূৰমঞ্জৰীৰ* মূল পাঠ আৰু অসমীয়া অনুবাদ

আপোনাক মূল পাঠ হিচাপে অধ্যয়ন কৰিবলৈ দিয়া *কর্পূৰমঞ্জৰী* নাটকৰ প্ৰথমৰ পৰা ২০ টা শ্লোকৰ মূল পাঠসহ অসমীয়া অনুবাদ তলত উল্লেখ কৰা হ'ল —

১ নং শ্লোক ঃ

ভদ্দং হোউ সৰস্সঈঅ কইণো ণন্দন্তু বাসাইণো
অণ্ণাণং পি পৰং পঅট্টউ বৰা বাণী ছইল্লম্পিআ।
বচ্ছোমী তহ মাঅহী ফুৰউ ণো সা কিং চ পঞ্চালিআ
ৰীঈও বিলিহন্তু কববকুসলা জোণহং চত্তৰা বিঅ।।

অসমীয়া অনুবাদ ঃ সৰস্বতীৰ দ্বাৰা মঙ্গল হওক; ব্যাস আদি অন্য কবিসকল আনন্দিত হওক। বিশেষকৈ বৈদভী, মাগধী আৰু পাঞ্চালী ৰীতি প্ৰতিভাত হওক আৰু চকোৱা চৰায়ে যিদৰে জোনাকৰ সুধা পান কৰে, তেনেদৰে কাব্যকুশল ব্যক্তিসকলেও এই ৰীতিসমূহৰ ৰসাস্বাদন কৰক।

২ নং শ্লোক ঃ

অৰি অ।
অকলিঅপাৰৰম্ভ বিব্ভমাইং অজণিঅচুম্বণডম্বৰাঁই দূৰং।
অঘডিঅথণতাডণাঁই ণিচ্চং ণমহ অণঙ্গৰঙ্গণমোহণাইং।।

অসমীয়া অনুবাদ ঃ আৰু— আলিংগনৰ উত্তেজনা, চুম্বনৰ আড়ম্বৰ, স্তনৰ পীড়ন প্ৰকাশ নোপোৱা অনঙ্গ (কামদেৱ) আৰু তেওঁৰ পত্নী ৰতিৰ মিলনক প্ৰনাম জনাওঁ।

৩ নং শ্লোক ঃ নান্দ্যন্তে

স্থাপক ঃ সসিহণ্ডমণ্ডণাণং সমোহণাসাণ সুৰঅণপিআণং।
গিৰিসগিৰিন্দ সুআনং সীংঘাডী ৱো সুহং দেউ।।

অসমীয়া অনুবাদ ঃ নান্দীৰ পিছত — স্থাপক ঃ চন্দ্ৰকলা বিভূষিত শৃঙ্গাৰাভিলাষী দেৱজনপ্ৰিয় হৰ-পাৰ্বতীৰ মিলন আপোনালোকৰ সুখপদ হওক।

৪ নং শ্লোক ঃ

অৰি অ।
ঈসাৱোসপ্পসাঅপ্পণইসু বহুসো সগ্গগঙ্গাজলেহিং

আমূলং পুৰিআত্র তুহিণকৰকলাৰূপ্পীঅ ৰুদ্দো।
জোণ্হামুত্তাহলিল্লং ণঅমউলিণিহিওগ্গহত্থেহিঁ দোহিং
অগ্ঘং সিগঘং ৰ দেন্তো জঅই গিৰিসুআপাঅপঞ্চে ৰুহাণং।।



মুক্তাফল ঃ চন্দ্ৰৰ কিৰণ
গিৰিসুতা ঃ গিৰিকন্যা অর্থাৎ পার্বতী।

অসমীয়া অনুবাদ ঃ

ঈর্ষাকোপ (পার্বতীৰ) প্রশমন কৰিবলৈ যি নতমস্তকেৰে দুই হাতেৰে স্বর্গগংগাৰ পানীৰে পৰিপূর্ণ চন্দ্রকলাৰ নিচিনা ৰূপালী শংখত জোনাক সদৃশ ***মুক্তাফলৰ*** অর্ঘ ***গিৰিসুতাৰ*** চৰণ পদ্মত নিবেদন কৰে সেই ৰুদ্রৰ জয় হওক।

৫ নং শ্লোক ঃ

পাৰিপার্শ্বিক ঃ ভাৰ কহিজ্জউ এঅং কো ভগ্গই ৰঅণিবল্লহসিহণ্ডো।
ৰহুউলচুড়ামণিণো মহিন্দবালস্স কোন গুৰু।।

অসমীয়া অনুবাদ ঃ ডাঙৰীয়া, কওকচোন বাৰু ৰজনীবল্লভ শিখণ্ড বুলি কাক কোৱা হয় আৰু ৰঘুকুলৰ চুড়ামনি মহেন্দ্রপালৰ গুৰু কোন?

৬ নং শ্লোক ঃ

পাৰিপাশ্বিক ঃ (স্মৃতা) কধিদং জেব্ব ছইল্লেহিং।
সো সট্টও ত্তি ভগ্গই দূৰং জোণাডিআই অণুহৰই।
কিং উণ পৰেসঅ বিক্ খংভকাইং ণ কেৰলং দীসন্তি।।

অসমীয়া অনুবাদ ঃ পাৰিপাশ্বিক ঃ (ভাবি) পণ্ডিতসকলে কয়—তাকেই সট্টক বুলিকোৱা হয় যিয়ে বহল পৰিমাণে নাটিকাক অনুসৰণ কৰে; কেৰল তাত প্রৱেশক আৰু বিষ্কম্ভক নাথাকে।

৭ নং শ্লোক ঃ

স্থাপক ঃ তা কিং তি সক্কদং পৰিহৰিঅ পাউদবন্ধে পাউত্তো কঈ।
পাৰিপাশ্বিক ঃ সববভাসাচউৰেণ তেণ ভণিদং জেব্ব। জধা।
অত্থবিসেসা তে চিঅ সদ্দা তে চেঅ পৰিণমন্তা বি।
উত্তিবিসেসো কব্বো ভাসা জা হোই সা হোউ।।

অসমীয়া অনুবাদ ঃ স্থাপক ঃ কবিয়ে কিয় তেন্তে সংস্কৃত পৰিহাৰ কৰি প্রাকৃতত ৰচনা কৰিলে? পাৰিপাশ্বিক ঃ সর্বভাষাবিদ কবিয়ে কৈছে যে শব্দৰ অর্থ সম্ভাৰ একে; পৰিনামো একে; চমৎকাৰজনক উক্তিয়েই কার্য; তাৰ ভাষা লাগিলে যিয়েই নহওক।

৮ নং শ্লোক ঃ

অবি অ—
পুৰুসা সক্কঅবন্ধা পাউঅবন্ধা ৰি হোই সুউমাৰো।
পুৰিসমহিলাণঁ জেত্তিঅমিহন্তৰং তেত্তিঅমিমাণং।।

অসমীয়া অনুবাদ ঃ আৰু — সংস্কৃত ৰচনা কঠুৰা, প্রাকৃত ৰচনা কোমল, পুৰুষ আৰু নাৰীৰ মাজত যি পার্থক্য এই দুই ভাষাৰ মাজতো একেই পার্থক্য।

৯ আৰু ১০ নং শ্লোক ঃ

বালকঈ কইৰাও ণিব্ভৰৰাঅস্স তহ উবজ্ঝাও।
ইঅ জস্স পৰম্পৰাএ অপ্পা মাহপ্পামাৰূঢ়ো।। ৯
সো অস্স কঈ সিৰি-ৰাঅসেহৰো তিহুঅণং পি ধৰলন্তি।
হৰিণঙ্কপাড়িসিদ্ধীএ ণিক্কলঙ্কা গুণা জস্সা ।।১০

অসমীয়া অনুবাদ ঃ বালকবি, কবিৰাজ আৰু নির্ভৰৰাজৰ (মহেন্দ্র পালৰ) উপাধ্যায়— এই অনুক্রমে যিজনে নিজ মাহাত্ম্যৰ শৃংগত আৰোহণ কৰিছে, তেৱেঁই এই নাটৰ ৰচয়িতা কবি শ্রীৰাজশেখৰ।

১১ আৰু ১২ নং শ্লোক ঃ

চাউহাণ কুলমউলিমালিআ ৰাঅসেহৰকইন্দগেহিনী।
ভত্তুনো কিইমৰন্তিসুন্দৰী সা পউঞ্জইউমেঅমিচ্ছাই।।১১
কিং চ।
চণ্ডবালধৰণীহৰিণঙ্কো চক্কবট্টিপঅলাহণিমিত্তং।
এত্থ সট্টঅবৰে ৰসসোত্তে কুন্তলাহিব-সুঅং পৰিণেই।।১২

অসমীয়া অনুবাদ ঃ কবিৰাজ ৰাজশেখৰৰ পত্নী চৌহান কুলৰ মস্তক মালিকা, তেওঁৰ অভিলাষ মতেই স্বামীৰ এই ৰচনা অভিনীত হ'ব। ৰসৰ সাগৰ স্বৰূপ এই সট্টকত ধৰণীৰ চন্দ্র চণ্ডপাল ৰজাই চক্রৱর্তীপদ লাভৰ কাৰণে কুন্তল ৰজাৰ দুহিতাক বিবাহ কৰাইছে।

১৩ নং শ্লোক ঃ

বিম্বোট্ঠে বহলং ণ দেন্তি মঅণং ণো গন্ধতেল্লাবিলা
বেণীও বিৰঅন্তি লেন্তি ণ তহা অঙ্গম্মিকুপ্পাসঅং।
জং বালা মুহকুঙ্কুমম্মি ৰি ঘণে বট্টন্তি ঢিল্লাঅৰা
তং মন্নে সিসিৰং বিণিজ্জিঅ বলা পত্তো বসন্তোসবো।।

অসমীয়া অনুবাদ ঃ এতিয়া তৰুণীসকলে কোৰাভাতুৰী যেন ৰঙৰ ওঁঠত মৌসিটা ঘঁহা নাই, সুগন্ধি তেলেৰেও সিক্ত কৰি বেণি গোথাঁ নাই, বক্ষত কাঁচলিও নাই। মুখত কুঙ্কুমৰ ডাঠ প্রলেপ সানিবলৈকো তেওঁলোকৰ আগ্রহ নাই; গতিকে শীতক বলেৰে জয় কৰি বসন্তৰ সমাগম হৈছে বুলি জনা গৈছে।

১৪ নং শ্লোক ঃ

দেৱী ঃ
অহং পি পডিবড্ঢাবিআ ভৱিসসং। জধা।
ছোল্লন্তি দন্তৰঅণাই গএ তুসাৰে
ঈসীস চন্দণৰসম্মি মণং কুণন্তি
এণহিং সুৱন্তি ঘৰমজ্ঝিম সালিআসু
পাঅন্তপুঞ্জিঅপডং মিহুণাইঁ পেচ্ছ।।

অসমীয়া অনুবাদ ঃ দেৱী ঃ ময়ো আপোনাৰ প্রতি অভিনন্দন জনাই কওঁ — শীতকাল গ'ল,

দম্পতিৰ দন্তমনি উদ্ভাসিত হৈছে, চন্দন প্ৰলেপৰ বাবে তেওঁলোকৰ মন অলপ আকৃষ্ট হৈছে; তেওঁলোকে শোৱনী ঘৰত শুবলৈ এৰি দিয়াত, জাৰত লোৱা কাপোৰবোৰ ভৰি পাথানত দম হৈ পৰি আছে চাওক।

১৫ নং শ্লোক ঃ

পণ্ডীণং গণ্ডবালীপুলঅণচবলা কাঞ্চিবালাবলাণং
মাণং দোখণ্ডঅন্তা ৰইৰহসঅৰা চোলসীমন্তিণীণং।
কন্নাডীণং কুণন্তা কুৰলততৰলণং কুন্তলীণং পিএসুং
গুম্ফন্তা ণেহগণ্ঠিং মলঅসিহৰিণো সীঅলা এন্তি বাআ।।

অসমীয়া অনুবাদ ঃ মলয় পৰ্বতৰ শীতল বায়ুৱে আহি পাণ্ডাদেশীৰ ৰমণীসকলৰ মসৃন গালত চপল পুলক জগাই তুলিছে, কাঞ্চীদেশৰ ৰমণীসকলৰ ৰতি ৰস বৃদ্ধি কৰিছে, কৰ্ণাটৰ ৰমণীসকলৰ অলক ৰাশিক চঞ্চল কৰি তুলিছে। আৰু দৃঢ় কৰি তুলিছে কুন্তল নায়িকা আৰু তেওঁলোকৰ প্ৰিয়জনৰ প্ৰণয় গ্ৰন্থি।

১৬ নং শ্লোক ঃ

জাঅং কুঙ্কুমপঙ্কলীঢ়মৰঢ়ীগণ্ডপ্পহং চম্পঅং
থোৱাবট্টিঅদুগ্ধমুগ্ধকুসুমা পস্ফুল্লিআ মল্লিআ।
মূলে সামলমগ্গ লগ্গভসলং লক্খিজ্জএ কিংসুঅং
পিজ্জন্তং ভসলেহি দোসূ ৰি দিসাভাএসু লগ্গেহি ৰ।।

অসমীয়া অনুবাদ ঃ কুংকুম ৰঞ্জিত মাৰাঠী ৰমণীৰ কাপোলৰ দৰে চম্পক ফুল ফুলিছে, ঈষৎভাৱে মথা গাখীৰৰ দৰে মনোহৰ কান্তিৰ ফুলেৰে মল্লিকাৰ থোপাবিলাক ফুলি উঠিছে, তলভাগ শ্যাম বৰ্ণৰে আৰু ওপৰ ভাগত ভোমোৱা পৰি থকা কিংশুক ফুলবোৰ এনেহে দেখা গৈছে যেনিবা দুয়োফালে ভোমোৱা বহি মধুপান কৰি আছে।

১৭ নং শ্লোক ঃ

জধা ণিবেদিদং বন্দীহিং পউত্তা জেব মলআণিলা।
তধা হি।
লঙ্কাতোৰণমালিআতৰলিণো কুম্ভূব্ভবস্সাসমে
মন্দন্দোলিঅ-চন্দণদ্দুমবণা কপ্পুৰসংপক্কিণো।
কঙ্কেল্লীকুলকম্পিণো ফণিলআণিপ্পট্টপট্টাবআ
চণ্ডং চুম্বিঅতম্ববগ্নিসলিলা বাঅন্তি চেত্তাণিলা।।

অসমীয়া অনুবাদ ঃ বৈতালিকে কোৱাৰ দৰে মলয়া বতাহ ইতিমধ্যে বলিবলৈ আৰম্ভ কৰিছেই। চাওকচোন— লংকাৰ তোৰণৰ মালাবিলাক কপাঁই তুলি অগস্ত্যৰ আশ্ৰমৰ চন্দনৰাজিক সামান্যভাৱে আলোড়িত কৰি কৰ্পূৰ সংস্পৰ্শিত হৈ, অশোক গছবিলাকক দোলায়িত কৰি, পাণ-লতাবোৰক প্ৰচণ্ডভাৱে নচুৱাই তুলি আৰু তাম্ৰপৰ্ণী নদীৰ সলিলক তীব্ৰভাৱে চম্বন কৰি মলয়া বতাহ ববলৈ ধৰিছে।

১৮ নং শ্লোক ঃ

অবি অ।
মাণং মুঞ্চহদেহ বল্লহজণে দিট্ঠিং তৰঙ্গুত্তৰং
তাৰুণ্ণং দিঅহাই পঞ্চদহ বা পীণত্থণুত্থম্ভণং।
ইত্থং কোইলমঞ্জু সিঞ্জিঅমিসা দেৱস্স পঞ্চসুণো
দিণ্ণাচেওমহূসৰেণ সহসা আণব্ব সব্বংকসা।।

অসমীয়া অনুবাদ ঃ আৰু। অভিমান ত্যাগ কৰি সতৃষ্ণ নয়নেৰে নিজ বল্লভজনলৈ মন দিয়া। যি যৌৱনে বক্ষদেহক পীনোন্নত কৰি তুলিছে, সি যে মাত্ৰ দুদিন মানৰ বাবেহে, এনে ভাবেৰেই চ'ত মধু উৎসৱে কোকিল কূজনৰ ছলেৰে পুষ্পশৰধাৰী মদনৰ সর্বব্যাপী আজ্ঞা যেন ঘোষণা কৰিছে।

১৯ নং শ্লোক ঃ

ফুল্লুক্কৰং কমলকূৰসমং বহন্তি
জে সিন্দুবাৰবিভবা মহ বল্লহা তে।
জে গালিঅস্স মহিসীদহিণো সৰিচ্ছা
তে কিং চ মুদ্ধবিঅইল্লপসূণ পুঞ্জো।।

অসমীয়া অনুবাদ ঃ বাওধানৰ বগাভাতৰ দৰে সিন্ধুৱাৰ গছে জন্ম দিয়া বগা ফুলবোৰ মোৰ প্ৰিয়। যুঁতি ফুলৰ সুন্দৰ থোপাবোৰ মোৰ বৰ ভাল লাগে — ঠিক যেন সৰ উঠি থকা ম'হৰ গাখীৰৰ দৰেহে।

২০ নং শ্লোক ঃ

তে এণ্হিং মলআণিলা বিৰাহিণীণীসাসসম্পক্কিণো
জাআ ঝত্তি সিসুত্তণে বি বহলা তাৰুণ্ণপুণ্ণা ৰিঅ।।

অসমীয়া অনুবাদ ঃ এতিয়া বিৰহিণীৰ দীর্ঘশ্বাসত লগৰীয়াই শিশু অৱস্থাতে অতি শীঘ্ৰে পৰিপূর্ণ যৌৱনৰ দশা লাভ কৰিছে।



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *কর্পূৰমঞ্জৰী*ৰ কাহিনী প্ৰেমমূলক। মূল চাৰিটা 'জৱনিকা'ৰ মাজেৰে নাট্যকাৰে প্ৰেমৰ কাহিনীটো মিলনান্তক পৰিসমাপ্তি ঘটাইছে। তাকে কৰিবলৈ যাওতে নাট্যকাৰ ৰাজশেখৰে নাটকীয় সংঘাত সৃষ্টিৰ বিপৰীতে অধিক মনোনিৱেশ কৰিছে নায়ক-নায়িকাৰ প্ৰথম দর্শনতে ওপজা প্ৰেমানুভূতি আৰু ৰূপ-লাৱন্যৰ কাব্যোপম বর্ণনাতহে । অধ্যায়টোত প্ৰতিটো জৱনিকাৰ মূল কথাখিনি উল্লেখ কৰা হ'ল।

- *কর্পূৰমঞ্জৰী*ৰ উৎস হিচাপে ৰাজশেখৰৰ পূৰ্ৱৰতী সপ্তম শতাব্দীৰ শ্ৰীহৰ্ষৰ *ৰত্নাৱলী* নামৰ সুবিখ্যাত চাৰি অংকৰ নাটিকাখন বুলি অনুমান কৰিব পাৰি। কিয় এইখন নাটিকাক *কর্পূৰমঞ্জৰী* নাটকখনৰ উৎস হিচাপে বিবেচনা কৰা হৈছে সেয়া বহলাই আলোচনা কৰা হৈছে।
- *কর্পূৰমঞ্জৰী*ত চৰিত্র-চিত্রণ বুলি ক'লে নায়ক চণ্ডপাল, নায়িকা কর্পূৰমঞ্জৰী, ৰাজপটমহষী বিভ্রমলেখা, বিচক্ষণা, বিদূষক, কপিঞ্জল আৰু সিদ্ধপুৰুষ ভৈৰৱানন্দ এই কেইটা চৰিত্রই আমাৰ মনলৈ আহে। এই চৰিত্র কেইটাৰ বিষয়ে চমুকৈ অধ্যায়টোত আলোচনা কৰা হ'ল।
- *কর্পূৰমঞ্জৰী* নাটকখনৰ প্রথম জৱনিকাৰ প্রাৰম্ভিক ২০ টা শ্লোক মূল প্রাকৃত ভাষাত উল্লেখ কৰি অসমীয়ালৈ তর্জমা কৰি অন্তর্ভুক্ত কৰা হৈছে।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৮) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

৯) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১০) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.

১১) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press



১০.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ চাৰিটা।

২ নং প্রশ্নৰ উত্তৰ ঃ শ্রীহর্ষৰ *ৰত্নাৱলী।*

৩ নং প্রশ্নৰ উত্তৰ ঃ বিচক্ষণা সঁচা অর্থতে এগৰাকী বিচক্ষণ লিগিৰী।

৪ নং প্রশ্নৰ উত্তৰ ঃ কর্পূৰমঞ্জৰীৰে আন এটা নাম ঘনসাৰ মঞ্জৰী।



১০.৯ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ক্ষেমেন্দ্রৰ কোনখন গ্রন্থত 'কর্পূৰমঞ্জৰী'ৰ নামটি পোৱা যায়?

খ) কর্পূৰমঞ্জৰী নায়িকা হিচাপে কেনে?

গ) বিভ্রমলেখা কোন?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) *কর্পূৰমঞ্জৰীত* শ্রীহর্ষৰ *ৰত্নাৱলী*ৰ প্রভাৱ অধিক গাঢ় বুলিয়ে ক'ব পাৰি।

খ) চণ্ডপাল ৰজা হিচাপে ব্যক্তিত্বশূন্য এটি চৰিত্র হিচাপেহে চিহ্নিত হৈছে।

গ) *কর্পূৰমঞ্জৰী* নাটকখনত বিদূষক চৰিত্র অনুপস্থিত।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ *কর্পূৰমঞ্জৰী* নাটকখনৰ দ্বিতীয় জৱনিকাৰ কথাখিনি নিজৰ ভাষাত লিখক।

প্রশ্ন ২ ঃ অসমীয়ালৈ অনুবাদ কৰক—

৩ নং শ্লোক ঃ নান্দ্যন্তে

স্থাপক ঃ সসিহণ্ডমণ্ডণাণং সমোহণাসাণ সুৰঅণপিআণং।

গিৰিসগিৰিন্দ সুআনং সীংঘাডী ৰো সুহং দেউ।।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক —

দশকুমাৰ চৰিত, বিভ্ৰমলেখা, ভৈৰৱানন্দ।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *কর্পূৰমঞ্জৰী*ৰ কাহিনীভাগৰ পৰিচয় দাঙি ধৰি কাহিনীৰ উৎস সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ *কর্পূৰমঞ্জৰী*ৰ প্ৰধান চৰিত্ৰসমূহৰ বিশ্লেষণ কৰি দেখুওৱাক।

প্ৰশ্ন ৩ ঃ *কর্পূৰমঞ্জৰী* নাটকখনিৰ পাঠ্যপুথিৰ অন্তৰ্গত প্ৰথমৰ দহোটা শ্লোকৰ অসমীয়ালৈ অনুবাদ কৰক।

*** ***** ***

অধ্যায় ১১ ঃ কালিদাসৰ জীৱন আৰু কৃতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ মহাকবি কালিদাসৰ জীৱনবৃত্ত
১১.৪ কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস
১১.৫ কালিদাসৰ শাস্ত্রবৈদগ্ধ্য
১১.৬ কালিদাসৰ লেখনিৰ বৈশিষ্ট্য
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কালিদাসৰ জীৱন কাল সম্পর্কে সবিশেষ জানিব পাৰিব
- কালিদাসৰ ৰচনা ৰাজি আৰু সেইবোৰৰ উৎসৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ দ্বাৰা ৰচিত গ্রন্থসমূহৰ বিষয়বস্তু জানিব পাৰিব
- কালিদাসৰ পাণ্ডিত্য তথা তেওঁৰ লেখনিৰ বৈশিষ্ট্যৰ লগতো পৰিচিত হ'ব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি ৰাজশেখৰে ৰচনা কৰা প্রাকৃত নাটক *কর্পূৰমঞ্জৰী*ৰ প্রথম জৱনিকাৰ প্রাৰম্ভিক ২০ টা শ্লোক অধ্যয়ন কৰিলে। এই শ্লোককেইটা অধ্যয়ন কৰাৰ প্রসংগত ৰচনাকাৰ কবিৰাজ ৰাজশেখৰৰ জীৱন আৰু কৃতিৰ লগতে আনুষংগিক দিশসমূহৰ বিষয়েও বহলাই অধ্যয়ন কৰিলে। ইতিমধ্যে আপোনাক কৈ অহা হৈছে যে সংস্কৃত ভাষাত লিখা বহু নাটকত প্রাকৃত ভাষাও কিছু পৰিমাণে ব্যৱহাৰ কৰা হৈছিল। সংস্কৃত ভাষাত লিখা নাটকত ব্যৱহৃত প্রাকৃতাংশৰ চমু পৰিচিতি প্রদান কৰাৰ প্রসংগতে আপোনাৰ এইখন পাঠ্যবিষয়ত মহাকবি কালিদাসে লিখা *অভিজ্ঞানশকুন্তলম্*ৰ ষষ্ঠ অংকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথন অংশ অন্তর্ভুক্ত কৰা হৈছে। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে এই অংশটোক ষষ্ঠ অংকৰ 'প্রৱেশক' ৰূপেও জনা যায়। এই অংশত ব্যৱহৃত প্রাকৃতাংশ আলোচনা কৰাৰ পূর্বে আমি নাটকখনৰ

ৰচনাকাৰ মহাকবি কালিদাসৰ জীৱন আৰু কৃতি সম্পৰ্কেও কিছু কথাৰ আলোচনা কৰাৰ অৱকাশ আছে। সেয়ে এইটো অধ্যায়ত আমি মহাকবি কলিদাসৰ জীৱন আৰু কৃতিৰ বিষয়ে বহলাই আলোচনা কৰিম।

বিশ্ববিখ্যাত মহাকবি কালিদাসৰ সাহিত্যকৃতিৰ বিষয়ে কৈ বা লিখি ওৰ পোৱা নাযায়। তেওঁৰ নৈপুণ্য তথা ৰচনাশৈলীয়ে যিকোনো পাঠকক বৰ সহজে আকর্ষিত কৰিব পাৰে। কিন্তু দুখৰ বিষয় এয়ে যে এইজনা মহাকবিৰ ব্যক্তিগত জীৱনৰ বিষয়ে কোনো ধৰণৰ প্ৰমাণিত তথ্য পোৱা নাযায়। এতিয়ালৈকে বিভিন্ন গৱেষকে এই মহান কবিজনৰ জীৱনৰ ওপৰত বিবিধ তথ্য তুলি ধৰিছে। কিন্তু সেইবোৰৰ অধিকখিনিয়ে মাত্ৰ অনুমানৰ ওপৰত নির্ভৰশীল। এই অধ্যায়ত আপুনি মহাকবি কালিদাসৰ জীৱন বৃত্ত তথা তেওঁৰ আবির্ভাৱ কাল, জন্মস্থান, সাহিত্যকীর্তি, ধর্ম আদিৰ বিষয়ে অৱগত হ'ব। তদুপৰি কালিদাসৰ ৰচনাৱলীৰ উৎস, কাব্যসমূহত প্ৰতিফলিত হোৱা মহাকবিৰ শাস্ত্ৰবৈদগ্ধ্য আৰু তেওঁৰ লেখনিৰ বৈশিষ্ট্যৰ বিষয়েও জানিব পাৰিব।

১১.৩ মহাকবি কালিদাসৰ জীৱনবৃত্ত

ভাৰতবর্ষত মহাকবি কালিদাসক নজনা শিক্ষিত লোক নিতান্ত বিৰল। *ৰামায়ণ*ৰ ৰচক বাল্মীকি তথা *মহাভাৰত*ৰ ৰচক ব্যাসদেৱৰ দৰে মহাকবি কালিদাসৰ খ্যাতি সুবিস্তৃত। কিন্তু অতি দুখৰ বিষয়টো হ'ল যে এইজনা মহাকবিৰ জীৱন সম্পৰ্কে পোৱা তথ্য নিতান্ত তাকৰ। ফলস্বৰূপে মহাকবি কালিদাসৰ ব্যক্তিগত জীৱন তথা তেওঁৰ জন্মস্থান আৰু আবির্ভাৱকালৰ বিষয়ে খাটাংকৈ একো ক'ব নোৱাৰি। বিভিন্ন গৱেষকে নিজৰ নিজৰ অধ্যয়নৰ ভিত্তিত মহাকবি কালিদাস সম্পৰ্কে বহুতো তথ্য আগ বঢ়াইছে। এই আটাইবোৰ সিদ্ধান্তই বহুখিনি কল্পনানির্ভৰ আৰু অনুমানভিত্তিক। তথাপিও মহাকবি সম্বন্ধে এইবোৰ সিদ্ধান্তই সাধাৰণ মানুহৰ মাজত অতিপ্ৰচলিত আৰু গৃহীত হৈছে। মহাকবি কালিদাসৰ জীৱন সম্পৰ্কে আগবঢ়োৱা এইবোৰ সিদ্ধান্তৰ ভিত্তিত কিছুমান কথা এই অংশত কোৱা হ'ব।

কিম্বদন্তী মতে কালিদাস এজন অজ্ঞাতনামা ব্ৰাহ্মণৰ পুত্ৰ আছিল। কিন্তু সৰুতেই তেওঁ পিতৃ-মাতৃক হেৰুৱাই নিঠৰুৱা হৈছিল। তেওঁক লালন পালন কৰি ডাঙৰ-দীঘল কৰে এঘৰ গোৱালে। কোনোধৰণৰ শিক্ষা লাভ নকৰাকৈয়ে কালিদাসে ওঠৰ বছৰত ভৰি দিলে। এনেতে এটা ঘটনা ঘটিল। ৰজা বিক্ৰমাদিত্যৰ জীয়েক বিদ্যাৱতীৰ সৈতে ৰাজমন্ত্ৰীৰ বিবাদ আৰম্ভ হোৱাত মন্ত্ৰীয়ে প্ৰতিশোধ লোৱাৰ উদ্দেশ্যেৰে এজন মূৰ্খৰ সৈতে ৰাজকুমাৰীৰ বিবাহৰ ষড়যন্ত্ৰ ৰচিলে। এই ক্ষেত্ৰত দৰা হিচাপে লোৱা হ'ল মূৰ্খ ব্ৰাহ্মণ পুত্ৰজনক। পিছত ৰাজকুমাৰীয়ে মন্ত্ৰীৰ ষড়যন্ত্ৰৰ কথা বুজি পাই গিৰিয়েকক বিদ্যালাভৰ বাবে কালীক উপাসনা কৰিবলৈ উপদেশ দিলে। প্ৰথম অৱস্থাত কালীক উপাসনা কৰি কোনোধৰণৰ ফল নোপোৱাত সেই ব্ৰাহ্মণ পুত্ৰই নিজৰ শিৰচ্ছেদ কৰিবলৈ উদ্যত হয়। তেতিয়া দেৱী কালীয়ে আৱির্ভাৱ হৈ তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হোৱাৰ বৰদান কৰে। তেতিয়াৰ পৰা এই ব্ৰাহ্মণ পুত্ৰজন কালিদাস নামেৰে জনাজাত হয়। এই কাহিনীমতে,

দেবী কালীৰ বৰদান লাভ কৰি ঘৰলৈ ঘূৰি অহাত কালিদাসক ঘৈণীয়েকে সোধে 'অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ' আৰু ইয়াৰ উত্তৰত কালিদাসে উক্ত বাক্যত থকা চাৰিটা শব্দক প্রতীকৰূপে লৈ চাৰিখন কাব্য ৰচনা কৰে। 'অস্তি' শব্দৰে তেওঁ *কুমাৰসম্ভৱ*(অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ো নাম নগাধিৰাজঃ), 'কশ্চিদ্' শব্দেৰে *মেঘদূত*(কশ্চিৎকান্তাবিৰহগুৰুণা স্বাধিকাৰাৎ প্রমত্তঃ), 'বাক্' শব্দেৰে *ৰঘুবংশ* (ৰাগর্থাবিবসম্পৃক্তৌ বাগর্থপ্রতিপত্তয়ে) আৰু 'বিশেষ' শব্দেৰে *ঋতুসংহাৰ* (বিশেষসূর্যঃ স্পৃহনীয়চন্দ্রমা) ৰচনা কৰিলে। কালিদাসে পত্নীৰ পৰা পোৱা উপদেশ অনুসৰি কালীৰ কৃপাত কবিত্ব শক্তি লাভ কৰিছিল কাৰণে পত্নীক 'মাতা' বা 'গুৰু' বুলি সম্বোধন কৰিছিল। কিন্তু পতিৰ এই ব্যৱহাৰত পত্নীয়ে বৰকৈ ক্ষুণ্ণ হৈছিল। তেওঁ গিৰিয়েকক কোনো স্ত্রীৰ হাতত মৃত্যু হোৱাৰ অভিশাপ দিয়ে আৰু শুনা যায় যে পৰৱর্তী সময়ত কোনো এজন বেশ্যাৰ হাতত কালিদাসৰ মৃত্যু হয়।

কিম্বদন্তীমতে মহাকবি কালিদাস বিক্রমাদিত্য নামৰ ৰজা এজনৰ সভাকবি আছিল। কোৱা হয় যে ৰজা বিক্রমাদিত্যৰ সভাত যি নজন (৯) ৰত্নতুল্য পণ্ডিত আছিল তাৰে ভিতৰত এজন হ'ল মহাকবি কালিদাস। এই অভিমতৰ সপক্ষে এটি সুপ্রচলিত শ্লোক সদায় উপস্থাপন কৰা হয়। সেই শ্লোকফাঁকি হ'ল—

ধন্বন্তৰি-ক্ষপণক-অমৰসিংহ-শঙ্কু-বেতালভট্ট-ঘটকর্পৰ-কালিদাসাঃ
খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি ৰৈ বৰৰুচির্নব বিক্রমস্য।।

কিন্তু বিক্রমাদিত্য ৰজাৰ ৰাজসভাত থকা ***নৱৰত্ন***ৰ এজন হ'ল কালিদাস —এই কথাৰ ঐতিহাসিক ভিত্তি স্থিৰ কৰা নাযায়। কাৰণ বিক্রমাদিত্য নামেৰে বহুজন ৰজাৰ অস্তিত্ব পোৱা যায়। তদুপৰি নৱৰত্ন বুলিলে যিকেইজন পণ্ডিতৰ কথা কোৱা হৈছে সেই আটাইকেইজন সমসাময়িক নহয়। তেওঁলোকৰ সময়ৰ মাজত যথেষ্ট ব্যৱধান আছে বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়। গতিকে কালিদাস আৰু বিক্রমাদিত্যৰ নৱৰত্ন —এই বিষয়ে কোনোধৰণৰ স্থিৰ সিদ্ধান্ত দিব পৰা নাযায়। কিন্তু এচাম পণ্ডিতৰ মতে বিক্রমাদিত্যৰ সৈতে কালিদাসৰ সম্বন্ধ অমূলক বুলি কোৱা টান। কালিদাসৰ *বিক্রমোর্বশীয়ম্* নাটকখনত উল্লেখ থকা — 'দিষ্ট্যা মহেন্দ্রোপকাৰপর্যাপ্তেন বিক্রমমহিম্না বর্ধতে ভৱান্', 'অনুৎসেকঃ খলু বিক্রমালঙ্কাৰঃ' আদি উপকৰণে সম্ভৱতঃ ৰজা বিক্রমাদিত্যৰ কথাকে বুজায় বুলি কিছুমান পণ্ডিতে অভিমত পোষণ কৰে। ওপৰত উল্লেখ কৰা কথাবোৰৰ পৰা প্রমাণিত হয় যে কবি কালিদাস কোনো এজন বিক্রমাদিত্য নামৰ ৰজাৰ সভাকবি আছিল। কিন্তু কালিদাসৰ পৃষ্ঠপোষক হোৱা এই বিখ্যাত ৰজাজন ক'ত কেতিয়া ৰাজত্ব কৰিছিল সেই বিষয়ে পণ্ডিত বা গৱেষকসকলৰ মাজত মতানৈক্য আছে আৰু সেই কাৰণে মহাকবি কালিদাসৰ আবির্ভাৱকাল সম্বন্ধেও কোনো সঠিক সিদ্ধান্ত দিয়া নাযায়। ভালেমান পণ্ডিতে কালিদাসক খ্রীঃপূঃ প্রথম শতিকাৰ কবি বুলি কয়। কিন্তু অন্য এদল পণ্ডিতে উক্ত অভিমত অগ্রাহ্য কৰি কালিদাসৰ আবির্ভাবকাল গুপ্তযুগ বুলিয়েই দঢ়াই কয়। কালিদাসৰ গ্রন্থাৱলীৰ ফৰাছী অনুবাদক হিপোলাইট ফাউচৰ মতে ৰঘুবংশৰ শেষ ৰজা অগ্নিবর্ণৰ মৃত্যুৰ পিছত তেওঁৰ পত্নীৰ গর্ভত ওপজা পুত্রৰ জীৱনকালতে কালিদাসৰ জন্ম হৈছিল। সেইছোৱা কাল খ্রীঃপূঃ ৮০০ শতিকা।



নৱৰত্ন ঃ বিক্রমাদিত্যৰ সভাত থকা নৱৰত্ন বুলিলে ধন্বন্তৰি, ক্ষপণক, অমৰসিংহ, শঙ্কু, বেতালভট্ট, ঘটকর্পৰ, কালিদাস, বৰাহমিহিৰ আৰু বৰৰুচিক একেলগে সূচায়।

আনহাতে কবিজনাই তেওঁৰ *মালবিকাগ্নিমিত্রম্‌*ত শুঙ্গবংশীয় ৰজাৰ চৰিত্ৰ কীৰ্তন কৰিছে। তদুপৰি সেই নাটকত মহাকবিয়ে ভাসৰ নামোল্লেখ কৰিছে। গতিকে কালিদাসৰ কাল ৪র্থ খ্ৰীষ্টাব্দৰ আগৰ হ'ব নোৱাৰে। পণ্ডিত ভি. ভি. মিৰাশীৰ অনুমান মতে মহাকবি কালিদাসক ৩৫০ খ্ৰীষ্টাব্দৰ পৰৱৰ্তী বুলি কোৱাত বাধা নাই। কেৱল আৰ্ৱিভাব কালৰ বিষয়েই নহয় মহাকবি কালিদাসৰ জন্মস্থানলৈও পণ্ডিতসকলৰ মাজত মতবিৰোধ দেখিবলৈ পোৱা যায়। কিন্তু তেওঁৰ ৰচনাসমূহত পোৱা উজ্জয়িনীৰ বৰ্ণনা, মহাকাল মন্দিৰৰ বৰ্ণনা আদিৰ পৰা বহুতে অনুমান কৰিছে যে মহাকবিৰ জন্মস্থান আছিল উজ্জয়িনী অথবা পৰৱৰ্তী সময়ত তেওঁ উজ্জয়িনীত বসবাস কৰিছিল। গতিকে কবিজনৰ ব্যক্তিগত জীৱনৰ বিষয়ে কেতবোৰ তথ্য তেওঁ ৰচনা কৰি যোৱা গ্ৰন্থৰ মাজৰ পৰা বুটলিব পাৰি।

- কালিদাস আছিল বিক্ৰমাদিত্য ৰজাৰ সভা কবি আৰু উজ্জয়িনীৰ অধিবাসী।
- সম্ভৱতঃ তেওঁ ব্ৰাহ্মণ আছিল। তেওঁৰ ৰচনাবোৰত বৈদিক চিন্তাধাৰা প্ৰকাশ পাইছে। ঋষি আৰু আশ্ৰমৰ বৰ্ণনা তেওঁ *অভিজ্ঞানশকুন্তলম্‌* আৰু *ৰঘুবংশম্‌* গ্ৰন্থত তুলি ধৰিছে। আনকি তেওঁ বৈদিক ছন্দত মন্ত্ৰ ৰচনা কৰাৰ প্ৰয়াস কৰিছে, *অভিজ্ঞানশকুন্তলম্‌*ত—

  অমী বেদিং পৰিতঃ ক্লৃপ্তধিষ্ণ্যাঃ সমিদ্ধন্তঃ প্ৰান্তসংস্তীৰ্ণদৰ্ভাঃ।

  অপঘ্নন্তো দুৰিতং হৱ্যগন্ধৈৰ্ৱৈতানাস্ত্বাং ৱহ্নয়ঃ পাৱয়ন্তু।। (৪র্থ অংক)

  *অভিজ্ঞানশকুন্তলম্‌*নাটকৰ প্ৰথমাদি চতুৰ্থ অংকলৈকে মহাকবিয়ে কণ্বৰ আশ্ৰমৰ দীঘলীয়া বৰ্ণনা আৰু ৭ম অঙ্কত মাৰীচৰ আশ্ৰমৰ বৰ্ণনা দাঙি ধৰিছে।
- মহাকবি কালিদাসে যথা সম্ভৱ সেই সময়ৰ গুৰুকুলত কোনো উপাধ্যায় বা আচাৰ্য্যৰ অধীনত বৈদিক আৰু লৌকিক শাস্ত্ৰবোৰ অধ্যয়ন কৰিছিল। কণ্বৰ আশ্ৰমত তেনে গুৰুকুলত সম্ভৱতঃ হাজাৰৰ অধিক ছাত্ৰই অধ্যয়ন কৰিছল। যিটো কাৰণে কণ্বক কুলপতি বোলা হৈছিল। *ৰঘুবংশ*ৰ ১ম সৰ্গতো তেনে আশ্ৰমত প্ৰতিষ্ঠিত গুৰুকুলৰ অস্তিত্বৰ কথা বুজা যায়। ৰঘুবংশত (২য় সৰ্গ) গুৰু ভক্তিৰ উল্লেখ আছে—

  ভক্তা গুৰৌ ময্যনুকম্পয়া চ প্ৰীতাস্মি তে পুত্ৰৱৰং ৱৃণীষ্ৱ।

  কবিজনে এনেবোৰ আশ্ৰমৰ বৰ্ণনা, নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ কাব্যিক বৰ্ণনা নাটক আৰু শ্ৰব্যকাব্যত দাঙি ধৰিছে। প্ৰাচীন ভাৰততে অনেক ঠাইত অনেক বিশ্ববিদ্যালয় গুৰুকুলৰ আৰ্হিত প্ৰতিষ্ঠিত আছিল। তাহানি পাঞ্জাবৰ তক্ষশিলাত, মগধৰ নালন্দাত, কাঠিয়াৱৰ বলভিত, মালৱৰ উজ্জয়িনীত এনেকুৱা বিশ্ববিদ্যালয় থকাৰ তথ্য পোৱা যায়। কালিদাসে তেনে কোনো এক বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি পাণ্ডিত্য লাভ কৰিছিল। এনে এক সিদ্ধান্তলৈ আহিলে, কালিদাস আগ বয়সত মূৰ্খ আছিল বুলি প্ৰাপ্ত পৰম্পৰাগত কিম্বদন্তীৰ সত্যতা ধূলিস্যাৎ হৈ পৰে।
- সম্ভৱতঃ কালিদাস আছিল এজন মহান সংস্কৃতিবান বিদ্বান পুৰুষ। তেওঁৰ গ্ৰন্থৰাজিৰ মাজত জীৱনৰ আশাবাদী সুৰ এটা সততে অনুভূত হয়; তাৰ মাজত নৈৰাশ্যৰ লেশ মাত্ৰও পাবলৈ নাই। তেওঁৰ পাৰিবাৰিক জীৱনৰ কোনো সম্ভেদ নাপালেও তেওঁৰ কাব্যকৃতিৰ মাজত

সাংসাৰিক জীৱনৰ ভালেমান কথা পোৱা যায়। তেওঁৰ মতে 'ন গৃহং গৃহম্ উচ্যতে গৃহিণী গৃহম্ উচ্যতে।' গতিকে তেওঁ গার্হস্থ্য জীৱন যাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভাৰতীয় নাৰীক তেওঁ উচ্চ আসনত ঠাই দিছিল। তেওঁৰ হাতত পার্বতী, সীতা, সুদক্ষিণা, শকুন্তলা, উর্বশী, ধাৰিণী আদিয়ে ভাৰতীয় নাৰীৰ আদর্শনীয় ৰূপ ধাৰণ কৰিছে। আনকি সন্তানেই যে সুখৰ মূল তাকো তেওঁ সুন্দৰৰূপে তুলি ধৰিছে। *কুমাৰসম্ভৱত* কুমাৰক পুত্র ৰূপে লাভৰ প্রস্তুতি, *ৰঘুবংশত* পুত্র লাভৰ বাবে দিলীপ-সুদক্ষিণাই বশিষ্ঠৰ আশ্রমত কৰা গো-পালন তাৰ আদর্শ। আনকি *অভিজ্ঞানশকুন্তলম্‌ত* দুষ্যন্তৰ চক্রৱর্তী পুত্র লাভৰ কথা প্রথম অঙ্কতে সূচীত হৈছে। ৫ম অংকতো তাৰ প্রতিধ্বনি শুনা গৈছে। সপ্তম অংকত তেওঁৰ আশাবৃক্ষই সর্বদমনৰ ৰূপত ফলবান হৈছে।

- কালিদাস আছিল বৈদিক সনাতন ধর্মৰ এজন প্রবক্তা। কিন্তু তেওঁ কোন সম্প্রদায়ৰ আছিল সেয়া এক ডাঙৰ প্রশ্ন। বহুতৰ মতে তেওঁ শৈৱ সম্প্রদায়ভুক্ত আছিল। *কুমাৰ সম্ভৱ* মহাকাব্য শৈৱধর্মৰ ব্যঞ্জনাৰে ভৰপূৰ। কুমাৰৰ জন্মৰ ভূমিকা বা পাতনি মেলোতে মহাকাব্যখনৰ অধিক পাত ব্যয় হৈছে। *ৰঘুবংশম্‌ৰ* প্রথম শ্লোকতে 'জগতঃ পিতৰৌ বন্দে পার্বতিপৰমেশ্বৰৌ' বুলি কৈ কবিয়ে তেওঁৰ সাম্প্রদায়িকতাৰ পৰিচয় দিছে বুলি ভবা হয়। শ্রেষ্ঠ নাটক *অভিজ্ঞানশকুন্তলম্‌ৰ* নান্দী শ্লোকত কবিজনাই শিৱৰ অষ্টমূর্তিৰ আৰাধনা কৰিছে। নাটকৰ ভৰতবাক্যতো ভগৱান নীললোহিতক মোক্ষ লাভৰ কাৰণ বুলি উপাসনা কৰিছে কবিয়ে। *মেঘদূত*খণ্ডকাব্যৰ মাজত উজ্জয়িনীৰ স্থলদেৱতা মহাকালৰ উল্লেখ কৰিছে তেওঁ। সকলোৰে মূলত আছে কবিৰ 'কালিদাস' নাম। শিৱৰ অন্যতমা পত্নী কালী বা মহাকালীৰ 'দাস'ৰূপে কবিজনে যশস্যাৰ তুঙ্গত আৰোহণ কৰিছে। *কুমাৰসম্ভৱম্‌ৰ* এটা শ্লোকত তেওঁ কৈছে যে (ব্রহ্মাৰ মুখেৰে কোৱাইছে যে) শিৱৰ মাহাত্ম্য স্বয়ং ব্রহ্মা আৰু বিষ্ণুতকৈও অধিক ঃ

  স হি দেৱঃ পৰং জ্যোতিস্তমঃপাৰে ব্যৱস্থিতম্।
  পৰিচ্ছিন্নপ্রভাবাদ্ধি ন ময়া ন চ বিষ্ণুণা।। ২/৫৮।।

  তথাপি কালিদাস গোড়া শৈৱপন্থী নাছিল। তেওঁ ব্রহ্মা আৰু বিষ্ণুৰ ওচৰতো নতশিৰ হৈছিল। তাৰ প্রমাণ তেওঁৰ কথাতে পোৱা যায়। তেওঁৰ মহৎকৃতি *ৰঘুবংশত* কবিজনাই বিষ্ণুৰ অন্যতম অৱতাৰ ৰামৰ বিষয়ে বহলাই চর্চা কৰিছে। *ৰঘুবংশম্‌ৰ* এঠাইত (১০/১৬) কবিয়ে বিষ্ণুক পৰমেশ্বৰ বুলি স্তুতি কৰিছে। যথা—

  নমো বিশ্বসৃজে পূর্বং বিশ্বং তদনু বিভ্রতে।
  অথ বিশ্বস্য সংহত্রে তুভ্যং ত্রেধাস্থিতাত্মনে।।

  একেদৰে তেওঁ *কুমাৰ সম্ভৱত* (২/৬) ব্রহ্মাকো স্তুতি কৰিছে ঃ

  তিসৃভিস্ত্বমৱস্থাভির্মহিমানমুদীৱয়ন্।
  প্রলয় স্থিতিসর্গাণামেকঃ কাৰণতাং গতঃ।।'

  কালিদাসে শিৱ আৰু শিৱানীৰ আৰাধনা কৰিলেও তেওঁৰ মনত বৈদান্তিক ভাৱধাৰা এটাই সততে বিৰাজ কৰিছিল। *ৰঘুবংশৰ* দশম সর্গত (২০-৩১) তাৰে প্রতিধ্বনি শুনা

যায়। সেয়ে তেওঁ ব্ৰহ্মা, বিষ্ণু আৰু শিৱ এই ত্ৰিনাথৰ একতাত বিশ্বাস কৰিছিল। বৈদিক 'একং সদ্ বিপ্ৰাঃ বহুধা বদন্তি' বোলা কথাষাৰত তেওঁ ভৰসা কৰিছিল। সেই কাৰণে তেওঁ *কুমাৰ সম্ভৱ*ৰ এটা শ্লোকত (৭/৪৪) কৈছে—

একৈৰ মূৰ্ত্তিৰ্বিভিদে ত্ৰিধা সা সামান্যমেষাং প্ৰথমাৱৰত্বম্।
বিষ্ণোৰ্হৰস্তস্য হৰিঃ কদাচিদ্‌বেধাস্তয়োস্তাৱপি ধাতুৰাদ্যৌ।।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কালিদাসৰ নামটো কোনজন ৰজাৰ লগত যোগ কৰা হয়?

.....

প্ৰশ্ন নং ২ ঃ কিম্বদন্তী মতে মহাকবি কালিদাসৰ পত্নীৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৩ ঃ কোনখন ঠাই কালিদাসৰ জন্মস্থান বুলি অনুমান কৰা হয়?

.....

প্ৰশ্ন নং ৪ ঃ কালিদাসৰ ৰচনাত কোন ভগৱানৰ কথা বেচিকৈ পোৱা যায়?

.....

১১.৪ কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস

মহাকবি কালিদাসে কিমানখন গ্ৰন্থ ৰচনা কৰিছিল, সেইটো এতিয়াও অনিশ্চিত। তথাপি অধিকাংশ পণ্ডিতে তেওঁক সাতখন গ্ৰন্থৰ ৰচক বুলি খাটাংকৈ কয়। তাৰে দুখন খণ্ডকাব্য বা গীতিকাব্য হ'ল *ঋতুসংহাৰ* আৰু *মেঘদূত*; মহাকাব্য দুখন ক্ৰমে *কুমাৰ সম্ভৱম্* আৰু *ৰঘুবংশম্*; নাটক তিনিখন ক্ৰমে *মালৱিকাগ্নিমিত্ৰম্*, *বিক্ৰমোৰ্বশীয়ম্* আৰু *অভিজ্ঞানশকুন্তলম্*। *ৰঘুবংশম্* আৰু *অভিজ্ঞানশকুন্তলম্* কৰিৰ প্ৰৌঢ়কালৰ ৰচনা বুলি কোৱা হয়। ইয়াৰ উপৰি *কুন্তলেশ্বৰদৌত্যম্* বুলি আন এখন অপ্ৰকাশিত গ্ৰন্থকো কালিদাসৰ ৰচনা বুলি ধৰা হৈছে।

প্ৰথম গ্ৰন্থ দুখন কল্পিত বিষয়-বস্তুৰ ওপৰত ৰচিত। *কুমাৱসম্ভৱম্* শৈৱ পু�ৰাণোক্ত বিষয়কলৈ ৰচিত। *ৰঘুবংশ*ৰ উৎস *ৰামায়ণ*। *মালৱিকাগ্নিমিত্ৰ*ৰ উৎস শুঙ্গবংশৰ ইতিহাস। *বিক্ৰমোৰ্বশীয়ম্*ৰ উৎস *ঋগ্বেদ* (১০/৯৫), *শতপথ ব্ৰাহ্মণ* আৰু *ৰামায়ণ*। *অভিজ্ঞানশকুন্তলম্*ৰ উৎস মহাভাৰতৰ শকুন্তলোপাখ্যান আৰু *কাষ্ঠহাৰীজাতক* (জাতক-৭)।

কিন্তু উক্ত গ্ৰন্থকেইখনৰ উপৰি *অম্বাস্তৱ, কল্যাণস্তৱ, কালীস্ত্ৰোত্ৰ, কাব্যনাটকালংকাৰাঃ, গঙ্গাস্তৱ (২), ঘটকৰ্পৰ, চণ্ডিকাদণ্ডকস্ত্ৰোত্ৰ, চৰ্চাস্তৱ, জ্যোতিৰ্বিদ্যাভৰণ, দুৰ্ঘটকাব্য, নলোদয়, নৱৰত্নমালা, পুষ্পবাণবিলাস, মকৰণস্তৱ, মঙ্গলাষ্টক (২), মহাপদ্যষটক্, বৃন্দাবনকাব্য, ৰত্নকোষ, ৰাক্ষসকাব্য, লক্ষ্মীস্তৱ, লঘুস্তৱ, বিদ্বদবিনোদকাব্য, বৈদ্যমনোৰমা, শুদ্ধিচন্দ্ৰিকা, শৃঙ্গাৰ তিলক,*

শৃঙ্গাৰৰসাষ্টক, শাসলদণ্ডক, শ্রুতবোধ, সপ্তশ্লোকীৰামায়ণ আৰু *সেতুবন্ধ*—এই তেত্রিশখন সৰুবৰ পুথিৰো স্রষ্টা কালিদাস বুলি পৰম্পৰাই কয়।কিন্তু এইবোৰৰ ভাব-ভাষা, বর্ণনা কালিদাসীয় গ্রন্থবোৰৰ সমকক্ষ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কালিদাসে ৰচনা কৰা খণ্ডকাব্য দুখন কি কি?

.....

প্রশ্ন নং ৬ ঃ কালিদাসৰ নাটক তিনিখনৰ নাম লিখক।

.....

প্রশ্ন নং ৭ ঃ মহাকবি কালিদাসে ৰচনা কৰা মহাকাব্য দুখনৰ নাম কি?

.....

প্রশ্ন নং ৮ ঃ *ৰঘুবংশম্* কাব্যৰ উৎস হ'ল *ৰামায়ণ/মহাভাৰত*— শুদ্ধ উত্তৰটো লিখক।

.....

১১.৫ কালিদাসৰ শাস্ত্রবৈদগ্ধ্য

কালিদাসে তদানীন্তন কালত সমাজ আৰু ঋষি-মুনি সেবিত আশ্রম-ব্যৱস্থা তথা গুৰুকুলত প্রচলিত সকলো ভাৰতীয় শাস্ত্রৰ ওপৰত নৈপুণ্য লাভ কৰিছিল। তেওঁ লাভ কৰা শাস্ত্রজ্ঞানসমূহ তেওঁ তেওঁৰ ৰচনাৰাজিৰ মাজেৰে প্রচাৰ আৰু বিতৰণ কৰিছিল। চাৰিবেদ আৰু চৈধ্য শাস্ত্রৰ বিষয়ে তেওঁ বৈদগ্ধ্য লাভ কৰিছিল। তাৰে সৈতে তেওঁ সেইকালত প্রচলিত দৃশ্য-শ্রব্য কাব্য, অলংকাৰ আৰু *নাট্যশাস্ত্র*, জ্যোতিষ, ব্যাকৰণশাস্ত্রৰ ব্যাপক জ্ঞানো যোগ দিছিল। *মালবিকাগ্নিমিত্রত* তেওঁ 'ত্রয়ীবিগ্রহবত্যেব' বুলি *ঋক, যজু, সাম বেদৰ* উল্লেখ কৰিছে। *ৰঘুবংশত* তেওঁ বশিষ্ঠক অথর্বনিধি বুলি কৈ *অথর্ববেদৰ* বৈশিষ্ট্য নিৰূপণ কৰিছে। উপনিষদক আধ্যাত্মবিদ্যা বুলি তেওঁ আঙুলিয়াইছে। ৰঘুবংশৰ ১০/১৬/৩১ শ্লোকত উপনিষদ্ সাহিত্যৰে থকা তেওঁৰ পৰিচয় ব্যক্ত কৰিছে। *ঋগ্বেদ* (১০/৯৫) আৰু *শতপথ ব্রাহ্মণৰ* (৫/১/১) আশ্রয় লৈ কালিদাসে *বিক্রমোর্ৱশীয়ম্* নাটক ৰচনা কৰাটোৱে বৈদিক সাহিত্যৰ ওপৰত থকা তেওঁৰ জ্ঞানৰ পৰিচয় দিয়ে।

একেদৰে কালিদাসৰ স্মৃতি বা ধর্মশাস্ত্রৰ জ্ঞানো অসীম আছিল। *ৰঘুবংশৰ* দ্বিতীয় সর্গত (২/২) তেওঁ 'শ্রুতেৰিবার্থং স্মৃতিৰন্বগাচ্ছৎ' বুলি কৈছে। *ৰঘুবংশতে* (১/১৭) তেওঁ ৰেখামাত্রমপি ক্ষুণ্ণাদা মনোর্বৎর্মনঃ পৰম্' বুলি কৈছে। তেনেকৈ তেওঁ গৃহ্যসূত্রমতে শিৱ-পার্বতী বা অজঃ ইন্দুমতীৰ বিয়াৰ বিৱৰণ দিছে। *অভিজ্ঞানশকুন্তলম্ত* (৬ষ্ঠ অঙ্কত) 'ননুগর্ভঃ পিত্র্যং ৰিক্থমর্হতি' বুলি দায়ভাগৰ জ্ঞানৰ পৰিচয় দিছে মহাকবি কালিদাসে।

কালিদাসে ভাৰতীয় ষড়্দর্শনৰ জ্ঞানো লাভ কৰিছিল। 'প্রকৃতিঃ কর্ত্রী পুৰুষস্তু উদাসীনঃ' (*কুমাৰসম্ভৱ* ১১/১০) বুলি তেওঁ সাংখ্যৰ জ্ঞান প্রকাশ কৰিছে। সেইদৰে বেদান্তৰ জ্ঞানো তেওঁৰ

আছিল। একেদৰে যোগ, ন্যায়বৈশেষিক দর্শনৰ বিষয়েও তেওঁৰ অগাধ পাণ্ডিত্য আছিল। তেওঁৰ মীমাংসাৰ জ্ঞান প্রকাশ পাইছে সায়ন্তেন সৱনকর্মণি সংপ্রবৃত্তে, দিষ্ট্যা ধূমাকুলিতদৃষ্টেৰপি যজমানস্য পাবক এৱাহুতিঃ পতিতা,' 'অমী বেদিং পৰিতঃ', আৰু 'শ্রদ্ধা বিত্তং বিধিশ্চেতি ত্রিতয়ং তৎসমাগতং,' আদি বর্ণনাৰ মাজেৰে।

তদুপৰি কালিদাসে অর্থশাস্ত্র, ব্যাকৰণ, কামশাস্ত্র, জ্যোতিঃশাস্ত্র, আয়ুর্বেদ, সংগীত, গীত, বাদ্য, নাট্যশাস্ত্র, কোষ, ছন্দ, অলংকাৰ শাস্ত্র আৰু পূর্ব কবিৰ প্রবন্ধাদিৰ ওপৰতো ব্যাপক দখলৰ পৰিচয় দিছে। ভাস, কবিপুত্র, সৌমিল্লকৰ পূর্ব প্রবন্ধৰ ওপৰতো কালিদাসে যথোচিত জ্ঞান লাভ কৰিছিল। *ৰামায়ণ, মহাভাৰত* আৰু পুৰাণ সম্বন্ধেও তেওঁৰ বিস্তৃত জ্ঞান আছিল।

১১.৬ কালিদাসৰ লেখনিৰ বৈশিষ্ট্য

মহাকবি কালিদাসৰ ৰচনাৰাজিয়ে দুখন খণ্ডকাব্য, দুখন মহাকাব্য আৰু তিনিখন নাটক বা দৃশ্যকাব্য সামৰি লৈছে— এই কথা আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ।

এই কাব্য আৰু নাটকবোৰৰ ভাব, ভাষা, ৰচনাৰীতি আৰু ৰসৰ বর্ণনা অতি চমকপ্রদ। গ্রন্থবোৰৰ ভাষা অতি সহজ সৰল। মহাকবি কালিদাসৰ ৰচনাৰীতি বৈদর্ভী, য'ত সমাসৱদ্ধ শব্দৰাশি পৰিহাৰ কৰা হৈছে। সুন্দৰ, অর্থবহ শব্দৰ মালাৰে মহাকবিৰ ৰচনাবোৰ লিপিবদ্ধ হৈছে। সকলো সময়তে স্বাভাৱিকভাৱে বিষয়বস্তুৰ বর্ণনা আগবঢ়াই নিয়া হৈছে।

খণ্ডকাব্য *ঋতুসংহাৰ* আৰু *মেঘদূতৰ* প্রতিটো শ্লোক সুন্দৰ ভাব-ভাষা, অলংকাৰ আৰু ৰসসিক্ত। ছন্দৰ গাঁথনিও ভাব-ভাষা অনুগামী। *ঋতুসংহাৰে* ছয়ঋতুৰ যি অনুপম বর্ণনা দাঙি ধৰিছে সি আজিও অনুকৰণীয় হৈ আছে। একেদৰে গীতিকাব্য শ্রেণীৰ মাজত *মেঘদূতৰ* সৰস কাব্যময় ৰসসমৃদ্ধিয়ে এনে এক স্থান গ্রহণ কৰিছে যাৰ অনুকৰণ কৰিবলৈ ৰচিত দূতকাব্যবোৰে তাক স্থানচ্যুত কৰাটো নেলাগে ওচৰ চাপিবকে পৰা নাই।

একেদৰে *কুমাৰ সম্ভৱ* কাব্যখনক যদিও পণ্ডিতসকলে কবিৰ আগবয়সৰ ৰচনা বুলিছে, তথাপি তাৰ কাব্যিক সুষমা লাঘৱ হোৱা নাই। শৃঙ্গাৰ ৰসৰ প্রাধান্যই কাব্যখনিক ভাৰাক্রান্ত কৰিলেও তৃতীয়াদি সর্গৰ পাছত ৰতিৰ শোকৰ মাজেৰে হৃদয়স্পর্শী কৰুণ ৰসে পাঠককো আপ্লুত কৰে। *ৰঘুবংশম্‌*ক কবিৰ প্রৌঢ়কালৰ ৰচনা বুলি কোৱা হয়। ইয়াৰে বিষয়বস্তুৰ গাম্ভীর্য আৰু একে সমান বর্ণনাশৈলীয়ে কাব্যখনক বিশ্বসাহিত্যত এক অগ্রৱর্তী স্থানত বহুৱাইছে। ইয়াত পোৱা ৰস আৰু অলংকাৰৰ মাধুর্যই যিকোনো পাঠকৰ হৃদয় স্পর্শ কৰে। 'উপমা কালিদাসস্য' বোলা লোকোক্তিয়ে কাব্যখনৰ প্রথম শ্লোকৰ পৰাই পাঠকক লগ দিয়ে। উপমা আৰু উপমাগর্ভ অলংকাৰৰ প্রাচুর্য্যই কাব্যখনক ভাৰতীয় সাহিত্যত শীর্ষস্থানত উপনীত কৰিছে।

কালিদাসৰ নাটক কেইখন সঁচাকৈ উৎকৃষ্ট নাটক। প্রথম নাটকখনক কবিৰ আদি বয়সৰ ৰচনা বোলা হৈছে আৰু তিনিখন নাটকৰ ভিতৰত এইখনক নিম্ন বোলা হৈছে। কিন্তু কালিদাস হ'বলৈ হ'লে পোনতে যে *মালবিকাগ্নিমিত্রৰ* দৰে সুন্দৰ নাটকৰ ৰচনা কৰা আৱশ্যক তাক বুজোতাইহে

বুজে। শুঙ্গৰজা অগ্নিমিত্রৰ ইতিহাস এইখন নাটকৰ উপজীব্য। আনহাতে *বিক্রমোর্ৱশীয়* নাটকখন এক উৎকৃষ্ট নাট্যকাব্য। ইয়াৰ বিষয়বস্তুও প্রাচীন ভাৰতীয় ইতিহাসৰ আন এক অনুপম খণ্ড।

*অভিজ্ঞানশকুন্তলম্*ৰ নাট্যবস্তুত ভাৰতীয় প্রাচীন ইতিহাসৰ এক অনুপম খণ্ড, য'ত শকুন্তলোপাখ্যানকে উপজীব্য কৰা হৈছে। কালিদাসৰ নাটকসমূহত মানুহ আৰু প্রকৃতিক অভিন্ন ৰূপে চিত্রিত কৰা হৈছে। প্রকৃতিয়ে যেন মানুহৰ সৈতে স্বাভাৱিকভাৱে সহযোগ কৰিছে। অন্যবোৰ ৰচনাক এৰি থৈ কেৱল শকুন্তলালৈ চকু দিলেও দেখা যায়, সর্বত্র প্রকৃতি মানুহৰ ব্যৱহাৰিক সনাপোটকা। ১ম অংকৰ পৰা ৪র্থ অংকলৈ, সিফালে সপ্তম অংকতো প্রকৃতিৰ ভৰপূৰ আবেদন। বিশ্বৰ কোনো সাহিত্যতে হয়তো প্রকৃতি আৰু মানুহৰ এনে অভিন্ন মিশ্রণ দেখা নাযায়। মহাকবিৰ নাটকত উপস্থাপিত মানৰ চৰিত্রবোৰ স্বাভাৱিকৰূপে চিত্রিত হৈছে। তেওঁলোকৰ স্বভাৱ-চৰিত্র, ব্যৱহাৰ, ভাব-ভাষা ক'তো কৃত্রিমতাৰ নাম গোন্ধ নাই। সকলো যেন মানৱ-আদর্শৰ প্রতিনিধি আৰু তেওঁলোক মানৰ হৈও প্রকৃতিৰ সহযোগী, গুণৰ উৎকর্ষৰে চিত্রিত।

তেওঁলোকৰ মুখৰ ভাষা-সংলাপ নিতান্ত উপযোগী। যথাযোগ্যভাৱে উচ্চ শ্রেণীৰ চৰিত্রৰ মুখত যিদৰে সংস্কৃত ভাষাই খেও খাইছে, মধ্য আৰু নিম্নবর্গৰ চৰিত্রৰ মুখত সেইদৰে যথাযুক্তভাৱে প্রাকৃত সংলাপ ব্যৱহৃত হৈছে।

কালিদাসে কাব্যৰ প্রয়োজনত ৰসানুভূতিৰ সৃষ্টি কৰিছে। বীৰ বা শৃঙ্গাৰ ৰসক নাটকত প্রধান ৰূপে উপস্থাপন কৰাটো *নাট্যশাস্ত্রৰ* বিধান। নাট্যকাৰ কালিদাসে তেওঁৰ নাটকবোৰত বিশেষভাৱে সম্ভোগ বা বিপ্রলম্ভ শৃঙ্গাৰৰ প্রয়োগ কৰিছে। তাৰ লগত প্রয়োজনত মহাকবিয়ে অন্যান্য ৰসৰ সংযোজন অৱশ্যে কৰিছে।

যথাযোগ্যভাৱে কবিয়ে উপমা আৰু উপমাগর্ভ অলংকাৰ প্রয়োগ কৰিছে। প্রতিটো শ্লোক সুন্দৰ ছন্দেৰে প্রকাশ লাভ কৰিছে। স্রগ্ধৰা, পুষ্পিতাগ্রা, মন্দাক্রান্তা, মালিনী, প্রহর্ষিণী, আর্যা, বসন্ততিলক, বংশস্থবিল, শার্দূলবিক্রীড়িত আদি ছন্দৰ সার্থক ব্যৱহাৰ দেখিবলৈ পোৱা যায় মহাকবিৰ ৰচনাসমূহত।



জানি থোৱা ভাল

সংস্কৃত ভাষাত ৰচিত সকলো শ্রেণীৰ নাটকক বুজাবলৈ 'ৰূপক' শব্দটো ব্যৱহাৰ কৰা হয়। সংস্কৃত নাট্য সাহিত্যত দশবিধ ৰূপক আৰু ওঠৰ প্রকাৰৰ উপৰূপকৰ স্থিতি উপলব্ধ। নাটক ৰূপকৰে অন্তর্গত এটি ভাগ। নাটকৰ লক্ষণসমূহ এনে ধৰণৰ—

- নাটকৰ কাহিনী কোনো বিখ্যাত গ্রন্থৰ পৰা গ্রহণ কৰিব লাগে যাতে দর্শক বা পাঠকে অনায়াসে সেই কাহিনী বুজিব পাৰে।
- নাটকৰ কাহিনী পাঁচটা সন্ধিৰ মাজেৰে পৰিণতিৰ ফালে আগবাঢ়িব লাগে। সেই কাহিনী নানা বিভূতিযুক্ত হ'ব লাগে। সুখ-দুখ সম্বলিত নানা ৰসেৰে কাহিনী পুষ্ট হ'ব লাগে। আৰু নাটকত পাঁচৰ পৰা দহটা অংক থাকিব লাগে।

- নাটকৰ নায়কজন কোনো বিখ্যাত বংশত ওপজা হ'ব লাগে। নায়কজন ধীৰ-স্থিৰ আৰু প্ৰতাপশালী হ'ব লাগে। নায়কজন দিব্য অৰ্থাৎ দেৱতা বা অদিব্য অৰ্থাৎ শ্ৰেষ্ঠ মানুহো হ'ব পাৰে।
- নাটকত সদায় শৃংগাৰ বা বীৰৰসেই মুখ্য ৰস হিচাপে নাটকত থাকিব লাগে আৰু আন আন ৰসো কাহিনীৰ সাপেক্ষত থাকিব লাগে।
- নায়কজনৰ মুখ্য কাৰ্যৰ লগত সম্পৰ্ক থকা চাৰিটা বা পাঁচটা মুখ্য চৰিত্ৰ থাকিব লাগে।
- নাটকৰ কাহিনী শেষৰফালে ক্ৰমে সৰু হৈ যাব লাগে আৰু মুখ্য ফল প্ৰাপ্তিত নাটক সমাপ্ত হ'ব লাগে।

মন কৰিবলগীয়া যে কালিদাসৰ গোটেই কেইখন নাটকতে এই বৈশিষ্ট্যসমূহ সুন্দৰভাৱে প্ৰতিপাদিত হৈছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৯ ঃ কালিদাস কোনটো ৰীতিৰ কবি?

.....

প্ৰশ্ন নং ১০ ঃ মহাকবি কালিদাসে ব্যৱহাৰ কৰা কিছুমান ছন্দৰ নাম লিখক।

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহাকবি কালিদাসৰ জীৱন সম্পৰ্কে কোনোধৰণৰ প্ৰমাণিত তথ্য পোৱা নাযায়। তেওঁৰ সময়কাল আৰু জীৱনসম্বন্ধে জনসমাজত বিভিন্ন কিম্বদন্তী প্ৰচলিত হৈ আহিছে। অধ্যায়টোত সেইবোৰৰ বিষয়ে বহলাই উল্লেখ কৰা হ'ল। সেই প্ৰসংগত উল্লেখ কৰা হৈছে যে — ৰজা বিক্ৰমাদিত্যৰ নামৰ লগত কালিদাস জড়িত হৈ আছে, কালিদাসৰ জন্মস্থান বা বাসস্থান উজ্জয়িনী বুলি অনুমান কৰা হয়। লগতে অধ্যায়টোত কালিদাসৰ ধৰ্ম-সম্প্ৰদায়ৰ বিষয়ে যি আনুমানিক তথ্য পোৱা যায় সেইবিষয়ে অৱগত কৰা হ'ল।
- মহাকবি কালিদাসে কিমানখন গ্ৰন্থ ৰচনা কৰিছিল, সেইটো এতিয়াও অনিশ্চিত। তথাপি অধিকাংশ পণ্ডিতে তেওঁক সাতখন গ্ৰন্থৰ ৰচক বুলি খাটাংকৈ কয়। তাৰে দুখন খণ্ডকাব্য বা গীতিকাব্য হ'ল *ঋতুসংহাৰ*আৰু *মেঘদূত*; মহাকাব্য দুখন ক্ৰমে *কুমাৰ সম্ভৱম্*আৰু *ৰঘুবংশম্*;

নাটক তিনিখন ক্ৰমে *মালৱিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্* আৰু *অভিজ্ঞানশকুন্তলম্*। *ৰঘুবংশম্* আৰু *অভিজ্ঞানশকুন্তলম্* কৱিৰ প্ৰৌঢ়কালৰ ৰচনা বুলি কোৱা হয়। *কুন্তলেশ্বৰদৌত্যম্* নামৰ আন এখন অপ্ৰকাশিত গ্ৰন্থকো কালিদাসৰ ৰচনা বুলি ধৰা হৈছে। ইয়াৰ উপৰি আৰু তেত্ৰিশখন সৰুবৰ পুথি তেওঁৰ নামত প্ৰচলিত হৈ আছে। তেওঁ ৰচনা কৰা বুলি সঠিকভাৱে উল্লেখ কৰা পুথিসমূহৰ উৎস সম্বন্ধেও অধ্যায়টোত কিছু কথা আলোচনা কৰা হৈছে।

- মহাকবি কালিদাসে ৰচনা কৰা কাব্য আৰু নাটকবোৰৰ ভাব, ভাষা, ৰচনাৰীতি আৰু ৰসৰ বৰ্ণনা অতি চমকপ্ৰদ। গ্ৰন্থবোৰৰ ভাষা অতি সহজ সৰল। অধ্যায়টোত মহাকবি কালিদাসৰ ৰচনাৰীতি তথা লেখনিৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত কৰা হ'ল।



১১.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৪); *সংস্কৃত সাহিত্যৰ জিলিঙণি;* গুৱাহাটী ঃ গ্ৰন্থপীঠ।

৩) শৰ্মা, থানেশ্বৰ (২০০৮); *অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) শৰ্মা, থানেশ্বৰ (২০০৮); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) হাজৰিকা, অতুল চন্দ্ৰ (১৯৫৯), *অভিজ্ঞানশকুন্তলম্*; গুৱাহাটী।

ইংৰাজী গ্ৰন্থ ঃ


৬) Kale, M. R. (Ed.) (1969). *The Abhijnana Sakuntalam of Kalidasa.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

৭) Keith, A. B. (1973). *A History of Sanskrit Literature.* Delhi: Oxford UP.

৮) Keith, A. B. (1998). *The Sankskrit Drama.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

৯) Radhakrishnan, C. S. (2005). *Kalidasa New Perspective.* Delhi: New Bharatiya Book Corporation.

১০) Winternitz, M. (1985). *History of Indian Literature. Vol-II* (trans in English by Subhadra Jha); Delhi: MBD.



১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰজা বিক্রমাদিত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ বিদ্যাৱতী।

৩ নং প্রশ্নৰ উত্তৰ ঃ উজ্জয়িনী।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিৱ।

৫ নং প্রশ্নৰ উত্তৰ ঃ *মেঘদূত* আৰু *ঋতুসংহাৰ।*

৬ নং প্রশ্নৰ উত্তৰ ঃ *মালবিকাগ্নিমিত্রম্, বিক্রমোর্বশীয়ম্* আৰু *অভিজ্ঞানশকুন্তলম্।*

৭ নং প্রশ্নৰ উত্তৰ ঃ *ৰঘুবংশ* আৰু *কুমাৰসম্ভৱ*।

৮ নং প্রশ্নৰ উত্তৰ ঃ *ৰামায়ণ।*

৯ নং প্রশ্নৰ উত্তৰ ঃ বৈদর্ভী

১০ নং প্রশ্নৰ উত্তৰ ঃ মালিনী, বসন্ততিলক, শার্দূলবিক্রীড়িত, স্রগ্ধৰা, আর্যা আদি।



১১.১০ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) কালিদাস ক'ৰ অধিবাসী আছিল বুলি বিবেচনা কৰা হয়?

খ) *ৰঘুবংশত* কালিদাসে কাৰ বিষয়ে বহলাই চর্চা কৰিছে?

গ) কালিদাসে তেওঁৰ নাটকত প্রয়োগ কৰা দুটা অলংকাৰৰ নাম লিখক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) কিম্বদন্তী মতে কালিদাস এজন অজ্ঞাতনামা ব্রাহ্মণৰ পুত্র আছিল।

খ) বীৰ বা শৃঙ্গাৰ ৰসক নাটকত প্রধান ৰূপে উপস্থাপন কৰাটো *নাট্যশাস্ত্রৰ* বিধান।

গ) *ঋতুসংহাৰত* ৰজা অজ জীৱন কাহিনী বিবৃত হৈছে।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মহাকবি কালিদাসৰ ৰচনাৰ বৈশিষ্ট্য চাৰিটা লিখক।

প্রশ্ন ২ ঃ কালিদাসৰ জীৱনসম্বন্ধে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ সংস্কৃত নাটকৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহাকবি কালদাসৰ ৰচনাৰাজী আৰু সেইবোৰৰ উৎস সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মহাকবি কালদাসৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোকপাত কৰক।

প্ৰশ্ন ৩ ঃ কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্যৰ বিষয়ে আলোকপাত কৰি তেওঁৰ লেখনিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ কালিদাস — *অভিজ্ঞানশকুন্তলম্* (ষষ্ঠ অংকৰ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথন)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ *অভিজ্ঞানশকুন্তলম্*ৰ কাহিনীভাগ

১২.৪ মূলপাঠ — পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

১২.৪.১ ভাষাশৈলীৰ সাধাৰণ আলোচনা, কাব্যিক সৌন্দর্য

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্রগতিৰ খতিয়ান

১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *অভিজ্ঞানশকুন্তলম্* নামৰ সংস্কৃত নাটকখনৰ কাহিনীভাগৰ বিষয়ে অৱগত হ'ব
- *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ ষষ্ঠ অংকৰ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথন অংশৰ মূলপাঠৰ লগতে সেই পাঠৰ অসমীয়া অনুবাদ সম্পর্কে জ্ঞাত হ'ব
- নাটকখনৰ পাঠাংশত ব্যৱহৃত প্রাকৃত ভাষাৰ বৈশিষ্ট্যসমূহ যথাযথভাৱে ব্যাখ্যা কৰি দেখুৱাব পাৰিব আৰু কাব্যিক সৌন্দর্যৰ বিষয়ে অৱগত হ'ব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত সংস্কৃত নাটকত প্রাকৃত ভাষা কেনেদৰে ব্যৱহাৰ কৰা হয় সেই বিষয়ে আলোচনা কৰিবলৈ গৈ মহাকবি কালিদাসে ৰচনা কৰা *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ প্রসংগ উত্থাপন কৰা হৈছিল। সেই প্রসংগতে অধ্যায়টোত কালিদাসৰ জীৱন আৰু কৃতি সম্পর্কে বহলাই আলোচনা কৰা হ'ল। এই অধ্যায়টোত আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত নাটকখনৰ ষষ্ঠ অংশৰ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথনৰ মূল পাঠাংশ উল্লেখ কৰি তাৰ অসমীয়া অনুবাদো কৰি দিয়া হ'ব।

অভিজ্ঞানশকুন্তলম্ নাটকৰ ষষ্ঠ অঙ্কৰ এই অংশটোত শকুন্তলাক দুষ্যন্তই প্রদান কৰা হেৰোৱা আঙঠিটো উদ্ধাৰ হোৱাৰ কথা আৰু তাৰ পৰিপ্রেক্ষিতত মহাৰাজ দুষ্যন্তৰ প্রতিক্রিয়া ব্যক্ত কৰা হৈছে। আদ্যোপান্ত প্রাকৃত ভাষা ব্যৱহাৰ হোৱাৰ বাবেই এই দৃশ্যটি আপোনাৰ পাঠ্যক্রমৰ

অন্তর্ভুক্ত কৰা হৈছে। আলোচনাৰ প্রসংগত নাটকখনৰ কাহিনীভাগৰ চমু পৰিচিতিও অধ্যায়টোত অন্তর্ভুক্ত কৰা হৈছে। নাটকত ব্যৱহৃত প্রাকৃতাংশৰ ভাষাশৈলী সম্পর্কেও কিছু কথা অধ্যায়টোত আলোচনা কৰা হ'ব।

১২.৩ *অভিজ্ঞানশকুন্তলম্*ৰ কাহিনীভাগ

সংস্কৃত সাহিত্যত মহাকবি কালিদাসৰ অমৰ সৃষ্টি *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ এক বিশিষ্ট স্থান আছে। অকল সংস্কৃত সাহিত্যতে নহয়, এই নাটকখনে সমগ্র বিশ্বজুৰি পণ্ডিত-সজ্জনৰ হৃদয়ত এক সুকীয়া আসন দখল কৰিবলৈ সমর্থ হৈছে। মুঠ সাতোটা অঙ্কত বিভক্ত এই নাটকখনিৰ কাহিনীভাগ *মহাভাৰতৰ* আদি পর্বৰ পৰা আহৰণ কৰা হৈছে। নাট্যকাৰে মূলৰ পৰা কাহিনীৰ জুমুধিটো গ্রহণ কৰি আপোন মনৰ মাধুৰিৰে ঘটনাংশ সজাই নাটকখন ৰচনা কৰিছে। মূলত বর্ণিত হস্তিনাপুৰৰ পুৰুবংশৰ ৰজা দুষ্যন্ত আৰু কণ্ব মুনিৰ আশ্রম-পালিতা-মহর্ষি বিশ্বামিত্র আৰু অপ্সৰা মেনকাৰ কন্যা শকুন্তলাৰ প্রেমজনিত কাহিনীভাগক নাট্যকাৰে স্বকীয় প্রতিভাৰে নানা মৌলিক উপাদান সংযোগ কৰি নাটকৰ উপযোগীকৈ গঢ় দিছে। মন কৰিবলগীয়া যে, নাটকখনৰ শিৰোনামত থকা 'অভিজ্ঞান' (যি চিহ্নৰ জৰিয়তে কাৰোবাক স্মৰণ কৰা যায়) শব্দটোৱেও নতুন উপাদানৰ উপস্থিতিৰ প্রমাণ দিয়ে। আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত অংশটি অৱশ্যে মূল *মহাভাৰতত* উল্লেখ নাই, এয়া কবিৰ আপোন সৃষ্টি।

মহাভাৰতৰ কাহিনী অনুসাৰে মৃগয়াৰ বাবে বনলৈ যোৱা মহাৰাজ দুষ্যন্তই ঘটনা ক্রমে কণ্ব মুনিৰ আশ্রমত শকুন্তলাক লগ পায়। আশ্রমৰ মনোৰম পৰিৱেশত অকলশৰীয়া তন্বী গাভৰু গৰাকীক দেখি দুষ্যন্ত কামাতুৰ হৈ পৰে। তেওঁ গাভৰু গৰাকীৰ পৰিচয় লৈ ক্ষত্রিয় কুলজা বুলি গম পাই কণ্ব মুনিৰ অনুমতি অবিহনেই তাৎক্ষণিকভাৱে গন্ধর্ব নিয়মানুসাৰে শকুন্তলাক বিয়া কৰায় আৰু সম্ভোগ চৰিতার্থ কৰে। অভিপ্সা পূৰণৰ পাছত পৰৱর্তী কোনো সময়ত শকুন্তলাক পত্নীৰূপে লৈ যোৱাৰ প্রতিশ্রুতিৰে দুষ্যন্ত নিজ ৰাজ্যলৈ উভতি যায়। আশ্রমলৈ উভতি আহি কণ্ব মুনিয়ে সকলো জানি বিবাহযোগ্যা শকুন্তলাৰ ভৱিষ্যত মঙ্গল কামনা কৰি সেই বিবাহত অনুমোদন জনায়। সময়ত শকুন্তলাৰ গর্ভত এটি সর্বসুলক্ষণযুক্ত পুত্র সন্তানৰ জন্ম হয়। শিশুটিৰ ছয় বছৰ বয়স হোৱাত মুনিয়ে এক শুভক্ষণত শকুন্তলাক পতিগৃহলৈ পঠিয়াই দিয়ে। কিন্তু হস্তিনাপুৰৰ ৰাজসভাত দুষ্যন্তই সকলো জানিও লোক অপবাদৰ ভয়ত শকুন্তলাক অস্বীকাৰ কৰে। তেনেতে হঠাৎ এক দৈৱবাণীয়ে সকলো কথা পৰিষ্কাৰকৈ জনাই দিয়াত সভাসদসকলৰ সন্মুখত ৰজাই শকুন্তলাক পত্নীৰূপে আদৰি লয়। থূলমূলকৈ *মহাভাৰতত* বর্ণিত কাহিনীভাগ ইমানেই।

আপুনি নিশ্চয় লক্ষ্য কৰিছে যে *মহাভাৰতত* উল্লেখ থকা মূল কাহিনীভাগত নাটকীয় উৎকণ্ঠা সৃষ্টিৰ তেনে কোনো বিশেষ সমল নাই। সেয়ে মহাকবিয়ে মূলৰ পৰা আঁতৰি আহি ভালেমান নতুন ঘটনাৰ অৱতাৰণা কৰিছে। নাট্য-কাহিনীত তেওঁ নতুনকৈ সংযোগ কৰা উপাদানবোৰৰ ভিতৰত সবাতোকৈ উল্লেখযোগ্য হৈছে দুর্বাসাৰ অভিশাপ আৰু সেই অভিশাপৰ পৰা পৰিত্রাণৰ উপায়। পিছৰটো উপাদানৰ সার্থকতাৰ বাবে নাট্যকাৰে দুষ্যন্ত প্রদত্ত অভিজ্ঞানৰূপী আঙঠি এটাৰ সহায়

লৈছে। নাটকীয় ঘটনা অনুসাৰে দুষ্যন্তৰ প্ৰস্থানৰ পাছত আশ্ৰমত অগ্নিঋষি দুৰ্বাসাৰ প্ৰৱেশ ঘটে। তেওঁ চিন্তাক্লিষ্ট শকুন্তলাক বাৰম্বাৰ মাতিও মাত নাপাই ক্ৰোধে-অপমানে জৰ্জৰিত হৈ এই বুলি অভিশাপ দিয়ে— "তই যাৰ কথা ভাবি ইমান তন্ময় হৈ ইয়ালৈ অহা মোৰ নিচিনা তপোধনক আদৰিব নোৱাৰিলি, সেইজনেই মদাহী লোকে পূৰ্বৰ কথা স্মৰণ কৰিব নোৱাৰাৰ দৰে বাৰে বাৰে সোঁৱৰাই দিলেও তোৰ কথা মনত পেলাব নোৱাৰিব।" শকুন্তলা অভিশপ্ত হ'ল যদিও, তেওঁ কিন্তু নিজে একো গম নাপালে। গম পালে তেওঁৰ লগৰী অনসূয়া আৰু প্ৰিয়ম্বদাই। এই দুটি নাৰী চৰিত্ৰও নাট্যকাৰৰে অনবদ্য সৃষ্টি। দুয়ো গৰাকী শকুন্তলাৰ দৰেই আশ্ৰম-পালিতা; পাৰস্পৰিকভাৱে সুখ-দুখৰ একান্ত লগৰী। দুয়ো গৰাকীয়ে নিৰ্দোষী সখীয়েকক মহাসংকটৰ পৰা উদ্ধাৰ কৰিবলৈ ঋষিৰ হাতে-ভৰিয়ে ধৰি অভিশাপ মোচনৰ এটি উপায় উলিয়াই লয়। এই অনুসাৰে শকুন্তলাই যদি কোনো অভিজ্ঞান দেখুৱাব পাৰে তেন্তে তেওঁলোকৰ মিলন সম্ভৱ হ'ব। এই অভিজ্ঞান হ'ল দুষ্যন্ত প্ৰদত্ত এটা আঙঠি। এই আঙুঠিটো নাট্যকাৰে মিলনৰ প্ৰথম পৰ্বতে প্ৰেমৰ চিন স্বৰূপে দুষ্যন্তই শকুন্তলাক উপহাৰ দিয়া দেখুৱাইছে। অভিশাপৰ কথা কিন্তু নাটকৰ অন্তিম মুহূৰ্ত পৰ্যন্ত শকুন্তলাৰ পৰা কৌশলেৰে লুকুৱাই ৰখা হৈছে। দুষ্যন্ত প্ৰদত্ত আঙঠিটো যিহেতু শকুন্তলাৰ হাতত আছে, এতেকে দুয়ো সখীয়েকে অভিশাপৰ বিষয়টো তেওঁক জনোৱাৰ আৱশ্যকতা বোধ নকৰিলে। কেৱল সেয়ে নহয়, এই ঘটনা নাট্যকাৰে অনসূয়া-প্ৰিয়ম্বদাৰ বাহিৰে আন কাকোৱেই জানিবলৈ দিয়া নাই।

ইয়াৰ পাছত সগৰ্ভা শকুন্তলাক পতিগৃহলৈ পঠিওৱা হৈছে। *মহাভাৰতৰ* মতে পতিগৃহলৈ যোৱাৰ সময়ত শকুন্তলা ছবছৰীয়া পুত্ৰ সৰ্বদমনৰ মাতৃ। পিতৃগৃহত সন্তান জন্ম দিয়া কাৰ্য কালিদাসে পৰিহাৰ কৰিছে। নাট্য-কাহিনীৰ সময়ৰ পৰিব্যাপ্তি আৰু তাৎকালীন সমাজ-ব্যৱস্থা তাৰ কাৰণ হ'ব পাৰে। সি যি কি নহওক, পতিগৃহলৈ যোৱাৰ বাটত শচীতীৰ্থত হাত ধোওঁতে শকুন্তলাৰ হাতৰ পৰা অজ্ঞাতসাৰে আঙঠিটো পানীত পৰিছে। ফলত তেওঁ দুৰ্বাসাৰ অভিশাপৰ ফলত সকলো পাহৰি যোৱা দুষ্যন্তক প্ৰয়োজনীয় অভিজ্ঞান দেখুৱাবলৈ অসমৰ্থ হয়। স্বামীৰ দ্বাৰা প্ৰত্যাখ্যাতা, ক্ষোভে-অপমানে জৰ্জৰিতা শকুন্তলাক দেৱতাসকলে মাৰীচৰ আশ্ৰমত আশ্ৰয় প্ৰদান কৰে।

ইফালে শচীতীৰ্থৰ পানীত পৰা সেই বিশেষ আঙঠিটো এটা ৰৌমাছে গিলে। মাছটো শক্ৰাৱতাৰবাসী জনৈক মাছমৰীয়াৰ জালত বন্দী হয় আৰু তাক কাটোতে ৰজাৰ নাম খোদিত থকা সেই মহামূল্যবান ৰত্ন খচিত আঙঠিটো ওলাই পৰে। সেইটো বিক্ৰী কৰিবৰ মনেৰে ৰজাৰলৈ আহোঁতে মাছমৰীয়াজনক চোৰ বুলি পহৰাৰত আৰক্ষীয়ে বন্দী কৰে। নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ মাছমৰীয়াজনে বিভিন্ন প্ৰকাৰে চেষ্টা কৰিলেও, নগৰৰক্ষী বিষয়াই মাছমৰীয়া আৰু ৰক্ষী দুজনক নগৰদ্বাৰৰ বাহিৰত থৈ গোটেই ঘটনাটো ৰজাক জনাবলৈ ৰাজ-অন্তেষপুৰত প্ৰৱেশ কৰে। কিছু পৰৰ পিছত তেওঁ উভতি আহি ৰাজ আজ্ঞা শুনায় যে ৰজাই মাছমৰীয়াজনক মুকলি কৰি দিবলৈ আদেশ দিছে। অকল সেয়ে নহয়, আঙঠিটোৰ সমমূল্যৰ পুৰস্কাৰেৰে ৰজাই মাছমৰীয়াজনক পুৰস্কৃতও কৰিছে। নগৰৰক্ষী বিষয়াগৰাকীয়ে আঙঠিটো পোৱাৰ পাছত মহাৰাজ দুষ্যন্ত যে বিচলিত হৈ পৰিছিল সেই কথাও জানিবলৈ দিয়ে। ইয়াৰ পাছত মাৰীচৰ আশ্ৰমত দুষ্যন্ত-শকুন্তলাৰ পুনৰ্মিলনৰ জৰিয়তে নাটকখনিৰ যৱনিকা পৰিছে।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় এই কথা অনুভৰ কৰিব পাৰিছে যে নাট্যকাৰ মূল কাহিনীৰ পৰা ভালেখিনি আঁতৰি আহিছে। কালিদাসে 'অভিজ্ঞান' সৃষ্টি কৰি নাট্যকাহিনীভাগ আগ বঢ়াই নি সফল পৰিসমাপ্তি ঘটাইছে। এক কথাত ক'ব পাৰি নাটকখনিত দুষ্যন্তই শকুন্তলাক দিয়া আঙঠিটো এটা নিৰ্জীৱ পদাৰ্থ মাত্ৰ হৈ থকা নাই। নাট্যকাৰৰ প্ৰতিভাৰ বলত ই হৈ পৰিছে এটা সজীৱ-সচল চৰিত্ৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ কাহিনীভাগৰ মূল কি?

.....

প্ৰশ্ন নং ২ ঃ শচীতীৰ্থৰ পানীত পৰা শকুন্তলাৰ আঙঠিটো কি মাছে গিলিছিল?

.....

১২.৪ মূলপাঠ — পাঠৰ অসমীয়া অনুবাদ আৰু শব্দগত টোকা

অভিজ্ঞানশকুন্তলম্ নাটকখনৰ ষষ্ঠ অংশৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথনৰ অংশখিনি আপোনাৰ পাঠবিষয়ৰ অন্তৰ্ভুক্ত। এই অংশটোক 'প্ৰৱেশক' বুলিও কোৱা হয় বুলি ইতিমধ্যে পূৰ্বৰ অধ্যায়তে উল্লেখ কৰি অহা হৈছে। এই অংশটোৰ সংলাপ অংশ সম্পূৰ্ণৰূপে প্ৰাকৃত ভাষাত ৰচনা কৰা হৈছে। ইয়াত মূলতঃ শৌৰসেনী আৰু মাগধী — এই দুই প্ৰকাৰৰ প্ৰাকৃত ব্যৱহাৰ কৰা হৈছে। তলত মূল পাঠ উল্লেখ কৰি তাৰ অসমীয়া অনুবাদ উল্লেখ কৰাৰ লগতে সিবোৰৰ বছা বছা শব্দ কিছুমানৰ ভাষাতাত্ত্বিক টোকাও সন্নিৱিষ্ট কৰা হৈছে।

মূল পাঠ ঃ

ৰক্ষিণৌ ঃ (পুৰুষং তাড়ায়িত্বা) হণ্ডে কুম্ভীলআ, কধেহি কহিং তুএ এশে মহালদণ-ভাশুলে উক্কিণামক্খলে লাঅকীএ অঙ্গুলীঅএ শমাশাদিদে।

ধীৱৰকঃ ঃ (ভীতিনাটিতকেন) পশীদন্তু ভাৱমিশ্শা, ণ হগে ঈদিশশ্শ অকয্যশ্শ কালকে।

প্ৰথমঃ ঃ কিং ণু ক্খু শোহণে বম্হণে শি ত্তি কদুঅ লঞ্ঞঞা পলিগ্গহে দির্ণে।

ধীৱৰকঃ ঃ শুণধ দাৱ গে ক্খুশক্কাৱদালবাশী ধীৱলে।

দ্বিতীয়ঃ ঃ হণ্ডে পাডচ্চলা, কিং তুমং অস্মেহিং যাদিং বশদিং চ পুশ্চিদে।

নাগৰকঃ ঃ সুঅঅ, কধেদু সব্বং কমেণ। মা ণং পডিবন্ধেধ।

উভৌঃ ঃ যং লাউত্তে আণবেদি। লৱেহি লে লৱেহি।

অসমীয়া অনুবাদ ঃ

ৰক্ষীদ্বয় ঃ (মানুহজনক কোবাই কোবাই) হেৰ' চোৰ, তই এই বহুমূলীয়া ৰত্নেৰে জিলিকি থকা ৰজাৰ নাম লিখা আঙঠিটো ক'ত পালি ক।

ধীৱৰ ঃ (ভীত হৈ) মহাশয়সকল প্রসন্ন হওক। মই এনে অপকর্ম কৰা নাই।

প্রথম ঃ তেনেহ'লে কি এজন সৎ ব্রাহ্মণ বুলি ভাবি ৰজাই তোক এইটো উপহাৰ দিছে?

ধীৱৰ ঃ তেনেহ'লে শুনক, মই শক্রাৱতাৰবাসী এজন মাছমৰীয়া।

দ্বিতীয় ঃ হেৰ' গভাইত চোৰ, আমি কি তোৰ জাতি আৰু বাসস্থানৰ কথা সুধিছোঁ?

নাগৰপাল ঃ সূচকঙ্গ তাক সকলো কথা ক'বলৈ দিয়া। বাধা নিদিবা।

উভয়ে ঃ যিবা আজ্ঞা মহাশয়। হেৰ' ক তেনেহ'লে, ক।

শব্দগত টোকা ঃ

হণ্ডে = অহো = হেৰ', ঐ।

কুম্ভীলআ < কুম্ভীৰক = কুম্ভীৰ, চোৰ; ৰ > ল

কধেহি < কথয় = ক; স্বৰমধ্যস্থিত ধ-কাৰৰ স্থিতি।

এশে < এষঃ = এই; ষ > শ

মহালদণভাশুলে < মহাৰত্নভাস্করং = মূল্যবান ৰত্নেৰে উজ্জ্বল; ৰ > ল, ত > দ, স > শ, ৰত্ন> ৰতন > (স্বৰভক্তি) লদন।

উক্কিনামক্খলে < উৎকীর্ণনামাক্ষৰঃ = নাম খোদাই কৰা; ৎক > ক্ক (সমীভৱন), অন্ত্য অঃ > এ, ৰ > ল

লাঅকীএ < ৰাজকীয়ঃ = ৰজাৰ; ৰ > ল, য়-ৰ লোপ

অঙ্গুলীঅএ < অঙ্গুৰীয়কঃ = আঙঠি; ৰ > ল, অন্ত্য অঃ > এ

শমাশাদিদে < সমাসাদিতঃ = পাইছ, সংগ্রহ কৰিছ; স > শ, ত > দ, অন্ত্য অঃ > এ

হগে < অহকে (অহম্ + স্বার্থিক ক) = মই

পশীদন্ত < প্রসীদন্ত = প্রসন্ন হওক; আদি অৱস্থানৰ সংযুক্ত ৰ-কাৰৰ লোপ প্র > প, স > শ

ভাবমিশ্শা < ভাবমিশ্রাঃ = মহাশয়সকল (সম্বোধনৰ বহুবচন)

কালকে < কাৰকঃ; ৰ > ল, অন্ত্য অঃ > এ

ঈদিশশ্শ < ঈদৃশস্য = এনেকুৱা; ঋ > ই, স্য > শ্শ (সমীভৱন)

শক্কাবদালবাশী < শক্রাৱতাৰবাসী = শক্রাৱতাৰৰ বাসিন্দা; ক্র > ক্ক (সমীভৱন), স > শ, ত> দ

পাডচ্চলা < পাটচ্চৰ = চোৰ; ৰ > ল, সম্বোধনৰ একবচনৰ অন্ত্য অ > আ

অস্মেহিং < অস্মাভিঃ = আমি; ভ > হ, অ-কাৰৰ বাহিৰে অন্য স্বৰৰ পিছত থকা বিসর্গৰ লোপ

যাদিং < জাতিম্ = জাতি; জ > য, ত > দ, অন্ত্য ম্ > ং

বশদিং < বসতিম্ = বাসস্থান; স > শ, ত > দ

পুশ্চিদে < পুচ্ছিতঃ = সুধিছোঁ, চ্ছ > শ্চ, ত > দ

শোহণে < শোভনঃ = ধুনীয়া, সৎ; ভ > হ, ন > ণ

বম্হণে < ব্রাহ্মণঃ = ব্রাহ্মণ, বামুণ; আদ্য অৱস্থানৰ সংযুক্ত ৰ-কাৰৰ লোপ, হ্ম > ম্হ

(ধ্বনি বিপর্যয়)

কদুঅ < কৃত্বা (কৃ + ত্বাচ) = কৰা; ত্বাচ > দুঅ

পলিগ্‌গহে < পৰিগ্রহঃ = দান; গ্র > গ্‌গ (সমীভৱন), ৰ > ল, অন্ত্য অঃ > এ

দিণ্ণে < দত্তঃ = দান

লঞ্ঞএঞা < ৰাজ্ঞা = ৰজা; জ্ঞ > ঞ্‌ঞ

পড়িবন্ধেধ < পৰিবন্ধেত = বাধা নিদিবা; ত > থ > ধ

লাউত্তে < ৰাঅউত্তে < ৰাজযুক্তঃ বা ৰাজপুত্রঃ = ৰাজকর্মচাৰী বা ৰাজপুত্র; জ আৰু য-ৰ লোপ

আণবেদি < আজ্ঞাপয়তি = আদেশ কৰক; জ্ঞ > ণ, প > ব, ত > দ

লবেহি < লপহি (লপ্ + লোট হি) = ক, কৈ যা

মূল পাঠ ঃ

ধীৱৰক ঃ শে হগে যালবডিশপ্পহুদীহিং মশ্চবন্ধণোৱাএহি কুডুম্বভলণং কলেমি।

নাগৰক ঃ (প্রহস্য) বিসুদ্ধো দাণিং দে আজীৱো।

ধীৱৰক ঃ ভস্টকে মা এৱং ভণ —

শহযে কিল যে বিণিন্দিদে
ণ হু শে কম্ম বিবয্‌যণীঅকে
পশুমালী কলেদি দালুণং
অণুকম্পামিদুলে শোণিকে।

নাগৰক ঃ তদো তদো।

ধীৱৰক ঃ অধ একদিঅশং মএ লোহিদমশ্চকে খণ্ডশো কপ্পিদে। যাৱ তশ্‌শ উদলব্‌ভন্তলে এদং মহালদণভাশুলং অঙ্গুলীঅঅং পেস্কামি। পশ্চা ইধ বিক্কঅস্তং ণং দংশঅন্তে যেয়ব গহিদে ভাৱমিশ্‌শেহিং। এত্তিকে দাৱ এদশ্‌শ আঅমে। অধুণা মালেধ ৱা কুস্টেধ ৱা।

নাগৰক ঃ (অঙ্গুৰীয়কম্ আঘ্রায়) জাণুঅ, মচ্ছোদৰসংঠিদং তি ণত্থি সংন্দেহো। তধা অঅং বিস্‌সগন্ধো। আগমো দাণিং এদশ্‌শ বিমৰিশিদব্‌বো। তা এধ। ৰাঅউলং জেৱ গচ্ছম্‌হ।

ৰক্ষিণৌ ঃ (ধীৱৰং প্রতি) গশ্চ লে গণ্ঠিশ্চেদআ গশ্চ (ইতি পৰিক্রামতঃ)

অসমীয়া অনুবাদ ঃ

ধীৱৰ ঃ মই জাল, বৰশী আদি মাছ ধৰা আহিলাৰে মোৰ আত্মীয়সকলক পোহপাল দিওঁ।

নগৰপাল ঃ (হাঁহি) তোমাৰ জীৱিকা দেখোন তেনেই বিশুদ্ধ।

ধীৱৰ ঃ মহাশয়, তেনেকৈ নক'ব —

সহজাত বৃত্তি (জন্মসূত্রে লাভ কৰা বৃত্তি) নিন্দনীয় হ'লেও তাক পৰিত্যাগ কৰা অনুচিত। অনুকম্পাৰে হৃদয় ভৰি থাকিলেও কচায়ে পশুহত্যাৰ দৰে নিষ্ঠুৰ কাম কৰিবলগীয়া হয়।

নগৰপাল ঃ তাৰ পাছত, তাৰ পাছত—

ধীবৰ ঃ তাৰ পাছত এদিনাখন মই ৰৌ মাছ এটা ডোখৰ ডোখৰকৈ কাটিছিলোঁ। তেতিয়া তাৰ পেটৰ ভিতৰত এই মহাৰত্নেৰে সুশোভিত আঙঠিটো দেখিছিলোঁ। এইটোকে পাছত ইয়াত বিক্রী কৰিবৰ বাবে দেখুৱাই ফুৰোঁতে মহাশয়সকলে মোক ধৰিছে। এইটো পোৱাৰ কাহিনী ইমানেই। এতিয়া মাৰকেই বা কাটকেই।

নগৰপাল ঃ (আঙঠিটো শুঙি) জানুক, এইটো যে মাছৰ পেটত আছিল তাত কোনো সন্দেহ নাই। সেইবাবেই এনে কেচেমা কেচেম গোন্ধ। গতিকে ইয়াৰ প্রাপ্তিৰ ঘটনা চিন্তাৰ বিষয়। আহা, আমি ৰাজপ্রাসাদলৈ যাওঁ।

উভয়ে ঃ (ধীবৰৰ প্রতি) ব'ল, হেৰ' গাঁথিকটীয়া ব'ল (সকলোটি কিছু আগুৱাই যায়)

শব্দগত টোকা ঃ

যালবডিশপ্পহুদীহিং < জালবড়িশপ্রভৃতিভিঃ = জাল-বৰশী আদিৰে; জ > য, প্র > প্প (সমীভৱন), ত > দ, ভিঃ > হিং

মশ্চবন্ধণোৱাএহিং < মৎস্যবন্ধনোপায়ৈঃ = মাছ মৰা সঁজুলিৰে, ৎস্য > শ্চ

কুডুম্বভলনং < কুটুম্বভৰণম্ = আত্মীয়সকলক ভৰণ-পোষণ; ৰ > ল, ন > ণ

কলেমি < কৰোমি = কৰোঁ; ৰ > ল

বিসুদ্ধোদাণিং < বিশুদ্ধঃ ইদানীম্ = এইটো বিশুদ্ধ; শ > স, ইদানীম্ > দাণিং

আজীৱো < আজীৱঃ = জীৱিকা; অন্ত্য অঃ > ও

ভস্টকে < ভর্তৃকঃ = ডাঙৰীয়া, মহাশয়; র্ত > স্ট

শহযে < সহজঃ = সহজাত, জন্মজ; স > শ, অন্ত্য অঃ > এ

বিবয্যণীয়কে < বিবর্জনীয়কঃ = পৰিত্যাজ্য, বর্জনীয়; র্জ > য্য, অন্ত্য অঃ > এ

পশুমালী < পশুমাৰী = পশুহত্যাকাৰক; ৰ > ল

কলেমি < কৰোমি = কৰে

দালুণং < দাৰুণম্ = নিষ্ঠুৰ; ৰ > ল, ম্ > ং

অণুকম্পামিদুলে < অনুকম্পামৃদুৰপি = অনুকম্পাৰে দ্রৱীভূত; ঋ > ই, ব > ল

শোণিকে < শৌনিকঃ = কচাই; ঔ > ও, ন > ণ, অন্ত্য অঃ > এ

এক্কদিঅশং < একদিৱসম্ = এদিনাখন; এক > এক্ক, ৱ-ৰ লোপ, স > শ, অন্ত্য ম্ > ং

লোহিদমশ্চকে < ৰোহিতমৎস্যকঃ = ৰৌমাছ; ৰ > ল, ৎস > শ্চ, ত > দ, অন্ত্য অঃ এ

খণ্ডশো কপ্পিদে < খণ্ডশঃ কল্পিতঃ = টুকুৰা টুকুৰ কৰা; ল্প > প্প, ত > দ

উদলব্ভন্তলে < উদৰাভ্যন্তৰঃ = পেটৰ ভিতৰত; ৰ > ল, ভ্য > ব্ভ

পেস্কামি < প্রেক্ষামি = দেখা পালোঁ; > আদি প্র > প, ক্ষ > স্ক

পশ্চা < পশ্চাৎ = পিছত; অন্ত্য ৎ-ৰ লোপ

বিক্কঅস্তং < বিক্রয়ার্থম্ = বিক্রী কৰিবৰ বাবে; ক্র > ক্ক, র্থ > স্ত, অন্ত্য ম্ > ং

দংশঅস্তং < দর্শয়ন্ = দেখুৱাওঁতে

এত্তিকে < অত্রকঃ = ইমানেই; ত্র > ত্ত (সমীভৱন)

আগমে < আগমঃ = আগমনৰ, প্ৰাপ্তিৰ

বিস্সগন্ধো < বিস্রগন্ধঃ = কেচেমাকেচেম গোন্ধ; স্র > স্স (সমীভৱন), অন্ত্য অঃ > ও

কুষ্টেধ < কুট্টেয়থ = টুকুৰা টুকুৰকৈ কটা; ট্ট > স্ট, থ > ধ

গণ্ঠিশ্চেদআ < গ্রন্থিচ্ছেদক = গাঁথিকটীয়া, চোৰ; আদি গ্র > গ, ন্থ > ণ্ঠ (মূৰ্ধণ্যীভৱন)

মূল পাঠ ঃ

নাগৰকঃ ঃ সূঅঅ, ইধ গোউৰদুআৰে অপ্পমত্তা পডিবালেধ মং যাৱ ৰাঅউলং পৱিসিঅ ণিক্কমামি

উভৌ ঃ পৱিশদু লাউত্তে শামিপ্পশাদস্তং

নাগৰকঃ ঃ তধা (ইতি নিষ্ক্রান্তঃ)

অসমীয়া অনুবাদ ঃ

নগৰৰক্ষী ঃ সূচক, মই যেতিয়ালৈকে ৰাজপ্রাসাদৰ পৰা উভতি নাহো, তেতিয়ালৈকে এই নগৰদ্বাৰতে অতি সতর্কতাৰে ৰৈ থাকাহঁক।

উভয়ে ঃ ৰজাৰ অনুগ্রহ লাভৰ বাবে আপুনি প্রৱেশ কৰক।

নাগৰক ঃ সেয়ে হওক (প্রস্থান)।

শব্দগত টোকা ঃ

গৌউড়দুআৰে < গোপুৰদ্ধাৰে = নগৰদ্বাৰ; প-ৰ লোপ, দ্ব > দুঅ

অপ্পমত্তা < অপ্রমত্তা = সতর্কতাৰে; প্র > প্প (সমীভৱন)

পডিবালেধ < প্রতিপালয়ত = ধৰি ৰখা, প্রতিপালন কৰা; আদি প্র > প, প > ব, অয় > এ, ত > থ > ধ

ৰাঅউলং < ৰাজকুলম্ = ৰজাৰ গৃহৰ; স্বৰমধ্যস্থিত জ আৰু ক-ৰ লোপ, অন্ত্য ম্ > ং

ণিক্কমামি < নিষ্ক্রমামি = উভতি অহা; ষ্ক্র > ক্ক

শামিপ্পশাদস্তং < স্বামী প্রসাদার্থং = ৰজাৰ অনুগ্রহ লাভৰ বাবে, স > শ, প্র > প্প, র্থং > স্তং

মূল পাঠ ঃ

সূচকঃ ঃ যাণুঅ, চিলাঅদি লাউত্তে।

জানুকঃ ঃ ণং অৱশলোৱশপ্পণীআ খু লাঅণো হোন্তি।

সূচকঃ ঃ যাণুঅ, স্ফুলন্তি মে অগ্গহত্থা (ধীৰৱং নির্দিশ্য) ইমং গণ্ঠিশ্চেদঅং ৱাৱাদেদুং।

ধীৰৱকঃ ঃ ণালিহদি ভাৱে অকালণমালকে ভৱিদুং

জানুকঃ ঃ (ৱিলোক্য) এশে অস্মাণং ঈশলে পত্তে গেণ্হিঅ লাঅশাশণং। (ধীৰৱং প্রতি) তা শউলাণং মুহং পেস্কশি অধ ৱা গিন্ধশিআলাণং বলী ভৱিশ্শশি।

নাগৰকঃ ঃ (প্রৱিশ্য) সিগ্ঘং সিগ্ঘং এদং — (ইতি অর্ধোক্তে)

ধীৰৱকঃ ঃ হা হদে স্মি (ইতি বিষাদং নাটয়তি)।

অসমীয়া অনুবাদ ঃ

সূচক ঃ জানুক, প্রভুৰে দেৰি কৰিছে।

জানুক ঃ অৱসৰ বুজিহে ৰজাৰ কায চাপিব পৰা যায়।

সূচক ঃ জানুক, (ধীৱৰক দেখুৱাই) এই গাঁঠিকটীয়াটোক মাৰিবলৈ মোৰ হাতৰ আঙুলিবোৰত পিৰপিৰণি উঠিছে।

ধীৱৰ ঃ মোক বিনা কাৰণে বধ কৰাটো উচিত নহ'ব।

জানুক ঃ (দূৰলৈ চাই) সৌৱা আমাৰ প্ৰভু ৰজাৰ আদেশ লৈ আহিছেই। (ধীৱৰলৈ চাই) তই এতিয়া কুকুৰৰ মুখ দেখিবি অথবা শিয়াল-শগুণৰ বলি হবি।

নগৰৰক্ষীঃ (প্ৰৱেশ কৰি) অতি শীঘ্ৰে ইয়াক (অসমাপ্ত)।

ধীৱৰঃ ঃ হায়ঙ্গ মই মৰিলোঙ্গ (বিষাদিত হয়)।

শব্দগত টেকা ঃ

চিলাঅদি < চিৰায়তে = দেৰি কৰা, বিলম্ব কৰা; ৰ > ল, ত > দ, তে > দি (আত্মনেপদ বিভক্তিৰ ঠাইত পৰস্মৈপদী)।

অৱশলোৱশপ্পণীআ < অৱসৰোপসর্পনীয়াঃ = অৱসৰ বা আহৰি বুজি; স > শ, ৰ > ল, র্প > প্প (সমীভৱন)

লাঅণো < ৰাজনঃ = ৰজাৰ; ৰ > ল, স্বৰমধ্যৱৰ্তী জ-ৰ লোপ

হোন্তি < ভৱন্তি = হয়। ভ > হ, অৱ > ও

স্ফুলন্তি < স্ফূৰন্তি = কুটকুটোৱা; ৰ > ল

অগ্গহস্তা < অগ্রহস্তা = হাতৰ আগভাগ, আঙুলি; গ্র > গ্গ (সমীভৱন)

ৱাৱাদেদুং < ব্যাপাদয়িতুম্ = বধ কৰিবৰ বাবে; আদ্যাক্ষৰৰ য-কাৰৰ লোপ, প > ব, ত > দ, অন্ত্য ম্ > ং

ণালিহদি < নোর্হতি = অনুচিত, যোগ্য নহয়।

ঈশলে < ঈশ্বৰঃ = প্ৰভু; ৰ > ল, অন্ত্য অঃ > এ

লাঅশাশণং < ৰাজশাসনম্ = ৰজাৰ আদেশ; স্বৰৰ মাজৰ জ-ৰ লোপ, স > শ, ম্ > ং

গেণ্হিঅ < গৃহীত্বা = গ্ৰহণ কৰি লৈ; ঋ > এ

শউলাণং < শ্বকুলানাম্ = কুকুৰৰ

পেক্কশি < প্রেক্ষসে = দেখা, দেখিবি; ক্ষ > ক্ক, স > শ

গিদ্ধশিআলাণং < গৃদ্ধ-শৃগালানাম্ = শগুণ-শিয়ালৰ; ঋ > ই, গ-ৰ লোপ

হদেস্মি < হতঃ + অস্মি = মই মৰিলোঁ।

মূল পাঠ ঃ

নাগৰকঃ ঃ মুঞ্চেধ ৰে মুঞ্চেধ জালোৱজীৱিণং। উৱৱগ্গো সে কিল অঙ্গুলীঅঅস্স আঅমো। অম্হ সামিণা জেৱ মে কধিদং।

সূচকঃ ঃ যধা আণৱেদি লাউত্তে। যমবশদিং গদুঅ পডিনিউত্তে ক্খু এশে (ইতি ধীৱৰং বন্ধনান মোচয়তি)

ধীৱৰকঃ ঃ (নাগৰকং প্রণম্য) ভষ্টকে, তৱ কেলকে মম যীৱিদে (ইতি পাদয়োঃ পততি)।

নাগৰকঃ ঃ উট্ঠেহি উট্ঠেহি। এসো ভট্টিণা অঙ্গুলীঅঅমুল্লসম্মিদো পাৰিদোসিও দে পসাদীকিদো।

তা গেণ্হ এদং (ইতি ধীৱৰং কটকং প্রযচ্ছতি)।

ধীৱৰকঃ ঃ (সহর্ষ প্রতিগৃহ্য) অণুগ্গহিদে ম্মি।

অসমীয়া অনুবাদ ঃ

নগৰৰক্ষী ঃ মুকলি কৰি দিয়া, এই জালোৱাটোক মুকলি কৰি দিয়া। আঙঠি-প্রাপ্তিৰ ঘটনা প্রমাণিত হৈছে। আমাৰ মহাৰাজেও মোক তেনেদৰেই কৈছে।

সূচক ঃ প্রভুৰ যি আদেশ। ই যমৰ ঘৰলৈ গৈ পুনৰ ঘূৰি আহিল (ধীৱৰৰ বন্ধন মুকলি কৰি দিয়ে)।

ধীৱৰ ঃ (নগৰপালকক প্রণাম কৰি) মহাশয়, আপোনাৰ কাৰণেই মোৰ জীৱন ৰক্ষা পৰিল (ভৰিত ধৰে)।

নগৰপালক ঃ উঠা, উঠা। ৰজাই সন্তুষ্ট হৈ তোমাক আঙঠিটোৰ সমান মূল্যৰ পাৰিতোষিক দিছে। সেইখিনি গ্রহণ কৰা (ধীৱৰক স্বর্ণমুদ্রা দিয়ে)।

ধীৱৰ ঃ (সানন্দে গ্রহণ কৰি) মই ধন্য হ'লোঁ।

শব্দগত টোকা ঃ

মুঞ্চেধ < মুঞ্চত = মুকলি কৰি দিয়া; ত > থ > ধ

জালোৱজীৱিণং < জালোপজীৱিণং = জালোৱাটোক, মাছমৰীয়াটোক; প > ৱ, ন > ণ

উৱবণ্ণো < উপপন্নঃ = প্রমাণিত হৈছে; প > ব

অম্হ সামিণা < অস্মৎ স্বামিনা = আমাৰ প্রভুৱে; স্ম > হ্ম > ম্হ (ধ্বনি বিপর্যয়), আদি অৱস্থানৰ স্ব > স, ন > ণ

যমৱশদিং < যমৱসতিং = যমৰ ঘৰ; স > শ, ত > দ

গদুঅ < গত্বা = গৈ; ত্ব > দুঅ।

পত্তিনিউত্তে < প্রতিনিবৃতঃ = পুনৰ ঘূৰি অহা; ব-ৰ লোপ, ঋ > ই

তব কেলকে < তৱ কৃতে = আপোনাৰ বাবেই।

যীবিদে < যীৱিতম্ = জীয়াই থাকিলোঁ, জীৱন পালোঁ।

উট্ঠেহি < উত্তিষ্ঠ = উঠা, উঠা; ত্ত > ট্ঠ, ষ্ঠ > হ্ঠ > ঠহ্ (ধ্বনি বিপর্যয়)।

ভট্টিণা < ভর্ত্রা = স্বামীয়ে, গৰাকীয়ে; র্ত্র > ট্ট (সমীভৱন)

অঙ্গুলীঅঅমুল্লসম্মিদো < অঙ্গুৰীয়কমূল্যসম্মিতঃ = আঙঠিৰ মূল্যৰ সমান; স্বৰমধ্যস্থিত ক-ৰ লোপ, ল্য > ল্ল (সমীভৱন) ত > দ

পাৰিদোসিও < পাৰিতোষিকঃ = পুৰস্কাৰ; ত > দ, স্বৰৰ মাজৰ ক-ৰ লোপ, অন্ত্য অঃ > ও

পসাদীকিদো < প্রসাদীকৃতঃ = সন্তুষ্ট হৈ; আদি অৱস্থানৰ প্র > প, ঋ > ই, ত > দ, অন্ত্য অঃ >ও

গেণহ্ < গৃহান = গ্রহণ কৰা, লোৱা; ঋ > এ

অনুগ্গহিদে < অনুগৃহীতঃ = ধন্য হোৱা; গৃ > গ্গ, ত > দ

মূল পাঠ ঃ

জানুকঃ ঃ এশে ক্খু লএ্ওএ্ঞা তধা ণাম অণুগ্গহিদে যং শূলাদো ওদালিঅ হস্তিস্কংন্ধং সমালোৱিদে।

সূচকঃ ঃ লাউত্তে, পালিদোশিএ কধেদি মহালিহলদ্ণেণ তেণ অঙ্গুলীঅএণ শামিণো বহুমদেণ হোদব্বং তি।

নাগৰকঃ ঃ ণং তস্সিং ভট্টিণো মহাৱিহৰদণং তি ণ পাৱিদোসো। এত্তিঅং উণ।

উভৌঃ ঃ কিং ণাম—

নাগৰকঃ ঃ তক্কেমি তস্স দংসণেণ কো ৱি হিঅঅট্ঠিদো জণো ভট্টিণা সুমৰীদো ত্তি। জদো তং পেক্খিঅ মুহুত্তঅং পইদিগম্ভীৱো ৱি পজ্জস্সুঅমণো আসি।

সূচকঃ ঃ তোদিশে দাণি ভস্টা লাউত্তেণ।

জানুকঃ ঃ ণং ভণামি ইমশ্শ মশ্চলীশত্তুণো কিদে ত্তি। (ইতি ধীৱৰম্ অসূয়য়া পশ্যতি)

ধীৱৰকঃ ঃ ভস্টকা ইদো অদ্ধং তুস্মাণং পি শূলামূল্লং ভোদু।

জানুকঃ ঃ ধীৱল, মহত্তলে শংপদং মে পিঅৱঅশ্শকে শংবুত্তে শি। কাদম্বলী-শদ্ধিকে ক্খু পঢমং অস্মাণং শোহিদে ইশ্চীঅদি। তা শুণ্ডিকাগালং যেৱ গশ্চস্ম। (ইতি নিষ্ক্রান্তাঃ সর্ৱে)

অসমীয়া অনুবাদ ঃ

জানুক ঃ ৰজাই ইয়াক ইমানেই অনুগৃহীত কৰিলে যে শূলৰ পৰা নমাই যেন হাতীৰ পিঠিত বহুৱাই দিয়া হ'ল।

সূচক ঃ প্রভু, পাৱিতোষিকেই কয় যে বহুমূলীয়া ৰত্নখচিত সেই আঙঠিটো ৰজাৰ বৰ মনঃপুত হৈছে।

নগৰপাল ঃ বহুমূলীয়া ৰত্নখচিত বুলিয়েই যে ৰজাৰ এই পাৱিতোষিক তেনে নহয়; আন কিবাও আছে।

উভয়ে ঃ কিনো সেয়া?

নগৰপাল ঃ মোৰ ধাৰণা হয়, সেইটো দেখি তেওঁৰ কোনো হৃদয়স্থিত প্রিয়জনাৰ কথা সোঁৱৰণিলৈ আহিছে। কাৰণ সেইটো দেখি স্বভাৱগম্ভীৰ মহাৰাজ মুহূর্তমানৰ কাৰণে বিচলিত হৈ পৰিছিল।

সূচক ঃ প্রভু, তেনেহ'লে আপুনি মহাৰাজক বিশেষভাৱে সন্তুষ্ট কৰিছে।

জানুক ঃ মই কওঁ, এই মাছৰ শত্রুটোৰ বাবেই সন্তুষ্ট হৈছে। (ধীৱৰৰ প্রতি ঈর্ষাৰ চাৱনি)

ধীৱৰ ঃ মহোদয়সকল, ইয়াৰ আধা (পাৱিতোষিকৰ) আপোনালোকৰ সুৰাৰ মূল্য হওক।

জানুক ঃ ধীৱৰ, তুমি মহৎ; এতিয়াৰ পৰা তুমি আমাৰ প্রিয় সখা হ'লা। আমাৰ প্রথম বন্ধুত্ব সুৰাক সাক্ষী কৰি স্থাপিত হোৱাটো বাঞ্ছা কৰোঁ। গতিকে আহা আমি মদ-বেচোঁতাৰ দোকানলৈ যাওঁ। (আটাইৰে প্রস্থান)

শব্দগত টোকা ঃ

শূলাদো < শূলাৎ = শূলৰ পৰা

ওদালিঅ < অৱতার্য > অৱতাৰিয় = উলিয়াই অনা; অৱ > ও, ত > দ, র্য ৰিঅ (স্বৰভক্তি) > লিঅ (ৰ > ল)।

হস্তিস্কন্ধং (তৎসম ৰূপ) = হাতীৰ পিঠিত।

শমালোৰিদে < সমাৰোপিতঃ = আৰোপিত, বহুওৱা; স > শ, ৰ > ল, প > ৱ, ত > দ

মহালিহলদণেণ < মহার্হৰত্নেন = মহামূল্যবান ৰত্নখচিত; র্হ > ৰিহ (স্বৰভক্তি) > লিহ (ৰ > ল), ৰত্ন > লদণ (স্বৰভক্তি)।

হোদ্‌ব্‌বং < ভৰিতব্য = হ'ব; ভ > হ, ব্য > ব্‌ব।

ভট্টিণো < ভর্ত্তুঃ = গৰাকীৰ (ৰজাৰ); র্ত্ত > ট্ট

মহাৰিহৰদণং < মহার্হৰত্নং = বহুমূলীয়া ৰত্ন; র্হ > ৰিহ (স্বৰভক্তি)

তক্কেমি < তর্কয়ামি = অনুমান হয়, ভাব হয়; র্ক > ক্ক

হিঅঅট্‌ঠিদো < হৃদয়স্থিতঃ = হৃদয়ত থকা; দ, য়-ৰ লোপ, স্থ > ট্‌ঠ, অন্ত্য অঃ > ও

সুমৰীদো < স্মৰিতঃ = স্মৰণলৈ অহা, মনত পৰা; আদি অৱস্থানৰ স্ম > সুম (স্বৰভক্তি), ত > দ

পেক্‌খিঅ < প্রেক্ষ্য = দেখি; ক্ষ > ক্‌খ

মুহূত্তঅং < মুহূর্ত্তকং = মুহূর্তৰ বাবে; র্ত্ত > ত্ত (সমীভৱন)

পইদিগম্ভীৰো < প্রকৃতিগম্ভীৰঃ, স্বভাৱত গম্ভীৰ; আদি প্র > প, ক-ৰ লোপ, ঋ > ই, ত > দ

পজ্জস্‌সুঅমণো < পর্য্যুৎসুকমনাঃ = উদ্বিগ্নমনা, বিচলিত হোৱা; র্য্য > জ্জ (সমীভৱন), ৎসু (সমীভৱন), ৎ-ৰ লোপ

ভস্টকা < ভর্তা = প্রভু, ৰজা; র্ত > স্ট, ক-ৰ লোপ

মশ্চলীশত্তু < মৎস্যশত্রোঃ = মাছৰ শত্রু (মাছমৰীয়া = ধীৱৰ); ৎস > শ্চ, ত্র > ত্ত

তুস্মাণং = আপোনালোকৰ

শূলামূল্লং < সুৰামূল্যং = সুৰাৰ মূল্য, মদৰ দাম; স > শ, ল্য > ল্ল (সমীভৱন)

ভোদু < ভৱতু = হওক; অৱ > ও

মহত্তলে < মহত্ত্বঃ = মহৎ, মহান; ত্ব > ত্ত, ৰ > ল, অন্ত্য অঃ > এ

১২.৪.১ ভাষাশৈলীৰ সাধাৰণ আলোচনা, কাব্যিক সৌন্দর্য

*অভিজ্ঞানশকুন্তলম্*ৰ এই দৃশ্যটো নিচেই কম পৰিসৰৰ হ'লেও ইয়াৰ ভাষাতাত্ত্বিক মূল্য অপৰিসীম। নাটকখনি মূলতঃ সংস্কৃত নাটক যদিও এই বিশেষ দৃশ্যটোৰ আটাইবোৰ সংলাপতে নাট্যকাৰে প্রাকৃত ভাষা ব্যৱহাৰ কৰিছে। মন কৰিবলগীয়া যে সংস্কৃত নাটকত প্রাকৃত ভাষা ব্যৱহাৰ কৰাৰ পৰম্পৰা কালিদাসৰ পূর্বৰে পৰা প্রচলিত আছিল। এই কথা ইতিপূর্বেও কৈ অহা হৈছে। খ্রীষ্টীয় দ্বিতীয় শতিকাত ৰচিত বুলি স্থিৰ

কৰা ভৰতমুনিৰ *নাট্যশাস্ত্ৰ* তথা তাৰ পূৰ্বৱৰ্তী অলংকাৰ-শাস্ত্ৰসমূহতো নাটকত প্ৰাকৃত ভাষাৰ ব্যৱহাৰৰ বিষয়ে বিভিন্ন নিয়ম-নীতিৰ উল্লেখ পোৱা যায়। নাট্যকাৰসকলে সেইবোৰকে কিছু শিথিলভাৱে তেওঁলোকৰ নাটকত প্ৰয়োগ কৰিছিল। সংস্কৃত নাট্যকাৰসকলে সাধাৰণভাৱে মানি চলা তেনে কিছুমান নিয়ম এনে ধৰণৰ—

- ৰজা, ব্ৰাহ্মণ আদি উচ্চ শ্ৰেণীৰ চৰিত্ৰই সংস্কৃত ভাষা ব্যৱহাৰ কৰিব।
- ৰাজ-বিষয়া, বিদূষক, ৰাণী, পৰিচাৰিকা, শিক্ষিতা নাৰী আদি মধ্যম শ্ৰেণীৰ চৰিত্ৰই শৌৰসেনী প্ৰাকৃতত কথা ক'ব।
- ধীৱৰ, চমাৰ, প্ৰহৰী, ৰক্ষী আদি নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখৰ ভাষা হ'ব মাগধী প্ৰাকৃত।
- নাটকৰ গীত আৰু গাথাত মহাৰাষ্ট্ৰী প্ৰাকৃতৰ প্ৰয়োগ হ'ব।

উল্লেখনীয় যে শৌৰসেনী প্ৰাকৃত সংস্কৃতৰ কিছু ওচৰ চপা হোৱা বাবে নাটকৰ মধ্যম শ্ৰেণীৰ চৰিত্ৰৰ মুখত এই ভাষা প্ৰয়োগ কৰা হৈছিল। আনহাতে সাহিত্যত ব্যৱহৃত আটাইকেইটা প্ৰাকৃতৰ ভিতৰত মাগধীক আটাইতকৈ বিকৃত বুলি ধাৰণা কৰা হেতুকে নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ সংলাপত এইবিধ প্ৰাকৃত ব্যৱহাৰ কৰা হৈছিল। নাট্যকাৰসকলে বহু সময়ত মাগধী প্ৰাকৃতৰ জৰিয়তে হাস্যৰস সৃষ্টি কৰাও পৰিলক্ষিত হয়। আকৌ প্ৰাকৃত ভাষাবোৰৰ ভিতৰত মহাৰাষ্ট্ৰীক শ্ৰেষ্ঠ প্ৰাকৃতৰূপে গণ্য কৰা হৈছিল। ব্যঞ্জনধ্বনিৰ লোপ তথা স্বৰধ্বনিৰ বহুল ব্যৱহাৰে এইবিধ প্ৰাকৃতক শ্ৰুতিমাধুৰ্য দান কৰিছিল। সেইবাবে নাটকত এই প্ৰাকৃত গীত আৰু কবিতাৰ ভাষাৰূপে নিৰ্বাচন কৰা হৈছিল। নক'লেও চলে যে বিবিধ প্ৰকাৰৰ প্ৰাকৃতৰ প্ৰয়োগে নাটকীয় চৰিত্ৰসমূহক বাস্তৱানুগ ৰূপ দিয়াত সহায় কৰিছিল। কিন্তু একে সময়তে ভাষা প্ৰয়োগৰ এনে বৈবিধ্যই তৎকালীন সংস্কৃত নাট্যকাৰসকলৰ ৰক্ষণশীল মনোভাববো পৰিচয় দাঙি ধৰে।

অন্যান্য সংস্কৃত নাট্যকাৰৰ দৰে কালিদাসেও কম বেছি পৰিমাণে উল্লিখিত নিয়মবোৰৰ আধাৰত নাট্য-সংলাপ ৰচনা কৰিছে। *অভিজ্ঞানশকুন্তলম্* নাটকৰ আলোচ্য দৃশ্যটো তাৰেই উৎকৃষ্ট উদাহৰণ। এই দৃশ্যটোৰ সংলাপ ৰচনাত নাট্যকাৰে দুবিধ প্ৰাকৃতৰ আশ্ৰয় লৈছে— শৌৰসেনী আৰু মাগধী। আপুনি পূৰ্বৰ উপশাখাত পাই আহিছে যে মাত্ৰ চাৰিটা পাৰ্শ্ব চৰিত্ৰৰ ক্ৰিয়া-কলাপৰ জৰিয়তে এই বিশেষ দৃশ্যটো উপস্থাপন কৰা হৈছে। সেইকেইটা হৈছে — নাগৰক, ধীৱৰ আৰু ৰক্ষীদ্বয়, সূচক আৰু জানুক। ইয়াৰে নাগৰক মধ্যম শ্ৰেণীৰ চৰিত্ৰ হোৱা বাবে তেওঁৰ মুখত শৌৰসেনী প্ৰাকৃত দিয়া হৈছে; আনহাতে, ৰক্ষীদ্বয় আৰু ধীৱৰ সামাজিকভাৱে নিম্ন মৰ্যাদাৰ হোৱা হেতুকে তেওঁলোকৰ সংলাপ মাগধী প্ৰাকৃতত ৰচিত হৈছে। তলত পাঠৰ আধাৰত দুয়োবিধ প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুওৱা হ'ল।

নাগৰকৰ ভাষা ঃ শৌৰসেনী প্ৰাকৃত

- স্বৰমধ্যৱৰ্তী দ-কাৰ আৰু ধ-কাৰৰ অৱস্থিতি, যেনে— তথা > তধা, পাৰিতোষিকঃ > পাৰিদোসিও

- শ, ষ, স-ৰ সলনি অকল স-ৰ প্রয়োগ, যথা— বিমর্ষিতব্যঃ > বিমৰিসিদব্বো
- বিসর্গযুক্ত অ-ৰ ও-লৈ ৰূপান্তৰ, যেনে — হৃদয়স্থিতঃ > হিঅঅট্ঠিদো
- ক্ষ > ক্খ, যেনে— প্রেক্ষ্য > পেক্খিঅ
- স্থ > ট্ঠ, যেনে — হৃদয়স্থিতঃ > হিঅঅট্ঠিদো
- ত্ম > ত্ত, যথা— আত্মন > অত্ত
- কর্মবাচ্যৰ য (য্) > ঈঅ, ইঅ, যেনে— গম্যতে > গমিঅদি
- স্বৰমধ্যৱর্তী অসংযুক্ত মহাপ্রাণ ধ্বনি থ-ৰ ঠাইত হ আৰু ধ-ৰ বিকল্প প্রয়োগ, যেনে— নাথ > নাহ, নাধ
- ভৱিষ্যৎ কালসূচক প্রত্যয় ষ্য > স্স, যেনে— হসিষ্যতি > হসিস্সদি
- সপ্তমীৰ একবচনৰ বিভক্তি স্মিন্ > ম্হি
- কৃ আৰু গম্ ধাতুত ক্ত্বাচ প্রত্যয়ৰ ইঅ-লৈ পৰিৱর্তন, যেনে—কৃত্বা > কৰিঅ, গত্বা > গমিঅ
- সংস্কৃতৰ অখণ্ডনীয় প্রভাৱ

ধীবৰ আৰু ৰক্ষীদ্বয়ৰ ভাষা ঃ মাগধী প্রাকৃত

- ৰ > ল, যেনে— ৰোহিত > লোহিদ, কাদম্ববী > কাদম্বলী, মহাৰত্ন > মহাৰতন > মহালদন
- অসংযুক্ত শ, ষ, স > স, যেনে— একদিৱসম্ > একদিঅশ, ভাসুৰঃ > ভাশুলে
- জ > য, যেনে— জানাতি > যাণাদি, জীৱিতঃ > যীবিদে
- স্বৰমধ্যস্থিত দ-কাৰ আৰু ধ-কাৰৰ স্থিতি, যেনে— চিৰায়তে > চিলাঅদি, জাতিম্ > যাদিং
- বিসর্গযুক্ত অ (অঃ)-কাৰৰ এ-লৈ পৰিৱর্তন, যেনে— ঈশ্বৰঃ > ঈশলে, জীৱিতঃ > যীবিদে
- ক্ষ > শ্ক, যেনে— প্রেক্ষতে > পেশ্কদি;
  চ্ছ > শ্চ, যেনে — পুশ্চিতঃ > পুশ্চিদে;
  জ্ঞ > ঞ্ঞ, যেনে— ৰাজ্ঞা > লঞ্ঞা, জ্ঞ কেতিয়াবা ণ হয়, যেনে— আজ্ঞাপয়তি > আণবেদি;
  র্ত > স্ট, যেনে— ভর্তৃকঃ > ভস্টকে;
  র্থ > স্ত, যেনে— বিক্রয়ার্থম > বিক্কঅস্তং
- সম্বোধনৰ একবচনৰ অন্ত্য অ > আ, যেনে— কুম্ভীৰক > কুম্ভীলআ
- অস্মৎ শব্দৰ একবচন আৰু বহুবচন উভয়তে হগে, অহকে, হকে (অহম) হয়, যেনে— ‘হগে শক্কাবদালবাশী ধীবলে’ (অহম্ শক্রাৱতাৰবাসী ধীৰৰঃ)
- অকাৰান্ত শব্দৰ ষষ্ঠীৰ একবচনৰ স্য > শ্শ, যেনে— ঈদৃশস্য > ঈদিশশ্শ
- অৱ > ও আৰু অয় > এ, যেনে— অৱতীর্য > অৱতৰিঅ > ওদালিঅ, ভৱতু >

ভোদু, কথয়তি > কধেদি, প্রতিপালয়ত > পড়িবালেধ

- অ-ৰ বাহিৰে আন স্বৰৰ পিছত থকা বিসর্গৰ লোপ, যথা— অস্মাভিঃ > অস্মেহিং
- কৃ আৰু গম্ ধাতুত সংযোগ হোৱা ক্ত্বাচ প্রত্যয় 'দুঅ' হয়, যথা— কৃত্বা > কদুঅ, গত্বা > গদুঅ

অভিজ্ঞানশকুন্তলম্ নাটকখনৰ আমাৰ আলোচ্য দৃশ্যটোত নাট্যকাৰে সমসাময়িক সমাজখনৰ চিত্র অতি সুন্দৰভাৱে প্রতিফলিত কৰিছে। দৃশ্যটোত সমাজৰ বিভিন্ন শ্রেণীৰ মানুহৰ স্থিতি ঘোষণা কৰাৰ লগতে বিভিন্ন বৃত্তিধাৰী মানুহ যে সেই সময়তো আছে তাৰ ধাৰণা আমাক প্রদান কৰে। চৰিত্রকেইটাৰ কথোপকথনৰ মাজতে ব্যংগাত্মক ভাষাৰ প্রয়োগ, কথ্য ভাষাৰূপ প্রয়োগ সুন্দৰভাৱে উপস্থাপিত হৈছে। উদাহৰণস্বৰূপে আমি নগৰপালগৰাকীয়ে মাছমৰীয়াজনক কোৱা এযাৰ বক্তব্য উল্লেখ কৰিব পাৰোঁ— 'বিসুদ্ধো দাণিং দে আজীবো" (তোৰ জীৱিকা বেছ বিশুদ্ধ)। ইয়াৰ উত্তৰত মাছমৰীয়াজনে — 'শহযে কিল যে বিণিন্দিদে ণ হু শে কম্ম বিবয্যণীয়কে, পশুমালী কলেদি দালুণং অণুকম্পামিদুলে বে শোণিকে" (সহজাত বৃত্তি নিন্দনীয় হ'লেও তাক এৰিব নাপায়; কৰুণাত হৃদয় বিগলিত হ'লেও কচাইৰ কাম পশুহত্যা কৰাহে) — বুলি কয়। উপমাৰ প্রয়োগে মাছমৰীয়াজনৰ মনৰ ভাব সার্থকভাৱে প্রকাশ কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায় যে নিচেই স্বল্প পৰিসৰৰ হ'লেও, এই বিশেষ দৃশ্যটোৰ জৰিয়তে নাট্যকাৰে নাট্যকাহিনী ভাগক এক বিশেষ মাত্রা প্রদান কৰি সমাপ্তিৰ ফালে আগ বাঢ়ি যোৱাত সহায় কৰিলে। লগতে ইয়াত তৎকালীন সমাজৰ বিভিন্ন দিশৰ প্রতিফলনো লক্ষ্য কৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ নাটকৰ গীত আৰু গাথাত কি প্রাকৃতৰ প্রয়োগ কৰা হয়?

.....

প্রশ্ন নং ৪ ঃ আলোচ্য দৃশ্যটোত সংলাপ অংশত কি কি প্রাকৃতৰ প্রয়োগ কৰিছে?

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত মহাকবি কালিদাসৰ অমৰ সৃষ্টি *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ এক বিশিষ্ট

স্থান আছে। অকল সংস্কৃত সাহিত্যতে নহয়, এই নাটকখনে সমগ্র বিশ্বজুৰি পণ্ডিত-সজ্জনৰ হৃদয়ত এক সুকীয়া আসন দখল কৰিবলৈ সমর্থ হৈছে। মুঠ সাতোটা অঙ্কত বিভক্ত এই নাটকখনিৰ কাহিনীভাগ *মহাভাৰতৰ* আদি পর্বৰ পৰা আহৰণ কৰা হৈছে। অধ্যায়টোত নাটকখনৰ কাহিনীভাগৰ আলোচনা দাঙি কৰা হৈছে।

- *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ ষষ্ঠ অংশৰ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথনৰ অংশখিনিৰ মূলপাঠ, ইয়াৰ অসমীয়া অর্থ আৰু কঠিন শব্দৰ টোকা অধ্যায়টোত অন্তর্ভুক্ত কৰা হৈছে।
- আপোনাৰ পাঠবিষয়ত অন্তর্ভুক্ত 'প্রৱেশক' অংশটোৰ সংলাপ অংশ সম্পূর্ণৰূপে প্রাকৃত ভাষাত ৰচনা কৰা হৈছে। ইয়াত মূলতঃ শৌৰসেনী আৰু মাগধী — এই দুই প্রকাৰৰ প্রাকৃত ব্যৱহাৰ কৰা হৈছে। অধ্যায়টোত পাঠখিনিৰ মাজত কেনেদৰে এই দুই প্রাকৃতৰ বৈশিষ্ট্য ৰক্ষিত হৈছে সেই বিষয়েও আলোকপাত কৰা হ'ল। লগতে দৃশ্যটোৰ মাজেৰে যে তৎকালীন সমাজৰ জীৱনৰ কিছু দিশো উদ্ভাসিত হৈছে সেয়াও উল্লেখ কৰি যোৱা হৈছে।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (১৯৯২); *প্রাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) গোস্বামী, হৰমোহন দেৰ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

৪) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৭) ভাগৱতী, কামাখ্যাচৰণ (২০০৪); *সংস্কৃত সাহিত্যৰ জিলিঙণি;* গুৱাহাটী ঃ গ্রন্থপীঠ।

৮) শর্মা, থানেশ্বৰ (২০০৮); *অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) শর্মা, থানেশ্বৰ (২০০৮); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) হাজৰিকা, অতুল চন্দ্র (১৯৫৯), *অভিজ্ঞানশকুন্তলম্;* গুৱাহাটী।

ইংৰাজী গ্রন্থ ঃ

১১) Kale, M. R. (Ed.) (1969). *The Abhijnana Sakuntalam of Kalidasa.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

১২) Keith, A. B. (1973). *A History of Sanskrit Literature.* Delhi: Oxford UP.

১৩) Keith, A. B. (1998). *The Sankskrit Drama.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

১৪) Radhakrishnan, C. S. (2005). *Kalidasa New Perspective.* Delhi: New Bharatiya Book Corporation.

১৫) Winternitz, M. (1985). *History of Indian Literature. Vol-II* (trans in English by Subhadra Jha); Delhi: MBD.

১৬) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ *মহাভাৰতৰ* আদি পর্ব।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰৌমাছে গিলিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ নাটকৰ গীত আৰু গাথাত মহাৰাষ্ট্রী প্রাকৃতৰ প্রয়োগ হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ শৌৰসেনী আৰু মাগধী।

১২.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) মহাৰাজ দুষ্যন্তই ক'ত শকুন্তলাক লগ পায়?

খ) ক্ষ আৰু চ্ছ কি ধ্বনিলৈ ৰূপান্তৰিত হৈছে? উদাহৰণসহ লিখক।

গ) 'মুঞ্চেধ', 'জালোৱজীৱিণং' শব্দ দুটাৰ অর্থ লিখক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) *মহাভাৰতৰ* মতে পতিগৃহলৈ যোৱাৰ সময়ত শকুন্তলা ছবছৰীয়া পুত্র সর্বদমনৰ মাতৃ।

খ) *অভিজ্ঞানশকুন্তলমত* ব্যৱহৃত প্রাকৃতাংশত বিসর্গযুক্ত অ (অঃ)-কাৰ এ-লৈ পৰিৱর্তন ঘটিছে।

গ) *অভিজ্ঞানশকুন্তলমত* ব্যৱহৃত প্রাকৃতাংশ মহাৰাষ্ট্রী আৰু মাগধী।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ নাটকখনৰ ষষ্ঠ অংশৰ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথনৰ মূল কথাখিনি আপোনাৰ ভাষাত লিখক।

প্রশ্ন ২ ঃ অসমীয়ালৈ অনুবাদ কৰক —

জানুকঃ ঃ ণং ভণামি ইমশ্শ মশ্চলীশত্তুণো কিদে ত্তি। (ইতি ধীৰৰম্ অসূয়য়া পশ্যতি)

ধীৰৰকঃ ঃ ভস্টকা ইদো অদ্ধং তুস্মাণং পি শূলামূল্লং ভোদু।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথনত ব্যৱহাৰ হোৱা মাগধী প্রাকৃতৰ বিশেষত্বসমূহ উদাহৰণসহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকত ব্যৱহৃত শৌৰসেনী প্রাকৃতৰ বিশেষত্বসমূহ উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৩ঃ ধীৰৰ আৰু ৰক্ষীসকলৰ কথোপকথন অংশটোৰ ভাষাশৈলী সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ *সন্দেশ ৰাসক* — ১

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ *সন্দেশ ৰাসকৰ* ৰচয়িতা আব্দুল ৰহমানৰ পৰিচয় আৰু ৰচনাকাল
১৩.৪ ৰাসক কি
১৩.৫ দূত কাব্য হিচাপে *সন্দেশ ৰাসক*
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় 'দূতকাব্য'ৰ ইতিহাস সম্পর্কে থুলমুল আভাস লাভ কৰিব
- দূত কাব্যনো কি — সেই বিষয়ে জ্ঞান লাভ কৰিব
- ৰচয়িতা আব্দুল ৰহমানৰ জীৱন, কৃতি আৰু কাব্য ৰচনাৰ কাল সম্পর্কে জানিব পাৰিব

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি কালিদাসকৃত *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ ষষ্ঠ অধ্যায়ৰ প্রৱেশক অংশৰ প্রাকৃতাংশৰ বিষয়ে অধ্যয়ন কৰিলে। আপোনাক মূলতঃ প্রাকৃত ভাষাৰ সাহিত্য সম্পর্কে ধাৰণা প্রদান কৰিবলৈকে এই পাঠাংশ আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্ভুক্ত কৰা হৈছিল। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে আপুনি দ্বিতীয় ষাণ্মাসিকতে মধ্য ভাৰতীয় আর্যভাষা সম্পর্কে অধ্যয়ন কৰোঁতে অপভ্রংশ-অৱহট্‌ঠৰ ভাষাৰ উদ্ভৱ-বিকাশ, তাৰ আঞ্চলিক ৰূপ, শ্রেণী বিভাজন, ভাষাগত বৈশিষ্ট্য আদিৰ বিষয়ে অধ্যয়ন কৰিছিল। সেই অৱহট্‌ঠ ভাষাৰ লিখা এখন কাব্যৰ কিছু অংশ আপোনাৰ এই পাঠ্যবিষয়ৰ অন্তর্ভুক্ত কৰা হৈছে। সেই কাব্যখন হ'ল — আব্দুল ৰহমানৰ দ্বাৰা ৰচিত *সন্দেশ ৰাসক*। এই অধ্যায়টোত এই কাব্যখনৰ ৰচক আব্দুল ৰহমানৰ বিষয়ে চমুকৈ আলোচনা কৰি পৰৱর্তী অধ্যায়ত নির্বাচিত পাঠাংশৰ বিষয়ে আলোচনা কৰা যাব।

মুছলমান কবি আব্দুল ৰহমানৰ দ্বাৰা ৰচিত *সন্দেশ ৰাসক* (সংনেহ ৰাসউ) শৌৰসেনী প্রাকৃতৰ অর্বাচীন ৰূপ অর্থাৎ পশ্চিমা অৱহট্‌ঠত ৰচিত এখন অমূল্য গ্রন্থ। ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ নিদর্শন *সন্দেশ ৰাসক* মূলতঃ এখন 'ৰাসক' শ্রেণীৰ গীতি কাব্য; য'ত এগৰাকী

নাৰীৰ প্ৰেমপূৰ্ণ হৃদয়ৰ বিৰহ যন্ত্ৰণা বৰ মৰ্মস্পৰ্শী ৰূপত বৰ্ণনা কৰা হৈছে। এগৰাকী বিৰহিনী পত্নীয়ে দূৰত থকা প্ৰিয়জনক এজন বাটৰুৱাৰ জৰিয়তে তেওঁৰ মনৰ বাতৰি দিবলৈ কোৱাৰ এক কাব্য ৰূপেই *সন্দেশ ৰাসকত* বৰ্ণিত হৈছে। সামগ্ৰিকভাৱে ক'ব পাৰি 'সন্দেশ' বা খবৰ প্ৰেৰণ কৰাৰ কথাই এইখন কাব্যত প্ৰাধান্য বিস্তাৰ কৰা দেখা গৈছে।

এইটো অধ্যায়ৰ আৰম্ভণিতে আমি কাব্যখনৰ ৰচয়িতা আব্দুল ৰহমানৰ জীৱন সম্পৰ্কে কিছু কথা আলোচনা কৰিম। তাৰ লগতে কাব্যখনৰ আধাৰতে ভাৰতীয় দূতকাব্যৰ বিষয়েও আলোচনা দাঙি ধৰি ৰাসকনো কি, সেই বিষয়েও যৎকিঞ্চিৎ আভাস দিবলৈ যত্ন কৰা হ'ব।

১৩.৩ *সন্দেশ ৰাসকৰ* ৰচয়িতা আব্দুল ৰহমানৰ পৰিচয় আৰু ৰচনাকাল

আমি সকলোৱেই জানো যে প্ৰাচীন কালৰ প্ৰায়ভাগ ভাৰতীয় কবিৰ জীৱন আৰু সাহিত্যকৃতিৰ কথাখিনি প্ৰায়েই আলোছায়াময়। এই গৰাকী কবিও তাৰ উৰ্ধত নহয়। *সন্দেশ ৰাসকৰ* আৰম্ভণিতে ৰচয়িতা আব্দুল ৰহমানে তেওঁৰ আত্মপৰিচয় সম্পৰ্কে যিখিনি কথা উল্লেখ কৰিছে, সেইখিনিৰ বাহিৰে লেখকজনৰ বিষয়ে অধিক জানিব পৰা নাযায়। কাব্যৰ ভাষা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ আঁত ধৰি এইগৰাকী কবিৰ সময় খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ শেষভাগ অথবা ত্ৰয়োদশ শতিকাৰ আদিভাগ বুলি অনুমান কৰা হৈছে। আধুনিক ভাৰতীয় ভাষাসমূহৰ আৰম্ভণি পৰ্বৰ পৰা ভালেকেইজন মুছলমান কবিয়ে ভাৰতীয় ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিলেও সম্পূৰ্ণ ভাৰতীয় পৰম্পৰাগত কাব্যৰ আদৰ্শেৰে সাহিত্য ৰচনা কৰা মুছলমান কবিসকলৰ ভিতৰত আব্দুল ৰহমান নিশ্চিতভাৱে প্ৰথম, যিজনে হিন্দু সংস্কৃতিক পৰিপূৰ্ণৰূপে কাব্যত প্ৰতিফলন ঘটাবলৈ সক্ষম হৈছিল।

কবি আব্দুল ৰহমানে কাব্যখনৰ 'প্ৰথম প্ৰক্ৰম'ৰ ৩, ৪ আৰু ১৯ নং গাথাত তেওঁৰ নিজৰ বিষয়ে যৎকৃঞ্চিৎ কৈ থৈ গৈছে। ৩ আৰু ৪ নং গাথাত কবিয়ে নিজৰ পৰিচয় এনেদৰে ব্যক্ত কৰিছে—

পচ্চাএসি পহূও পূব্বপসিদ্ধো স মিচ্ছদেসো থি।
তহ ৱিসএ সংভূত্ত আৰদ্দো মীৰসেণস্স।। ৩
তহ তণও কুল কমলো পাইঅ কব্বেসু গীয় বিসয়েসু।
অদ্দহমাণ পসিদ্ধো সংণেহ ৰাসয়ং ৰইয়ং।। ৪

— "পশ্চিম দেশত প্ৰাচীন কালৰে পৰা প্ৰসিদ্ধ যি ম্লেচ্ছ দেশ আছিল, সেই ঠাইতে মীৰসেন নামৰ এক তাঁতীৰ জন্ম হৈছিল (৩ নং)। তেওঁৰেই পুত্ৰ অদ্দহমান (আব্দুল বা আব্দুৰ ৰহমান)— যি কুলৰ কমল স্ৱৰূপ আৰু প্ৰাকৃত কাব্য আৰু গীত বিষয়ত প্ৰসিদ্ধ, তেওঁ সংদেশ (সন্দেশ) ৰাসক ৰচনা কৰিছিল (৪ নং)।" ১৯ নং গাথাৰ কথাখিনি এনেধৰণৰ — "নিজৰ কাব্য বিদ্যাৰ মাহাত্ম্য আৰু পাণ্ডিত্য বঢ়োৱাৰ উদ্দেশ্য মনুষ্য জনম লৈ কোলিক (তাঁতী) কুলজ জনে *সন্দেশ ৰাসক* কাব্যখনি সৰল ভাষাৰে বৰ্ণনা কৰিলে। ইয়াকে জানি হে, সাধুজন, স্নেহ কৰি আধা নিমেষ পৰ ৰৈ, পামৰজনৰ দ্বাৰা স্থূল হস্তাক্ষৰেৰে লিখা এই কাব্য শ্ৰৱণ কৰা।"

উক্ত তিনিটা গাথাৰ পৰা এইখিনি মাথোন জানিবলৈ পোৱা গৈছে যে পশ্চিমৰ ম্লেচ্ছদেশত জন্ম গ্ৰহণ কৰা বৃত্তিত তাঁতী সম্প্ৰদায়ৰ মীৰসেন আছিল আব্দুল ৰহমানৰ পিতৃ। প্ৰাকৃত কাব্য আৰু গীত বিষয়ত প্ৰসিদ্ধি থকা এই আব্দুল ৰহমানেই পাণ্ডিত্য আৰু কাব্য-চৰ্চাৰ উদ্দেশ্য সৰল ভাষাত *সন্দেশ ৰাসক* কাব্য গ্ৰন্থখন ৰচনা কৰে। কবি গৰাকীৰ বিষয়ে এই কথাখিনিৰ বাহিৰে আন একো জনাৰ উপায় নাই। কাব্যখনত সন্নিৱিষ্ট থকা মতে কবিৰ জন্মস্থান 'ম্লেচ্ছদেশ' বুলি জানিব পাৰি। কিন্তু এই 'ম্লেচ্ছদেশ'ক লৈ যথেষ্ট বিতর্ক আছে। ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়ন কৰিলে এই কথা জানিব পৰা যায় যে পাৰস্যৰ মুছলমানসকলে ৭১২ খ্ৰীষ্টাব্দত তৎকালীন ভাৰতবৰ্ষৰ পশ্চিম প্ৰান্তৰৰ (সম্প্ৰতি পাকিস্তানৰ অন্তৰ্গত) ব্ৰাহ্মণৰাজ ডাহিৰক পৰাস্ত কৰি সিন্ধু আৰু মূলতানত পোন প্ৰথমবাৰৰ বাবে মুছলমান সাম্ৰাজ্য স্থাপন কৰিছিল। এই মুছলমানসকলক সেই অঞ্চলৰ স্থানীয় লোকসকলে 'ম্লেছ' আখ্যা দিছিল আৰু তেওঁলোকে অধিকাৰ কৰা ঠাইসমূহক 'ম্লেছদেশ' বুলিছিল। কবি আব্দুল ৰহমানৰ পিতৃ মীৰসেনৰ এনে 'মিচ্ছদেস' বা 'ম্লেছদেশ'-তে জন্ম হৈছিল আৰু এই দেশ সম্ভৱতঃ আছিল সিন্ধু উপত্যকা অঞ্চলৰ মূলতান। পৰৱৰ্তী কোনো এক সময়ত কবি আব্দুল ৰহমানে অতীতৰ বাসস্থান এৰি বৰ্তমান গুজৰাটৰ অন্তৰ্গত সৌৰাষ্ট্ৰ-কচ্ছ অঞ্চলত নতুনকৈ বসবাস কৰিবলৈ লৈছিল। সৌৰাষ্ট্ৰ অঞ্চললৈ তেওঁৰ প্ৰব্ৰজনৰ কাৰণ সম্ভৱতঃ সেই সময়ত ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম অঞ্চলত দেখা দিয়া অশান্ত পৰিৱেশ। কাৰণ, ইতিহাসৰ তথ্যই এই কথা প্ৰমাণ কৰে যে সেই সময়ৰ সিন্ধু-পাঞ্জাৱকে ধৰি সমগ্ৰ উত্তৰ-পশ্চিম ভাৰতবৰ্ষত তুৰ্কী, মোগল, পাঠান আদি ইছলাম ধৰ্মাৱলম্বী লোকসকলে কৰা বাৰম্বাৰ আক্ৰমণে সেই অঞ্চলত যথেষ্ট অশান্তিৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলত সাহিত্য-সংস্কৃতি-চিন্তাৰ পৰিৱেশ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছিল। *সন্দেশ ৰাসকৰ* ভাষা আৰু বৰ্ণিত বিষয়েও এই কথা প্ৰমাণ কৰে যে কবি আব্দুল ৰহমান প্ৰাচীন পশ্চিমা ৰাজস্থানী অৰ্থাৎ মাৰোৱাৰী-গুজৰাটী ভাষিক এলেকাৰ কোনো এঠাইৰ লোক আছিল। সম্ভৱতঃ মূলতান-সিন্ধু অঞ্চলৰ পৰা আহি তেওঁ এই অঞ্চলতে বসতি কৰিছিল আৰু সাহিত্য-চৰ্চাত মনোনিৱেশ কৰিছিল। ইয়াৰ বাহিৰেও কাব্যখনিত 'মুলথানু' (মুলতান) বা 'সামৰু' (শাম্ব-পুৰস) নগৰৰ বৰ্ণনা তথা খম্ভাইভিহি (খম্ভাত), বিজয়নগৰ (বিক্ৰমনগৰ), জালন্ধৰি (জলন্ধৰ) আদিৰ উল্লেখেও ৰহমানক পশ্চিম সীমান্তৰ কোনো অঞ্চলৰ লোক বুলি ভাবিব পাৰি। আনহাতে কাব্যখনিৰ প্ৰথম সংগ্ৰাহক তথা সম্পাদক জিন বিজয়ে কাব্যখনত উল্লেখ থকা এই ঠাইবোৰৰ নামৰ আধাৰতে কবি আব্দুল ৰহমানক ভাৰতবৰ্ষৰ পশ্চিম সীমান্তৰ লোক আছিল বুলি উল্লেখ কৰি গৈছে। বিখ্যাত পণ্ডিত ৰাহুল সাংকৃত্যায়নেও আব্দুল ৰহমান মূলতান অঞ্চলৰ বাসিন্দা আছিল বুলি মত প্ৰকাশ কৰিছে। কিন্তু সেয়ে হ'লেও, কাব্যখনিত কবিয়ে নিজে উল্লেখ কৰি থৈ যোৱা পৰিচয়, কাব্যৰ ভাষা আৰু ৰচনাশৈলীয়ে আব্দুল ৰহমানক এতিয়াৰ গুজৰাট অঞ্চলৰ নাইবা আন কথাত মাৰোৱাৰী-গুজৰাটী ভাষা-প্ৰধান অঞ্চলৰ লোক আছিল বুলি প্ৰতিপন্ন কৰে।

নব্য ভাৰতীয় আৰ্যভাষা ৰূপে আত্মপ্ৰকাশ কৰা গুজৰাটী-মাৰোৱাৰী ভাষাই আনুমানিক খ্ৰীষ্টীয় ষোড়শ শতিকাত গুজৰাটী আৰু ৰাজস্থানীৰূপে স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা লাভ কৰে। এই দুয়োটা ভাষাই শৌৰসেনী প্ৰাকৃত তথা তাৰ অপভ্ৰংশ ৰূপৰ পৰা বিকাশ লাভ কৰিছিল। এই

ভাষা দুটাই আধুনিক ৰূপ লাভ কৰাৰ পূৰ্বে শৌৰসেনী অপভ্রংশত বিপুল পৰিমাণৰ সাহিত্য ৰচিত হৈছিল। এটা সময়ত গুৰ্জৰ উপজাতিয়ে এই ভাষিক অঞ্চলত নিজৰ গুৰ্জৰ ৰাজ্য প্ৰতিষ্ঠা কৰিলেও, পৰিশেষত সেই জাতিৰ লোকসকলেও আৰ্য ভাষাকে নিজৰ বুলি আঁকোৱালি লয়। ইয়াৰ স্বাভাৱিক পৰিণতি হিচাপে গুৰ্জৰ ভাষাৰ কিছুমান বৈশিষ্ট্য শৌৰসেনী অপভ্রংশত সোমাই পৰে। আপুনি ইতিমধ্যে গম পাইছে যে *সন্দেশ ৰাসকৰ* ভাষা শৌৰসেনী অপভ্রংশৰ অৰ্বাচীন ৰূপ বা পশ্চিমা অৱহট্‌ঠ। সেয়ে হ'লেও, ইয়াৰ ভাষাত পূৰ্বে উল্লেখ কৰা গুৰ্জৰ ভাষাৰ দুই-এক বৈশিষ্ট্যও লক্ষ্য কৰিব পাৰি। এনে কথাই কাব্যখনি গুজৰাট অঞ্চলত ৰচিত হোৱাৰ সম্ভাৱনা দাঙি ধৰে। গুজৰাট অঞ্চলত সংস্কৃত, শৌৰসেনী প্ৰাকৃত তথা শৌৰসেনী অপভ্রংশৰ প্ৰাচীন-অৰ্বাচীন ভাষাত বিবিধ সাহিত্য-চৰ্চাৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। কিন্তু, ইয়াৰ বিপৰীতে সিন্ধু-মূলতান অঞ্চলত সাহিত্য-চৰ্চাৰ তেনে কোনো ধাৰাবাহিকতা পাবলৈ নাই। গতিকে ভাষা তথা ঐতিহ্যৰ দৃষ্টিৰে বিচাৰ কৰি পণ্ডিতসকলে *সন্দেশ ৰাসক* কাব্যখনি গুজৰাট অঞ্চলতে ৰচিত হৈছিল বুলি অনুমান কৰিছে। আন এটি উল্লেখযোগ্য কথা হ'ল 'ৰাসক' নামৰ বিশেষ লোকধৰ্মী কাব্য গুজৰাটীৰ নিজস্ব সম্পদ। নাৰী মনৰ ভাব প্ৰকাশক এইবিধ জনপ্ৰিয় কাব্য গুজৰাটীসকলৰ মাজতহে প্ৰচলন থকা দেখা যায়। গতিকে ৰাসক শ্ৰেণীৰ অন্তৰ্গত *সন্দেশ ৰাসকৰ* স্ৰষ্টা আব্দুল ৰহমান গুজৰাটৰ কোনো অঞ্চলৰ লোক বুলি অনুমান কৰি ল'ব পাৰি।

এইদৰে বিভিন্ন প্ৰমাণৰ ওপৰত ভিত্তি কৰি আব্দুল ৰহমানক ভাৰতৰ পশ্চিমাঞ্চলৰ বিশেষকৈ গুজৰাট-ৰাজস্থানৰে কোনোবা অঞ্চলৰ লোক আছিল বুলি দৃঢ়ভাৱে ক'ব পাৰি। ধাৰণা হয় আব্দুল ৰহমানৰ পূৰ্বপুৰুষ আছিল সিন্ধু-মূলতান অঞ্চলৰ বাসিন্দা। কিন্তু পৰৱৰ্তী সময়ত কিবা বিশেষ কাৰণবশতঃ এই কবিগৰাকীয়ে মূল বাসভূমি এৰি গুজৰাট অঞ্চলত বসতি কৰিবলৈ লয়। তাতে তেওঁ স্থানীয় ভাষা আৰু সাহিত্যৰ ঐতিহ্যৰ সৈতে গভীৰভাৱে পৰিচিত হয় আৰু তেনে পৰম্পৰাক আধাৰ হিচাপে লৈ উল্লিখিত কাব্যখনি ৰচনা কৰে। *সন্দেশ ৰাসকত* পৰিলক্ষিত হোৱা প্ৰাচীন ভাৰতীয় কাব্য-পৰম্পৰাৰ অনুসৰণ, ইছলাম ধৰ্মৰ প্ৰভাৱহীনতা, বহিঃপ্ৰভাৱহীন স্থানীয় লোকভাষাৰ লগে লগে তৎকালীন সাহিত্যত ব্যৱহৃত ভাষাৰ যথাৰ্থ ব্যৱহাৰ আদি বৈশিষ্ট্যই তেনে ধাৰণাকে দৃঢ় কৰে।

অন্যান্য পুৰণি সাহিত্যৰ দৰে *সন্দেশ ৰাসকৰো* ৰচনা কাল সম্পৰ্কে কোনো সঠিক তথ্য পাবলৈ নাই। গতিকে ইয়াৰো ৰচনাৰ সময় অন্য কোনো উল্লেখ বা তথ্যৰ ভিত্তিতহে নিৰ্ণয় কৰি ল'বলগীয়া হয়। কাব্যখনিৰ নামকৰণত থকা 'ৰাসক' শব্দৰ উল্লেখ আৰু অৱহট্‌ঠ ভাষাত ৰচিত সাহিত্যৰ সময় নিৰ্ণয় কৰিব পাৰিলে এই কাব্যখনিৰ ৰচনা-কালৰ নিৰ্ণয় সহজ হৈ উঠিব। পণ্ডিতসকলে এই কথা অনুমান কৰিছে যে অৱহট্‌ঠ সাহিত্যৰ ৰচনা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ প্ৰায় সমসাময়িকভাৱে হৈছিল আৰু এই কাৰ্য সংঘটিত হৈছিল খ্ৰীষ্টীয় একাদশ-দ্বাদশ শতিকামানৰ পৰা। গতিকে *সন্দেশ ৰাসক* কাব্যখনি দ্বাদশ শতিকাৰ অন্তিম ভাগ কিংবা ত্ৰয়োদশ শতিকাৰ আদি ভাগত ৰচিত হৈছিল বুলি অনুমান কৰি ল'ব পাৰি।

কাব্যখনিত বৰ্ণিত বিষয়বস্তুৰেও কবি তথা কাব্যৰ সময় দ্বাদশ-ত্ৰয়োদশ শতিকা বুলি

অনুমান কৰাত অৱিহণা যোগায়। ইয়াৰ বৰ্ণনীয় বিষয় হৈছে বিজয়নগৰৰ স্বামী-বিৰহিনী সুন্দৰী এগৰাকীৰ বেদনা-গধু�ৰ জীৱন-যন্ত্রণা আৰু সেই বেদনা জনৈক পথিকৰ মাধ্যমেৰে প্রবাসত থকা স্বামীলৈ প্রেৰণ। কাব্যত উল্লেখ থকা মতে নায়িকাৰ স্বামী ব্যৱসায় সংক্রান্তত ভালেমান দিন খম্ভাত নামৰ ঠাইত আছিলগৈ। যি গৰাকী পথিকক নায়িকাই বাটেৰে উৰি যোৱা দি প্রচণ্ড বেগেৰে গৈ থকা দেখিছিল তেওঁৰো গন্তব্য স্থল আছিল খম্ভাত। এই খম্ভাত নামৰ ঠাইখন চালুক্য বংশৰ ৰজা সিদ্ধৰাজ আৰু কুমাৰপালৰ ৰাজত্বকালত ব্যৱসায়-বাণিজ্যৰ প্রধান কেন্দ্রবিন্দু হৈ পৰিছিল। এই দুজনা ৰজাৰ তথা চালুক্য বংশৰ শাসনকালত সৌৰাষ্ট্র বা গুজৰাট ৰাজ্যৰ উত্তৰ-পশ্চিম সীমান্ত সিন্ধু নদী পর্যন্ত প্রসাৰিত আছিল আৰু সেইবোৰ ঠাইত বিভিন্ন প্রান্তৰৰ পৰা অহা বণিকসকল ব্যৱসায়-বাণিজ্যৰ বাবে গোট খাইছিল বুলি অনুমান কৰা হৈছে। গতিকে আব্দুল ৰহমানৰ কাব্যৰ বিৰহিনী নায়িকাৰ পতি ব্যৱসায়িক কাৰণত খম্ভাতলৈ যোৱা কথাৰ উল্লেখে কাব্যখনি সিদ্ধৰাজ আৰু কুমাৰপালৰ শাসনকালত, অর্থাৎ খ্রীষ্টিয় দ্বাদশ শতিকাৰ শেষভাগ অথবা ত্রয়োদশ শতিকাৰ আদি ভাগত ৰচিত হৈছিল বুলি প্রতিপন্ন কৰে।



জানি থোৱা ভাল

সন্দেহ ৰাসক কাব্যখনিৰ এখনি ভাষ্য লক্ষ্মীচন্দ্র নামৰ টীকাকাৰ এগৰাকীয়ে ১৪৬৫ খ্রীষ্টাব্দত যুগুতাই উলিয়াইছিল বুলি জানিব পৰা যায়। সাধাৰণতে সর্বসাধাৰণৰ বাবে দুর্বোধ্যৰূপে পৰিগণিত গ্রন্থৰহে টীকা বা ভাষ্য ৰচনাৰ আৱশ্যকতা থাকে। প্রাচীন ভাৰতীয় ভাষাত ৰচিত প্রায়ভাগ গ্রন্থৰ পৰৱর্তী সময়ত হোৱা টীকা ভাষ্যবোৰে সেই কথাৰ প্রমাণ দাঙি ধৰে। *সন্দেশ ৰাসক* কাব্যও তাৰ ব্যতিক্রম নহয়। ইয়াৰ মূল পাঠ পৰৱর্তী প্রায় দুশ বছৰৰ ব্যৱধানত সাধাৰণ মানুহৰ বাবে দুর্বোধ্য হৈ পৰাটোত আচৰিত হ'বলগীয়া নাই। এনে কাৰণতে সম্ভৱতঃ লক্ষ্মীচন্দ্র নামৰ উল্লিখিত টীকাকাৰ গৰাকীয়ে সকলোৰে সহজে বুজিব পৰাকৈ *সন্দেশ-ৰাসকৰ* উক্ত টীকাখন ৰচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'ম্লেচ্ছদেশ' ভাৰতবর্ষৰ কোন প্রান্তত অৱস্থিত বুলি অনুমান কৰা হয়?

.....

প্রশ্ন নং ২ ঃ 'ৰাসক' নামৰ বিশেষ লোকধর্মী কাব্য সাধাৰণতে কাৰ নিজস্ব সম্পদ হিচাপে গণ্য কৰা হয়?

.....

প্রশ্ন নং ৩ ঃ ৰাসক কাব্য কেতিয়া উদ্ভৱ হৈছিল বুলি বিবেচনা কৰা হয়?

.....

১৩.৪ ৰাসক কি

ভাৰতীয় সাহিত্য পৰম্পৰাত প্ৰাচীন কালৰে পৰাই ৰাস, ৰাসক, ৰাসা আদি শব্দ কিছুমানৰ উল্লেখ পোৱা যায়। *ভাগৱত পুৰাণত* ৰাসপঞ্চাধ্যায়ৰ কথা সৰ্বজন বিদিত। হেমচন্দ্ৰই ৰাসকক গেয় উপৰূপকৰ অন্তৰ্ভুক্ত কৰিছে। য'ত বহুসংখ্যক নাৰী বা নৰ্তকীয়ে বিবিধ তাল-লয়ৰে নৃত্যানুষ্ঠান পৰিৱেশন কৰে। তদুপৰি 'ৰাসক' আৰু 'নাট্য-ৰাসক' নামৰ দুবিধ উপৰূপকৰ কথাও বিশ্বনাথ কবিৰাজে *সাহিত্য দৰ্পনত* উল্লেখ কৰিছে। জৈন সাহিত্যৰ উপদেশধৰ্মী *ৰাসাবন্ধক* বিবিধ ছন্দত ৰচিত প্ৰচাৰৰ উপযোগী কাহিনী বুলি নিৰ্দেশ কৰা হৈছে আৰু সমগ্ৰ ৰাস সাহিত্যক— জৈন ৰাস আৰু অন্য ৰাস — এই দুই বহল ভাগত ভাগ কৰা হৈছে। ইয়াৰে প্ৰথম ভাগটি উপদেশধৰ্মী তথা প্ৰচাৰ ধৰ্মী আৰু দ্বিতীয় ভাগটি শৃঙ্গাৰ ৰসযুক্ত।

'ৰাস' সাধাৰণতে আৱেগধৰ্মী বীৰগাথা সম্বলিত বৰ্ণনাধৰ্মী দীৰ্ঘ কবিতা আনহাতে 'ৰাসক' হৈছে নাৰীৰ কাহিনীযুক্ত লোকগাথা মাথোন। ৰাসকৰ লক্ষণ বুলি ক'লে ইয়াত শৃংগাৰ ৰসৰ প্ৰাধান্য আছে ; ই কোনোবা লিখকৰ লিখিত কৰ্ম; গীতিধৰ্মী তথা কাব্যধৰ্মী লক্ষণযুক্ত ৰাসকৰ ছন্দও এক বিশেষ ধৰণৰ; ***চৰণ***ৰ সংখ্যা চাৰি, কবিতাৰ প্ৰতি চৰণত ২১ মাত্ৰা থাকে; প্ৰতি চৰণৰ শেষ মাত্ৰা লঘু; তদুপৰি চৰণৰ শেষ অক্ষৰৰ মিল বা অন্তমিল ইয়াৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। *সন্দেশ ৰাসকত* এই সমস্ত লক্ষণেই দেখা যায় যদিও দোহা, চউপইয় আদিৰ দৰে দুই-এটা অন্য ছন্দৰ প্ৰয়োগো দেখা যায়।

মুঠতে দশম-দ্বাদশ শতিকাৰ ভিতৰত প্ৰসাৰতা লাভ কৰা 'ৰাসক' বা 'ৰাসক শব্দই প্ৰথমতে বিবিধ তাল-লয়ৰে পৰিৱেশিত নাৰী জাতিৰ নৃত্য-গীতৰ বিশেষ অনুষ্ঠান বুজাইছিল, পিছলৈ বিশেষ ছন্দসজ্জাৰে নিবদ্ধ গীত-কাব্যক বুজাবলৈ ল'লে। খ্ৰীষ্টীয় দশমৰ পৰা দ্বাদশ শতিকাৰ সময়ছোৱাত এইবিধ কাব্যই সৰ্বসাধাৰণৰ বিশেষ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হয়। পোনতে জৈন মতাৱলম্বীসকল ধৰ্ম প্ৰচাৰৰ লক্ষ্য আগত ৰাখি এই বিধ কাব্য-চৰ্চাত ব্ৰতী হয় যদিও, পাছলৈ ই শৃঙ্গাৰ ৰস প্ৰধান লোককাব্যৰো বাহন হৈ উঠে।

আনপিনে 'সন্দেশ' শব্দৰ অৰ্থ হ'ল 'খবৰ' বা 'বাতৰি'। গতিকে *সন্দেশ ৰাসকৰ* সম্পূৰ্ণ অৰ্থ হ'ল 'সন্দেশ' মানে খবৰ আৰু 'ৰাসক' হৈছে এবিধ গীতি ছন্দৰ নাম। থোৰতে ক'বলৈ হ'লে ই ৰাসক ছন্দত লিখিত এক কাব্যিক ৰূপ, য'ত এগৰাকী বিৰহিনী নায়িকাই বাটৰুৱা এজনক তেওঁৰ বিৰহৰ কথা স্বামীক ক'বলৈ কৈ মনৰ বিৰহ প্ৰকাশ কৰিছে। 'সন্দেশ' বা খবৰে এই কাব্যত প্ৰাধান্য বিস্তাৰ কৰা কাৰণে সন্দেশ নামটো তথা *সন্দেশ ৰাসক* নামটো কাব্যখনৰ বাবে যথোপযুক্ত হৈছে বুলি ক'ব পাৰি।



চৰণ ঃ শ্লোক বা কবিতাৰ এভাগকে চৰণ বোলে। যেনে — প্ৰথমে প্ৰণামো ব্ৰহ্ম/ৰূপী সনাতন/সৰ্ব অৱতাৰণ কা/ৰণ নাৰায়ণ — উদাহৰণৰ উক্ত চাৰিটা ভাগেই একোটা চৰণ

১৩.৫ দূত কাব্য হিচাপে *সন্দেশ ৰাসক*

ভাৰতীয় কাব্য সাহিত্যৰ পৰম্পৰাত দূত কাব্য নামেৰে এক শ্ৰেণীৰ সাহিত্য পোৱা

যায়। এইবিধ কাব্যৰ মূল বিষয়বস্তু হৈছে প্রবাসত থকা প্রিয়জনৰ ওচৰলৈ নায়ক অথবা নায়িকাই কোনোবা দূতৰ জৰিয়তে হৃদয়ৰ বিৰহ-যাতনাৰ খবৰ পঠিওৱা। সংস্কৃত সাহিত্যৰ প্রসিদ্ধ কালিদাসৰ *মেঘদূত* দূত কাব্যৰ দূৰন্ত প্রতিনিধি। যাৰ প্রভাৱে পৰৱৰ্তী সময়ত এইবিধ কাব্য সাহিত্যৰ সৃষ্টি হৈছিল। ইয়াৰ ভিতৰত দ্বাদশ শতিকাৰ ধোয়ী কবিৰ *পৱন-দূত*, লৌকিক প্রেম-কাহিনীৰ অৱলম্বনত ৰচনা কৰা আৰু আমি পাঠ্যবিষয় হিচাপে পঢ়িবলগীয় আব্দুল ৰহমানৰ *সন্দেশ ৰাসক* — এই দুখন অন্যতম সার্থক দূতকাব্য। দৰাচলতে কালিদাসৰ *মেঘদূতক* প্রথম আৰু আব্দুল ৰহমানৰ *সন্দেশ ৰাসকক* দূতকাব্যৰ শেহতীয়া প্রতিনিধি বুলিব পাৰি। ইয়াৰে প্রথমখনত নির্বাসিত বিৰহী যক্ষই আহাৰৰ প্রথম মেঘক প্রেমৰ দূত হিচাপে প্রেমিকাৰ ওচৰলৈ তেওঁৰ মনৰ কাতৰতাৰ খবৰ পঠোৱাৰ বিপৰীতে দ্বিতীয়খনত বিৰহিনীয়ে বাটৰুৱা এজনক দূত হিচাপে তেওঁৰ হৃদয়ৰ বেদনাৰ খবৰ পঠিয়াইছে। এখনত বিৰহী আৰু আনখনত বিৰহিনীৰ মর্মন্তুদ বেদনা প্রকাশ পাইছে। এইদৰে চালে দুয়োখন কাব্যৰ মাজত নিবিড় সাদৃশ্য এটা সততে লক্ষ্য কৰা যায়। কিন্তু সূক্ষ্ম বিশ্লেষণত দুয়োখনৰে মাজত যথেষ্ট পার্থক্যও বিৰাজমান। সেইপিনৰ পৰা *সন্দেশ ৰাসকে* এখন মৌলিক গ্রন্থ হিচাপে দাবী কৰাৰ থল আছে।

দৰাচলতে কবি কালিদাসৰ *মেঘদূতত* অভিজাতসুলভ মননশীলতা খুউৱ স্পষ্ট আৰু দৃঢ় ৰূপত প্রকাশ পাইছে। তাৰ বিপৰীতে *সন্দেশ ৰাসকত* নগৰীয়া জীৱনৰ উদ্‌ভ্রান্ত চপলতাহে প্রকাশ পাইছে। দ্বিতীয়তে মন্দাক্রান্তা ছন্দৰ গুৰুগম্ভীৰ ব্যঞ্জনাৰে *মেঘদূতক* বিলম্বিত লয়ৰ মাত্রা প্রদান কৰিছে। কিন্তু *সন্দেশ ৰাসকত* ৰাসক ছন্দৰ মাজেদি দ্রুত গতিশীলতাই প্রাধান্য পাইছে। সেইদৰে কালিদাসৰ প্রেম সম্ভোগ সর্বস্ব নহয়, কিন্তু আব্দুল ৰহমানৰ প্রেম সম্ভোগ-আর্তিৰে কাতৰ। তদুপৰি কালিদাসে প্রেমৰ দূত হিচাপে নির্জীৱ মেঘক বাচি লৈছে, সর্বসাধাৰণৰ অনুভূতিৰ স্পর্শৰ বহু যোজন আঁতৰত, কিন্তু আব্দুল ৰহমানে চেতনা সর্বস্ব বাটৰুৱাক প্রেমৰ দূত হিচাপে বাচি লোৱাত সর্বসাধাৰণৰ স্পর্শৰ নিচেই ওচৰ চাপিছে। যাৰ বাবে *সন্দেশ ৰাসকক* পাঠকে নিচেই ওচৰৰ পৰা সহৃয়তাৰে চুই চাব পাৰে। তাতোকৈও ডাঙৰ কথা যে *মেঘদূতৰ* কাহিনীৰ অন্তৰালত 'দেৱদিন' নামৰ বাৰানসীৰ উচ্চবর্ণৰ ৰূপ দক্ষজনৰ জীৱন কাহিনীৰ স্মৃতি বিজড়িত হৈ আছে। কিন্তু *সন্দেশ ৰাসকত* তেনে কোনো স্মৃতি বিজড়িত কাহিনী সম্পর্কযুক্ত হৈ থকা নাই। গতিকে কাহিনী বিচাৰত *সন্দেশ ৰাসক* এখন সম্পূর্ণৰূপে মৌলিক গ্রন্থ বুলিয়ে ক'ব পাৰি।

ইমানৰ পিছতো অৱশ্যে মহাকবি জনাৰ *মেঘদূতৰ* আলংকাৰিক ভাষা প্রয়োগ, গুৰু-গম্ভীৰ ভাব-ব্যঞ্জনা তথা বর্ণনাৰ দক্ষতাৰ ওচৰত *সন্দেশ ৰাসক* পৰাজয় বৰণ কৰিবলৈ বাধ্য। কিন্তু এইটোও ঠিক যে লোককবিজনাই লোকজীৱনৰ এক অভিনৱ প্রেমগাথাক (এক কাল্পনিক কাহিনীক), লোকভাষা তথা প্রকাশভঙ্গীৰ মাধ্যমৰে বাস্তৱ ৰূপত বর্ণনা কৰাত *সন্দেশ ৰাসকৰ* স্রষ্টা আব্দুল ৰহমান সার্থক হৈছে বুলি ক'বই লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ৰাসক কি?

.....

প্রশ্ন নং ৫ ঃ 'সন্দেশ' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৬ ঃ কালিদাসৰ *মেঘদূত* এখন মহাকাব্য — কথাষাৰ সচাঁ নে মিছা?

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাচীন কালৰ প্রায়ভাগ ভাৰতীয় কবিৰ জীৱন আৰু সাহিত্যকৃতিৰ কথাখিনি প্রায়েই আলোছায়াময়। *সন্দেশ ৰাসকৰ* ৰচয়িতাও তাৰ উর্ধত নহয়। কাব্যখনৰ আৰম্ভণিতে ৰচয়িতা আব্দুল ৰহমানে তেওঁৰ আত্মপৰিচয় সম্পর্কে যিখিনি কথা উল্লেখ কৰিছে, সেইখিনিৰ বাহিৰে লেখকজনৰ বিষয়ে অধিক জানিব পৰা নাযায়। কাব্যৰ ভাষা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ আঁত ধৰি এইগৰাকী কবিৰ সময় খ্রীষ্টীয় দ্বাদশ শতিকাৰ শেষভাগ অথবা ত্রয়োদশ শতিকাৰ আদিভাগ বুলি অনুমান কৰা হৈছে।
- দশম-দ্বাদশ শতিকাৰ ভিতৰত প্রসাৰতা লাভ কৰা 'ৰাসক' বা 'ৰাসক শব্দই প্রথমতে বিবিধ তাল-লয়ৰে পৰিৱেশিত নাৰী জাতিৰ নৃত্য-গীতৰ বিশেষ অনুষ্ঠান বুজাইছিল, পিছলৈ বিশেষ ছন্দসজ্জাৰে নিবদ্ধ গীত-কাব্যক বুজাবলৈ ল'লে। আনপিনে 'সন্দেশ' শব্দৰ অর্থ হ'ল 'খবৰ' বা 'বাতৰি'। গতিকে *সন্দেশ ৰাসকৰ* সম্পূর্ণ অর্থ হ'ল 'সন্দেশ' মানে খবৰ আৰু 'ৰাসক' হৈছে এবিধ গীতি ছন্দৰ নাম। এই সম্পর্কে অধ্যায়টোত কিছু কথা আলোচনা কৰা হ'ল।
- ভাৰতীয় কাব্য সাহিত্যৰ পৰম্পৰাত দূত কাব্য নামেৰে এক শ্রেণীৰ সাহিত্য পোৱা যায়। এইবিধ কাব্যৰ মূল বিষয়বস্তু হৈছে প্রবাসত থকা প্রিয়জনৰ ওচৰলৈ নায়ক অথবা নায়িকাই কোনোবা দূতৰ জৰিয়তে হৃদয়ৰ বিৰহ-যাতনাৰ খবৰ পঠিওৱা। সংস্কৃত সাহিত্যৰ প্রসিদ্ধ কালিদাসৰ *মেঘদূত* দূত কাব্যৰ দূৰন্ত প্রতিনিধি। আমাৰ আলোচ্য কাব্যখনত কবিজনাই লোকজীৱনৰ এক এক কাল্পনিক প্রেমগাথাক, লোকভাষা তথা প্রকাশভঙ্গীৰে ব্যক্ত কৰিছে।



১৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ


৭) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৮) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

৯) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১০) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.

১১) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press



১৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্তমান পাকিস্তানৰ অন্তৰ্গত সিন্ধু আৰু পশ্চিম পাঞ্জাৱ অঞ্চলক বুজোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গুজৰাটীসকলৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ পণ্ডিতসকলে এই কথা অনুমান কৰিছে যে অৱহট্‌ঠ সাহিত্যৰ ৰচনা আৰু 'ৰাসক' সাহিত্যৰ উদ্ভৱ প্রায় সমসাময়িকভাৱে হৈছিল আৰু এই কার্য সংঘটিত হৈছিল খ্রীষ্টীয় একাদশ-দ্বাদশ শতিকামানৰ পৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিশেষ ছন্দ সজ্জাৰে নিবদ্ধ এবিধ গীত কাব্য।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'সন্দেশ' শব্দৰ অর্থ হ'ল 'খবৰ' বা 'বাতৰি'।

৬ নং প্রশ্নৰ উত্তৰ ঃ মিছা।



১৩.৯ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) *সন্দেশ ৰাসক* কাব্যখনত সন্নিৱিষ্ট থকা মতে কবিৰ জন্মস্থান ক'ত?

খ) ৰসক কাব্যৰ কবিতাত কেইটা চৰণ থাকে?

গ) দ্বাদশ শতিকাৰ ধোয়ী কবিয়ে ৰচনা কৰা দূত কাব্যখনৰ নাম লিখক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) *সন্দেশ ৰাসক* কাব্যখনি দ্বাদশ শতিকাৰ অন্তিম ভাগ কিংবা ত্রয়োদশ শতিকাৰ আদি ভাগত ৰচিত হৈছিল বুলি অনুমান কৰি ল'ব পাৰি।

খ) ৰসক কাব্যৰ কবিতাৰ প্রতি চৰণত ২১ মাত্রা থাকে।

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ৰাসকৰ লক্ষণ সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ২ ঃ *সন্দেহ ৰাসক*ক কিয় দূত কাব্য বুলি ক'ব পাৰি? যুক্তি আগ বঢ়াওক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আব্দুল ৰহমানৰ জীৱন আৰু কৃতি সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ দূত কাব্য কাক বোলে? দূত কাব্য হিচাপে *সন্দেশ ৰাসক*ক বিচাৰ কৰক।

প্রশ্ন ৩ঃ 'ৰাসক'ৰ সংজ্ঞা নিৰূপণ কৰক। *সন্দেশ ৰাসক* এখন ৰাসক শ্রেণীৰ কাব্য হয়নে — আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ *সন্দেশ ৰাসক*— ২

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ *সন্দেশ ৰাসকৰ* মূল পাঠ আৰু অসমীয়া অনুবাদ

১৪.৩.১ কঠিন শব্দৰ ভাষিক টোকা আৰু শব্দার্থ

১৪.৪ *সন্দেশ ৰাসকৰ* ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্য

১৪.৫ *সন্দেশ ৰাসকৰ* কাহিনীভাগ

১৪.৬ *সন্দেশ ৰাসকৰ* কাব্যিক সৌন্দর্য

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবলৈ

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাঠৰ অন্তর্গত *সন্দেশ ৰাসকৰ* গাথাসমূহৰ অসমীয়া অনুবাদ লাভ কৰাৰ লগতে কঠিন শব্দসমূহৰ টোকা লাভ কৰিব
- *সন্দেশ ৰাসকৰ* ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব
- *সন্দেশ ৰাসকৰ* কাহিনীভাগ অৱগত হৈ কাব্যিক সৌন্দর্য বিচাৰ কৰিব পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি *সন্দেশ ৰাসক* কাব্যখনৰ ৰচয়িতা মুছলমান কবি আব্দুল ৰহমানৰ সময়সীমা আৰু কাব্যখনৰ ৰচনাৰ কাল সম্পর্কে বহলাই অধ্যয়ন কৰিলে। তাৰ লগতে ৰাসক মানে কি আৰু ভাৰতীয় সাহিত্যত দূত কাব্য হিচাপে *সন্দেহ ৰাসকৰ* স্থান কি— সেই বিষয়েও বিস্তৃতভাৱে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আমি কাব্যখনৰ যিখিনি অংশ আমাৰ পাঠ্যবিষয়ত বিশেষভাৱে অধ্যয়নৰ বাবে নির্ধাৰণ কৰি দিয়া হৈছে সেই বিষয়ে আলোচনা কৰিম।

শৌৰসেনী প্রাকৃতৰ অর্বাচীন ৰূপ অর্থাৎ পশ্চিমা অৱহট্‌ঠ ভাষাত ৰচিত *সন্দেহ ৰাসক* কাব্যখন তিনিটা 'প্রক্রম' অর্থাৎ তিনিটা ভাগত বিভক্ত। প্রথম প্রক্রমত আছে কবি আব্দুল ৰহমানৰ

পৰিচয় আৰু আত্মনিবেদনৰ বৰ্ণনা। দ্বিতীয় প্ৰক্ৰমত আছে ***প্ৰোষিতভৰ্তৃকা*** নায়িকাৰ কৰুণ অৱস্থাৰ বৰ্ণনা, তদুপৰি নায়িকাই বাটৰুৱাক স্বামীলৈ খৱৰ নিবলৈ অনুনয়-বিনয় আৰু বাটৰুৱাৰ সন্মতি প্ৰদানৰ বৰ্ণনা আছে। তৃতীয় তথা শেষ প্ৰক্ৰমত আছে ছয় ঋতুভেদে বিৰহিনীৰ কাতৰতা আৰু স্বামী ঘৰলৈ উভতি অহাৰ বৰ্ণনা।

এইটো অধ্যায়ত আমি আমাৰ পাঠবিষয়ত নিৰ্ধাৰিত প্ৰথম প্ৰক্ৰমৰ ৮টা গাথাৰ অসমীয়া অনুবাদৰ লগতে কঠিন শব্দ কিছুমানৰ ভাষিক অনুশীলনো কৰিম। কাব্যখনৰ বিষয়বস্তু সম্পৰ্কে সাৰ্থক ধাৰণা লাভ কৰিবলৈকে আমি ইয়াৰ ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্য সম্পৰ্কেও আলোচনা কৰিম। লগতে কাব্যখনৰ কাহিনীভাগ চমুকৈ উল্লেখ কৰি কাব্যিক সৌন্দৰ্যও বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব।



প্ৰোষিতভৰ্তৃকা নায়িকা ঃ আঠ প্ৰকাৰ নায়িকাভেদৰ এক প্ৰকাৰ। প্ৰিয়তম বা স্বামী প্ৰবাসত থকা কালত প্ৰিয়তমা বা নায়িকাৰ মনৰ কাতৰ অৱস্থাই এই নায়িকাৰ লক্ষণ। অন্য ৭ প্ৰকাৰ হ'ল — অভিসাৰিকা, বাসকসজ্জা, উৎকণ্ঠিতা, বিপ্ৰলব্ধা, খণ্ডিতা, কলহান্তৰিতা আৰু স্বাধীনভৰ্তৃকা

১৪.৩ *সন্দেশ ৰাসকৰ* মূল পাঠ আৰু অসমীয়া অনুবাদ

পাঠ্যক্ৰমৰ অন্তৰ্গত *সন্দেশ ৰাসকৰ* 'প্ৰথম প্ৰক্ৰম'ৰ প্ৰথম আঠটা গাথাৰ অসমীয়া অনুবাদসহ মূল পাঠ তলত দিয়া হ'ল —

১/ ৰয়ণায়ৰ গিৰিতৰুবৰাইঁ গয়ণংগণংমি ৰিক্খাই।
জেনহজ্জ সয়ল সিৰিয়ং সো বুহয়ণ ৰো সিৱং দেউ।।

অসমীয়া অনুবাদ ঃ হে বিজ্ঞজন, যিজনে আৰম্ভণিতে সমুদ্ৰ, পৃথিৱী, পৰ্বত, বৃক্ষ আৰু আকাশত তৰা আদি সৃষ্টি কৰিলে, তেওঁ সকলোৰে কল্যাণ কৰক।

২/ মানুস্সদিব্ব বিজ্জাহৰেহিঁ ণহমগ্গি সূৰ-সাসিবিম্বে।
আত্রাহিঁ জো ণমিজ্জই তং ণয়ৰে ণমহ কত্তাৰং।।

অসমীয়া অনুবাদ ঃ হে নাগৰজন, সেইজনক নমস্কাৰ কৰক যিজনে মানুহ, দেৱতা, বিদ্যাধৰ আৰু আকাশ বাগৰি সূৰ্য চন্দ্ৰ আদিৰ দ্বাৰা নমস্কৃত।

৩/ পচ্চাএসি পহূত্ত পুব্ব পসিদ্দো স মিচ্ছদেসো থি।
তহ বিসত্র সম্ভূত্ত আৰদ্দো মীৰসেণস্স।।

অসমীয়া অনুবাদ ঃ পাশ্চাত্য দেশত প্ৰাচীন কালৰে পৰা অতি প্ৰসিদ্ধ যি ম্লেচ্ছ দেশ আছে, সেই দেশতে মীৰসেন নামেৰে এজন তাঁতীৰ জন্ম হৈছিল।

৪/ তহ তণও কুল কমলো পাইঅ কব্বেসু গীয় বিসয়েসু।
আদ্দহমাণ পসিদ্ধো সংণেহ ৰাসয়ং ৰইয়ং।।

অসমীয়া অনুবাদ ঃ তেওঁৰে পুত্ৰ অদ্দহমান (আব্দুল ৰহমান) — যিজন কুলৰ কমল স্বৰূপ আৰু প্ৰাকৃত কাব্য তথা গীত বিষয়ত সুপ্ৰসিদ্ধ, — তেওঁৰেই সংদেশ ৰাসক ৰচনা কৰিছে।

৫/ পূৰ্বচ্ছেয়াণ ণমো সু কইণ য সদ্দসত্থকুসলান।
তিয়লোএ সুচ্ছংদং জেহিঁ কয়ং জেহি ণিদ্দিট্ঠ।।

অসমীয়া অনুবাদ ঃ শব্দশাস্ত্ৰত পাকৈত প্ৰাচীন বিদগ্ধ পণ্ডিতসকলক আৰু কবিসকলক মই নমস্কাৰ

কৰোঁ, যিসকলে ত্রিলোকত সুন্দৰ ছন্দ ৰচনা কৰিলে আৰু নির্দ্দিষ্ট কৰি থৈ গ'ল।

৬/ অৱহট্ঠয়-সক্কয়-পাইয়ং মি পেসাইয়ং মি ভাসাএ।
লক্খণ ছন্দাহৰণে সুকইত্তং ভূসিয়ং জেহিঁ।।

অসমীয়া অনুবাদ ঃ যিসকলে অৱহট্ঠ, সংস্কৃত, প্রাকৃত আৰু পৈশাচী ভাষাত কাব্য ৰচনা কৰি সুন্দৰ কাব্যৰ লক্ষণ, ছন্দ আৰু অলংকাৰেৰে বিভূষিত কৰিলে।

৭/ তাণহণু কইণ অম্হাৰিসাণ সুই সদ্দসত্থ ৰহিয়াণ।
লক্খন ছন্দ পমুক্কং কুকবিত্তং কো পসংসেই।।

অসমীয়া অনুবাদ ঃ তেনেকবিসকলৰ পিছত মোৰ নিচিনা শ্রুতি, শব্দশাস্ত্র নজনা এজনৰ আৰু লক্ষণ ছন্দ ৰহিত কু-কবিতাক কোনে প্রশংসা কৰিব?

৮/ অহৱা ণ ইত্থ দোসো জই উইয়ং সসহৰেণ ণিসিসময়ে।
তা কিং ণ হু জোইজ্জই ভু অনে ৰয়ণীযু জোইক্খং।।

অসমীয়া অনুবাদ ঃ অথবা, ইয়াত কোনো দোষৰ কথাও নাই; কাৰণ ৰাতি চন্দ্র উদয় হয় যদিও ঘৰত চাকি নজ্বলোৱাকৈ জানো থকা হয়?

১৪.৩.১ কঠিন শব্দৰ ভাষিক টোকা আৰু শব্দার্থ

ওপৰত দিয়া ৮ টা গাথাত পোৱা কঠিন শব্দকেতবোৰৰ ভাষিক একোটা টোকা আৰু শব্দার্থ তলত দেখুওৱা হ'ল —

১ নং গাথা ঃ ৰয়ণায়ৰ < ৰত্নাকৰঃ; ৰত্নৰ আকৰ
সিৰিয়ং < সৃষ্টম্; সৃষ্টি কৰিলে

২ নং গাথা ঃ বিজ্জাহৰ < বিদ্যাধৰঃ; বিদ্যাধৰ
সসিবিম্বে < শশীবিম্বঃ; চন্দ্রবিম্ব

৩ নং গাথা ঃ থি < অস্তি; থকা
পচ্চাএসি < পশ্চিমদিশি; পশ্চিমদেশত
আৰদ্দো < আৰদ্ধ; তাঁতী

৪ নং গাথা ঃ পাইঅ < প্রাকৃত; প্রাকৃতত
ৰইয়ং < ৰচিতম্; ৰচিলে

৫ নং গাথা ঃ সদ্দঅত্থ < শব্দার্থ; শব্দার্থত
ণিদ্দিট্ঠং < নির্দ্দিষ্টম্; নির্দ্দিষ্ট কৰা

৬ নং গাথা ঃ সক্কয় < সংস্কৃতম্; সংস্কৃতত
ছন্দাহৰণে < ছন্দাভৰনে; ছন্দ অলংকাৰেৰে
সুকইত্তং < সুকাব্যম্; বিভূসিত কৰা

৭ নং গাথা ঃ সুই < শ্রুতিঃ; শ্রুতি

প্রমুক্কং < প্রমুক্তঃ; মুক্ত হোৱা

৮ নং গাথা ঃ ইত্থ < অত্র; ইয়াত

উইয়ং < উদিতং; উদয় হোৱা

জোইজ্জই < দ্যোত্যতে; উজ্বলি উঠা

জোইক্খং < জ্যোতিষ্কম্; চাকি বা পোহৰ

১৪.৪ *সন্দেশ ৰাসকৰ* ভাষা আৰু ইয়াৰ ভাষাগত বৈশিষ্ট্য

ভাষাগত বিচাৰত *সন্দেশ ৰাসকৰ* ভাষা হৈছে প্ৰাচীন গুজৰাটী আৰু প্ৰাচীন ৰাজস্থানীৰ উপাদানেৰে সমৃদ্ধ পশ্চিমা অৱহট্‌ঠ বা শৌৰসেনী অপভ্রংশৰ অবাৰ্চীন ৰূপ। সেয়েহে *সন্দেশ ৰাসকৰ* ভাষা বুলি ক'লে গুজৰাটী-ৰাজস্থানীৰ লগতে অপভ্রংশ অৱহট্‌ঠৰ লক্ষণপুষ্ট এটি ভাষা বুলি ক'ব পাৰি। অৱশ্যে এই ভাষিক ৰূপবোৰৰ উপৰি *সন্দেশ ৰাসকত* আন কেতবোৰ নিজস্ব বৈশিষ্ট্যও বিৰাজমান। গতিকে এই সকলো দিশ সামৰি *সন্দেশ ৰাসকৰ* ভাষাৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল।

- ***সন্দেশ ৰাসকত* অপভ্রংশ-অৱহট্‌ঠৰ বৈশিষ্ট্য ঃ**
  - এটা স্বৰধ্বনিৰ পৰিৱৰ্তে আন এটা স্বৰধ্বনিৰ ব্যৱহাৰ অপভ্রংশ অৱহট্‌ঠৰ এক বিশেষ বৈশিষ্ট্য। যিটো *সন্দেশ ৰাসকত* সততে দেখা যায়। যেনে — নাম > নামু ; এক > ইকু ইত্যাদি।
  - অপভ্রংশ-অৱহট্‌ঠত দীৰ্ঘস্বৰ ধ্বনি প্ৰায়ে হ্ৰস্ব স্বৰধ্বনিত পৰিণত হয়। *সন্দেশ ৰাসকতো* এই বৈশিষ্ট্য দেখা যায়। যেনে — বৰবমনী > বৰৰমনি; দীনাননী > দীনাননি ইত্যাদি।
  - পদান্ত 'ম'ৰ ঠাইত 'ং', 'ৱঁ' হোৱা অপভ্রংশৰ যি লক্ষণ সি *সন্দেশ ৰাসকতো* দেখিবলৈ পোৱা যায়। যেনে — ৰচিতম্ > ৰইয়ং ; প্ৰকটিতানি > পয়ডিয়াইঁ ইত্যাদি।
  - অকাৰন্ত শব্দৰ প্ৰথমাৰ একবচনত 'উ'ৰ প্ৰয়োগৰ বহুলতা অৱহট্‌ঠৰ বৈশিষ্ট্য। *সন্দেশ ৰাসকত* ইয়াৰ উদাহৰণ — পথিকঃ > পহিউ
  - বিভক্তিৰ 'ম' কাৰ লোপ অৱহট্‌ঠৰ অন্য এক বিশেষ বৈশিষ্ট্য। *সন্দেশ ৰাসকত* এই বৈশিষ্ট্যটো দেখা যায়। যেনে— নগৰম্ > নয়ৰ ; পথম্ > পন্থ ইত্যাদি।
  - ষষ্ঠীৰ একবচনত 'হ' বিভক্তিৰ প্ৰয়োগ অৱহট্‌ঠৰ আন এক লক্ষণ। *সন্দেশ ৰাসকতো* ইয়াৰ প্ৰয়োগ দেখা যায়। যেনে — মুগ্ধায়াঃ > মুগ্ধহ ইত্যাদি।
- ***সন্দেশ ৰাসকত* গুজৰাটীৰ বৈশিষ্ট্য ঃ** *সন্দেশ ৰাসকত* দেখিবলৈ পোৱা গুজৰাটী ভাষাৰ বৈশিষ্ট্যবোৰ হৈছে —
  - ষষ্ঠীৰ বিভক্তিৰূপে 'হ' ৰ প্ৰয়োগ
  - তৃতীয়াৰ একবচনত 'ই', 'হি' আদি বিভক্তিৰ প্ৰয়োগ
  - অসমাপিকা ক্ৰিয়াগঠনত 'ই' প্ৰত্যয়ৰ প্ৰয়োগ
  - 'কিম', 'জিম', 'তিম' আদিৰ সৰ্বনামীয় প্ৰয়োগৰ লগতে পুৰুষবাচক সৰ্বনামত 'তিনি',

'জিনি' ৰ প্ৰয়োগ দেখা যায়।

- ***সন্দেশ ৰাসকত ৰাজস্থানীৰ বৈশিষ্ট্য ঃ*** প্ৰাচীন ৰাজস্থানীৰ প্ৰধানতঃ তিনিটা বৈশিষ্ট্য *সন্দেশ ৰাসকত* দেখিবলৈ পোৱা যায়। সেই তিনিটা এনে ধৰণৰ —
  - ➢ প্ৰাচীন ৰাজস্থানীৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল ক্ৰিয়াৰ আগত উপসৰ্গৰূপে 'স' ৰ প্ৰয়োগ। যিটো *সন্দেশ ৰাসকত* দেখা যায়। যেনে — সলজ্জিৰ, সবিলাস ইত্যাদি।
  - ➢ বিভক্তিহীন কাৰকৰ প্ৰয়োগ প্ৰাচীন ৰাজস্থানীৰ যি বৈশিষ্ট্য সি *সন্দেশ ৰাসকতো* দেখা যায়।
  - ➢ অসমাপিকা ক্ৰিয়াৰূপত গুজৰাটী 'ই' বিভক্তিৰ উপৰিও 'অবি', 'ইবি' আদি প্ৰাচীন ৰাজস্থানী সুলভ প্ৰয়োগ *সন্দেশ ৰাসকতো* দেখা যায়। যেনে — সৰলাইবি, ছুডবি ইত্যাদি।
- ***সন্দেশ ৰাসকৰ* নিজস্ব ভাষিক বৈশিষ্ট্য ঃ** আমি ওপৰত উল্লেখ কৰি অহাৰ দৰে প্ৰাচীন গুজৰাটী-ৰাজস্থানীৰ লগত সম্পৰ্কযুক্ত পশ্চিমা-অৱহট্‌ঠই (শৌৰসেনী অৱহট্‌ঠ) *সন্দেশ ৰাসকৰ* মূল যদিও কাব্য গ্ৰন্থখনত কিছুমান নিজস্ব ভাষিক বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। সেইবোৰ নিম্নলিখিত ধৰণৰ —
  - ➢ দীৰ্ঘস্বৰ হ্ৰস্বস্বৰ হোৱা অৱহট্‌ঠৰ এক প্ৰধান লক্ষণ যদিও *সন্দেশ ৰাসকত* ইয়াক অধিক সুলভ ৰূপত দেখা যায়। যেনে— পদধৰী > পউহৰি ; দীৰ্ঘনয়নী > দীহৰনয়নি ইত্যাদি।
  - ➢ একেটা শব্দই গ্ৰন্থখনৰ বিভিন্ন ঠাইত একাধিক ৰূপত পোৱা গৈছে। যেনে — তস্যঃ > তসু, তাসু, তীই ইত্যাদি।
  - ➢ একে অৰ্থবাচক শব্দক ধ্বন্যাত্মক ৰূপত প্ৰয়োগ হোৱা দেখা গৈছে। যেনে — তিবিকিবি, ৰুনুঝুনউ ইত্যাদি।
  - ➢ একে ব্যঞ্জন দ্বিত হৈ প্ৰয়োগ হৈছে। যেনে — শৈলজাম > সঅলজ্জ; একৈকস্যাঃ > ইক্কিক্কহ ইত্যাদি।
  - ➢ তৃতীয় আৰু সপ্তমী বিভক্তিৰ প্ৰয়োগৰ পাৰ্থক্য নাই। যেনে— ৰাহি (ৰাহুৰ দ্বাৰা); বিৰহানলি (বিৰহৰ জুইত)
  - ➢ প্ৰকৃতাৰ্থত প্ৰয়োগৰ ফালৰ পৰা কাৰক তিনিটা — প্ৰথমা-দ্বিতীয়ালৈ এটা; তৃতীয়া-সপ্তমীলৈ এটা আৰু আনটো ষষ্ঠী। পঞ্চমীৰ প্ৰয়োগ দেখা নাযায়।
  - ➢ তৃতীয়াৰ একবচনত '-ই' আৰু '-হি' ৰ লগতে '-ইন' বিভক্তিৰ প্ৰয়োগ হৈছে।
  - ➢ সেইদৰে অসমাপিকা ক্ৰিয়া গঠনত '-ই', '-অবি', '-এবি' ৰ লগতে '-এবিনু'ৰ প্ৰয়োগ হৈছে।
  - ➢ শব্দগত ক্ষেত্ৰত এটা প্ৰধান বৈশিষ্ট্য হ'ল *সন্দেশ ৰাসকত* 'দেশী' শব্দৰ প্ৰাচুৰ্য বহুল পৰিমাণে দেখা যায়। তেনে কেইটামান ***দেশী শব্দ*** হ'ল — চঙ্গিমা, মদ্দল, কৰডি, গল্লিহী, কুট্টি, পিকি, নজ্জই, সিহন, খিসিঅ, ঝসুৰ, চল্লহি, কনকুক্ক, ৰুণুঝুণউ ইত্যাদি।



দেশী শব্দ ঃ সম্পূৰ্ণ ৰূপে থলুৱা শব্দ। যিটোৰ মুল সংস্কৃত অথবা অন্য ভাষাৰ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *সন্দেশ ৰাসকৰ* ভাষা কি?

.....

প্রশ্ন নং ২ ঃ *সন্দেশ ৰাসকত* কি কি বিভক্তিৰ প্রয়োগৰ পার্থক্য নাই।

.....

১৪.৫ *সন্দেশ ৰাসকৰ* কাহিনীভাগ

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে ভাৰতীয় দূত কাব্যৰ পৰম্পৰাত শেষ স্তৰৰ প্রতিনিধি *সন্দেশ ৰাসক* (সংনেহ ৰাসউ) এখন শৃংগাৰসাত্মক গীতি কাব্য। এগৰাকী বিৰহিনী পত্নীয়ে দূৰৈত থকা প্রিয়জনক এজন বাটৰুৱাৰ জৰিয়তে তেওঁৰ মনৰ বাতৰি দিবলৈ কৰা অনুৰোধেই ইয়াৰ কাব্যৰূপ। কাহিনী মতে বিজয় নগৰৰ এগৰাকী সুন্দৰী ৰমণী স্বামী বিচ্ছেদৰ অগনিত দেহ পুৰি কাতৰ হৈ পৰিছে। তাই বাটৰ পিনে উৎকণ্ঠা আৰু উদ্বাউল হৈ চাই থাকোতেই এজন বাটৰুৱাক কোবাকুবিকৈ অহা দেখি ক'ৰ পৰা আহিছে ক'লৈ যাব ইত্যাদি বিভিন্ন প্রশ্ন কৰিছে। প্রশ্নৰ অন্তত ৰমণীয়ে গম পালে যে বাটৰুৱাজন সাম্বপুৰৰ পৰা আহিছে আৰু খম্বাতলৈ যাব। বাটৰুৱাৰ মনত খম্বাতৰ কথা শুনাৰ লগে লগে ৰমণীৰ মন উগুল-থুগুল লাগিল; কিয়নো সেই খম্বাততেই ৰমণীৰ স্বামী অর্থ লাভৰ উদ্দেশ্য আছেগৈ। সেয়েহে ৰমণী নায়িকাই খম্বাতগামী বাটৰুৱাক তাইৰ মনৰ কাতৰ অৱস্থাৰ সন্দেশ বা সংবাদ লৈ যাবলৈ অনুৰোধ জনাইছে, যাতে তেওঁৰ মনৰ কাতৰ অৱস্থাৰ সম্ভেদ বিশেষকৈ স্বামীৰ সঙ্গ সুখ অবিহনে জীৱন কেনেকৈ অতিবাহিত কৰিছে সেই বিষয়ে স্বামীৰ কাণত পৰেগৈ। বাটৰুৱাই নায়িকাৰ মনৰ অৱস্থাৰ বিষয়ে আৰু অধিক জানিবলৈ সুধিলে যে তেওঁ কিমান দিনৰ পৰা প্রিয়তমৰ পৰা বিচ্ছেদ হৈ থাকিব লগা হৈছে। ইয়াৰ উত্তৰত নায়িকাই ক'লে যে স্বামী তেওঁৰ ওচৰৰ পৰা আঁতৰি থকাৰ প্রায় এবছৰ অতিক্রম কৰিছে। স্বামীয়ে তেওঁক এৰি যোৱাৰ কাল আছিল গ্রীষ্ম কাল। ইতিমধ্যে গ্রীষ্ম, বর্ষা, শৰৎ, হেমন্ত আৰু শীত কাল মনো বেদনা বুকুত বান্ধিয়েই শেষ কৰিছে যদিও বসন্তৰ আগমনৰ লগে লগে তেওঁ দুগুণে অধীৰা হৈ পৰিছে। কুলিৰ মাত তেওঁৰ বাবে অসহ্যকৰ হৈ পৰিছে; অশোক, চজিনাৰ সুভাষ আৰু ময়ুৰীৰ নৃত্যই নায়িকাৰ হৃদয় এপিনৰ পৰা বিদির্ণ কৰিব লাগিছে। যি বিদির্ণ হৃদয় পচোৱা বতাহৰ সোঁতেও শাত পেলাব পৰা নাই। ভাব হৈছে কিংশুক ফুলবোৰ যেন নায়িকাৰ বাবে ফুল নহয়, এসোপা ঘন ক'লা তেজ। বসন্ত ঋতুৰ কাম বাণে তেওঁৰ হৃদয় বখলা-বখল কৰিছে। গতিকে বাটৰুৱাক একান্তভাৱে কাতৰ অনুৰোধ কৰিছে যাতে তেওঁ নায়িকাৰ স্বামীক তেওঁৰ মনৰ সকলোবোৰ সুখৰ বতৰা স্বামীৰ মনত অকণো খং নুঠাকৈ কৈ দিয়েগৈ। ৰমণীৰ কাতৰ বাণীয়ে বাটৰুৱাৰ মন কুমলিল আৰু ৰমণী নায়িকাৰ সন্দেশ অর্থাৎ বাতৰি লৈ যাবলৈ সম্মত হ'ল। নায়িকাই বাটৰুৱাক

বিদায় দি ঘৰত প্ৰৱেশ কৰিব খোজোতেই দক্ষিণ পিনৰ পৰা স্বামীক অহা দেখা পায়। অপ্ৰত্যাশিতভাৱে স্বামীৰ আগমনত তেওঁ উৎফুল্লিত হৈ পৰে। কবি আব্দুল ৰহমানে নায়িকাৰ অপ্ৰত্যাশিত সিদ্ধি লাভেৰে কাব্যখনৰ সামৰণি মাৰিছে, যাতে সহৃদয় পাঠকেও মনো সিদ্ধি লাভ কৰিব পাৰে।

১৪.৬ *সন্দেশ ৰাসকৰ* কাব্যিক সৌন্দৰ্য

আব্দুল ৰহমানৰ *সন্দেশ ৰাসকে* ভাৰতীয় দূত কাব্যৰ ইতিহাসত যিদৰে এখন অনুপম শৃংগাৰসাত্মক কাহিনী প্ৰধান কাব্য গ্ৰন্থ হিচাপে স্বাক্ষৰ বহন কৰি আহিছে সেইদৰে কাব্যিক সৌন্দৰ্যৰ পিনৰ পৰাও কাব্যখনে এক অনন্য গতি প্ৰদান কৰিছে বুলি ক'ব পাৰি। মুঠ ২২৩ টা গাথাৰ মাজত আৱদ্ধ কাহিনীটোত বিৰহী নায়িকাৰ হৃদয় বিদাৰক কাতৰতাৰ প্ৰতিটো কাতৰ অনুভূতি প্ৰকাশ কৰোতে ৰহমানে প্ৰকৃতিৰ বুকুত সিঁচৰতি হৈ থকা একাধিক উপমা বুটলি লৈ সুন্দৰ ৰূপত বৰ কৌশলপূৰ্ণভাৱে প্ৰকাশ কৰিছে। ক'বলৈ গ'লে আব্দুল ৰহমানৰ হাতৰ বুলনিত প্ৰকাশিত প্ৰকৃতিৰ সমস্ত বৰ্ণনীয় চিত্ৰই নায়িকাৰ প্ৰেমৰ উদ্দীপন ***বিভাৱৰ*** কাম কৰিছে বুলি ক'ব পাৰি।

দৰাচলতে কাব্যখনত প্ৰকাশিত প্ৰতিটো চিত্ৰধৰ্মী বৰ্ণনাই হৃদয়গ্ৰাহী আৰু সংবেদনশীল। বিশেষকৈ বিৰহৰ যন্ত্ৰণাৰতা নায়িকাৰ ৰাজহংসগামিনী লয়লাস, ঘনে ঘনে বাটৰ পিনে চাই থকা ৰমণীৰ মলিন মুখমণ্ডল, অশ্ৰুপ্লাৱিত চকুযুগলে, ৰাহুৱে পূৰ্ণচন্দ্ৰক এপিনৰ পৰা গ্ৰাস কৰাৰ দৰে তেওঁ (নায়িকাৰ) সোণবৰণীয়া দেহটো লাহে লাহে শ্যামবৰণীয়া হৈ পৰা, আউল-বাউল চুলি, বিৰহৰ জুইত দগ্ধ হৈ দীৰ্ঘশ্বাস পেলাই আঙুলি মোটোকাই থকা, তাৰ মাজতে উৎকণ্ঠিতা নায়িকাই বাটৰুৱাক দেখি উত্ৰাৱল গতিত চঞ্চল নিতম্বৰ পৰা কিংকিনীযুক্ত অলংকাৰ খহি পৰা, চিঙি পৰা হৱলতাৰ মুকুতাবোৰ আধা বুটলি বাটৰুৱাৰ পিনে বিজুলি গতিৰে খোজ দিওতে নূপুৰত ভৰি জোট-পোট খাই বাটতে পৰি যোৱা, হতচকিতা, লাঞ্ছিতা নায়িকাৰ মুৰৰ পৰা বাৰে বাৰে ওৰণি খহি পৰা, কাঁচলি ফালি জিলিকি উঠা স্তন যুগলক নিজৰ হাতেৰে ঢাকি ৰাখি বাটৰুৱাৰ ওচৰত স্বাভাৱিক হ'বলৈ চেষ্টা কৰা ইত্যাদি বৰ্ণনা সঁচাই কাব্যোপম। স্বামীৰ বাবে উৎকণ্ঠিতা এগৰাকী নাৰীৰ এই অৱস্থা নিতান্তই স্বাভাৱিক।

বিভিন্ন চিত্ৰধৰ্মী বৰ্ণনাৰ উপৰি অনুপ্ৰাস আৰু উপমাৰ প্ৰয়োগেও কাব্যখন সৌন্দৰ্য বঢ়াই তুলিছে। উদাহৰণ স্বৰূপে অনুপ্ৰাস —

(ক) সংগাম সুয়ণসৰিচ্ছা আসাসহি বেৰি অংগাঁই।

(খ) নয়ৰ নামু সামোৰু সৰোৰুহদল নয়নি,
নায়ৰজন সংপুন্নু হৰিস সসিহৰবয়নি।

(গ) পড়ি উট্ঠয় সবিলক্খ সলজ্জিৰ সংঝসিয়। ইত্যাদি।

সেইদৰে নায়িকাৰ ৰূপৰ বৰ্ণনাৰ সময়তো উপমাৰ সঘন প্ৰয়োগ ঘটাইছে। আব্দুল ৰহমানে নায়িকাৰ চকুযুৰিৰ লগত পদুমৰ পাহিক, বাহু দুটিক কোমল মৃণালৰ লগত, স্তন যুগলক সুজন



বিভাৱ ঃ আলংকাৰিকসকলৰ মতে ভাবক যিয়ে বিশেষ ধৰণে ফুটাই তোলে, সিয়ে বিভাব। বিভাব দুই প্ৰকাৰৰ— আলম্বন আৰু উদ্দীপন। যাৰ গাত আঁউজি মনৰ ভিতৰত শুই থকা কোনো এটা ভাব সাৰ পাই উঠে, সিয়ে আলম্বন। আনহাতে যি উপকৰণে সেই জাগৃত ভাবক উদ্দীপ্ত অথবা তীব্ৰতৰ কৰি তোলে, তাকে উদ্দীপন বিভাব বুলি কোৱা হয়। ইয়াত নায়িকাক প্ৰকৃতিৰ চিত্ৰই তীব্ৰতৰ কৰি তোলা বাবে প্ৰকৃতিৰ চিত্ৰই উদ্দীপন বিভাবৰ কাম কৰিছে।

আৰু খলৰ লগত, নাভিমণ্ডলক গিৰি নদীৰ আৱর্তনৰ লগত যি তুলনা কবিজনাই দিছে সি সঁচাকৈয়ে কাব্যোপোম আৰু উপাদেয় হৈছে বুলিব পাৰি।

কবিজনাৰ বিনয়ী আৰু নম্ৰ ভাবো কাব্যখনৰ সৌন্দর্য প্রকাশৰ অন্য এটা দিশ। কবিজনাই নিজৰ কবিত্বৰ দৈন্যতা দ্বিধাহীনভাৱে স্বীকাৰ কৰি *সন্দেশ ৰাসকক* এখন ললিয়হীন (লালিত্যহীন), কুকুবিত্ত (কু-কবিতা) বুলি অভিহিত কৰিছে। কেৱল ইয়ে নহয় ৰাতি চন্দ্র উদয় হ'লেও ঘৰত চাকি নজলোৱাকৈ থাকিবনে, কুলিয়ে মনোহৰ শব্দ কৰে বুলি কাউৰীয়ে নামাতিবনে, বীণাৰ মাত মধুৰ হ'ল বুলি ঢোলৰ মাত নুশুনিবনে, ইন্দ্রৰ নন্দন কাননত পাৰিজাত ফুলিল বুলি মর্ত্যত সাধাৰণ ফুল নুফুলিবনে, গংগাই সাগৰ উদ্দেশ্যি বৈ যায় বুলি আন সাধাৰণ নদী নোবোৱাকৈ থাকিবনে, সূর্যৰ কিৰণত সৰোবৰত নলিনী বিকশিত হ'ল বুলি বাৰীত তুম্বিনী নুফুলাকৈ থাকিবনে, ভৰত মুনিয়ে নির্দিষ্ট কৰা তাল লয়েৰে তৰুণীয়ে নাচিলে বুলি গাঁৱৰ সাধাৰণ ছোৱালীয়ে নানাচিবনে — দেখাত সাধাৰণ অথচ তীব্র আবেদময় এনে উপমাৰে কবিয়ে নিজৰ কবিত্ব গুণৰ দৈন্যতা প্রকাশ কৰাই নহয় তেওঁৰ দৰে মহামুর্খ এজনৰ কাব্য জ্ঞানীজনে যাতে নপঢ়ে তালৈয়ো আহ্বান জনাইছে। ইয়াতেই কবি জনাৰ উদাৰতা স্পষ্ট ৰূপত প্রকাশি উঠিছে।

তেওঁ যদিও বিভিন্ন উপমা-অলংকাৰ তথা কাব্যিক ভাষা-ব্যঞ্জনাৰে কাব্যখন মনোৰম কৰি তুলিছে সেই বুলি দৈনন্দিন জীৱনত ব্যৱহৃত বাক্‌ৰীতিক কোনো কাৰণতে অৱজ্ঞাৰ চকুৰে চোৱা নাই। বৰং সময় বিশেষে কথ্যৰূপৰ অসংখ্য শব্দ কাব্যখনত ঠাই দি কাব্যিক সৌন্দর্য বঢ়াইহে তুলিছে। যাৰ বাবে কাব্যখন অধিক ঘৰুৱা হৈ পৰিছে। কথ্যৰূপৰ তেনে শব্দ কিছুমান হ'ল— নজ্জই, খিমিঅ, সিহনা, ৰেহংতি, বোলাবিয়উ, চল্লহি, তুৰক্কি, চিক্কণৰউ, ঋসুৰ ইত্যাদি। দৈনন্দিন বাক্‌ৰীতি যেনে —

'ঠাহি ঠাহি নিমিস্‌দধু সুথিৰু অৱহাৰি মনু' -

"ৰ'ব ৰ'ব, - আধানিমেষ মাত্র ৰৈ মোৰ কথাখিনি মন দি শুনক।" ইত্যাদি।

এইদৰে কাব্যিক গুণাগুণৰ পিনৰ পৰা বিচাৰ কৰি চালে *সন্দেশ ৰাসক* এখন উৎকৃষ্ট মানৰ কাব্য হিচাপে বিবেচনা কৰাত অকণো অসুবিধা নহয়। শেষত ক'ব পাৰি সাহিত্যিক গুণাগুণেৰে ভৰপুৰ হৈয়ো লোকজীৱনৰ ভাব প্রকাশেৰে বর্ণিত কাব্যখন এখন উৎকৃষ্ট আৰু একেসময়তে অনুপম শৃংগাৰ ৰসাত্মক গীতিকাব্য।



চিন্তা-চর্চা কৰক — ১৪.১

সন্দেশ ৰাসকত কাব্যিক সৌন্দর্যৰ প্রতিফলন কেনেকৈ ঘটিছে সেই বিষয়ে এটি চমু আলোচনা যুগুত কৰিবলৈ যত্ন কৰক।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ *সন্দেহ ৰাসকত* কবিয়ে নায়িকাৰ ৰূপৰ বৰ্ণনাত কি অলংকাৰৰ সঘন প্ৰয়োগ ঘটাইছে।

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *সন্দেশ ৰাসক* কাব্যখনপৰা আপোনাৰ অধ্যয়নৰ বাবে নিৰ্বাচন কৰি দিয়া মূল পাঠৰ অসমীয়া অনুবাদ আৰু তাৰ কঠিন শব্দসমূহৰ অর্থ জানিব পাৰিলে।
- ভাষাগত বিচাৰত *সন্দেশ ৰাসকৰ* ভাষা হৈছে প্ৰাচীন গুজৰাটী আৰু প্ৰাচীন ৰাজস্থানীৰ উপাদানেৰে সমৃদ্ধ পশ্চিমা অৱহট্‌ঠ বা শৌৰসেনী অপভ্রংশৰ অবাৰ্চীন ৰূপ। সেয়েহে *সন্দেশ ৰাসকৰ* ভাষা বুলি ক'লে গুজৰাটী-ৰাজস্থানীৰ লগতে অপভ্রংশ অৱহট্‌ঠৰ লক্ষণপুষ্ট এটি ভাষা বুলি ক'ব পাৰি। অৱশ্যে এই ভাষিক ৰূপবোৰৰ উপৰি *সন্দেশ ৰাসকত* আন কেতবোৰ নিজস্ব বৈশিষ্ট্যও বিৰাজমান। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- *সন্দেশ ৰাসক* যে এখন কাব্যিক সৌন্দর্যৰে ভৰপুৰ শৃংগাৰৰসাত্মক কাব্য সেই বিষয়েও অধ্যায়টোত উদাহৰণসহ আলোচনা কৰি কাব্যখনৰ মূল কাহিনীভাগ অসমীয়াত লিপিবদ্ধ কৰি দিয়া হ'ল।



১৪.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৪) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৫) ঠাকুৰ, নগেন (২০০৭); *প্রাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৬) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

৮) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

৯) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

১০) Winternitz, M. (1998). *History of Indian Literature, Vol. 2 .* Delhi: Motilal Banarsidass.

১১) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press

১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন গুজৰাটী আৰু প্রাচীন ৰাজস্থানীৰ উপাদানেৰে সমৃদ্ধ পশ্চিমা অৱহট্‌ঠ বা শৌৰসেনী অপভ্রংশৰ অর্বাচীন ৰূপ।

২ নং প্রশ্নৰ উত্তৰ ঃ তৃতীয় আৰু সপ্তমী।

৩ নং প্রশ্নৰ উত্তৰ ঃ উপমা অলংকাৰৰ।

১৪.১০ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) সক্কয়, ছন্দাহৰণে — অসমীয়া অর্থ লিখক।

খ) ষষ্ঠীৰ একবচনত কি বিভক্তিৰ প্রয়োগ অৱহট্‌ঠৰ এক লক্ষণ?

গ) *সন্দেশ ৰাসকত* দেখা পোৱা বিভক্তিহীন কাৰকৰ প্ৰয়োগ বৈশিষ্ট্যটো কোন ভাষাৰ পৰা অহা?

প্ৰশ্ন ২ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) সাহিত্যিক গুণাগুণেৰে ভৰপুৰ হৈয়ো লোকজীৱনৰ ভাব প্ৰকাশেৰে বৰ্ণিত *সন্দেহ ৰাসক* কাব্যখন এখন উৎকৃষ্ট আৰু একেসময়তে অনুপম শৃংগাৰ ৰসাত্মক গীতিকাব্য।

খ) *সন্দেহ ৰাসকত* একে অৰ্থবাচক শব্দক ধ্বন্যাত্মক ৰূপত প্ৰয়োগ হোৱা দেখা গৈছে।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ *সন্দেশ ৰাসক* কাব্যখনত প্ৰাপ্ত অপভ্ৰংশ-অৱহট্‌ঠৰ ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ঃ *সন্দেশ ৰাসক* কাব্যখনত প্ৰাপ্ত গুজৰাটী ভাষাৰ বৈশিষ্ট্যসমূহৰ বিচাৰ কৰক।

প্ৰশ্ন ৩ঃ *সন্দেশ ৰাসক* কাব্যখন নিজা ভাষিকবৈশিষ্ট্যসমূহ উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ *সন্দেশ ৰাসক* কাব্যখন কি ভাষাত ৰচনা কৰা হৈছে? কাব্যখনৰ ভাষাগত বৈশিষ্ট্যবোৰ বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ *সন্দেশ ৰাসকৰ* নিম্ন উল্লিখিত গাথাসমূহৰ অসমীয়া অৰ্থ লিখক—

অৱহট্‌ঠয়-সক্কয়-পাইয়ং মি পেসাইয়ং মি ভাসাএ।
লক্‌খণ ছন্দাহৰণে সুকইত্তং ভূসিয়ং জেহিঁ।।৬
তাণহণু কইণ অম্‌হাৰিসাণ সুই সদ্দসত্থ ৰহিয়াণ।
লক্‌খন ছন্দ পমুক্কং কুকবিত্তং কো পসংসেই।।৭
অহৱা ণ ইত্থ দোসো জই উইয়ং সসহৱেণ ণিসিসময়ে।
তা কিং ণ হু জোইজ্জই ভু অনে ৰয়ণীযু জোইক্‌খং।।৮

প্ৰশ্ন ৩ঃ *সন্দেশ ৰাসকৰ* কাব্যিক সৌন্দৰ্য নিৰূপণ কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯০); *ধম্মপদ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (১৯৯২); *প্ৰাকৃত পাঠ-মঞ্জুষা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ (২০০৯); *প্ৰাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৪) গোস্বামী, হৰমোহন দেৱ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

৫) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

৬) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য অধ্যয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৭) ঠাকুৰ, নগেন (২০০৭); *প্ৰাকৃত সাহিত্য চয়ন;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৮) বৰা, লীলাৱতী শইকীয়া (২০০২); *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

৯) ভাগৱতী, কামাখ্যাচৰণ (২০০৪); *সংস্কৃত সাহিত্যৰ জিলিঙণি;* গুৱাহাটী ঃ গ্ৰন্থপীঠ।

১০) শৰ্মা, থানেশ্বৰ (২০০৮); *অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) শৰ্মা, থানেশ্বৰ (২০০৮); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) হাজৰিকা, অতুল চন্দ্ৰ (১৯৫৯), *অভিজ্ঞানশকুন্তলম্;* গুৱাহাটী।

বাংলা গ্ৰন্থ ঃ

১৩) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

১৪) Biswas, S. (1970). *A Comparative Old Indo-Aryan Grammar.* Guwahati: Bani Prakash.

১৫) Geiger. T. (1943). *Pali Language and Literature.* (Tr. by B. K. Ghosh). Culcutta: University of Culcutta.

১৬) Kale, M. R. (Ed.) (1969). *The Abhijnana Sakuntalam of Kalidasa.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

১৭) Keith, A. B. (1973). *A History of Sanskrit Literature.* Delhi: Oxford UP.

১৮) Keith, A. B. (1998). *The Sankskrit Drama.* Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

১৯) Radhakrishnan, C. S. (2005). *Kalidasa New Perspective.* Delhi: New Bharatiya Book Corporation.

২০) Sen, S (1960). *A Comparative Grammar of Middle Indo Aryan.* Culcutta: Linguistic Society of India.

২১) Winternitz, M. (1998). *History of Indian Literature, Vol. 2* . Delhi: Motilal Banarsidass.

২২) Woolner, A. C. (1917). *Introduction to Prakrit.* Calcutta: Printed at the Baptist Mission Press.